দুবছৰীয়া স্নাতকোত্তৰ পাঠ্যক্ৰম
(চি. বি. চি. এচ; এন ই পি ২০২০ অনুসৰি)

তৃতীয় ষাণ্মাসিক

ৰাজনৈতিক সমাজবিদ্যা
ৰাজনীতি বিজ্ঞান



সূৰ্য কুমাৰ ভূঞা সমাজ বিজ্ঞান অধ্যয়ন সত্ৰ
কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ

অধ্যাপক ধ্রুৱ প্রতীম শর্মা, গুৱাহাটী বিশ্ববিদ্যালয়
অধ্যাপক জ্যোতিৰাজ পাঠক, কুমাৰ ভাস্কৰ বর্মা সংস্কৃত আৰু পু�ৰাতন অধ্যয়ন বিশ্ববিদ্যালয়
ড° শান্তনু চক্রৱর্তী (অৱসৰপ্রাপ্ত), কটন বিশ্ববিদ্যালয়

সমন্বয়ৰক্ষী ঃ **অধ্যাপক বিপুল দাস,** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৱিহণা যোগাইছে*
১	ড° চুছেংফা গগৈ, উত্তৰ লক্ষিমপুৰ মহাবিদ্যালয়
২	অমৃতা চেতিয়া, এন.ই.এফ. আইন মহাবিদ্যালয়
৩	বনস্মিতা শর্মা, গৱেষিকা ছাত্রী, গুৱাহাটী বিশ্ববিদ্যালয়
৪, ৫, ১৩	ত্রিদিৱ ভৰালী, হৰি গায়ত্রী দাস মহাবিদ্যালয়, আজাৰা
৬, ৭	ৰমেন চন্দ্র নাথ, এম.এছ. ছোৱালী মহাবিদ্যালয়, ৰঙিয়া
৮	ড° পংকজ কুমাৰ শর্মা, কুমাৰ ভাস্কৰ বর্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়, নলবাৰী
৯, ১১, ১২	বনস্মিতা শর্মা, গৱেষিকা ছাত্রী, গুৱাহাটী বিশ্ববিদ্যালয়
১০	ড° পংকজ জ্যোতি গগৈ, আর্য বিদ্যাপীঠ মহাবিদ্যালয়, গুৱাহাটী
১৪	ড° পংকজ কুমাৰ শর্মা, কুমাৰ ভাস্কৰ বর্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়, নলবাৰী

ভাষান্তৰকাৰী

ড° পংকজ কুমাৰ কলিতা,
অসম ডনবস্ক' বিশ্ববিদ্যালয় (*অধ্যায়* ১-১৪)

সম্পাদনা ঃ

বিষয়বস্তু সম্পাদনা ঃ ড° মানসী শর্মা (অৱসৰপ্রাপ্ত) আর্য বিদ্যাপীঠ মহাবিদ্যালয়, গুৱাহাটী

ভাষা সম্পাদনা ঃ লিপিকা শর্মা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় (*অধ্যায়* ২-৬)
ড° অভিজিৎ ভূঞা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
আৰু
শিল্পী পৰাশৰ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় (*অধ্যায়* ৭-১৪)

প্রকাশ ঃ অক্টোৱৰ, ২০২৬

কৃষ্ণ কান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ এই স্ব-শিক্ষণ সামগ্রী ক্রিয়েটিভ কমন্স এটিবিউচন-নন-কমার্চিয়েল-Î ¢ÌÚù±ÝÁ৪.০ লাইচেন্স (আন্তঃৰাষ্ট্রীয়) ঃ http//creativecommons.org/licences/by-nc-sa/4.0 ৰ অধীনত উপলব্ধ কৰা হৈছে। http://creativecommons.org/licenses/by-nc-sa/4.0/

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণীগেট, গুৱাহাটী-৭৮১০১৭
নগৰ কার্যালয় ঃ ৰেচম নগৰ, খানাপাৰা, গুৱাহাটী-৭৮১০২২
Web : www.kkhsou.ac.in

বিষয়সূচী

অধ্যায় ১ঃ **ৰাজনৈতিক সমাজবিদ্যা**

ৰাজনৈতিক সমাজবিদ্যাৰ অর্থ; ৰাজনৈতিক সমাজবিদ্যাৰ প্রকৃতি; ৰাজনৈতিক সমাজবিদ্যাৰ ক্ষেত্র; ৰাজনৈতিক সমাজবিদ্যা আৰু ৰাজনীতি বিজ্ঞানৰ মাজৰ সম্পর্ক; ৰাজনৈতিক সমাজবিদ্যা: মার্ক্সীয় আৰু ৰেবাৰীয় দৃষ্টিভংগী

অধ্যায় ২ঃ **অধ্যয়নৰ বিষয় হিচাপে ৰাজনৈতিক সমাজবিদ্যাৰ বিকাশ**

অধ্যয়নৰ বিষয় হিচাপে ৰাজনৈতিক সমাজবিদ্যাৰ উৎপত্তি আৰু বিকাশ, ৰাজনৈতিক সমাজবিদ্যাৰ বিকাশৰ বাবে দায়ী কাৰকসমূহ; কার্ল মার্ক্সৰ অৱদান; মেক্স ৰেবাৰৰ অৱদান

অধ্যায় ৩ঃ **ৰাজনৈতিক সামাজিকীকৰণ**

ৰাজনৈতিক সামাজিকীকৰণৰ অর্থ আৰু প্রকৃতি; ৰাজনৈতিক সামাজিকীকৰণৰ এজেণ্টসমূহ; ৰাজনৈতিক সামাজিকীকৰণৰ ৰূপসমূহ; ৰাজনৈতিক সামাজিকীকৰণৰ গুৰুত্ব

অধ্যায় ৪ঃ **ৰাজনৈতিক সংস্কৃতি**

ৰাজনৈতিক সংস্কৃতিৰ অর্থ আৰু প্রকৃতি; ৰাজনৈতিক সংস্কৃতিৰ তত্ত্বসমূহ; ৰাজনৈতিক সংস্কৃতিৰ প্রকাৰসমূহ; ৰাজনৈতিক সংস্কৃতিৰ বিকাশ; ৰাজনৈতিক সংস্কৃতিৰ ভূমিকা আৰু প্রয়োজনীয়তা

অধ্যায় ৫ঃ **নাগৰিক সমাজ**

নাগৰিক সমাজৰ অর্থ আৰু প্রকৃতি, ৰাষ্ট্র-নাগৰিক সমাজৰ দ্বৈততা; নাগৰিক সমাজৰ প্রকৃতি

অধ্যায় ৬ঃ **ৰাজনৈতিক অংশগ্রহণ**

ৰাজনৈতিক অংশগ্রহণ— ইয়াৰ অর্থ আৰু সংজ্ঞাসমূহ; ৰাজনৈতিক অংশগ্রহণৰ প্রকৃতি; ৰাজনৈতিক অংশগ্রহণৰ পর্যায়সমূহ; ৰাজনৈতিক অংশগ্রহণৰ ৰূপসমূহ; ৰাজনৈতিক অংশগ্রহণৰ নির্ণায়কসমূহ; ৰাজনৈতিক অংশগ্রহণৰ গুৰুত্ব

অধ্যায় ৭ঃ **সামাজিক পৰিৱর্তন**

সামাজিক পৰিৱর্তনৰ অর্থ আৰু সংজ্ঞা; সামাজিক পৰিৱর্তনৰ স্বভাৱ; সামাজিক পৰিৱর্তনৰ তত্ত্বসমূহ, বিবর্তনমূলক তত্ত্ব, চক্রীয় তত্ত্ব, কার্য্যকৰী/ সন্তুলন তত্ত্ব, মার্ক্সীয় তত্ত্ব বা সংঘাত তত্ত্ব; সামাজিক পৰিৱর্তনৰ কাৰকবৃন্দ, অভিজাত শ্রেণী, গণসমাজ, সামাজিক আন্দোলনসমূহ, ৰাজনৈতিক দলসমূহ, চাপ গোট, আনোলাতন্ত্র, নাগৰিক সমাজ; সামাজিক পৰিৱর্তনৰ প্রতিৰোধ

অধ্যায় ৮ঃ **হিংসা**

হিংসাৰ অর্থ আৰু স্বভাৱ; হিংসাৰ তত্ত্বসমূহ আৰু ৰূপসমূহ, হিংসাৰ বিভিন্ন তত্ত্ব, হিংসাৰ ৰূপসমূহ; হিংসাৰ সংস্কৃতি; সমাজত হিংসাৰ প্রভাৱ

অধ্যায় ৯ ঃ ভাৰতত কৃষিভিত্তিক শ্ৰেণী গাঁথনি আৰু গ্ৰাম্য নেতৃত্ব

ভাৰতত কৃষিভিত্তিক শ্ৰেণী গাঁথনিৰ স্বৰূপ; স্বাধীনতাৰ পিছৰ ভাৰতত গ্ৰাম্য ৰূপান্তৰত ৰাষ্ট্ৰৰ হস্তক্ষেপ; ভাৰতত গ্ৰাম্য নেতৃত্বৰ পৰিৱৰ্তনশীল গতিশীলতা আৰু উদীয়মান ধাৰা

অধ্যায় ১০ ঃ নগৰ-ঔদ্যোগিক শ্ৰেণী গাঁথনি: মধ্যবিত্ত শ্ৰেণী উত্থান

ভাৰতত নগৰীয়া মধ্যবিত্ত শ্ৰেণীৰ উদ্ভৱ; নগৰীয়া মধ্যবিত্ত শ্ৰেণীৰ ভূমিকা আৰু ভাৰতীয় সমাজৰ ওপৰত ইয়াৰ প্ৰভাৱ; ভাৰতত নগৰীয়া মধ্যবিত্ত শ্ৰেণীৰ ভৱিষ্যৎ

অধ্যায় ১১ ঃ ভাৰতত জনসংখ্যাগত পৰিৱৰ্তন

ভাৰতত জনসংখ্যাগত পৰিৱৰ্তনৰ অৰ্থ আৰু স্বভাৱ; ভাৰতত জনসংখ্যাগত পৰিৱৰ্তনৰ বাবে দায়ী কাৰকসমূহ; সামাজিক-অৰ্থনৈতিক আৰু ৰাজনৈতিক ক্ষেত্ৰত জনসংখ্যাগত পৰিৱৰ্তনৰ প্ৰভাৱ

অধ্যায় ১২ ঃ প্ৰব্ৰজন

প্ৰব্ৰজনৰ অৰ্থ আৰু স্বভাৱ; গ্ৰাম্য-চহৰ প্ৰব্ৰজন; আন্তঃৰাজ্যিক প্ৰব্ৰজন; প্ৰব্ৰজন প্ৰভাৱ; ভাৰতত প্ৰব্ৰজন নিয়ন্ত্ৰণৰ ব্যৱস্থা

অধ্যায় ১৩ ঃ ভাৰতত ঘৰুৱা হিংসা আৰু আইনী সু�ৰক্ষা

ঘৰুৱা হিংসাৰ অৰ্থ আৰু স্বভাৱ; ঘৰুৱা হিংসা সংঘটিত হোৱাৰ বাবে দায়ী কাৰকসমূহ; ভাৰতত ঘৰুৱা হিংসা ৰোধৰ ব্যৱস্থা ঃ আইনী বিধানসমূহ

অধ্যায় ১৪ ঃ ভাৰতত শিশু শ্ৰমিকৰ সমস্যা

ভাৰতত শিশু শ্ৰমিকৰ স্বভাৱ; ভাৰতত শিশু শ্ৰমিকৰ ৰূপসমূহ; ভাৰতত শিশু শ্ৰমিকৰ উদ্ভৱৰ বাবে দায়ী কাৰকসমূহ; ভাৰতত শিশু শ্ৰমিকৰ বিৰুদ্ধে সাংবিধানিক ব্যৱস্থা

অধ্যায় ১ ঃ ৰাজনৈতিক সমাজবিদ্যা

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য
১.২ পৰিচয়
১.৩ ৰাজনৈতিক সমাজবিদ্যাৰ অর্থ
১.৪ ৰাজনৈতিক সমাজবিদ্যাৰ প্রকৃতি
১.৫ ৰাজনৈতিক সমাজবিদ্যাৰ ক্ষেত্র
১.৬ ৰাজনৈতিক সমাজবিদ্যা আৰু ৰাজনীতি বিজ্ঞানৰ মাজৰ সম্পর্ক
১.৭ ৰাজনৈতিক সমাজবিদ্যা: মার্ক্সীয় আৰু ৰেবাৰীয় দৃষ্টিভংগী
১.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১.৯ অধিক জানিবলৈ
১.১০ অগ্রগতিৰ খতিয়ান
১.১১ আৰ্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ৰাজনৈতিক সমাজবিদ্যাৰ অর্থ ব্যাখ্যা কৰিব পাৰিব।
- ৰাজনৈতিক সমাজবিদ্যাৰ স্বভাৰ আৰু ক্ষেত্র (Scope) আলোচনা কৰিবলৈ পাৰিব।
- ৰাজনৈতিক সমাজবিদ্যা আৰু ৰাজনীতি বিজ্ঞানৰ সম্পর্ক বর্ণনা কৰিবলৈ পাৰিব।
- ৰাজনৈতিক সমাজবিদ্যা সম্পর্কে মার্ক্সীয় আৰু ৰেবাৰীয় দৃষ্টিভংগীৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব।

১.২ পৰিচয়

এই অধ্যায়টো হৈছে ৰাজনৈতিক সমাজবিদ্যা আৰু ইয়াৰ প্রকৃতি অধ্যয়নৰ এটা পৰিচয়। ই শিক্ষার্থীসকলক ৰাজনৈতিক সমাজবিদ্যাৰ অর্থ, প্রকৃতি আৰু ক্ষেত্র আৰু ৰাজনৈতিক সমাজবিদ্যা আৰু ৰাজনীতি বিজ্ঞানৰ মাজৰ সম্পর্ক বুজিবলৈ সহায় কৰিব। এই অধ্যায়টোৱে ৰাজনৈতিক সমাজবিদ্যাৰ দুটা ভিন্ন দৃষ্টিভংগীক প্রধান্য দিব।

ৰাজনৈতিক সমাজবিদ্যাই চৰকাৰ আৰু সমাজ, সিদ্ধান্ত গ্রহণকাৰী কর্তৃপক্ষ আৰু বিৰোধী সামাজিক শক্তি আৰু স্বার্থসমূহৰ মাজত হোৱা আন্তঃকার্য প্রক্রিয়া বুজিবলৈ চেষ্টা কৰে। ই হৈছে ৰাজনীতি আৰু সমাজৰ মাজত; ৰাজনৈতিক প্রণালী আৰু ইয়াৰ সামাজিক-আর্থিক আৰু সাংস্কৃতিক পৰিৱেশৰ মাজত হোৱা আন্তঃকার্য আৰু সংযোগৰ অধ্যয়ন। ই সংঘাত পৰিচালনা, স্বার্থ আৰু সমস্যাসমূহৰ প্রকাশ আৰু ৰাজনৈতিক একীকৰণ আৰু সংগঠনৰ সৈতে সম্পর্কিত সমস্যাবোৰৰ সৈতে জড়িত।

১.৩ ৰাজনৈতিক সমাজবিদ্যাৰ অর্থ

ৰাজনৈতিক সমাজবিদ্যাৰ প্রকৃতি, উৎপত্তি আৰু পৰিসৰ বিভিন্ন ৰাজনৈতিক সমাজবিদ্বানৰ দ্বাৰা ভিন্নভাৱে ব্যাখ্যা কৰা হৈছে। এটা শাখা হিচাপে, ৰাজনৈতিক সমাজবিদ্যাৰ উদ্দেশ্য হৈছে ৰাজনীতি আৰু সমাজৰ মাজত হোৱা আন্তঃকার্য পৰীক্ষা কৰা। মূলত, ৰাজনৈতিক সমাজবিদ্যা চৰকাৰ আৰু সমাজ, সিদ্ধান্ত গ্রহণকাৰী কর্তৃপক্ষ আৰু ভিন্ন সামাজিক শক্তি আৰু স্বার্থসমূহৰ মাজত হোৱা আন্তঃসংযোগৰ প্রক্রিয়া বুজিবলৈ চেষ্টা কৰে। ইয়াক

ৰাজনীতি আৰু সভ্যতাৰ মাজত থকা সম্পৰ্ক আৰু আন্তঃকাৰ্যৰ অধ্যয়ন হিচাপেও গণ্য কৰা হয়, লগতে এটা ৰাজনৈতিক প্ৰণালীৰ সৈতে ইয়াৰ সামাজিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক পৰিৱেশৰ মাজত থকা সম্পৰ্কৰ অধ্যয়ন হিচাপেও গণ্য কৰা হয়। অধ্যয়নৰ বিষয়া হিচাপে, ই সংঘাত পৰিচালনা, স্বাৰ্থ আৰু সমস্যাসমূহৰ প্ৰকাশ আৰু ৰাজনৈতিক একীকৰণ আৰু দাবীসমূহৰ সংগঠনৰ সৈতে সম্পৰ্কিত সমস্যাসমূহ আলোচনা কৰে। ৰাজনৈতিক সমাজবিদ্যাই সমাজবিদ্যা আৰু ৰাজনীতি বিজ্ঞান এই দুটা বিষয়ক সংযুক্ত কৰিবলৈ চেষ্টা কৰে। ই সামাজিক আৰু ৰাজনৈতিক দুয়োটা পৰিৱৰ্তনশীলক সমান গুৰুত্ব দি সমাজবিদ্যা আৰু ৰাজনীতি বিজ্ঞানৰ মাজত এটা দুপথীয়া সম্পৰ্ক বিকাশ কৰে। উদাহৰণস্বৰূপে, আমি দলীয় প্ৰণালীৰ বিষয়ে আলোচনা কৰিব পাৰো, যিটো ৰাজনৈতিক সমাজবিদ্যাৰ মতে তৎক্ষণাৎ সামাজিক—আৰ্থিক পৰিৱেশৰ এটা উৎপাদন। সেইদৰে একে সময়তে, ই এয়াও বুজায় যে দলীয় প্ৰণালীয়ে সমাজৰ ওপৰত কেনেদৰে প্ৰভাৱ পেলায়। সেয়ে, ই সমাজ আৰু ইয়াৰ ৰাজনীতিৰ জটিলতাৰ বিষয়ে এটা সামগ্ৰিক ছবি প্ৰদান কৰে। কিন্তু ৰাজনীতিৰ সমাজবিদ্যা আৰু ৰাজনৈতিক সমাজবিদ্যাৰ মাজত এটা পদ্ধতিগত ভিন্নতা আছে। ৰাজনীতিৰ সমাজবিদ্যাই কয়, সমাজে কেনেদৰে ৰাজনীতিক প্ৰভাৱিত কৰে; যেতিয়া ৰাজনৈতিক সমাজবিদ্যাই মূলত সমাজৰ ওপৰত ৰাজনীতিৰ ভূমিকা ওপৰত গুৰুত্ব আৰোপ কৰে। পৰিস্থিতিটো স্পষ্ট কৰিবলৈ এটা উদাহৰণ লওঁ। আমি ভাৰতীয় জাতি প্ৰথাৰ প্ৰসংগ উল্লেখ কৰিব পাৰো। ৰাজনীতিৰ সমাজবিদ্যাই ভাৰতীয় জাতি প্ৰথা উল্লেখ কৰোতে প্ৰধানকৈ বুজায় যে জাতিয়ে কেনেদৰে ভাৰতীয় ৰাজনীতিত প্ৰভাৱ পেলায়, আনহাতে ৰাজনৈতিক সমাজবিদ্যায় বুজায় যে ৰাজনীতিয়ে কেনেদৰে জাতি প্ৰথাৰ ওপৰত প্ৰভাৱ পেলায় আৰু তাৰ ফলত জাতিৰ ৰাজনীতিকৰণ ঘটে। ৰাজনীতিৰ সমাজবিদ্যা আৰু ৰাজনৈতিক সমাজবিদ্যাৰ এই ভিন্নতাই আমাৰ বাবে ৰাজনৈতিক সমাজবিদ্যাৰ অৰ্থ অধিক স্পষ্টভাৱে বুজিবলৈ সহায় কৰিব।

আমি জানো যে, ৰাজনৈতিক সমাজবিদ্যা নামৰ বিষয়টো সমাজবিদ্যা আৰু ৰাজনীতি বিজ্ঞানৰ মাজৰ সম্পৰ্কৰ এটা উপ-উৎপাদন । ৰাজনীতি বিজ্ঞানৰ দৰে, ই ৰাজনীতি-সম্পৰ্কিত সমস্যাসমূহকো সম্বোধন কৰে। যদিও এনেকে কোৱা নহয় যে দুয়োৰ মাজত কোনো ভিন্নতা নাই। দুয়োটা বিষয় বহু ক্ষেত্ৰতে ভিন্ন। ৰাজনীতি বিজ্ঞান মূলত নিজস্ব ৰূপত ৰাজনৈতিক প্ৰতিষ্ঠানসমূহৰ ওপৰত কেন্দ্ৰিত হয়, যেতিয়া ৰাজনৈতিক সমাজবিদ্বানসকলে সাধাৰণতে ৰাজনৈতিক প্ৰতিষ্ঠান আৰু সমাজৰ মাজত, আৰু বিশেষকৈ অন্য সামাজিক প্ৰতিষ্ঠানৰ সৈতে থকা সম্পৰ্কত গুৰুত্ব আৰোপ কৰে। ৰাজনৈতিক সমাজবিদ্যা নিজৰ অধ্যয়নত আন্তঃবিষয়ক দৃষ্টিভংগীৰ ওপৰত গুৰুত্ব আৰোপ কৰিবলৈ প্ৰবণ। ইয়াৰ স্বভাৱ আন্তঃবিষয়ক হোৱাৰ বাবে, ই নিজৰ অধ্যয়নত বিস্তৃত আৰু ঐতিহাসিক পৰিসৰ অন্তৰ্ভুক্ত কৰে। তথাপি, এই শাখাটোৰ মূল লক্ষ্য হৈছে মানুহৰ সমাজসমূহৰ ভিতৰত সংঘটিত হোৱা ৰাজনৈতিক প্ৰক্ৰিয়াবোৰ অধ্যয়ন কৰা। ৰাজনৈতিক সমাজবিদ্যা ৰাজ্য আৰু সমাজৰ মাজত থকা আন্তঃকাৰ্যৰ ওপৰত আধাৰিত সম্পৰ্কৰ সৈতে জড়িত।

মূলতঃ, ৰাজনৈতিক সমাজবিদ্যাই তলত উল্লেখ কৰা অধ্যয়ন ক্ষেত্ৰসমূহত মনোনিৱেশ কৰে, সামাজিক আৰু ৰাজনৈতিক দৃষ্টিভংগী (political culture অন্তৰ্ভুক্ত কৰি), ৰাজনৈতিক প্ৰতিযোগিতাৰ সামাজিক উৎস (social cleavages আৰু identities অন্তৰ্ভুক্ত কৰি), ৰাজনৈতিক প্ৰতিষ্ঠানসমূহৰ গঠন, পৰিৱৰ্তন আৰু সংৰক্ষণৰ সামাজিক ভিত্তি (democracy আৰু welfare states অন্তৰ্ভুক্ত কৰি), ৰাজনৈতিক অংশগ্ৰহণ আৰু প্ৰতিযোগিতাৰ প্ৰক্ৰিয়া (elections আৰু protest politics অন্তৰ্ভুক্ত কৰি)।

এতিয়া আমি ৰাজনৈতিক সমাজবিদ্যাৰ কিছুমান গুৰুত্বপূৰ্ণ সংজ্ঞা আলোচনা কৰোঁ।

a) Robert, E. Dowse আৰু John A. Hughes ৰ মতে: "ৰাজনৈতিক সমাজবিদ্যা হৈছে সমাজবিদ্যাগত দৃষ্টিভংগীৰ প্ৰসংগত ৰাজনৈতিক আচৰণৰ অধ্যয়ন।"

b) Smelser N. J. ৰ মতে, "ৰাজনৈতিক সমাজবিদ্যা হৈছে সমাজ আৰু ৰাজনীতিৰ মাজত, সামাজিক গঠনসমূহ আৰু ৰাজনৈতিক প্ৰতিষ্ঠানসমূহৰ মাজত থকা আন্তঃসম্পৰ্কৰ অধ্যয়ন।"

c) A.K. Mukhopadhyaya ৰ মতে, "ৰাজনৈতিক সমাজবিদ্যা হৈছে সমাজবিদ্যা আৰু ৰাজনীতি বিজ্ঞানৰ মাজত হোৱা বিবাহৰ পৰা জন্ম হোৱা সন্তান, আৰু মানুহৰ সমস্যাসমূহৰ দৰে ইয়াক কেৱল মাতৃ-পিতৃসুলভ গুণসমূহৰ দ্বাৰা নিৰ্ধাৰিত কৰি বৰ্ণনা কৰিব নোৱাৰি।"

d) Keith, Faulks ৰ মতে, "সৰ্বাধিক বিস্তৃত স্তৰত, ৰাজনৈতিক সমাজবিদ্যা ৰাজনীতি আৰু সমাজৰ মাজত থকা সম্পৰ্কৰ সৈতে সম্পৃক্ত। সামাজিক বিজ্ঞানসমূহৰ ভিতৰত ইয়াৰ বিশেষত্ব নিহিত আছে এই স্বীকৃতিত যে ৰাজনৈতিক কৰ্তাসকল, যাৰ ভিতৰত দলসমূহ, চাপ গোটসমূহ আৰু সামাজিক আন্দোলনসমূহ অন্তৰ্ভুক্ত, বিস্তৃত সামাজিক পৰিপ্ৰেক্ষিতত কাৰ্য কৰে।"

সংজ্ঞাসমূহৰ পৰা কিছু নিৰ্দিষ্ট উপসংহাৰ পোৱা যায় যেনে— ৰাজনৈতিক সমাজবিদ্যাৰ মুখ্য চিন্তা হৈছে সমাজ আৰু ৰাজনীতিৰ মাজত থকা আন্তঃসংযোগ অধ্যয়ন কৰা। ইয়াত সামাজিক প্ৰতিষ্ঠানসমূহৰ সৈতে ৰাজনৈতিক প্ৰতিষ্ঠানসমূহৰ মাজত থকা আন্তঃসম্পৰ্ক আলোচনা কৰা হয়। ইয়াত বিবেচনা কৰা হয় যে কেনেকৈ ৰাজনৈতিক প্ৰতিষ্ঠানসমূহ (উভয় আনুষ্ঠানিক তথা অনানুষ্ঠানিক) ক সামাজিক পৰিপ্ৰেক্ষিতৰ এটা উৎপাদন হিচাপে আলোচনা কৰিব পৰা যায়। অধ্যায়টোৰ পৰৱৰ্তী অংশত (১.৪) আমি ৰাজনৈতিক সমাজবিদ্যাৰ স্বভাৱ বিষয়ে আলোচনা কৰিম।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ৰাজনৈতিক সমাজবিদ্যা বুলিলে আপুনি কি বুজে?

প্ৰশ্ন নং ২ ঃ ৰাজনৈতিক সমাজবিদ্যা সমাজবিদ্যা আৰু ৰাজনীতি বিজ্ঞানৰ মাজত থকা সম্পৰ্কৰ এটা উপজাত। (শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন নং ৩ ঃ "ৰাজনৈতিক সমাজবিদ্যা হৈছে সমাজবিদ্যাগত দৃষ্টিভংগীৰ প্ৰসংগত ৰাজনৈতিক আচৰণৰ অধ্যয়ন।" - এই কথাটো কোনে কৈছিল?

প্ৰশ্ন নং ৪ ঃ কিয় ৰাজনৈতিক সমাজবিদ্যাক ৰাজনীতি বিজ্ঞান আৰু সমাজবিদ্যাৰ উপজাত বুলি কোৱা হয়? (৫০ টা শব্দৰ ভিতৰত লিখক)

১.৪ ৰাজনৈতিক সমাজবিদ্যাৰ প্ৰকৃতি

পূৰ্বৱৰ্তী অংশত আমি ৰাজনৈতিক সমাজবিদ্যাৰ অৰ্থৰ বিষয়ে জানিলোঁ। এতিয়া আমি ৰাজনৈতিক সমাজবিদ্যাৰ কিছুমান গুৰুত্বপূৰ্ণ বৈশিষ্ট্যৰ বিষয়ে আলোচনা কৰোঁ আহক।

১. প্ৰসিদ্ধ ৰাজনৈতিক সমাজবিদ লিপচেট আৰু বেণ্ডিক্সে ৰাজনৈতিক সমাজবিদ্যাৰ দুটা বৈশিষ্ট্য আলোচনা কৰিছিল। প্ৰথমতে, ৰাজনৈতিক সমাজবিদ্যাই সমাজৰ সৈতে ৰাজনৈতিকৰ সম্পৰ্ক অধ্যয়ন কৰে আৰু দ্বিতীয়তে, ৰাজনৈতিক সমাজবিদ্যা বুজি পোৱা নাযায় যদি ইয়াক সামাজিকৰ সৈতে সম্পৰ্কিত নকৰা হয়। আমি এই আলোচনাৰ পৰা বুজিব পাৰোঁ যে, ৰাজনৈতিক সমাজবিদ্যাই শাস্ত্ৰ হিচাপে ৰাজনৈতিক ঘটনাবোৰক সংজ্ঞায়িত কৰাৰ চেষ্টা কৰে, যি বাধ্যতামূলকভাৱে ইয়াৰ সামাজিক নিৰ্ধাৰকসকলৰ সৈতে সম্পৰ্কিত হয়।

২. ৰাজনৈতিক সমাজবিদ্যা ৰাজনীতি বিজ্ঞান নহয়, কাৰণ, পাছৰটোৰ (ৰাজনীতি বিজ্ঞান) বিপৰীতে ই ৰাষ্ট্ৰ-শাস্ত্ৰ বা ৰাজনৈতিক কৰ্মশিল্পৰ অধ্যয়ন নহয়। আমি আলোচনা কৰাৰ দৰে, ৰাজনীতি বিজ্ঞানে অধ্যয়ন কৰা বিষয়সমূহ কেৱল ৰাজনৈতিক স্বভাৱৰ হয়, কিন্তু ৰাজনৈতিক সমাজবিদ্যাই ৰাজনীতিৰ লগতে সামাজিক উপাদানসমূহকো সমান গুৰুত্ব দিয়ে।

৩. ৰাজনৈতিক সমাজবিদ্যাৰ আন এটা গুৰুত্বপূৰ্ণ স্বভাৱ হ'ল এইটো বিশ্বাস যে সামাজিক প্ৰক্ৰিয়া আৰু ৰাজনৈতিক প্ৰক্ৰিয়াৰ মাজত এটা পাৰ্থক্য আছে। সেয়েহে, ইয়াৰ অধ্যয়ন কাঠামোৰ ভিতৰত, ই ৰাষ্ট্ৰ আৰু সমাজৰ মাজত থকা এই পৰম্পৰাগত দ্বৈততাক সমাধান কৰিবলৈ চেষ্টা কৰে।

৪. ৰাজনৈতিক সমাজবিদ্যা কেৱল সমাজৰ সৈতে নহয়, ৰাজনীতিৰ সৈতেও সংযুক্ত। ৰাজনৈতিক সমাজবিদ্যাক সমাজবিদ্যা আৰু ৰাজনীতি বিজ্ঞানৰ এক মিশ্ৰণৰ ফলস্বৰূপ বুলিও চিহ্নিত কৰিব পাৰি, যি সমাজৰ ৰাজনীতিত প্ৰভাৱক অধ্যয়ন কৰে আৰু তাৰ বিপৰীতে সমাজৰ ৰূপত ৰাজনীতিৰ মূল বস্তুবোৰক পৰীক্ষা কৰি বিশ্লেষণ কৰে।

৫. ৰাজনৈতিক সমাজবিদ্যা মূলতঃ ৰাজনৈতিক সমাজৰ বিকাশ লৈ চিন্তিত, যাৰ বিষয়ে ৰাজনীতি বিজ্ঞানো সমানভাৱে সচেতন। কিন্তু ৰাজনৈতিক সমাজবিদ্যাই ৰাষ্ট্রসহ ৰাজনৈতিক সমাজৰ সকলো অংগৰ বিকাশ আৰু কার্যক সামাজিক নিয়ন্ত্রণৰ এটা ফলস্বৰূপ বুলি গণ্য কৰে। ই সামাজিক নিয়ন্ত্রণৰ অংগসমূহে ৰাজনৈতিক সমাজসমূহৰ ওপৰত সৃষ্ট কৰা পৰিৱর্তনসমূহ অধ্যয়ন কৰাতো আগ্রহী, যিবোৰে তেওঁলোকক সমাজৰ গঠনভুক্ত কৰিব পৰা যায়। ই একেদৰে প্রতিদ্বন্দ্বী সামাজিক স্বার্থসমূহৰ মাজত উদ্ভৱ হোৱা সংঘাত আৰু সেইবোৰে সমাজৰ ৰাজনৈতিক প্রতিষ্ঠানসমূহৰ জৰিয়তে বিচৰা আৰু লাভ কৰা সমন্বয়ৰ সৈতে সম্পর্কিত।

৬. ৰাজনৈতিক সমাজবিদ্যাৰ এটা গুৰুত্বপূর্ণ বৈশিষ্ট্য হ'ল যে ই গণতান্ত্রিক ৰাজনৈতিক প্রণালীৰ স্থিৰতা নিশ্চিত কৰিবলৈ চেষ্টা কৰে। এই বিষয়কেন্দ্রিক হৈ ৰাজনৈতিক সমাজবিদসকলে ৰাজনৈতিক ক্ষেত্রক এটা বৈধ প্রক্রিয়া বুলি বিবেচনা কৰে, কাৰণ ই সংঘাতৰ সময়ত ঐক্যমত বিকাশৰ লক্ষ্যত নিয়োজিত প্রাকৃতিক সামাজিক প্রক্রিয়াৰ আধাৰতো কার্য কৰে।

৭. ৰাজনৈতিক সমাজবিদ্যাই তুলনামূলক ৰাজনৈতিক বিশ্লেষণত এটা নতুন দিশ প্রস্তাৱ কৰিছে। ৰাজনৈতিক সমাজবিদ্যাৰ দৃষ্টিভংগী প্রাতিষ্ঠানিকতাবাদ আৰু আচৰণবাদৰ পৰা ভিন্ন। প্রাতিষ্ঠানিকতাবাদীয়ে মূলতঃ ৰাজনৈতিক সংগঠনৰ প্রতিষ্ঠানিক ধৰণসমূহৰ বিষয়ে চিন্তিত হৈ আহিছে আৰু তেওঁলোকৰ অধ্যয়ন আইনীভাৱে আৰু আনুষ্ঠানিকভাৱে বৈশিষ্ট্য মণ্ডিত হৈছে। আচৰণবাদীসকলে আনহাতে, ৰাজনৈতিক মাটিত ব্যক্তিগত কর্তাসকলক গুৰুত্ব আৰোপ কৰিছে। তেওঁলোকৰ মূল চিন্তা হ'ল উদ্দেশ্য, গ্রহণশীলতা, মনোভাব আৰু ব্যক্তিসকলৰ ভূমিকা। ৰাজনৈতিক সমাজবিদ্যাই উভয়তে তথা এই দুয়ো উপাদানৰ পাৰস্পৰিক নির্ভৰশীলতাত গুৰুত্ব আৰোপ কৰে।

৮. "ৰাজনৈতিক সমাজবিদ্যা" শব্দটোক সমাজবিদ্যা আৰু ৰাজনীতি বিজ্ঞান উভয় ক্ষেত্রতেই স্বীকৃতি দিয়া হৈছে, ফলত এই দুই বিজ্ঞানৰ মাজত এটা ওপৰা-উপৰি বিদ্যমান। ৰাজনৈতিক বিজ্ঞানীগণ মূলতঃ ক্ষমতাৰ বিভিন্ন দিশ আৰু ইয়াৰ বণ্টনত প্রভাৱ পেলোৱা কাৰকসমূহৰ বিষয়ে চিন্তিত। আনহাতে, সমাজবিদ্যাগত দিশৰ গৱেষকসকল সমাজিক নিয়ন্ত্রণৰ বিষয়ত অধিক গুৰুত্ব আৰোপ কৰে, যিয়ে সমাজৰ মূল্যবোধ আৰু নিয়মৰ মাজৰ সম্পর্ক নিয়ন্ত্রণ কৰে। তেওঁলোকৰ গুৰুত্ব সমাজিক সম্পর্কত, আনুষ্ঠানিক গঠন আৰু আইনী সংজ্ঞাত নহয়।

৯. ৰাজনৈতিক সমাজবিদ্যাৰ উদ্ভৱকালৰ পৰা ৰাজনৈতিক প্রক্রিয়া আৰু প্রতিষ্ঠানসমূহৰ বিশ্লেষণ ইয়াৰ এটা প্রধান চিন্তাৰ ক্ষেত্র হৈ আহিছে। সেয়ে বহু সমাজবিদ আৰু বহু ৰাজনৈতিক গৱেষকে এই কথা লৈ বিতর্ক কৰিছে আৰু একমত হৈছে যে ৰাজনৈতিক প্রক্রিয়াসমূহক মানসিক আৰু সমাজবিদ্যাগত সম্পর্কৰ সৈতে সম্পর্কিতভাৱে অধ্যয়ন কৰা কঠিন। সেয়েহে, ৰাজনৈতিক সমাজবিদ্যাই এই আন্তঃবিষয়ক চিন্তাৰ বিশ্লেষণৰ বাবে এটা অধ্যয়নৰ কাঠামো আৰম্ভ কৰিছিল।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ Lipset আৰু Bendix-ৰ মতে ৰাজনৈতিক সমাজবিদ্যাৰ দুটা বৈশিষ্ট্য কি কি?

প্রশ্ন নং ৬ ঃ ৰাজনৈতিক সমাজবিদ্যা কেৱল ৰাজনীতি বিজ্ঞান নহয় — (শুদ্ধ/অশুদ্ধ)।

প্রশ্ন নং ৭ ঃ ৰাজনৈতিক সমাজবিদ্যাৰ চাৰিটা স্বভাৱ আলোচনা কৰক। (৫০ টা শব্দৰ ভিতৰত)

প্রশ্ন নং ৮ ঃ কেনেদৰে ৰাজনৈতিক সমাজবিদ্যা প্রাতিষ্ঠানিকতাবাদ আৰু ব্যৱহাৰবাদৰ পৰা ভিন্ন? (৫০ টা শব্দৰ ভিতৰত)

১.৫ ৰাজনৈতিক সমাজবিদ্যাৰ ক্ষেত্র

অধ্যায়ৰ পূর্বৱর্তী অংশত, আমি ৰাজনৈতিক সমাজবিদ্যাৰ গুৰুত্বপূর্ণ স্বভাৱ সম্পর্কে বাখ্যা কৰিছোঁ। এতিয়া আমি ৰাজনৈতিক সমাজবিদ্যাৰ ক্ষেত্র আলোচনা কৰোঁ আহক। দেখা গৈছে যে ৰাজনৈতিক সমাজবিদ্যাৰ

এটা বিস্তৃত ক্ষেত্ৰ আছে যি তলত বৰ্ণনা কৰিব পাৰি:

১. ৰাজনৈতিক সমাজবিদ্যাৰ অধ্যয়ন জনসাধাৰণৰ মাধ্যমৰ জৰিয়তে সিদ্ধান্তগ্ৰহণ প্ৰক্ৰিয়াৰ সৈতে সম্পৰ্কিত। সিদ্ধান্তগ্ৰহণ প্ৰক্ৰিয়া সম্পৰ্কে আলোচনা কৰোঁতে, ই অৰ্থনৈতিক কাৰকৰ সৈতে সামাজিক শক্তিসমূহকো গণ্য কৰে, যিবোৰ ধন, বজাৰ আৰু আন সম্পদ আদি শক্তিৰ দ্বাৰা নিয়ন্ত্ৰিত হয়। ৰাজনৈতিক সমাজবিদ্যায়ে সিদ্ধান্তগ্ৰহণকাৰীসকলৰ বৈধ ক্ষমতা বিশ্লেষণ কৰে, বিশেষকৈ তেওঁলোকে যিসকলৰ ওপৰত নিজৰ কৰ্তৃত্ব দাবী কৰে, সেইসকলৰ ওপৰত নিয়ন্ত্ৰণ সংগঠিত কৰাৰ ক্ষেত্ৰত।

২. ৰাজনৈতিক সমাজবিদ্যাই সেই ৰাজনৈতিক ব্যৱস্থাসমূহৰ বিষয়ে আলোচনা কৰে যিবোৰ সামাজিক সংগঠন আৰু সাংস্কৃতিক মূল্যবোধৰ ওপৰত নিৰ্ভৰশীল। অধ্যয়নৰ বিষয় হিচাপে, ই চৰকাৰ আৰু আইনৰ আনুষ্ঠানিক দিশসমূহত কম গুৰুত্ব আৰোপ কৰে, বৰং সমাজত এই প্ৰতিষ্ঠানসমূহৰ আধাৰভূত সমৰ্থনত অধিক গুৰুত্ব দিয়ে। ৰাজনৈতিক সমাজবিদসকলে ব্যক্তিসকলৰ ৰাজনীতিত অংশগ্ৰহণ অধ্যয়ন কৰাত আগ্ৰহ প্ৰদৰ্শন কৰে। উদাহৰণস্বৰূপে, এই শাস্ত্ৰই বিশেষকৈ ব্যক্তিসকলৰ অংশগ্ৰহণক কেনেদৰে আৰু কিয় ৰাজনৈতিক বিকল্প হিচাপে গণ্য কৰা উচিত, তাৰ বিষয়ে আগ্ৰহী হয়।

৩. এই শাস্ত্ৰৰ আন এটা গুৰুত্বপূৰ্ণ ক্ষেত্ৰ হ'ল যে ই ৰাজনীতিত বিভিন্ন ধৰণৰ সংগঠিত দলৰ বিষয়ে আৰু সিহঁতৰ মাজত হোৱা আন্তঃসম্পৰ্কৰ বিষয়ে অধ্যয়ন কৰে। ইয়াত দলসমূহ আৰু আন্দোলনসমূহে ৰাজনৈতিক ব্যৱস্থাত পৰিৱৰ্তন ঘটোৱাত বা স্থিৰতা অনাত যি প্ৰভাৱ পেলায়, তাকো প্ৰধানকৈ প্ৰদৰ্শন কৰিবলৈ চেষ্টা কৰা হয়।

৪. ৰাজনৈতিক সমাজবিদ্যাই ৰাজনৈতিক ব্যৱস্থাৰ ধাৰণাৰ বিষয়ে অধ্যয়ন কৰে। ৰাজনৈতিক ব্যৱস্থাৰ অধ্যয়নৰ উদ্দেশ্য হ'ল ৰাজনৈতিক বিশ্লেষণত উৎসাহ সৃষ্টিকৰণ। ইয়াত কেৱল চৰকাৰৰ মুখ্য গঠনসমূহ—যেনে আইনসভা, ন্যায়পালিকা আৰু প্ৰশাসন-অধ্যয়নত গুৰুত্ব দিয়া নহয়, বৰং অন্য অনানুষ্ঠানিক গঠনসমূহ—যেনে জাতিগত দলসমূহ, সম্পৰ্কভিত্তিক দলসমূহ-আৰু আনুষ্ঠানিক সংগঠনসমূহ— যেনে ৰাজনৈতিক দল আৰু স্বাৰ্থগোত্ৰীয় দলসমূহ আদিকো অন্তৰ্ভুক্ত কৰা হয়। ৰাজনৈতিক সমাজবিদ্যাই বিভিন্ন ৰাজনৈতিক গঠনসমূহৰ কাৰ্য বিশ্লেষণ কৰোঁতে গঠন-কাৰ্যকৰ্তাবাদী পদ্ধতি গ্ৰহণ কৰা হৈছিল।

৫. ৰাজনৈতিক সমাজবিদ্যাৰ আন এটা গুৰুত্বপূৰ্ণ ক্ষেত্ৰ হ'ল ৰাজনৈতিক প্ৰক্ৰিয়াৰ অধ্যয়ন। ৰাজনৈতিক প্ৰক্ৰিয়া বুলিলে ৰাজনৈতিক কাৰ্যকলাপৰ বিস্তাৰক বুজায়। ইয়াত ৰাজনৈতিক প্ৰক্ৰিয়া বুলিলে সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত প্ৰাসংগিক সকলো সংস্থাক অৰ্থ কৰা হয়। সেয়েহে, ৰাজনৈতিক প্ৰক্ৰিয়াৰ ওপৰত হোৱা অধ্যয়নত ৰাষ্ট্ৰীয় আৰু অ-ৰাষ্ট্ৰীয় দুয়ো ধৰণৰ সংস্থা অন্তৰ্ভুক্ত কৰা হয়।

৬. ৰাজনৈতিক সমাজবিদ্যাই ক্ষমতাৰ ঘটনা আৰু ইয়াৰ সম্পৰ্কীয় দিশবোৰত বিশেষ গুৰুত্ব আৰোপ কৰে। ক্ষমতা হ'ল সমাজিক যোগাযোগৰ ভিতৰত বিদ্যমান আৰু গুৰুত্বপূৰ্ণ দিশ, যি ব্যক্তি আৰু দলৰ সদস্যসকলৰ মাজৰ সম্পৰ্ক নিৰ্ধাৰণ কৰে। ক্ষমতাৰ অধ্যয়নত অভিজাত আৰু তেওঁলোকৰ নেতৃত্বৰ ধৰণৰ অধ্যয়নো অন্তৰ্ভুক্ত। সেয়ে, ৰাজনৈতিক সমাজবিদ্যাই কেনেকৈ ৰাজনীতি আৰু ক্ষমতাৰ এলিটসকলে সামাজিক সম্পদসমূহক গতিশীল কৰিবলৈ লগতে মানুহৰ প্ৰতি নেতৃত্বৰ ভেদভাবমূলক ভুমিকা পালন কৰি আছে, তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

৭. ৰাজনৈতিক সমাজবিদ্যাৰ আন এটা ডাঙৰ ক্ষেত্ৰ হৈছে ৰাজনৈতিক সংস্কৃতিৰ ৰাজনৈতিক প্ৰণালীত হোৱা প্ৰভাৱ অধ্যয়ন কৰা। ৰাজনৈতিক সংস্কৃতিৰ ধাৰণাসমূহৰ অধ্যয়ন ৰাজনৈতিক বিকাশৰ বিষয়ৰ সমাজবিজ্ঞানীয় দিশৰ পৰ্যালোচনাক গঠন কৰে। ৰাজনৈতিক সংস্কৃতি সমাজৰ মনোভাব, বিশ্বাস, মূল্যবোধ আৰু অনুভূতিসমূহৰ পৰা গঠিত, যি ৰাজনৈতিক প্ৰণালী আৰু ৰাজনীতি-বহিৰ্ভূত বিষয়ৰ সৈতে সম্পৰ্কিত।

৮. ৰাজনৈতিক সমাজীকৰণত অধ্যয়ন কৰাৰ সময়ত ৰাজনৈতিক অংশগ্ৰহণ আৰু ৰাজনৈতিক সংগ্ৰাম অন্তৰ্ভুক্ত হয়। ৰাজনৈতিক অংশগ্ৰহণৰ অৰ্থ হৈছে মানুহে ৰাজনৈতিক প্ৰণালীসমূহত অংশ লোৱা, যাৰ অৰ্থ হৈছে সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়া বা চৰকাৰ গঠন আদি কামত জনসাধাৰণৰ অংশগ্ৰহণৰ সম্ভাৱনা। ৰাজনৈতিক সমাজবিদ্যাই ৰাজনৈতিক সংগ্ৰামো অধ্যয়ন কৰে, যাৰ অৰ্থ হৈছে কেনেদৰে সামাজিক সম্পদসমূহ সংগ্ৰহ

কৰা হয় আৰু কেনেদৰে মানুহক ৰাজনৈতিকভাৱে শিক্ষিত কৰা হয়।

৯. পৰিৱৰ্তনৰ প্ৰক্ৰিয়া সম্পৰ্কীয় অধ্যয়নো ৰাজনৈতিক সমাজবিদ্যাৰ অন্য এটা মুখ্য ক্ষেত্ৰ। ৰাজনৈতিক বিকাশ ৰাজনৈতিক সমাজবিদ্যাৰ এটা গুৰুত্বপূৰ্ণ বিতৰ্কৰ ক্ষেত্ৰ। ইয়াৰ অৰ্থ হৈছে সেই প্ৰক্ৰিয়া যাৰ জৰিয়তে কোনো ৰাজনৈতিক প্ৰণালীয়ে এটা সভ্যতাৰ ভিতৰত নতুন ভুমিকা আৰু মূল্যবোধ গ্ৰহণ কৰে।

১০. ৰাজনৈতিক সমাজবিদ্যাৰ অন্তৰ্গত অন্য এটা গুৰুত্বপূৰ্ণ দিশ হৈছে সামাজিক স্তৰবিভাজন। ইয়াত বৰ্গ, জাতি, লিংগ আৰু স্থিতি আদিৰ দৰে বিভিন্ন সামাজিক স্তৰীবিভাজন পদ্ধতি অধ্যয়ন কৰা হয় আৰু সংগঠিত ৰাজনীতিত ইয়াৰ প্ৰভাৱ বিশ্লেষণ কৰা হয়। সামাজিক স্তৰবিভাজন বুজায় কিদৰে ব্যক্তিৰ সামাজিক স্থিতি নিৰ্ধাৰণ কৰা হয় আৰু তাৰ ৰাজনীতিত প্ৰভাৱ।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৯ ঃ "ৰাজনৈতিক সমাজবিদ্যায়ে সামাজিক সংগঠন আৰু সাংস্কৃতিক মূল্যবোধৰ ওপৰত নিৰ্ভৰশীল ৰাজনৈতিক ব্যৱস্থাসমূহৰ বিষয়ে আলোচনা কৰিছে।" (শুদ্ধ/অশুদ্ধ)।

প্ৰশ্ন নং ১০ ঃ ৰাজনৈতিক সমাজবিদ্যা কিদৰে শক্তিৰ ঘটনাসমূহ অধ্যয়ন কৰে? (৫০ শব্দৰ ভিতৰত)

প্ৰশ্ন নং ১১ ঃ ৰাজনৈতিক সমাজবিদ্যাৰ চাৰিটা ক্ষেত্ৰ আলোচনা কৰক।

১.৬ ৰাজনৈতিক সমাজবিদ্যা আৰু ৰাজনীতি বিজ্ঞানৰ সম্পৰ্ক

ৰাজনীতি বিজ্ঞান আৰু সমাজবিদ্যাৰ মাজত হোৱা আন্তঃবিনিময় ইমানেই গুৰুত্বপূৰ্ণ হৈ পৰিল যে ইয়াৰ পৰা এটা নতুন শব্দৰ জন্ম ঘটিল যাক ৰাজনৈতিক সমাজবিদ্যা বুলি কোৱা হয়। ৰাজনৈতিক সমাজবিদ্যা আৰু ৰাজনীতি বিজ্ঞান পৰস্পৰ নিৰ্ভৰশীল আৰু ঘনিষ্ঠভাৱে সম্পৰ্কিত। ৰাজনৈতিক সমাজবিদ্যা হৈছে এটা দৃষ্টিভংগী যিয়ে ৰাজনীতি বিজ্ঞানৰ সমস্যাবোৰ অধ্যয়ন কৰিবলৈ চেষ্টা কৰে সামাজিক অনুসন্ধানৰ প্ৰেক্ষাপটত, বিশেষকৈ ৰাজনীতি বিজ্ঞানৰ ক্ষেত্ৰসমূহৰ ভিতৰত, যেনে— শ্ৰেণী, গোট, নিৰ্বাচন, নেতৃত্ব আদি। বেণ্ডিক্স আৰু লিপচেটৰ মতে, 'ৰাজনীতি বিজ্ঞান ৰাষ্টৰে আৰম্ভ হয় আৰু সমাজক কেনেদৰে প্ৰভাৱিত কৰে তাক পৰ্যালোচনা কৰে; ৰাজনৈতিক সমাজবিদ্যা সমাজৰে আৰম্ভ হয় আৰু তাক কেনেদৰে ৰাষ্ট্ৰক প্ৰভাৱিত কৰে তাক পৰ্যালোচনা কৰে।' আনহাতে এ. কে. মুখোপাধ্যায়ে (A.K. Mukhopadhaya) মন্তব্য কৰিছে যে, 'ৰাজনৈতিক সমাজবিদ্যা হৈছে সমাজবিদ্যা আৰু ৰাজনীতি বিজ্ঞানৰ বিবাহৰ পৰা জন্ম লোৱা সন্তান আৰু মানুহৰ সমস্যাসমূহৰ দৰে ইয়াক কেৱল ইয়াৰ পিতৃ-মাতৃৰ গুণ-ধৰ্মৰ দ্বাৰা বৰ্ণনা কৰিব নোৱাৰি।' ৰাজনীতি বিজ্ঞান হৈছে ৰাষ্ট্ৰৰ অধ্যয়ন, আনহাতে সমাজবিদ্যা হৈছে সমাজৰ অধ্যয়ন।

ৰাজনৈতিক সমাজবিদ্যা আৰু ৰাজনীতি বিজ্ঞানৰ বিজ্ঞান স্পষ্টভাৱে পৰস্পৰ নিৰ্ভৰশীল। ৰাজনৈতিক সমাজবিদ্যা বিশেষজ্ঞভিত্তিক অনুসন্ধানৰ জৰিয়তে ৰাজনীতি বিজ্ঞানক শক্তিশালী কৰে, যেতিয়া ৰাজনীতি বিজ্ঞানে ৰাজনৈতিক সমাজবিদ্যাৰ বিশেষজ্ঞভিত্তিক অনুসন্ধানসমূহক সমৰ্থন দিয়ে। উভয়ে পৰস্পৰৰ সৈতে সহযোগিতামূলকভাৱে কাম কৰে।

ৰাজনৈতিক সমাজবিদ্যাৰ উদ্ভৱে ৰাষ্ট্ৰ আৰু সমাজৰ মাজৰ বাধাসমূহ ভাঙি দিছে আৰু ৰাজনীতি বিজ্ঞানীসকলক সমাজ আৰু ৰাজনৈতিক সমাজবিদ্যাৰ মাজত এটা প্ৰয়োজনীয় পৰিচয় প্ৰতিষ্ঠা কৰাত সহায় কৰিছে, যাৰ ফলত ৰাজনীতি বিজ্ঞানীত ব্যৱহাৰিক দৃষ্টিভংগীৰ বিকাশ ঘটিছে। আজি, ৰাজনীতি বিজ্ঞানৰ ক্ষেত্ৰই সামাজিক অসংগঠন আৰু সমাজিক নিয়ন্ত্ৰণ আদি অন্তৰ্ভুক্ত কৰাৰ বাবে বিস্তৃত হৈছে। এইদৰে, দুয়োটাৰ মাজত ঘনিষ্ঠ সম্পৰ্ক বিদ্যমান।

১.৭ ৰাজনৈতিক সমাজবিদ্যা: মার্ক্সীয় আৰু ৱেবাৰীয় দৃষ্টিভংগী

দুজন সমাজতত্ত্ববিদৰ নাম বিশেষভাৱে উল্লেখযোগ্য, অর্থাৎ কার্ল মার্ক্স আৰু মেক্স ৱেবাৰ, যিসকলে এই শাস্ত্ৰৰ বিকাশ আৰু উন্নয়নৰ ক্ষেত্ৰত অত্যন্ত গুৰুত্বপূর্ণ অৱদান আগবঢ়াইছে। বাস্তৱতে, তেওঁলোকৰ অৱদানৰ ফলত ৰাজনৈতিক আৰু সামাজিক প্ৰতিষ্ঠানসমূহ আৰু সেইবোৰৰ পাৰস্পৰিক সম্পর্ক অধ্যয়নৰ বাবে এটা পৃথক শাস্ত্ৰৰ বিকাশ ঘটিছে। বিষয়টোৰ বিকাশত তেওঁলোকৰ অৱদান সন্দর্ভত এটা সংক্ষিপ্ত আলোচনা তলত দিয়া হৈছে—

ক) **কার্ল মার্ক্স ঃ** কার্ল মার্ক্স এজন প্ৰসিদ্ধ সমাজ দার্শনিক, সমাজবিজ্ঞানী, অর্থশাস্ত্ৰজ্ঞ, ইতিহাসবিদ আৰু ৰাজনৈতিক তত্ত্বজ্ঞ আছিল। তেওঁ সমাজবিজ্ঞানসহ বিভিন্ন সমাজ বিজ্ঞানৰ বিকাশত গুৰুত্বপূর্ণ অৱদান আগবঢ়াইছে। তেওঁ সমাজতাত্ত্বিক ধাৰণাসমূহত উল্লেখযোগ্য অৱদান আগবঢ়াইছে। তেওঁ সমাজবিজ্ঞানত কেইবাটাও মুখ্য ধাৰণা আগবঢ়াইছে, যেনে— সামাজিক শ্ৰেণী, শ্ৰেণী সংঘাত, শ্ৰেণী সংগ্ৰাম, সামাজিক শোষণ, বিচ্ছিন্নকৰণ আদি। কম্‌তেৰ দৰে, মার্ক্সে যুক্তি দিছিল যে সমাজত সংস্কাৰ আনিবলৈ মানুহে সক্ৰিয় প্ৰচেষ্টা কৰিব লাগে । মার্ক্সৰ মতে অর্থনৈতিক শক্তিসমূহ সমাজত নিয়ন্ত্ৰণ আৰু সামাজিক পৰিৱর্তন অনাৰ বাবে দায়ী। তেওঁ বিশ্বাস কৰিছিল যে মানুহৰ সমাজৰ ইতিহাস হৈছে শ্ৰেণী সংগ্ৰামৰ ইতিহাস। তেওঁ সদায় এটা শ্ৰেণীহীন সমাজৰ সপোন দেখিছিল, য'ত এটা শ্ৰেণীয়ে আন শ্ৰেণীটোক শোষণ আৰু দমন নকৰিব। শ্ৰেণীহীন সমাজত, সকলো ব্যক্তিয়ে নিজৰ সক্ষমতা অনুসৰি কর্ম কৰে আৰু নিজৰ প্ৰয়োজন অনুসৰি লাভ কৰে। সেইদৰে, তেওঁৰ অৱদান ৰাজনৈতিক সমাজবিজ্ঞানৰ বিকাশত অত্যন্ত গুৰুত্বপূর্ণ। তেওঁৰ ধাৰণাসমূহ ৰাজনৈতিক সমাজবিজ্ঞানৰ আলোচনাত অৱদান আগবঢ়াইছে, কাৰণ তেওঁ ৰাজনীতিৰ অর্থনৈতিক আৰু ঐতিহাসিক ব্যাখ্যা আগবঢ়াইছিল। মার্ক্স আৰু তেওঁৰ অনুসৰকসকল, যাক আমি মিলি মার্ক্সবাদী ৰাজনৈতিক চিন্তাবিদ বুলি কওঁ, তেওঁলোকে ৰাজনৈতিক প্ৰতিষ্ঠানসমূহ আৰু মানুহৰ ৰাজনৈতিক ইতিহাসক সামাজিক বাস্তৱতা আৰু সামাজিক শ্ৰেণীৰ দৃষ্টিকোণৰ পৰা ব্যাখ্যা কৰে।

খ) **মেক্স ৱেবাৰ ঃ** মেক্স ৱেবাৰ সমাজতত্ত্বৰ তাত্ত্বিক ব্যাখ্যা প্ৰণয়নৰ ক্ষেত্ৰত সম্ভৱতঃ আটাইতকৈ পৰিচিত আৰু প্ৰধান ব্যক্তিত্ব। ৱেবাৰৰ নামত বহুতো বৈচিত্ৰ্যময় কর্ম আছে। তেওঁ সমাজতাত্ত্বিক বিভিন্ন তত্ত্বৰ ওপৰত বিস্তৃত ব্যাখ্যাৰ এটা বিস্তাৰিত ক্ষেত্ৰ বিকাশ কৰিছিল। সমাজতত্ত্বৰ ক্ষেত্ৰত তেওঁৰ ব্যাখ্যা মূলতঃ আইন শাস্ত্ৰৰ ক্ষেত্ৰৰ পৰা গঢ় লৈ উঠিছিল। এই বিষয়টোলৈ তেওঁৰ অৱদানেই তেওঁক বিংশ শতিকাৰ অন্যতম মহান সমাজতত্ত্ববিদসকলৰ মাজত স্থান প্ৰদান কৰিছিল। ৱেবাৰৰ কর্মসমূহে সাধাৰণ দর্শন, অর্থনীতি, তুলনামূলক ইতিহাস, ধর্ম, আইন, আমলাতন্ত্ৰ, স্তৰীকৰণ আদি বহু বিষয় আৱৰি লৈছে। ৱেবাৰে ভাৰত, চীন আৰু দক্ষিণ-পূব এছিয়াৰ সংস্কৃতি আৰু ধর্মৰ বিষয়েও লিখিছিল। তেওঁ বিশেষকৈ পশ্চিমীয়া সংস্কৃতি আৰু সমাজক ভাৰত, চীন আৰু দক্ষিণ এছিয়াৰ পূর্বীয় সংস্কৃতিসমূহৰ মূল্যবোধৰ সৈতে তুলনা কৰাৰ ক্ষেত্ৰত বিশেষ আগ্ৰহী আছিল।

মেক্স ৱেবাৰৰ প্ৰধান গ্ৰন্থসমূহ হ'ল ঃ— "General Economic History", "The Protestant Ethic and the Spirit of Capitalism", "Max Weber on Law in Economy and Society", "From Max Weber. Essays in Sociology", "The Theory of Social and Economic Organisations" আদি। মেক্স ৱেবাৰৰ ধাৰণাসমূহক আদর্শ ধৰণ, সামাজিক কার্য, ধর্ম আৰু অর্থনীতি সম্পর্কে তেওঁৰ দৃষ্টিভংগী, যুক্তিবাদিতা, শক্তি আৰু কর্তৃত্ব সম্পর্কে মতামত আৰু আমোলাতন্ত্ৰ আদিৰ জৰিয়তে ব্যাখ্যা কৰিব পাৰি।

মেক্স ৱেবাৰৰ ৰাজনৈতিক সমাজতত্ত্ব সাধাৰণতে আমোলাতান্ত্ৰিকীকৰণৰ সৈতে সম্পর্কিত। আমলাতান্ত্ৰিক প্ৰশাসন হৈছে অর্থনৈতিক আৰু ৰাজনৈতিকভাৱে পৃথকীকৃত সমাজসমূহ পৰিচালনা কৰাৰ একমাত্ৰ যুক্তিসংগত উপায়। ৰাজ্যৰ স্তৰত ৰাজনৈতিক স্বায়ত্ত-শাসন ৱেবাৰৰ ৰাজনৈতিক সমাজতত্ত্বৰ কেন্দ্ৰীয় বিষয়। বাস্তৱতে, ৰাজ্যৰ স্বায়ত্ত-শাসন আৰু উদাৰ গণতান্ত্ৰিক ৰাজনীতিৰ গুৰুত্বৰ এই বিষয়টোত ৱেবাৰৰ কামে এটা চিন্তাধাৰাৰ পৰম্পৰাৰ আৰম্ভণি কৰে, যি স্পষ্টভাৱে মার্ক্সবাদ-বিৰোধী। এজন উদাৰপন্থী হিচাপে

ব্যক্তিগত স্বাধীনতাৰ সুৰক্ষাৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধ হৈ, যাক তেওঁ আধুনিক যুগত বিপদগ্ৰস্ত বুলি মন কৰিছিল, ৰেবাৰে নিজৰ কামৰ জৰিয়তে মাৰ্ক্সৰ অৰ্থনৈতিক নিৰ্ধাৰণবাদৰ বিৰোধিতা কৰিছিল। তেওঁৰ মতে, ৰাজ্যৰ স্বৰূপ নিৰ্ধাৰণ কৰাৰ ক্ষেত্ৰত প্ৰশাসনৰ উপায় মাৰ্ক্সবাদী উৎপাদন-পদ্ধতিতকৈ অধিক গুৰুত্বপূৰ্ণ।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১২ ঃ "The Protestant Ethic and the Spirit of Capitalism" নামৰ কিতাপখন কোনে লিখিছিল?

প্ৰশ্ন নং ১৩ ঃ সমাজবিজ্ঞানত সমাজিক শ্ৰেণী সংঘাত কোনে প্ৰৱেশ কৰাইছে?

প্ৰশ্ন নং ১৪ ঃ ৰাজনৈতিক সমাজবিজ্ঞানৰ বাবে মাৰ্ক্সৰ ধাৰণা কি? (৫০ টা শব্দৰ ভিতৰত)

প্ৰশ্ন নং ১৫ ঃ ৰাজনৈতিক সমাজবিজ্ঞানৰ বাবে ৰেবাৰৰ ধাৰণা কি? (৫০ টা শব্দৰ ভিতৰত)

১.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ৰাজনৈতিক সমাজবিজ্ঞান চৰকাৰ আৰু সমাজৰ মাজত, সিদ্ধান্ত গ্ৰহণ কৰোতা কৰ্তৃপক্ষ আৰু সংঘাতমূলক সমাজিক শক্তি আৰু স্বাৰ্থৰ মাজত হোৱা পৰস্পৰৰ প্ৰভাৱ আৰু প্ৰতিক্ৰিয়াৰ প্ৰক্ৰিয়া বুজি পাবলৈ চেষ্টা কৰে। ই ৰাজনীতি আৰু সমাজৰ মাজত, ৰাজনৈতিক প্ৰণালী আৰু তাৰ সমাজিক, আৰ্থিক আৰু সাংস্কৃতিক পৰিৱেশৰ মাজত হোৱা পৰস্পৰ সংযোগ আৰু যোগাযোগৰ অধ্যয়ন।
- বিষয়ৰূপে ৰাজনৈতিক সমাজবিজ্ঞানৰ লক্ষ্য হৈছে ৰাজনীতি আৰু সমাজৰ মাজত হোৱা পৰস্পৰৰ প্ৰভাৱ পৰীক্ষা কৰা। মূলত, ৰাজনৈতিক সমাজবিজ্ঞানৰ অধ্যয়নে চৰকাৰ আৰু সমাজৰ মাজত, সিদ্ধান্ত গ্ৰহণ কৰোতা কৰ্তৃপক্ষ আৰু ভিন্ন সমাজিক শক্তি আৰু স্বাৰ্থৰ মাজত হোৱা আন্তঃসংযোগৰ প্ৰক্ৰিয়াক বুজিবলৈ চেষ্টা কৰে।
- এক অধ্যয়ন বিষয় হিচাপে ই সংঘাতৰ ব্যৱস্থাপনা, স্বাৰ্থ আৰু সমস্যাসমূহৰ প্ৰকাশ আৰু ৰাজনৈতিক একত্ৰীকৰণ আৰু দাবীসমূহৰ সংগঠন সম্পৰ্কীয় সমস্যাসমূহৰ বিষয়ে আলোচনা কৰে। ৰাজনৈতিক সমাজবিজ্ঞান সমাজবিজ্ঞান আৰু ৰাজনীতি বিজ্ঞানৰ বিষয়সমূহক সংযোগ কৰে। ই সমাজবিজ্ঞান আৰু ৰাজনীতি বিজ্ঞানৰ মাজত দ্বিমুখী সম্পৰ্ক গঢ়ে, সামাজিক আৰু ৰাজনৈতিক ভেৰিয়েবল দুয়োৰে সমান গুৰুত্ব প্ৰদান কৰি।
- ৰাজনীতিৰ সমাজবিজ্ঞান আৰু ৰাজনৈতিক সমাজবিজ্ঞানৰ মাজত পদ্ধতিগত পাৰ্থক্য আছে। ৰাজনীতিৰ সমাজবিজ্ঞান বুজায়, সমাজে কেনেকৈ ৰাজনীতিত প্ৰভাৱ পেলায়; যেতিয়া, ৰাজনৈতিক সমাজবিজ্ঞান প্ৰধানকৈ সমাজৰ ওপৰত ৰাজনীতিৰ ভূমিকাত গুৰুত্ব আৰোপ কৰে।
- ৰাজনৈতিক সমাজবিজ্ঞান প্ৰধানকৈ তলত উল্লেখ কৰা অধ্যয়ন ক্ষেত্ৰসমূহত কেন্দ্ৰীভূত হয়— সামাজিক আৰু ৰাজনৈতিক দৃষ্টিভংগীসমূহত (যাৰ ভিতৰত ৰাজনৈতিক সংস্কৃতি অন্তৰ্ভুক্ত), ৰাজনৈতিক প্ৰতিযোগিতাৰ সামাজিক উৎসত (যাৰ ভিতৰত সামাজিক বিভাজনসমূহ আৰু পৰিচয়সমূহ অন্তৰ্ভুক্ত), ৰাজনৈতিক প্ৰতিষ্ঠানসমূহৰ গঠন, পৰিৱৰ্তন, আৰু ৰক্ষণাবেক্ষণৰ বাবে সামাজিক আধাৰত (যাৰ ভিতৰত গণতন্ত্ৰ আৰু কল্যাণকাৰী ৰাজ্যসমূহ অন্তৰ্ভুক্ত), আৰু ৰাজনৈতিক সম্পৃক্ততা আৰু প্ৰতিযোগিতাৰ প্ৰক্ৰিয়াসমূহত (যাৰ ভিতৰত নিৰ্বাচন আৰু প্ৰতিবাদী ৰাজনীতি অন্তৰ্ভুক্ত) কেন্দ্ৰীভূত হয়।
- ৰাজনৈতিক সমাজবিজ্ঞানৰ মুখ্য চিন্তা হৈছে সমাজ আৰু ৰাজনীতিৰ মাজত থকা আন্তঃসংযোগ অধ্যয়ন কৰা। ই সামাজিক প্ৰতিষ্ঠানসমূহ আৰু ৰাজনৈতিক প্ৰতিষ্ঠানসমূহৰ মাজত আন্তঃসম্পৰ্কৰ বিষয়ে আলোচনা কৰে। ই বিবেচনা কৰে যে ৰাজনৈতিক প্ৰতিষ্ঠানসমূহ, যি আনুষ্ঠানিক আৰু অনানুষ্ঠানিক দুয়ো ধৰণৰ হ'ব পাৰে, সিহঁতৰ আলোচনা কেনেকৈ সামাজিক প্ৰসংগৰ এটা ফলাফল হিচাপে কৰা যাব পাৰে।
- প্ৰসিদ্ধ ৰাজনৈতিক সমাজবিজ্ঞানী লিপছেট আৰু বেণ্ডিক্সে ৰাজনৈতিক সমাজবিজ্ঞানৰ দুটা বৈশিষ্ট্য আলোচনা কৰিছিল। প্ৰথমটো, ৰাজনৈতিক সমাজবিজ্ঞান সামাজিক আৰু ৰাজনৈতিকৰ মাজত থকা

সম্পর্ক অধ্যয়ন কৰে। দ্বিতীয়টো, ৰাজনৈতিক সমাজবিজ্ঞানক বুজিব পৰা নাযাব যদি সেয়া সামাজিকৰ সৈতে সম্পর্কিত নহয়।

- ৰাজনৈতিক সমাজবিজ্ঞান ৰাজনীতি বিজ্ঞান নহয়, কাৰণ পাছত হোৱা বিষয়টোৰ দৰে, ই ৰাষ্ট্ৰৰ শাস্ত্ৰ বা ৰাষ্ট্ৰীয় কৰ্মকৌশলৰ অধ্যয়ন নহয়। আগতে আমি শিকিছিলোঁ, ৰাজনীতি বিজ্ঞানৰ দ্বাৰা অধ্যয়ন কৰা বিষয়বোৰ কেৱল ৰাজনৈতিক স্বভাৱৰ হয়, কিন্তু ৰাজনৈতিক সমাজবিজ্ঞানত ৰাজনীতি আৰু সামাজিক উপাদানবোৰক সমান গুৰুত্ব দিয়ে।
- ৰাজনৈতিক সমাজবিজ্ঞানক সমাজবিজ্ঞান আৰু ৰাজনীতি বিজ্ঞানৰ মিলনৰ ফল হিচাপে পৃথকভাৱে চিনাক্ত কৰিব পৰা যায়, যি সমাজৰ ৰাজনীতিত পৰিমাণ আৰু প্ৰভাৱ আৰু উল্টা প্ৰভাৱটোও সামাজিক ৰূপত ৰাজনীতিৰ বিষয়বস্তু পৰীক্ষা কৰি অধ্যয়ন কৰে।
- ৰাজনৈতিক সমাজবিজ্ঞান প্ৰধানকৈ ৰাজনৈতিক সম্প্ৰদায়ৰ বিকাশ সম্পৰ্কে সচেতন থাকে, যাৰ প্ৰতি ৰাজনীতি বিজ্ঞানও মনোযোগী থাকে। ৰাজনৈতিক সমাজবিজ্ঞানে প্ৰচেষ্টা কৰে গণতান্ত্ৰিক ৰাজনৈতিক প্ৰণালীৰ স্থিৰতা নিশ্চিত কৰিবলৈ।
- দুজন সমাজতত্ত্ববিদৰ নাম বিশেষভাৱে উল্লেখযোগ্য, অৰ্থাৎ কার্ল মার্ক্স আৰু মেক্স ৱেবাৰ, যিসকলে এই শাস্ত্ৰখনৰ বিকাশ আৰু উন্নয়নৰ ক্ষেত্ৰত অত্যন্ত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াইছে। বাস্তৱতে, তেওঁলোকৰ অৱদানৰ ফলত ৰাজনৈতিক আৰু সামাজিক প্ৰতিষ্ঠানসমূহ আৰু সেইবোৰৰ পাৰস্পৰিক সম্পৰ্ক অধ্যয়নৰ বাবে এটা পৃথক শাস্ত্ৰৰ বিকাশ ঘটিছে।

১.৯ অধিক জানিবলৈ

1) Ashraf, Ali and Sharma, L.N. (1995). *Political Sociology: A New Grammar of Politics*, University Press (India) Pvt Limited, New Delhi.

2) Srivastava, Usha (2011). *Political Sociology*, Kunal Books, New Delhi.

3) Janoski, Thomas. Alford, Robert R. Hicks, Alexander, M. & Schwartz, Mildred, A. (2005). *Handbook of Political Sociology*, Cambridge University Press, UK.

১.১০ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ৰাজনৈতিক সমাজবিদ্যা হৈছে সমাজবিদ্যাৰ এটা গুৰুত্বপূৰ্ণ শাখা য'ত সমাজ আৰু ৰাজনীতিৰ মাজৰ পাৰস্পৰিক সম্পৰ্ক অধ্যয়ন কৰা হয়। ইয়াত শক্তি, কৰ্তৃত্ব, ৰাজনৈতিক প্ৰতিষ্ঠান, সামাজিক গঠন আৰু ৰাজনৈতিক আচৰণ কেনেদৰে সমাজৰ বিভিন্ন গোট, মূল্যবোধ আৰু ব্যৱস্থাৰ দ্বাৰা প্ৰভাৱিত হয় সেয়া বিশ্লেষণ কৰা হয়।

২ নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ এই কথাটো Neil J. Smelser-এ কৈছিল।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ৰাজনৈতিক সমাজবিদ্যা ৰাজনীতি বিজ্ঞান আৰু সমাজবিদ্যাৰ এটা উপজাত, কাৰণ ইয়াৰ মুখ্য লক্ষ্য হৈছে সমাজ আৰু ৰাজনীতিৰ মাজত থকা পাৰস্পৰিক সম্পৰ্ক অধ্যয়ন কৰা। ইয়াত সামাজিক প্ৰতিষ্ঠানসমূহ আৰু ৰাজনৈতিক প্ৰতিষ্ঠানসমূহৰ মাজৰ আন্তঃসম্পৰ্ক আলোচনা কৰা হয়। ইয়াৰ লগতে ৰাজনৈতিক প্ৰতিষ্ঠানসমূহক কেনেদৰে সামাজিক পৰিপ্ৰেক্ষিতৰ এটা উৎপাদ হিচাপে আলোচনা কৰিব

পাৰি সেয়াও বিবেচনা কৰা হয়।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ ৰাজনৈতিক সমাজবিদ্যাৰ দুটা মুখ্য বৈশিষ্ট্য হৈছে— প্ৰথমতে, ৰাজনৈতিক সমাজবিদ্যাই সামাজিক আৰু ৰাজনৈতিক ক্ষেত্ৰৰ মাজৰ সম্পৰ্ক অধ্যয়ন কৰে; আৰু দ্বিতীয়তে, সামাজিক ক্ষেত্ৰৰ সৈতে সম্পৰ্ক স্থাপন নকৰাকৈ ৰাজনৈতিক সমাজবিদ্যাক সম্পূৰ্ণভাৱে বুজি পোৱা সম্ভৱ নহয়।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ ৰাজনৈতিক সমাজবিদ্যাৰ চাৰিধৰণৰ প্ৰকৃতি হৈছে—

১. ৰাজনৈতিক সমাজবিদ্যা ৰাজনীতি বিজ্ঞান নহয়।

২. ৰাজনৈতিক সমাজবিদ্যা মুখ্যতঃ ৰাজনৈতিক সমাজৰ বিকাশৰ সৈতে জড়িত।

৩. ৰাজনৈতিক সমাজবিদ্যাই এই বিশ্বাসত বিশ্বাস কৰে যে সামাজিক প্ৰক্ৰিয়া আৰু ৰাজনৈতিক প্ৰক্ৰিয়াৰ মাজত এটা পাৰ্থক্য আছে।

৪. ৰাজনৈতিক সমাজবিদ্যাক সমাজবিদ্যা আৰু ৰাজনীতি বিজ্ঞানৰ সংমিশ্ৰণৰ ফল হিচাপে চিনাক্ত কৰিব পাৰি, যি সমাজে ৰাজনীতিৰ ওপৰত পেলোৱা প্ৰভাৱ আৰু তাৰ বিপৰীত প্ৰভাৱ দুয়োটাই অধ্যয়ন কৰে।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ ৰাজনৈতিক সমাজবিদ্যা প্ৰতিষ্ঠানবাদ আৰু আচৰণবাদৰ পৰা পৃথক। প্ৰতিষ্ঠানবাদীসকলে মুখ্যতঃ ৰাজনৈতিক সংগঠনৰ প্ৰতিষ্ঠানগত ধৰণসমূহৰ ওপৰত গুৰুত্ব দিয়ে আৰু তেওঁলোকৰ অধ্যয়ন আইনী আৰু আনুষ্ঠানিক বৈশিষ্ট্যৰে চিহ্নিত। আনহাতে, আচৰণবাদীসকলে ৰাজনৈতিক ক্ষেত্ৰত ব্যক্তিগত কৰ্মকৰ্তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁলোকৰ মুখ্য আগ্ৰহ হৈছে উদ্দেশ্য, ধাৰণা, মনোভাব আৰু ব্যক্তিৰ ভূমিকা। ৰাজনৈতিক সমাজবিদ্যাই এই দুয়োটা দিশৰ ওপৰত গুৰুত্ব আৰোপ কৰে আৰু এই দুয়োটা উপাদানৰ মাজৰ পাৰস্পৰিক নিৰ্ভৰশীলতাকো উল্লেখ কৰে।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ।

১০ নং প্ৰশ্নৰ উত্তৰ ঃ ৰাজনৈতিক সমাজবিদ্যা শক্তি আৰু ইয়াৰ সৈতে জড়িত বিভিন্ন দিশৰ ওপৰত গুৰুত্ব আৰোপ কৰে। শক্তি হৈছে সামাজিক আন্তঃসম্পৰ্কৰ এটা গুৰুত্বপূৰ্ণ আৰু ব্যাপক দিশ, যিয়ে ব্যক্তিসকল আৰু এটা গোটৰ সদস্যসকলৰ মাজৰ সম্পৰ্ক নিৰ্ধাৰণ কৰে। শক্তিৰ অধ্যয়নৰ ভিতৰত অভিজাত শ্ৰেণী আৰু তেওঁলোকৰ নেতৃত্বৰ ধৰণসমূহৰ অধ্যয়নো অন্তৰ্ভুক্ত থাকে।

১১ নং প্ৰশ্নৰ উত্তৰ ঃ ৰাজনৈতিক সমাজবিদ্যাৰ চাৰিটা পৰিসৰ হৈছে—

১) জনসাধাৰণৰ মাধ্যমৰ জৰিয়তে সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াৰ অধ্যয়ন।

২) সামাজিক সংগঠন আৰু সাংস্কৃতিক মূল্যবোধৰ ওপৰত নিৰ্ভৰ কৰা ৰাজনৈতিক ব্যৱস্থাসমূহৰ অধ্যয়ন।

৩) ৰাজনৈতিক সমাজবিদ্যাই শক্তি আৰু ইয়াৰ সৈতে জড়িত বিভিন্ন দিশৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

৪) ই ৰাজনৈতিক সংস্কৃতিৰ অধ্যয়ন কৰে।

১২ নং প্ৰশ্নৰ উত্তৰ ঃ Max Weber.

১৩ নং প্ৰশ্নৰ উত্তৰ ঃ Karl Marx.

১৪ নং প্ৰশ্নৰ উত্তৰ ঃ মাৰ্ক্সে ৰাজনৈতিক সমাজবিদ্যাত বহুতো অৱদান আগবঢ়াইছে। তেওঁৰ ধাৰণাসমূহে ৰাজনৈতিক সমাজবিদ্যাৰ বিকাশত সহায় কৰিছে, কিয়নো তেওঁ ৰাজনীতিৰ অৰ্থনৈতিক আৰু ঐতিহাসিক ব্যাখ্যা আগবঢ়াইছিল। মাৰ্ক্স আৰু তেওঁৰ অনুসাৰীসকল, যিসকলক একেলগে মাৰ্ক্সবাদী ৰাজনৈতিক চিন্তাবিদ বুলি কোৱা হয়, তেওঁলোকে সামাজিক বাস্তৱতা আৰু সামাজিক শ্ৰেণীৰ দৃষ্টিকোণৰ পৰা ৰাজনৈতিক প্ৰতিষ্ঠান আৰু মানৱ ৰাজনৈতিক ইতিহাসৰ ব্যাখ্যা কৰে।

১৫ নং প্ৰশ্নৰ উত্তৰ ঃ Max Weber-ৰ ৰাজনৈতিক সমাজবিদ্যা সাধাৰণতে আমোলাতান্ত্ৰিকীকৰণৰ সৈতে সম্পৰ্কিত। আমোলাতান্ত্ৰিক প্ৰশাসন হৈছে অৰ্থনৈতিক আৰু ৰাজনৈতিকভাৱে পৃথকীকৃত সমাজসমূহ পৰিচালনা কৰাৰ একমাত্ৰ যুক্তিসংগত উপায়। ৰাজ্যৰ স্তৰত ৰাজনৈতিক স্বায়ত্ত-শাসন ৰেবাৰৰ ৰাজনৈতিক সমাজবিদ্যাৰ কেন্দ্ৰীয় বিষয়। বাস্তৱতে, ৰাজ্যৰ স্বায়ত্তশাসন আৰু উদাৰ গণতান্ত্ৰিক ৰাজনীতিৰ গুৰুত্বৰ এই বিষয়টোত ৰেবাৰৰ কামে এটা চিন্তাধাৰাৰ পৰম্পৰাৰ আৰম্ভণি কৰে, যি স্পষ্টভাৱে মাৰ্ক্সবাদ-বিৰোধী এই বিষয়টোত— অৰ্থাৎ ৰাজ্যৰ স্বায়ত্ত-শাসন আৰু উদাৰ গণতান্ত্ৰিক ৰাজনীতিৰ গুৰুত্বৰ ক্ষেত্ৰত।

১.১১ আৰ্হি প্ৰশ্ন

(ক) অতি চমু প্ৰশ্ন-

প্ৰশ্ন ১ ঃ 'কমিউনিষ্ট মেনিফেষ্ট' নামৰ কিতাপখন কোনে লিখিছিল?

প্ৰশ্ন ২ ঃ "The Protestant Ethic and the Spirit of Capitalism" নামৰ কিতাপখন কোনে লিখিছিল?

প্ৰশ্ন ৩ ঃ ৰাজনৈতিক সমাজবিজ্ঞানৰ এটা বৈশিষ্ট্য উল্লেখ কৰক।

প্ৰশ্ন ৪ ঃ ৰাজনৈতিক সমাজবিজ্ঞানৰ এটা ক্ষেত্ৰ উল্লেখ কৰক।

(খ) চুটি প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায় ১৫০ টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ ৰাজনৈতিক সমাজবিজ্ঞানৰ অৰ্থৰ বিষয়ে সংক্ষিপ্ত টোকা লিখক।

প্ৰশ্ন ২ ঃ সংক্ষিপ্ত টোকা লিখক— (a) ৰাজনৈতিক সমাজবিজ্ঞানত মাৰ্ক্সৰ অৱদান (b) ৰাজনৈতিক সমাজবিজ্ঞানত ৰেবাৰৰ অৱদান।

প্ৰশ্ন ৩ ঃ ৰাজনৈতিক সমাজবিজ্ঞানৰ গুৰুত্বপূৰ্ণ স্বভাৱ পৰ্যালোচনা কৰক।

প্ৰশ্ন ৪ ঃ ৰাজনৈতিক সমাজবিজ্ঞানৰ মুখ্য ক্ষেত্ৰসমূহ ব্যাখ্যা কৰক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায় ৩০০-৫০০ শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ ৰাজনৈতিক সমাজবিজ্ঞানৰ সংজ্ঞা দিয়ক। ইয়াৰ মুখ্য স্বভাৱ আলোচনা কৰক।

প্ৰশ্ন ২ ঃ ৰাজনৈতিক সমাজবিজ্ঞানৰ ক্ষেত্ৰসমূহ আলোচনা কৰক।

****

অধ্যায় ২ ঃ অধ্যয়নৰ বিষয় হিচাপে ৰাজনৈতিক সমাজবিদ্যাৰ বিকাশ

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য

২.২ পৰিচয়

২.৩ অধ্যয়নৰ বিষয় হিচাপে ৰাজনৈতিক সমাজবিদ্যাৰ উৎপত্তি আৰু বিকাশ

২.৩.১ ৰাজনৈতিক সমাজবিদ্যাৰ বিকাশৰ বাবে দায়ী কাৰকসমূহ

২.৪ কার্ল মার্ক্সৰ অৱদান

২.৫ মেক্স ৱেবাৰৰ অৱদান

২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

২.৭ অধিক জানিবলৈ

২.৮ অগ্রগতিৰ খতিয়ান

২.৯ আৰ্হি প্রশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি —

- অধ্যয়নৰ বিষয় হিচাপে ৰাজনৈতিক সমাজবিদ্যাৰ উৎপত্তি আলোচনা কৰিব পাৰিব।
- ৰাজনৈতিক সমাজবিদ্যা অনুশাসন হিচাপে উদ্ভৱ হোৱাৰ বাবে দায়ী কাৰকসমূহৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব।
- ৰাজনৈতিক সমাজবিদ্যা অনুশাসন হিচাপে বিকাশ হোৱাৰ ক্ষেত্রত কার্ল মার্ক্সৰ অৱদান আলোচনা কৰিব পাৰিব।
- ৰাজনৈতিক সমাজবিদ্যা অনুশাসন হিচাপে বিকাশ হোৱাৰ ক্ষেত্রত মেক্স ৱেবাৰৰ অৱদান আলোচনা কৰিব পাৰিব।

২.২ পৰিচয়

এই অধ্যায়টোৱে কার্ল মার্ক্স আৰু মেক্স ৱেবাৰ আদি লেখকৰ অৱদানৰ প্রসংগত ৰাজনৈতিক সমাজবিদ্যা অধ্যয়নৰ বিষয় হিচাপে উদ্ভৱ হোৱা বিষয়ত আপোনাক পৰিচিত কৰে।

ৰাজনৈতিক সমাজবিদ্যাই ৰাজনৈতিক পৰিঘটনা আৰু সমাজৰ অৱশিষ্ট গঠন আৰু সংস্কৃতিৰ মাজত থকা সম্পর্কক লৈ আলোচনা কৰে। ৰাজনৈতিক সমাজবিদ্যাই ৰাজনীতি আৰু সমাজৰ মাজত থকা সম্পর্কক অধ্যয়ন কৰে। ৰাজনৈতিক সমাজবিদসকলে যুক্তি দেখুৱাইছে যে যিকোনো ৰাজনৈতিক বিষয়ক সম্পূর্ণৰূপে বুজি উঠিব নোৱাৰি যেতিয়ালৈকে ইয়াক সামাজিক দৃষ্টিকোণৰ সৈতে সম্পর্কিত কৰি চোৱা নহয়। মেক্স ৱেবাৰক ৰাজনৈতিক সমাজবিদ্যাৰ জনক বুলি জনা যায়। "ৰাজনৈতিক সমাজবিদ্যা" শব্দটোৰ প্রথম ব্যৱহাৰ ১৯০৫ চনত এলেইন আয়াৰলেণ্ড-ৰ The Far Eastern Tropics নামৰ কিতাপৰ সমীক্ষাত দেখা গৈছিল আৰু মইচে অষ্ট্রগৰস্কি (Moisey Ostrogorsky) আৰু মেক্স ৱেবাৰ (Max Weber)-ৰ কামত ইয়াৰ ব্যৱহাৰ দেখা যায়।

"ৰাজনৈতিক সমাজবিদ্যা" শব্দটোৰ এটা সুনির্দিষ্ট সংজ্ঞা দিয়াটো অত্যন্ত কঠিন।

এছ. এম. লিপচেট (S. M. Lipset)-এ ৰাজনৈতিক সমাজবিদ্যাৰ সংজ্ঞা দিছে - সমাজবিদ্যা হ'ল "সমাজ আৰু ৰাজনীতিৰ মাজত থকা আন্তঃসম্পর্ক, সামাজিক গঠন আৰু ৰাজনৈতিক প্রতিষ্ঠানসমূহৰ মাজত থকা সম্পর্কৰ অধ্যয়ন।"

জি. ছার্তোৰি (G. Sartoi)-ৰ মতে - "ই এটা আন্তঃঅনুশাসনিক সংমিশ্রণ যি সামাজিক আৰু ৰাজনৈতিক ব্যাখ্যাত্মক চলকসমূহক একত্র কৰিবলৈ চেষ্টা কৰে; অর্থাৎ সমাজবিদসকলে প্রস্তাৱ কৰা ইনপুটসমূহৰ সৈতে ৰাজনৈতিক বিজ্ঞানীৰ প্রস্তাৱ কৰা ইনপুটসমূহ।"

স্কট গ্রীঅৰ (Scott Greear) আৰু পীটাৰ অর্লিন্ছ (Peter Orleans) এ কৈছে - "ৰাজনৈতিক সমাজবিদ্যা মাত্র ৰাজনীতিৰ সমাজবিদ্যাগত অধ্যয়ন হিচাপে পৰিগণিত হ'ব।"

লুইছ এ. ক'জাৰ (Lewis A. Coser) ৰ মতে - "ৰাজনৈতিক সমাজবিদ্যা হৈছে সমাজবিদ্যাৰ সেই শাখা যি সমাজ বা সমাজসমূহৰ ভিতৰত বা মাজত থকা ক্ষমতাৰ বণ্টনৰ সামাজিক কাৰণসমূহ আৰু ফলাফলসমূহৰ সৈতে সম্পর্কিত; আৰু সেইসকল সামাজিক আৰু ৰাজনৈতিক সংঘাতসমূহৰ সৈতে সম্পর্কিত যিবোৰে ক্ষমতাৰ বণ্টনত পৰিৱর্তন আনে।"

এই সকলোবোৰ সংজ্ঞাই স্পষ্টকৈ দেখুৱাইছে যে, ৰাজনৈতিক সমাজবিদ্যাই নিজৰ ভিতৰত ৰাজনীতি বিজ্ঞান আৰু সমাজবিদ্যাৰ দুয়োটা উপাদানক প্রতিনিধিত্ব কৰে। তথাপি, তাক এটা পৃথক অনুশাসন হিচাপে গণ্য কৰা হয়। ই সমাজ আৰু ৰাজনীতিয়ে একে অন্যক কিদৰে প্রভাৱিত কৰে তাৰ অধ্যয়ন কৰে।

২.৩ অধ্যয়নৰ বিষয় হিচাপে ৰাজনৈতিক সমাজবিদ্যাৰ উৎপত্তি আৰু বিকাশ

অধ্যয়নৰ বিষয় হিচাপে ৰাজনৈতিক সমাজবিদ্যাৰ জন্ম কেৱল আকস্মিকভাৱে হোৱা নহয়। এই বিষয়টোৰ এটা দীঘলীয়া ইতিহাস আছে। যদিও কোৱা হয় যে, এই শাস্ত্রই ৰাজনীতিত হোৱা ব্যৱহাৰিক বিপ্লৱৰ পাছতহে প্রত্যক্ষভাৱে প্রকাশ পাইছিল, তথাপি ৰাম্সিমেনৰ মতে ইয়াৰ জন্ম সেই সময়লৈ লৈ যোৱা যায় যেতিয়া সামাজিক আৰু ৰাজনৈতিকৰ মাজত পার্থক্য স্থাপন কৰা হৈছিল। এই বিকাশৰ প্রথম প্রমাণসম্মত বিৱৰণ ১৮৪০ চনত হৈছিল বুলি ৰাম্সিমেনে উল্লেখ কৰিছে, যেতিয়া মার্ক্সে হেগেলৰ 'Philosophy of Law' (আইনৰ দর্শন) ৰ ওপৰত তেওঁৰ সমালোচনা লিখিছিল।

ভন ষ্টাইনে (Von Stein) তেওঁৰ 'History of Nineteenth Century Social Movement' (ঊনবিংশ শতিকাৰ সামাজিক আন্দোলনৰ ইতিহাস) লিখিছিল। কিছুমান কাৰণ বা উপাদানে এই শাস্ত্রৰ বিকাশক ত্বৰান্বিত কৰিছিল। কিছুমান পণ্ডিতৰ অৱদানেও এই শাস্ত্রৰ উদ্ভৱ ঘটাত সহায় কৰিছিল।

২.৩.১ ৰাজনৈতিক সমাজবিদ্যাৰ বিকাশৰ বাবে দায়ী কাৰকসমূহ

নিম্নলিখিত কাৰণবোৰে এই অধ্যয়নৰ বিষয়ৰ বিকাশত অৱদান আগবঢ়াইছে—

ক) **শিল্প বিপ্লৱ ঃ** শিল্প বিপ্লৱৰ ফলত সমাজত বিপুল পৰিবর্তন আহি পৰে, যাৰ ফলত নির্দিষ্ট সামাজিক ঘটনাবোৰ অধ্যয়ন কৰাৰ প্রয়োজনীয়তা অনুভৱ কৰা হয় আৰু ইয়াৰ দ্বাৰা সমাজবিদ্যা এটা পৃথক প্রমাণভিত্তিক অধ্যয়নৰ বিষয় হিচাপে বিকাশ লাভ কৰিবলৈ পথ প্রশস্ত হয়। অগাষ্ট কম্ট (Auguste Comte) ক সমাজবিদ্যাৰ এজন জনক বুলি গণ্য কৰা হয়। ভন ষ্টাইনে (Von Stein) প্রথমবাৰৰ বাবে সমাজক এটা স্বতন্ত্র ধাৰণা হিচাপে আলোচনা কৰিছিল।

খ) **ৰাজনীতি বিজ্ঞানৰ পৰম্পৰাগত স্বভাৱ ঃ** ৰাজনীতি বিজ্ঞানক অতি নিয়মপৰায়ণ আৰু নির্দেশমূলক বুলি গণ্য কৰা হৈছিল। পশ্চিমৰ অধিকাংশ ৰাজনৈতিক চিন্তকে "কি হোৱা উচিত" এই প্রশ্নত অধিক গুৰুত্ব আৰোপ কৰিছিল আৰু ৰাজনৈতিক বাস্তৱতাবোৰ বিশ্লেষণ কৰিবলৈ চেষ্টা কৰিছিল। বিশেষকৈ আমেৰিকাত ৰাজনীতি বিজ্ঞানৰ এই পৰম্পৰাগত স্বভাৱৰ প্রতি বাঢ়ি অহা অসন্তুষ্টি দেখা গৈছিল। তেনে অৱস্থাত তেওঁলোকে কঠোৰ বৈজ্ঞানিক প্রমাণবাদৰ প্রক্রিয়াৰ পোহৰত ৰাজনৈতিক বাস্তৱতাবোৰ অধ্যয়ন কৰিবলৈ সিদ্ধান্ত ল'লে। এই প্রক্রিয়াই তেওঁলোকক সমাজবিদ্যাৰ

ফালে আকর্ষিত কৰিলে।

গ) **গণতান্ত্রিক কাঠামোৰ অপর্যাপ্ততা ঃ** আমেৰিকান সমাজবিজ্ঞানীয়ে ৰাজনৈতিক সমাজবিদ্যাত অধ্যয়ন কৰাৰ প্রেৰণা পাইছিল কাৰণ প্রথম বিশ্বযুদ্ধৰ পাছত তেওঁলোকে নিজৰ দেশৰ গণতান্ত্রিক কাঠামোৰ অপর্যাপ্ততাৰ প্রতি সজাগ হ'ল। তেওঁলোক এনে কেইবাটাও বিষয়ৰ দ্বাৰা প্রেৰিত হৈছিল, যেনে— ৰাজনৈতিক অংশগ্রহণৰ স্বভাৱ আৰু পৰিমাণ, স্বার্থগোষ্ঠী আৰু লবি, গণমাধ্যমৰ ওপৰত ক্ষমতা আৰু নিয়ন্ত্রণ, সামাজিক গঠন আৰু প্রক্রিয়াৰ মাজৰ সম্পর্ক, ব্যক্তিত্ব গঠন আৰু ৰাজনৈতিক ব্যৱহাৰ আদি।

ঘ) **ৰাষ্ট্র আৰু সমাজৰ আন্তঃসম্পর্ক ঃ** বিংশ শতিকাৰ আৰম্ভণিতে আইনী আৰু প্রতিষ্ঠানগত পদ্ধতিৰ সীমাবদ্ধতা বুজি উঠাৰ লগে লগে, ৰাজনীতি বিজ্ঞানক্ষেত্রত এটা নিৰৱ বিপ্লৱ সংঘটিত হৈছিল যিয়ে সমাজবিজ্ঞান আৰু মনোবিজ্ঞানকেন্দ্রিক পদ্ধতিসমূহলৈ পথ প্রসস্ত কৰিলে। এই মনোভাব আমেৰিকাত অধিক শক্তিশালী হৈছিল, যিয়ে ৰাষ্ট্র আৰু সমাজৰ আন্তঃসম্পর্কক স্বীকাৰ কৰিলে। অর্থাৎ, ৰাজনীতি বিজ্ঞানক এটা বিস্তৃত সামাজিক পটভূমিৰ অধীনত অধ্যয়ন কৰিব লাগিব।

ঙ) **সমাজবিজ্ঞানসমূহৰ একীকৰণ ঃ** আচৰণবাদী বিপ্লৱে সামাজিক বিজ্ঞানসমূহৰ ঐক্য স্থাপন কৰিছিল, যাৰ ফলত সমাজবিদ্যা আৰু ৰাজনীতি বিজ্ঞানৰ মাজত এটা দ্বিমুখী সম্পর্কৰ বিকাশ ঘটিছিল। কাৰণ ৰাষ্ট্র আৰু সমাজসমূহ ইমান ঘনিষ্ঠভাৱে জড়িত যে এটাক আনটোৰ অবিহনে অধ্যয়ন কৰাৰ যিকোনো প্রয়াস অর্থহীন।

উপৰোক্ত কাৰকসমূহৰ উপৰি, কার্ল মার্ক্স, মেক্স ৱেবাৰ, ৰাল্টাৰ বেজহট, ৰাল্টাৰ লিপম্যান, এমিল ডার্খেইম, চার্লছ ই. মেৰিয়াম, ৰ'বার্ট কে. মার্টন, ডেভিড ইষ্টন, ভিলফ্রেড' পাৰেটো', গায়েটান' দে ম'স্কা, চি. ডব্লিউ. মিলচ, ফ্রেড ডব্লিউ. ৰিগছ আদি বহুতো ৰাজনৈতিক বিজ্ঞানী আৰু সমাজবিদৰ গুৰুত্বপূর্ণ অৱদানক অস্বীকাৰ কৰিব নোৱাৰি। তেওঁলোকে ৰাজনৈতিক ক্ষেত্রখনক কেৱল ৰাজনৈতিক মঞ্চৰ পৰা মুক্ত কৰি এনে এক সমাজবৈজ্ঞানিক দৃষ্টিভংগী প্রদান কৰিবলৈ সক্ষম হৈছিল। কার্ল মার্ক্স আৰু মেক্স ৱেবাৰৰ অৱদান ৰাজনৈতিক সমাজবিদবোৰৰ বাবে "বাইবেল" ৰূপে পৰিগণিত হৈছিল।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ৰাজনৈতিক সমাজবিদ্যাৰ জনক বুলি কাক জনা যায়?

প্রশ্ন নং ২ ঃ ৰাজনৈতিক সমাজবিদ্যাৰ সংজ্ঞা দিয়ক।

প্রশ্ন নং ৩ ঃ অধ্যয়নৰ বিষয় হিচাপে ৰাজনৈতিক সমাজবিদ্যাৰ বিকাশৰ বাবে দায়ী কাৰণসমূহ আলোচনা কৰক।

প্রশ্ন নং ৪ ঃ কোন কোন গৱেষকে ৰাজনৈতিক সমাজবিদ্যাৰ অনুশাসনৰ বিকাশত অৱদান আগবঢ়াইছিল ?

২.৪ কার্ল মার্ক্সৰ অৱদান

কার্ল মার্ক্স ৰাজনৈতিক সমাজবিদ্যাৰ এজন প্রতিষ্ঠাপক আছিল। কার্ল মার্ক্সে ৰাজনৈতিক শক্তিৰ স্বভাৱ আৰু ইয়াৰ সামাজিক-আর্থিক সংগঠনৰ সৈতে সম্পর্কৰ বিষয়ে গুৰুত্ব আৰোপ কৰিছিল। ৰাজনৈতিক শক্তিৰ অর্থনৈতিক নির্ধাৰণবাদ সম্পর্কীয় তেওঁৰ তত্ত্বই ৰাজনৈতিক সমাজবিদ্যাৰ ভিত্তি স্থাপন কৰিছিল। কার্ল মার্ক্সৰ অৱদান তলত উল্লেখ কৰা তিনিটা বিভাগত বিভক্ত কৰা হয়—

(ক) সাধাৰণ তত্ত্ব — দ্বন্দ্বমূলক বস্তুবাদ, ঐতিহাসিক বস্তুবাদ/অর্থনৈতিক নির্ধাৰণবাদ

(খ) বিশেষ তত্ত্ব — বর্গসংঘাত, বর্গীয় বিচ্ছিন্নতা আৰু চেতনাৰ ধাৰণা, উদ্বৃত্ত মূল্য

(গ) **পদ্ধতিশাস্ত্র** — বৈজ্ঞানিক সমাজবাদ

- **দ্বন্দ্বমূলক বস্তুবাদ ঃ** 'Dialectic' শব্দটো গ্রীক শব্দ 'dialego'ৰ পৰা আহিছে যাৰ অর্থ হ'ল 'তর্ক কৰা' বা 'আলোচনা কৰা', যাৰ লক্ষ্য যুক্তিত থকা বৈপৰীত্যবোৰ প্রদর্শন কৰি সত্যলৈ পোহৰ দিয়া। এই তত্ত্ব প্রস্তুত কৰোঁতে কার্ল মার্ক্সে G.W. Friedrich Hegel ৰ পৰা প্রেৰণা লৈছিল। হেগেলৰ মতে দ্বন্দ্বমূলকৰ তিনিটা পর্যায় আছে-থিচিছ, এন্থি-থিচিছ আৰু ছিন্থেছিছ। হেগেলৰ মতে, ইতিহাস কেতিয়াও স্থিৰ নহয়। সমাজ সদায় পৰিৱর্তিত হৈ থাকে, সদায় সমাজত দ্বন্দ্বমূলক অগ্রগতি ঘটে, অর্থাৎ বৈপৰীত্য আৰু সংঘাতৰ জৰিয়তে অগ্রগতি ঘটে আৰু সেই বৈপৰীত্যৰ কাৰণ হ'ল চিন্তা বা অ-পদার্থমূলক কাৰকসমূহ।

  কার্ল মার্ক্সেও অলপ পার্থক্যসহ একেধৰণৰ ব্যাখ্যা আগবঢ়াইছিল। মার্ক্সেও সমাজৰ দ্বান্দ্বিক অগ্রগতিত বিশ্বাস কৰিছিল আৰু যে এই অগ্রগতি বস্তুগত কাৰকৰ বাবে ঘটে, হেগেলে কৈছিল যে ই ধাৰণাৰ বাবে নহয়। মার্ক্সৰ মতে, ধাৰণাবোৰো বস্তুগত কাৰকৰ ফলাফল। বস্তুগত পৃথিৰী হৈছে প্রকৃত পৃথিৰী।
- **ঐতিহাসিক বস্তুবাদ/ অর্থনৈতিক নির্ধাৰণবাদ ঃ** ইতিহাসৰ ব্যাখ্যা কৰোঁতে মার্ক্সে দ্বান্দ্বিক বস্তুবাদৰ নীতি প্রয়োগ কৰিছিল। মার্ক্সৰ মতে, সমাজৰ দুটা গঠন আছে; অর্থাৎ অবকাঠামো আৰু উচ্চকাঠামো। অবকাঠামোত কেৱল বস্তুগত বা অর্থনৈতিক কাৰকসমূহ অন্তর্ভুক্ত থাকে আৰু উচ্চকাঠামোত আইনী, সাংস্কৃতিক, ধর্মীয়, ৰাজনৈতিক আদি সকলোবোৰ অবস্তুগত কাৰক অন্তর্ভুক্ত থাকে।

  এই তত্ত্বই বিশ্বাস কৰে যে সদায় অবকাঠামোই উচ্চকাঠামোক নির্ধাৰণ কৰে। মার্ক্সে মানৱ সভ্যতাৰ বিকাশত কেইবাটাও স্তৰ চিনাক্ত কৰিছিল— প্রাথমিক সাম্যবাদ বা এছিয়াটিক স্তৰ, দাস-মালিকানা স্তৰ, সামন্ততান্ত্রিক স্তৰ আৰু পুঁজিবাদী স্তৰ। এই সকলোবোৰ স্তৰত, যি শ্রেণীয়ে উৎপাদনৰ উপায়সমূহ নিয়ন্ত্রণ কৰে, সেই শ্রেণীয়েই বাকী সকলোকে নিয়ন্ত্রণ কৰে। শেষত অর্থনৈতিক কাৰক উৎপাদনৰ শক্তিসমূহেয়ে ইতিহাসৰ গতি নির্ধাৰণ কৰে।
- **শ্রেণী সংঘাত ঃ** কার্ল মার্ক্সে চিনাক্ত কৰা মানৱ সভ্যতাৰ বিৱর্তনৰ বিভিন্ন পর্যায় দুটা শ্রেণীৰ অস্তিত্ব দ্বাৰা চিহ্নিত কৰা হয়— শোষক আৰু শোষিত, ধনী আৰু দুখীয়া, জমিদাৰ আৰু ভূমিহীন, বুর্জুৱা আৰু সর্বহাৰা শ্রেণী। মানৱ সভ্যতাৰ ইতিহাসজুৰি এটা শ্রেণী সদায় আন এটা শ্রেণীৰ বিপৰীতে থাকে। অর্থনৈতিক ক্ষমতা থকা শ্রেণীয়ে আন শ্রেণীক দমন কৰে। শ্রমজীৱী শ্রেণীয়ে নিজৰ জীৱিকাৰ বাবে নিজৰ পৰিশ্রম বিক্রী কৰে আৰু বিনিময়ত যি পায় সেয়া পর্যাপ্ত নহয়।

  ফলস্বৰূপে, পুঁজিপতিসকল ধনী হৈ যায় আৰু শ্রমজীৱীসকল দুখীয়া হৈ পৰে। পুঁজিপতিয়ে শোষণ কৰা শ্রমজীৱীসকলে এই শোষণৰ বিষয়ে সজাগ হয় আৰু শোষণৰ সর্বোচ্চ পর্যায়ত শ্রমজীৱী বা সর্বহাৰা শ্রেণীয়ে পুঁজিপতিৰ বিৰুদ্ধে এটা বিপ্লৱ আৰম্ভ কৰিব। কার্ল মার্ক্সে এই বিপ্লৱক "শ্রেণী যুদ্ধ" বুলি নামাংকিত কৰিছে আৰু সেই শ্রেণী সংঘাতত পুঁজিপতি/বুর্জুৱা শ্রেণী ধ্বংস হ'ব আৰু সর্বহাৰা শ্রেণীয়ে নিজৰ শাসন প্রতিষ্ঠা কৰিব।

  সর্বহাৰা শ্রেণীৰ একনায়কত্ব এটা সংক্রমণকালীন পর্যায়। এই পর্যায়ত সর্বহাৰা শ্রেণীয়ে সমাজতন্ত্র প্রতিষ্ঠা কৰিবলৈ চেষ্টা কৰিব আৰু তাত শ্রেণীহীন আৰু ৰাষ্ট্রহীন সমাজ থাকিব। এই সমাজৰ পথপ্রদর্শক নীতি হ'ব— "প্রত্যেকে নিজৰ সক্ষমতা অনুসৰি দিব আৰু প্রত্যেকে নিজৰ প্রয়োজন অনুসৰি পাব"।
- **শ্রেণী-বিচ্ছিন্নতা আৰু চেতনা ঃ** কার্ল মার্ক্স ৰাষ্ট্রহীন বা শ্রেণীহীন সমাজৰ পক্ষে আছিল কাৰণ মার্ক্সৰ মতে ৰাষ্ট্র সদায়ে পুঁজিপতি/ধনী শ্রেণীৰ স্বার্থ আগবঢ়াবলৈ বিদ্যমান। সর্বহাৰা/শ্রমজীৱী/দৰিদ্র শ্রেণীক সদায়ে দমন কৰা হয়। সর্বহাৰা শ্রেণীয়ে অনাহাৰে থকাৰ পৰা ৰক্ষা পাবলৈ বহুত কষ্ট কৰি কাম কৰিব লগা হয় আৰু ইয়াৰ ফলত তেওঁলোকে সমাজৰ বাকী অংশৰ পৰা অধিক বিচ্ছিন্ন হৈ পৰে। তেওঁলোক পুঁজিপতি শ্রেণীৰ দ্বাৰা এনে এক পর্যায়লৈ শোষিত হয় যে, সর্বোচ্চ শোষণৰ অৱস্থাত সর্বহাৰা শ্রেণীয়ে এই সত্যৰ প্রতি সচেতন হৈ পৰে। তেওঁলোকে সমাজত স্বীকৃতিৰ বাবে আগ্রহ প্রকাশ কৰে যিয়ে শেষত শ্রেণীসংগ্রামৰ পথ প্রশস্ত কৰে।

- **অতিৰিক্ত মূল্য ঃ** কার্ল মার্ক্সে অতিৰিক্ত মূল্যৰ তত্ত্ব ডেভিড হিউমৰ শ্ৰম-মূল্যৰ তত্ত্বৰ পৰা বিকাশ কৰিছিল। শ্ৰেণীসংগ্ৰামৰ সমাজতাত্ত্বিক আধাৰ অতিৰিক্ত মূল্যৰ তত্ত্বৰ পৰা আহৰণ কৰা হৈছে। অতিৰিক্ত মূল্য হৈছে সেই পৰিমাণৰ শ্ৰম যাৰ বাবে কোনো মূল্য প্ৰদান কৰা নহয়। যিহেতু সঁচা উৎপাদকজন হৈছে শ্ৰমজীৱী, সেয়ে তেওঁলোকে নিজৰ মূল্য পাব লাগিছিল। কিন্তু পুঁজিপতিসকলে তেওঁলোকৰ মূল্য নাকচ কৰি নিজৰ ভাগ লৈ ৰাখে। শ্ৰমজীৱীসকলে নিজৰ উৎপাদনৰ অতি সৰু অংশহে মজুৰীৰ ৰূপত পায়। বৃহৎ অংশটো পুঁজিপতি শ্ৰেণীৰ লাভ হিচাপে যায়।
- **পদ্ধতিতত্ত্ব ঃ** কার্ল মার্ক্সে তেওঁৰ তত্ত্বসমূহক এটা পদ্ধতিগত আৰু কঠোৰভাৱে আধাৰিত কৰিবলৈ চেষ্টা কৰিছিল। তেওঁ প্ৰমাণত বিশ্বাস কৰিছিল। তেওঁৰ বৈজ্ঞানিক সমাজবাদৰ তত্ত্বই ভৱিষ্যতৰ সমাজ বিজ্ঞানীসকলক কিছুমান নিৰ্দিষ্ট পদ্ধতি প্ৰদান কৰিছিল।

২.৫ মেক্স ৱেবাৰৰ অৱদান

মেক্স ৱেবাৰ, এজন জার্মান সমাজবিজ্ঞানী, ৰাজনৈতিক সমাজবিদ্যাৰ অন্য এজন গুৰুত্বপূৰ্ণ অৱদানকাৰী আছিল। তেওঁৰ *Protestant Ethics and the Spirit of Capitalism* গ্ৰন্থত, ৱেবাৰৰ মত আছিল যে সমাজতাত্ত্বিক কাৰকসমূহেই ৰাজনৈতিক বিশ্লেষণক গঢ় দিয়ে। তেওঁৰ মতে, মানৱ ইতিহাস অবস্তুগত আৰু অ-ৰাজনৈতিক কাৰকসমূহৰ দ্বাৰা গঢ় পাইছে। তেওঁ ইতিহাসিক বস্তুবাদৰ মার্ক্সবাদী দৰ্শনত এক পৰিৱৰ্তন আনিছিল।

মেক্স ৱেবাৰে সামাজিক ব্যৱস্থা আৰু সামাজিক শ্ৰেণী, ক্ষমতা আৰু আমোলাতন্ত্ৰ সম্পৰ্কে নিজৰ মতামত আগবঢ়াই ৰাজনৈতিক সমাজবিদ্যাৰ আধাৰ প্ৰস্থাপন কৰিছিল।

সামাজিক ব্যৱস্থা আৰু সামাজিক শ্ৰেণী ঃ

সামাজিক ব্যৱস্থা সম্পৰ্কে আলোচনা কৰোঁতে, তেওঁ সামাজিক শ্ৰেণী সম্পৰ্কেও আলোচনা কৰিছিল, যি সামাজিক ব্যৱস্থাৰ ফলস্বৰূপে জন্ম লয়। তেওঁ সামাজিক ব্যৱস্থাত অর্থনৈতিক কাৰকৰ গুৰুত্বৰ উপৰি অন্য সামাজিক কাৰকসমূহৰ গুৰুত্বৰ ওপৰত জোৰ দি আছিল। একে শ্ৰেণীৰ মানুহ একে অর্থনৈতিক আৰু সামাজিক স্থিতিত অন্তর্গত হয়। একে শ্ৰেণীৰ অন্তর্গত লোকসকলে একে ধৰণৰ সুযোগৰ অধিকাৰী হয়।

ৱেবাৰে নিজৰ সামাজিক বিশ্লেষণত ক্ষমতাক কেন্দ্ৰীয় স্থান প্ৰদান কৰিছিল। তেওঁৰ মতে, ক্ষমতা হৈছে অভীষ্ট লক্ষ্য সিদ্ধ কৰাৰ সক্ষমতা। ক্ষমতাক দুটা ভাগত বিভাজন কৰিব পাৰি — 'অর্থনৈতিক ক্ষমতা' আৰু 'সাধাৰণ ক্ষমতা'। ক্ষমতা আৰু মর্যাদাৰ ধাৰণা সম্পৰ্কিত। সামাজিক মর্যাদা ক্ষমতাৰ এটা মাধ্যমও আৰু এটা লক্ষ্যও।

- **কর্তৃত্ব ঃ** ক্ষমতা, কর্তৃত্ব আৰু বৈধতাৰ ধাৰণা একে আনৰ সৈতে সম্পৰ্কিত। বৈধ ক্ষমতাক কর্তৃত্ব বুলি কোৱা হয়। ৱেবাৰৰ মতে, কর্তৃত্বৰ তিনিধৰণ আছে —
  a) পৰম্পৰাগত কর্তৃত্ব
  b) যুক্তিসংগত-আইনী কর্তৃত্ব
  c) আকর্ষণীয় কর্তৃত্ব
  - **পৰম্পৰাগত কর্তৃত্ব ঃ** পৰম্পৰাগত কর্তৃত্ব আচাৰ-অনুষ্ঠান আৰু পৰম্পৰাৰ ওপৰত ভিত্তি কৰা হয়। পৰম্পৰা প্ৰতিটো সমাজ আৰু গোট অনুসৰি বেলেগ হয় আৰু সেই অনুসাৰে ইয়াৰ কর্তৃত্বৰ ধৰণো বেলেগ হয়। পৰম্পৰাগত কর্তৃত্ব নির্ধাৰণ কৰোঁতে যুক্তি আৰু কাৰণৰ কোনো ঠাই নাথাকে। উদাহৰণস্বৰূপে— ছাত্ৰৰ ওপৰত শিক্ষকক কর্তৃত্ব, পৰিয়ালৰ ওপৰত দেউতাকৰ কর্তৃত্ব আদিকে ধৰা যায়।
  - **যুক্তিসংগত আইনী কর্তৃত্ব ঃ** যুক্তিসংগত আইনী কর্তৃত্ব সেই ক্ষমতা যি কোনো ব্যক্তি বা ব্যক্তিসমূহৰ সামাজিক স্থিতি বা পদবীৰ জৰিয়তে বৈধতা লাভ কৰে। কোনো ব্যক্তিয়ে কোনো নির্দিষ্ট পদ অধিকাৰ কৰাৰ ফলত তেওঁ যুক্তিসংগত আইনী কর্তৃত্ব উপভোগ কৰে। উদাহৰণস্বৰূপে— ভাৰতৰ ৰাষ্ট্ৰপতি। ভাৰতত ৰাষ্ট্ৰপ্ৰধান হিচাপে তেওঁৰ পদৰ প্ৰভাৰত ৰাষ্ট্ৰপতিয়ে সেই কর্তৃত্ব প্ৰয়োগ কৰে।

➢ **আকর্ষণীয় কর্তৃত্ব ঃ** কিছুমান মানুহে আকর্ষণীয় কর্তৃত্ব প্রয়োগ কৰে, যি প্রথা বা পদবীৰ ওপৰত আধাৰিত নহয়, বৰং তেওঁলোকৰ নিজৰ অনন্য সাধাৰণ গুণৰ ফলত হয়। তেওঁলোক তেনে শোভনীয় আৰু আকর্ষণীয় যে, আন লোকৰ ওপৰত প্রভাৱ বিস্তাৰ কৰিব পাৰে। উদাহৰণস্বৰূপে— ধর্মীয় নবীসকল, সমাজ সংস্কাৰকসকল আদি সেইসকল ব্যক্তি যিয়ে আকর্ষণীয় কর্তৃত্ব প্রয়োগ কৰিব পাৰে।

- **আমোলাতন্ত্র ঃ** মেক্স ৱেবাৰৰ ৰাজনৈতিক সমাজবিদ্যাৰ আন এটা অৱদান আছিল আমোলাতন্ত্র। আমোলাতন্ত্র হৈছে এটা প্রশাসনিক সংগঠন য'ত ক্ষমতাৰ বণ্টন আৰু শ্রেণীবিভাজন একেধৰণৰ পদানুক্রমিক শৃংখলাৰ আধাৰত কৰা হয়।

মেক্স ৱেবাৰে আমোলাতন্ত্রৰ তলত দিয়া বৈশিষ্ট্যসমূহ চিনাক্ত কৰিছিল ঃ

ক) **প্রশাসনিক শ্রেণী ঃ** আমোলাতন্ত্রৰ বৈশিষ্ট্য হৈছে প্রশাসনিক শ্রেণীৰ অস্তিত্ব। প্রশাসনিক শ্রেণীয়ে সদস্যসকলৰ কার্যকলাপসমূহক সমন্বয় কৰে।

খ) **পদানুক্রম ঃ** পদানুক্রমে বুজাইছে শ্রেষ্ঠ আৰু অধীনস্তৰ সম্পর্ক। আমোলাতন্ত্রমূলক সংগঠনত পদানুক্রমৰ নীতি অনুসৰণ কৰা হয় যাৰ অধীনত প্রত্যেক তলৰ কার্যালয়ক ওপৰৰ কার্যালয়ৰ নিয়ন্ত্রণ আৰু পর্যবেক্ষণৰ অধীন হ'ব লাগে।

গ) **কার্যৰ বিভাজন ঃ** আমোলাতন্ত্রমূলক সংগঠনত কার্য বিশেষীকৰণৰ অনুকূল বিভাজন কৰা হয়। ইয়াক কার্যকৰিতা নিশ্চিত কৰিবলৈ কৰা হয়।

ঘ) **চৰকাৰী নিয়ম ঃ** এটা আমোলাতন্ত্রমূলক সংগঠনক সম্পূর্ণভাৱে অব্যক্তিগত আৰু নিৰপেক্ষ নিয়ম আৰু বিধানৰ দ্বাৰা কঠোৰভাৱে নিয়ন্ত্রণ কৰা হয়।

ঙ) **নৈর্ব্যক্তিক সম্পর্ক ঃ** আমোলাতন্ত্রত সিদ্ধান্ত গ্রহণৰ ক্ষেত্রত যুক্তিসংগততা বিবেচনা কৰা হয়। ইয়াত ব্যক্তিগত সম্পর্ক, অনুভূতি আৰু আবেগৰ অনুপস্থিতি থাকে।

চ) **চৰকাৰী নথিপত্র ঃ** আমোলাতন্ত্রত শৃংখলিত চৰকাৰী নথিপত্র ৰক্ষণাবেক্ষণ কৰা হয়। নিয়ম, বিধি আৰু সিদ্ধান্তসমূহ আনৰ বিভ্রান্তি আৰু অপব্যৱহাৰ ৰোধ কৰিবলৈ আনুষ্ঠানিকভাৱে নথিভুক্ত কৰা হয়।

ছ) **একাধিপত্যৰ অভাৱ ঃ** আমোলাতন্ত্র ব্যৱস্থাৰ বৈশিষ্ট্যৰূপে একাধিপত্যৰ অনুপস্থিতি থাকে। স্থানান্তৰ, স্থগিত আৰু পদচ্যুত কৰাৰ ব্যৱস্থা থাকে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ দ্বান্দ্বিকতা বুলিলে আপুনি কি বুজে?

প্রশ্ন নং ৬ ঃ দ্বান্দ্বিক বস্তুবাদৰ তত্ত্ব প্রণয়ন কৰিবলৈ কার্ল মার্ক্সক কোনে প্রেৰণা যোগাইছিল?

প্রশ্ন নং ৭ ঃ ইতিহাসিক বস্তুবাদ আৰু শ্রেণী সংগ্রামৰ বিষয়ে কার্ল মার্ক্সৰ দৃষ্টিভংগীৰ বিষয়ে সংক্ষিপ্তভাৱে লিখক।

প্রশ্ন নং ৮ ঃ সেই গ্রন্থখনৰ নাম লিখক য'ত মেক্স ৱেবাৰে মত প্রকাশ কৰিছিল যে ৰাজনৈতিক বিশ্লেষণ সমাজতাত্ত্বিক কাৰকৰ দ্বাৰা গঢ় পায়।

প্রশ্ন নং ৯ ঃ কর্তৃত্ব কি? মেক্স ৱেবাৰে দিয়া কর্তৃত্বৰ বিভিন্ন প্রকাৰসমূহ কি কি?

প্রশ্ন নং ১০ ঃ আমোলাতন্ত্র বুলিলে আপুনি কি বুজে?

২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- যদিও ৰাজনৈতিক সমাজবিদ্যা অধ্যয়নৰ বিষয় হিচাপে ৰাজনীতিত হোৱা আচৰণবাদী বিপ্লৱৰ পিছতহে উদ্ভৱ হৈছিল, তথাপি ৰাম্সিমেনৰ মতে ইয়াৰ জন্ম সেই সময়লৈ অনুসৰণ কৰিব পাৰি যেতিয়া সামাজিক আৰু ৰাজনৈতিৰ মাজৰ পার্থক্য স্থাপন কৰা হৈছিল। এই বিকাশৰ প্রথম অভিজ্ঞতামূলক বিৱৰণ ১৮৪০ চনত হৈছিল, যিটো ৰাম্সিমেনে নির্ধাৰণ কৰিছিল, যেতিয়া মার্ক্সে হেগেলৰ 'Philosophy of Law'ৰ

সমালোচনা লিখিছিল আৰু ভন ষ্টাইনে তেওঁৰ 'History of Nineteenth Century Social Movement' লিখিছিল।

- ৰাজনৈতিক সমাজতত্ত্বই ৰাজনীতি আৰু সমাজৰ মাজৰ সম্পৰ্কৰ সৈতে সম্পৰ্কিত। ৰাজনৈতিক সমাজতাত্ত্বিকসকলে যুক্তি দিয়ে যে যিকোনো বিষয় যি ৰাজনৈতিক, তাক বুজিব নোৱাৰি যেতিয়ালৈকে সেইটো সামাজিক দিশৰ সৈতে সম্পৰ্ক স্থাপন নকৰে।
- এই শাস্ত্ৰটোৰ উদ্ভৱৰ ক্ষেত্ৰত বহুতো কাৰণ বা কাৰকে অৱদান আগবঢ়াইছিল। ঔদ্যোগিক বিপ্লৱ, ৰাজনীতি বিজ্ঞানৰ পৰম্পৰাগত স্বৰূপ, গণতান্ত্ৰিক ব্যৱস্থাৰ সীমাবদ্ধতা, ৰাষ্ট্ৰ আৰু সমাজৰ মাজৰ আন্তঃসম্পৰ্ক, সামাজিক বিজ্ঞানসমূহৰ ঐক্যকৰণ আদি তাৰ ভিতৰত কিছুমান, যিয়ে ৰাজনৈতিক সমাজতত্ত্বৰ বিকাশক এটা শাস্ত্ৰ হিচাপে ত্বৰান্বিত কৰিছিল।
- কার্ল মার্ক্স, মেক্স ৱেবাৰ, ৰাল্টাৰ বেজহট, ৰাল্টাৰ লিপমেন, এমিল দুৰ্খাইম, চার্লছ ই. মেৰিয়াম, ৰবাৰ্ট কে. মার্টন, ডেভিড ইষ্টন, ভিলফ্ৰেড' পাৰেটো, গায়েটান' দে মস্কা, চি. ডব্লিউ. মিল্ছ, ফ্ৰেড ডব্লিউ. ৰিগ্ছ আদি বিভিন্ন ৰাজনীতি বিজ্ঞানী আৰু সমাজতাত্ত্বিকসকলে ৰাজনীতিক কেৱল ৰাজনৈতিক দিশৰ পৰা মুক্ত কৰি তাক এক সমাজতাত্ত্বিক দৃষ্টিভংগী দিবলৈ সফল হৈছিল।
- কার্ল মার্ক্স আছিল ৰাজনৈতিক সমাজতত্ত্বৰ প্ৰতিষ্ঠাতা। কার্ল মার্ক্সে ৰাজনৈতিক ক্ষমতাৰ প্ৰকৃতি আৰু ইয়াৰ সৈতে সামাজিক আৰু অৰ্থনৈতিক সংগঠনৰ সম্পৰ্ক জড়িত বিষয়সমূহত গুৰুত্ব দিছিল। ৰাজনৈতিক ক্ষমতাৰ অৰ্থনৈতিক নির্ধাৰণবাদ সম্পৰ্কীয় তেওঁৰ তত্ত্বই ৰাজনৈতিক সমাজতত্ত্বৰ ভেটি স্থাপন কৰিছিল।
- কার্ল মার্ক্সৰ অৱদান তিনিটা শিৰোনামাৰ অন্তৰ্গত—
  a) সাধাৰণ তত্ত্ব - দ্বান্দ্বিক বস্তুবাদ, ইতিহাসিক বস্তুবাদ/অৰ্থনৈতিক নির্ধাৰণবাদ; b) বিশেষ তত্ত্ব - শ্ৰেণী সংগ্ৰাম, শ্ৰেণী বিচ্ছিন্নতা আৰু চেতন, উদ্বৃত্ত মূল্য; c) পদ্ধতিবিজ্ঞান - বৈজ্ঞানিক সমাজবাদ ।
- জার্মান সমাজতাত্ত্বিক মেক্স ৱেবাৰ ৰাজনৈতিক সমাজতত্ত্বৰ আন এজন গুৰুত্বপূৰ্ণ অৱদানকাৰী আছিল। তেওঁৰ 'Protestant Ethics and the Spirit of Capitalism' গ্ৰন্থত ৱেবাৰে এই মত প্ৰকাশ কৰিছিল যে সমাজতাত্ত্বিক কাৰকসমূহেই ৰাজনৈতিক বিশ্লেষণক গঢ় দিয়ে। তেওঁৰ মতে, মানৰ ইতিহাস অবস্তুগত আৰু অ-ৰাজনৈতিক কাৰকসমূহৰ দ্বাৰা গঢ় পাইছে। তেওঁ ইতিহাসিক বস্তুবাদৰ মার্ক্সবাদী দর্শনত এক পৰিৱৰ্তন আনিছিল।
- মেক্স ৱেবাৰে সামাজিক শৃংখলা আৰু সামাজিক শ্ৰেণী, কর্তৃত্ব আৰু আমোলাতন্ত্ৰৰ বিষয়ে নিজৰ মতামত আগবঢ়াই ৰাজনৈতিক সমাজতত্ত্বৰ ভেটি স্থাপন কৰিছিল।

২.৭ অধিক জানিবলৈ

1) Rathod , P. B. (2005). *Fundamentals of Political Sociology*. ABD Publishers, Jaipur

2) Jena, Saroj Kumar (2002). *Political Sociology A Realistic Approach*. Anmol Publications Pvt. Ltd. New Delhi

3) Ashraf, Ali and Sharma, L.N. (2004). *Political Sociology : A New Grammar of Politics*. University Press(India) Private Limited, Hyderabad

4) Dasgupta , Samir (2011). *Political Sociology* .Pearson, Delhi Chennai Hyderabad

২.৮ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ মেক্স ৱেবাৰ।

২ নং প্ৰশ্নৰ উত্তৰ ঃ এছ. এম. লিপছেটয়ে ৰাজনৈতিক সমাজবিদ্যাক এইদৰে সংজ্ঞায়িত কৰিছে- "সমাজ আৰু

ৰাজনৈতিক ব্যৱস্থাৰ মাজৰ আন্তঃসম্পৰ্ক, আৰু সামাজিক গঠন আৰু ৰাজনৈতিক প্ৰতিষ্ঠানসমূহৰ মাজৰ সম্পৰ্কৰ অধ্যয়ন।"

জি. ছাৰ্তোৰীৰ মতে, "ই এটা আন্তঃশাস্ত্ৰীয় সংমিশ্ৰণ যিয়ে সমাজতাত্ত্বিকসকলে প্ৰস্তাৱ কৰা ইনপুটসমূহ আৰু ৰাজনীতি বিজ্ঞানীসকলে প্ৰস্তাৱ কৰা ইনপুটসমূহ একত্ৰ কৰি সামাজিক আৰু ৰাজনৈতিক ব্যাখ্যামূলক চলকসমূহ সংযুক্ত কৰিবলৈ চেষ্টা কৰে।"

৩ নং প্ৰশ্নৰ উত্তৰ ঃ তলত দিয়া কাৰকসমূহে ৰাজনৈতিক সমাজবিদ্যাৰ বিকাশত অৱদান আগবঢ়াইছে—

a) ঔদ্যোগিক বিপ্লৱ ঃ ঔদ্যোগিক বিপ্লৱে সমাজত ব্যাপক পৰিৱৰ্তন আনিছিল যাৰ ফলত স্পষ্ট সামাজিক ঘটনাৱলীৰ অধ্যয়ন আৰম্ভ হৈছিল আৰু ইয়াৰ ফলত সমাজতত্ত্ব এক স্বতন্ত্ৰ অভিজ্ঞতাভিত্তিক অধ্যয়নৰ বিষয় হিচাপে বিকাশ লাভ কৰিছিল। অগষ্ট কম্‌টক সমাজতত্ত্বৰ জনক বুলি গণ্য কৰা হয়। ভন ষ্টাইনয়ে সমাজক এক স্বতন্ত্ৰ ধাৰণা হিচাপে আলোচনা কৰা প্ৰথম ব্যক্তি আছিল।

b) ৰাজনীতি বিজ্ঞানৰ পৰম্পৰাগত স্বৰূপ ঃ ৰাজনীতি বিজ্ঞানক অতি মানদণ্ডমূলক আৰু নিৰ্দেশমূলক বুলি ধৰা হৈছিল। অধিকাংশ পাশ্চাত্য ৰাজনৈতিক চিন্তাবিদে 'কি হোৱা উচিত' এই প্ৰশ্নটোত অধিক গুৰুত্ব দিছিল আৰু ৰাজনৈতিক বাস্তৱতাসমূহ বিশ্লেষণ কৰিবলৈ চেষ্টা কৰিছিল। বিশেষকৈ আমেৰিকা যুক্তৰাষ্ট্ৰত ৰাজনীতি বিজ্ঞানৰ এই পৰম্পৰাগত স্বৰূপৰ প্ৰতি অসন্তোষ বৃদ্ধি পাইছিল। সেয়ে তেওঁলোকে কঠোৰ বৈজ্ঞানিক অভিজ্ঞতাবাদৰ আলোকত ৰাজনৈতিক বাস্তৱতাসমূহ অধ্যয়ন কৰিবলৈ সিদ্ধান্ত লৈছিল। এই প্ৰক্ৰিয়াই তেওঁলোকক সমাজতত্ত্বৰ ফালে আকৰ্ষিত কৰিছিল।

c) গণতান্ত্ৰিক কাঠামোৰ সীমাবদ্ধতা ঃ আমেৰিকান সামাজিক বিজ্ঞানীসকলে ৰাজনৈতিক সমাজতত্ত্বৰ ক্ষেত্ৰত অধ্যয়ন আৰম্ভ কৰিবলৈ প্ৰেৰণা পাইছিল, কাৰণ প্ৰথম বিশ্বযুদ্ধৰ পিছত তেওঁলোকে নিজৰ দেশৰ গণতান্ত্ৰিক কাঠামোৰ সীমাবদ্ধতাসমূহৰ বিষয়ে সচেতন হৈছিল। তেওঁলোক ৰাজনৈতিক অংশগ্ৰহণৰ স্বৰূপ আৰু পৰিমাণ, চাপ গোট আৰু লবীসমূহ, গণমাধ্যমৰ ওপৰত ক্ষমতা আৰু নিয়ন্ত্ৰণ, সামাজিক গঠন আৰু প্ৰক্ৰিয়াৰ মাজৰ সম্পৰ্ক, ব্যক্তিত্ব গঠন আৰু ৰাজনৈতিক আচৰণ আদি বিষয়সমূহৰ দ্বাৰা প্ৰেৰিত হৈছিল।

d) ৰাজ্য আৰু সমাজৰ মাজৰ আন্তঃসম্পৰ্ক ঃ আইনী আৰু প্ৰতিষ্ঠানগত পদ্ধতিৰ সীমাবদ্ধতাসমূহ উপলব্ধি কৰাৰ ফলত বিংশ শতাব্দীৰ আৰম্ভণিতে ৰাজনীতি বিজ্ঞানৰ ক্ষেত্ৰত এক নীৰৱ বিপ্লৱ ঘটিছিল, যাৰ ফলত সমাজতাত্ত্বিক আৰু মনোবৈজ্ঞানিক পদ্ধতিসমূহৰ পথ মুকলি হৈছিল। এই মনোভাব আমেৰিকা যুক্তৰাষ্ট্ৰত অধিক শক্তিশালী হৈছিল, য'ত ৰাজ্য আৰু সমাজৰ আন্তঃসম্পৰ্ক গ্ৰহণ কৰা হৈছিল অৰ্থাৎ ৰাজনীতি বিজ্ঞানক এক বিস্তৃত সামাজিক পটভূমিৰ অন্তৰ্গত কৰি অধ্যয়ন কৰিব লাগিব।

e) সামাজিক বিজ্ঞানসমূহৰ ঐক্যকৰণ ঃ আচৰণবাদী বিপ্লৱে সামাজিক বিজ্ঞানসমূহৰ ঐক্য আনিছিল, যাৰ ফলত সমাজতত্ত্ব আৰু ৰাজনীতি বিজ্ঞানৰ মাজত দুমুখীয়া সম্পৰ্ক গঢ় লৈ উঠিছিল। কাৰণ ৰাজ্য আৰু সমাজ একে, এটা আনটোৰ সৈতে ইমান ঘনিষ্ঠভাৱে সম্পৰ্কিত যে এটাক আনটোৰ অবিহনে অধ্যয়ন কৰাৰ যিকোনো চেষ্টা অৰ্থহীন।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ কাৰ্ল মাৰ্ক্স, মেক্স ৱেবাৰ, ৱাল্টাৰ বেজহট, ৱাল্টাৰ লিপমেন, এমিল দুৰ্খাইম, চাৰ্লছ ই. মেৰিয়াম, ৰবাৰ্ট কে. মাৰ্টন, ডেভিড ইষ্টন, ভিলফ্ৰেড' পাৰেটো, গায়েটান' দে মস্কা, চি. ডব্লিউ. মিল্‌ছ, ফ্ৰেড

ডব্লিউ. বিগ্‌ছ আদি।

৫ নং প্রশ্নৰ উত্তৰ ঃ 'দ্বান্দ্বিক' শব্দটো গ্রীক শব্দ 'ডায়েলেগো'ৰ পৰা আহিছে, যাৰ অর্থ হৈছে 'বিতর্ক কৰা' বা 'আলোচনা কৰা', যাৰ উদ্দেশ্য হৈছে যুক্তিত থকা বৈপৰীত্যসমূহ দেখুৱাই সত্যত উপনীত হোৱা।

৬ নং প্রশ্নৰ উত্তৰ ঃ জি. ডব্লিউ. ফ্রিড্রিখ হেগেল (G. W. Friedrich Hegel)।

৭ নং প্রশ্নৰ উত্তৰ ঃ ইতিহাসিক বস্তুবাদ/অর্থনৈতিক নির্ধাৰণবাদ

ইতিহাসৰ ব্যাখ্যা কৰোঁতে মার্ক্সে দ্বান্দ্বিক বস্তুবাদৰ নীতি প্রয়োগ কৰিছিল। মার্ক্সৰ মতে, সমাজৰ দুটা গঠন থাকে; অর্থাৎ অবকাঠামো আৰু উচ্চকাঠামো। অবকাঠামোত কেৱল বস্তুগত বা অর্থনৈতিক কাৰক অন্তর্ভুক্ত থাকে আৰু উচ্চকাঠামোত আইনী (Legal), সাংস্কৃতিক (Cultural), ধর্মীয়, ৰাজনৈতিক আদি সকলোবোৰ অবস্তুগত কাৰক অন্তর্ভুক্ত থাকে।

এই তত্ত্বই বিশ্বাস কৰে যে সদায় অবকাঠামোই উচ্চকাঠামোক নির্ধাৰণ কৰে। মার্ক্সে মানৰ সভ্যতাৰ বিকাশত কেইবাটাও স্তৰ চিনাক্ত কৰিছিল— প্রাথমিক সাম্যবাদ বা এছিয়াটিক স্তৰ, দাস-মালিকানা স্তৰ, সামন্ততান্ত্রিক স্তৰ আৰু পুঁজিবাদী স্তৰ। এই সকলোবোৰ স্তৰত যি শ্রেণীয়ে উৎপাদনৰ উপায়সমূহ নিয়ন্ত্রণ কৰে, সেই শ্রেণীয়েই বাকী সকলোকে নিয়ন্ত্রণ কৰে। শেষত অর্থনৈতিক কাৰক বা উৎপাদনৰ শক্তিসমূহয়ে ইতিহাসৰ গতি নির্ধাৰণ কৰে।

শ্রেণী সংগ্রাম ঃ

কার্ল মার্ক্সে চিনাক্ত কৰা মানৰ সভ্যতাৰ বিকাশৰ বিভিন্ন স্তৰত দুটা শ্রেণীৰ অস্তিত্ব লক্ষ্য কৰা যায়— দমনকাৰী আৰু দমিত, সম্পদশালী আৰু সম্পদহীন, জমিদাৰ আৰু ভূমিহীন, বুর্জোৱা আৰু সর্বহাৰা শ্রেণী। মানৰ সভ্যতাৰ সমগ্র ইতিহাসত এটা শ্রেণী সদায় আনটো শ্রেণীৰ বিপৰীতে থাকে। যি শ্রেণীৰ হাতত অর্থনৈতিক শক্তি থাকে, সেই শ্রেণীয়ে আনটো শ্রেণীক দমন কৰে। শ্রমিক শ্রেণীয়ে জীৱিকা নির্বাহৰ বাবে নিজৰ শ্রম বিক্রী কৰে আৰু তাৰ বিনিময়ত তেওঁলোকে যি লাভ কৰে সেয়া যথেষ্ট নহয়। ফলস্বৰূপে পুঁজিপতিসকল অধিক ধনী হৈ উঠে আৰু শ্রমিকসকল অধিক দৰিদ্র হৈ পৰে।

পুঁজিপতিসকলৰ দ্বাৰা শোষিত হোৱা শ্রমিকসকলে এই শোষণৰ বিষয়ে সচেতন হৈ উঠে আৰু শোষণৰ সর্বোচ্চ স্তৰত শ্রমিকসকল বা সর্বহাৰাসকলে পুঁজিপতিসকলৰ বিৰুদ্ধে বিপ্লৱ আৰম্ভ কৰিব, যাক কার্ল মার্ক্সে 'শ্রেণী যুদ্ধ' বুলি অভিহিত কৰিছিল। সেই শ্রেণী সংগ্রামত পুঁজিপতি বা বুর্জোৱা শ্রেণী পৰাস্ত হ'ব আৰু সর্বহাৰা শ্রেণীয়ে নিজৰ শাসন স্থাপন কৰিব।

সর্বহাৰা শ্রেণীৰ একনায়কত্ব এটা পৰিৱর্তনকালীন স্তৰ। এই স্তৰত সর্বহাৰাসকলে সাম্যবাদ স্থাপন কৰিবলৈ চেষ্টা কৰিব আৰু এখন শ্রেণীহীন আৰু ৰাষ্ট্রহীন সমাজ গঢ়ি উঠিব। এই সমাজৰ পথ প্রদর্শক নীতি হ'ব— "প্রত্যেকৰ ক্ষমতা অনুসাৰে, প্রত্যেকক তেওঁৰ প্রয়োজন অনুসাৰে"।

৮ নং প্রশ্নৰ উত্তৰ ঃ *Protestant Ethics and the Spirit of Capitalism.*

৯ নং প্রশ্নৰ উত্তৰ ঃ ক্ষমতা, কর্তৃত্ব আৰু বৈধতা পৰস্পৰ সম্পর্কিত ধাৰণা। বৈধ ক্ষমতাকেই কর্তৃত্ব বুলি কোৱা হয়।

ৱেবাৰৰ মতে, কর্তৃত্বৰ তিনিটা প্রকাৰ আছে —

a) পৰম্পৰাগত কর্তৃত্ব

b) যুক্তিসংগত-আইনী কর্তৃত্ব

c) আকর্ষণীয় কর্তৃত্ব

১০ নং প্রশ্নৰ উত্তৰ ঃ আমোলাতন্ত্র হৈছে এক প্রশাসনিক সংগঠন য'ত কোনো ধৰণৰ স্তৰভিত্তিক ক্রম অনুসৰি ক্ষমতাৰ বণ্টন আৰু শ্রেণীবিভাজন কৰা হয়।

২.৯ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ ৰাজনৈতিক সমাজবিদ্যাৰ অর্থ উল্লেখ কৰক।

প্রশ্ন ২ ঃ মেক্স ৱেবাৰে দিয়া আমোলাতন্ত্রৰ দুটা বৈশিষ্ট্য লিখক।

প্রশ্ন ৩ ঃ এছ. এম. লিপছেটে দিয়া ৰাজনৈতিক সমাজবিদ্যাৰ সংজ্ঞাটো উল্লেখ কৰক।

প্রশ্ন ৪ ঃ মেক্স ৱেবাৰে কৰা কর্তৃত্বৰ শ্রেণীবিভাজনৰ ওপৰত এটি সংক্ষিপ্ত টোকা লিখক।

প্রশ্ন ৫ ঃ আমোলাতন্ত্রৰ বৈশিষ্ট্যসমূহ সংক্ষিপ্তভাৱে ব্যাখ্যা কৰক।

প্রশ্ন ৬ ঃ অধ্যয়নৰ বিষয় হিচাপে ৰাজনৈতিক সমাজবিদ্যাৰ উদ্ভৱৰ বাবে দায়ী বিভিন্ন কাৰকসমূহ আলোচনা কৰক।

প্রশ্ন ৭ ঃ কার্ল মার্ক্সৰ সাধাৰণ আৰু বিশেষ তত্ত্বসমূহ আলোচনা কৰক।

প্রশ্ন ৮ ঃ অধ্যয়নৰ বিষয় হিচাপে ৰাজনৈতিক সমাজবিদ্যাৰ বিকাশত কার্ল মার্ক্সৰ অৱদান মূল্যায়ন কৰক।

প্রশ্ন ৯ ঃ ৰাজনৈতিক সমাজবিদ্যাৰ বিকাশত মেক্স ৱেবাৰৰ অৱদান আলোচনা কৰক।

****

অধ্যায় ৩ ঃ ৰাজনৈতিক সামাজিকীকৰণ

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য
৩.২ পৰিচয়
৩.৩ ৰাজনৈতিক সামাজিকীকৰণৰ অর্থ আৰু প্রকৃতি
৩.৪ ৰাজনৈতিক সামাজিকীকৰণৰ এজেণ্টসমূহ
৩.৫ ৰাজনৈতিক সামাজিকীকৰণৰ ৰূপসমূহ
৩.৬ ৰাজনৈতিক সামাজিকীকৰণৰ গুৰুত্ব
৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৩.৮ অধিক জানিবলৈ
৩.৯ অগ্রগতিৰ খতিয়ান
৩.১০ আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ৰাজনৈতিক সামাজিকীকৰণৰ অর্থ বিশ্লেষণ কৰিব পাৰিব।
- ৰাজনৈতিক সামাজিকীকৰণৰ প্রক্রিয়া ব্যাখ্যা কৰিব পাৰিব।
- ৰাজনৈতিক সামাজিকীকৰণৰ গুৰুত্বপূর্ণ উপাদানসমূহ বর্ণনা কৰিব পাৰিব।।
- ৰাজনৈতিক সামাজিকীকৰণৰ প্রক্রিয়াটোৰ গুৰুত্ব বিশ্লেষণ কৰিব পাৰিব।।

৩.২ পৰিচয়

সামাজিকীকৰণৰ ধাৰণাগত দিশসমূহৰ ওপৰত কৰা অধ্যয়নে এইটো প্রতিষ্ঠা কৰিছে যে সামাজিকীকৰণক এক অবিৰত জীৱনজুৰি চলি থকা শিক্ষণ প্রক্রিয়া আৰু ইয়াক পাৰস্পৰিক প্রক্রিয়া হিচাপে ধৰা হয়, যিটো মূলতঃ সামাজিক আন্তঃক্রিয়াৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠে। বর্তমান অধ্যায়ত আমাৰ মুখ্য উদ্দেশ্য হৈছে 'ৰাজনৈতিক সামাজিকীকৰণ'ৰ ধাৰণাটোৰ ওপৰত অনুসন্ধান কৰা, কাৰণ ই সামাজিকীকৰণ তত্ত্বৰ এক অবিচ্ছেদ্য অংশ গঠন কৰে।

দেখা যায় যে ব্যক্তিসকল সমাজৰ সাধাৰণ মূল্য-ব্যৱস্থা আৰু আচৰণগত ধাঁচত সামাজিকীকৃত হয়। কিন্তু একে সময়তে তেওঁলোকে সমাজৰ ভিতৰত সংঘটিত হোৱা আন কিছুমান নির্দিষ্ট প্রক্রিয়াৰ মূল্যবোধ আৰু মানদণ্ডসমূহো অন্তর্ভুক্ত কৰে, যি মূলতঃ সমাজত থকা আৰু কার্যকৰী হোৱা অন্যান্য ব্যৱস্থাসমূহৰ অস্তিত্ব আৰু কার্যপদ্ধতিৰ বাবে ঘটে। এনে গুৰুত্বপূর্ণ প্রক্রিয়াসমূহৰ ভিতৰত এটা হৈছে ৰাজনৈতিক সামাজিকীকৰণ, যিটো ৰাজনৈতিক ব্যৱস্থাৰ এক গুৰুত্বপূর্ণ ইনপুট কার্য আৰু যিয়ে "মূল্যসমূহৰ কর্তৃত্বমূলক বণ্টন"ৰ জৰিয়তে সমাজক নিয়ন্ত্রণ কৰে।

ব্যৱস্থা সংৰক্ষণ আৰু ব্যৱস্থা স্থায়িত্ব ৰাজনৈতিক ব্যৱস্থাৰ দুটা গুৰুত্বপূর্ণ গুণ। আনহাতে ব্যৱস্থাৰ স্থায়িত্ব বহুলাংশে ৰাজনৈতিক সংস্কৃতিৰ সংৰক্ষণৰ ওপৰত নির্ভৰ কৰে। পুনৰ, ৰাজনৈতিক সংস্কৃতি ৰাজনৈতিক সামাজিকীকৰণৰ প্রক্রিয়াৰ জৰিয়তে স্থায়ী হৈ থাকে। এয়াই সেই প্রক্রিয়া যাৰ জৰিয়তে শিশুসকল ডাঙৰ হৈ প্রাপ্তবয়স্ক হৈ উঠাৰ লগে লগে আৰু প্রাপ্তবয়স্কসকল নতুন ভূমিকাত অন্তর্ভুক্ত হোৱাৰ সময়ত ৰাজনৈতিক মনোভাব আৰু মূল্যবোধ গ্রহণ কৰা হয়। ৰাজনৈতিক সংস্কৃতি ব্যক্তিগত আৰু সামূহিক দুয়োটা স্তৰত গঢ় লয় আৰু ৰাজনৈতিক

সামাজিকীকৰণৰ প্ৰক্ৰিয়াৰ বাবেই এটা সময়ৰ পৰা আন এটা সময়লৈ স্থানান্তৰিত হয়।

৩.৩ ৰাজনৈতিক সামাজিকীকৰণৰ অৰ্থ আৰু প্ৰকৃতি

ৰাজনৈতিক সামাজিকীকৰণে সাধাৰণতে সেই প্ৰক্ৰিয়াক বুজায় যাৰ জৰিয়তে এজন ব্যক্তিয়ে ৰাজনৈতিক বিশ্বাস আৰু মতামত বিকাশ কৰে, যিবোৰে সামাজিক ক্ষেত্ৰসমূহত তেওঁৰ আচৰণক প্ৰভাৱিত কৰে। ৰাজনৈতিক সামাজিকীকৰণ ৰাজনৈতিক শিক্ষণৰ এটা বিশেষ প্ৰকাৰ, যাৰ জৰিয়তে মানুহে এনে মনোভাব, মূল্যবোধ, বিশ্বাস, মতামত আৰু আচৰণ বিকাশ কৰে যিবোৰে তেওঁলোকক নিজৰ দেশৰ ভাল নাগৰিক হিচাপে পৰিণত হ'বলৈ সহায় কৰে। সামাজিকীকৰণ মূলতঃ এটা একমুখী প্ৰক্ৰিয়া, যাৰ জৰিয়তে যুৱসকলে প্ৰাপ্তবয়স্কসকল আৰু গণমাধ্যমৰ সৈতে নিজৰ আন্তঃক্ৰিয়াৰ জৰিয়তে ৰাজনৈতিক জগতৰ বিষয়ে বুজাবুজি লাভ কৰে। ই লগতে এনে এটা শিক্ষণ প্ৰক্ৰিয়াক বুজায়, যাৰ জৰিয়তে সুস্থভাৱে চলি থকা এটা ৰাজনৈতিক ব্যৱস্থাই গ্ৰহণযোগ্য বুলি ধৰা নীতি-মান আৰু আচৰণসমূহ এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ স্থানান্তৰিত কৰে। এই কাৰ্য সম্পাদনৰ জৰিয়তেই ব্যক্তিসকলক ৰাজনৈতিক সংস্কৃতিত অন্তৰ্ভুক্ত কৰা হয় আৰু ৰাজনৈতিক বস্তুসমূহৰ প্ৰতি তেওঁলোকৰ দিশ-নিৰ্দেশ বা অভিমুখ গঢ় লৈ উঠে।

ইয়াত ৰাজনৈতিক সামাজিকীকৰণৰ স্বৰূপ বুজিবলৈ ধাৰণাটোৰ তাত্ত্বিক ব্যাখ্যাৰ উল্লেখ কৰিব পাৰি। এই ধাৰণাটোক দুটা দৃষ্টিভংগীৰ পৰা বিশ্লেষণ কৰিব পাৰি— প্ৰথমতে মেক্ৰ' স্তৰ আৰু দ্বিতীয়তে মাইক্ৰ' স্তৰৰ দৃষ্টিভংগীৰ পৰা। মেক্ৰ' স্তৰৰ তত্ত্বসমূহে গৱেষণাৰ বাবে কিছুমান সাধাৰণ নিৰ্দেশনা আগবঢ়োৱাত সহায় কৰে। এইসমূহে ৰাজনৈতিক সামাজিকীকৰণৰ ধাৰণাটোৰ সৈতে সম্পৰ্কিত বিষয়সমূহৰ বাবে এক বিস্তৃত ক্ষেত্ৰ আৰু ব্যাপক পৰিসৰ প্ৰদান কৰে। এই তত্ত্বসমূহে ৰাজনৈতিক ব্যৱস্থাৰ কাৰ্যপ্ৰণালীৰ বাবে সামাজিকীকৰণজনিত ঘটনাসমূহৰ প্ৰাসংগিকতা প্ৰদৰ্শন কৰে। আনহাতে, মাইক্ৰ' স্তৰৰ তত্ত্বই ৰাজনৈতিক ব্যৱস্থাৰ ব্যক্তিগত সদস্যসকলৰ ওপৰত আৰু তেওঁলোক কেনেকৈ সামাজিকীকৃত হয় সেই উপায়সমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এই তত্ত্বসমূহে সেই প্ৰক্ৰিয়াসমূহো সামৰি লয় যাৰ জৰিয়তে ব্যক্তিসকল সামাজিকীকৃত হয়।

ৰাজনৈতিক সামাজিকীকৰণৰ প্ৰক্ৰিয়াই প্ৰত্যক্ষ অথবা পৰোক্ষ শিক্ষণৰ ৰূপ ল'ব পাৰে। প্ৰত্যক্ষ শিক্ষণে ৰাজনৈতিক ধাৰণা আৰু বস্তুসমূহৰ প্ৰতি তথ্য, মূল্যবোধ বা অনুভূতিৰ স্পষ্ট যোগাযোগ অন্তৰ্ভুক্ত কৰে। পৰোক্ষ ৰাজনৈতিক সামাজিকীকৰণ এজন ব্যক্তিৰ ব্যক্তিত্ব বিকাশৰ দীঘলীয়া প্ৰক্ৰিয়াৰ ফলাফল, যিটো শৈশৱৰ প্ৰাৰম্ভিক সময়ৰ পৰা আৰম্ভ হয়।

৩.৪ ৰাজনৈতিক সামাজিকীকৰণৰ এজেণ্টসমূহ

ৰাজনৈতিক সামাজিকীকৰণৰ বিভিন্ন এজেণ্ট আছে। ৰাজনৈতিক সামাজিকীকৰণৰ এজেণ্টসমূহে ৰাজনৈতিক সামাজিকীকৰণৰ প্ৰক্ৰিয়াটোক সমন্বয় কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ৰাজনৈতিক সামাজিকীকৰণৰ কিছুমান গুৰুত্বপূৰ্ণ এজেণ্ট হৈছে পৰিয়াল, শিক্ষানুষ্ঠান, সমবয়সীয়া গোট আৰু গণ মাধ্যম। এইবোৰ তলত আলোচনা কৰা হৈছে।

পৰিয়াল ঃ

ইয়াত উল্লেখ কৰাটো গুৰুত্বপূৰ্ণ যে ব্যক্তিসকলৰ জীৱনত পৰিয়াল সামাজিকীকৰণৰ প্ৰাথমিক এজেণ্ট। ই সমগ্ৰ সামাজিকীকৰণ প্ৰক্ৰিয়াটোক গতি প্ৰদান কৰে আৰু শিশুৰ ওপৰত বিস্তৃতভাৱে প্ৰভাৱ ৰাখে। পৰিয়ালে শিশুৰ কৰ্তৃত্বৰ প্ৰতি মনোভাব গঢ়ি তোলাতো প্ৰভাৱ পেলায়। ই সমষ্টিগত সিদ্ধান্ত গ্ৰহণ কৰে, যিবোৰ অধিকাংশ ক্ষেত্ৰত শিশুৰ বাবে কৰ্তৃত্বমূলক হয়। তদুপৰি, পৰিয়াল পৰ্যায়ত সিদ্ধান্তসমূহ মানি চলাৰ ক্ষেত্ৰত শিশুৰ আজ্ঞা পালনৰ ধৰণে তেওঁক ৰাজনৈতিক ব্যৱস্থাৰ নিয়ম-নীতিৰ প্ৰতি এজন ৰাজনৈতিক ব্যক্তি হিচাপে প্ৰেৰণা যোগায়। পৰিয়ালে ব্যক্তিজনক তেওঁৰ জাতিগত, ভাষাগত, ধৰ্মীয় সম্পৰ্ক আৰু সামাজিক শ্ৰেণী স্থাপন কৰাতো সহায়

কৰে।

শিক্ষানুষ্ঠানসমূহ ঃ

শিক্ষানুষ্ঠানসমূহো ৰাজনৈতিক সামাজিকীকৰণৰ আন এক গুৰুত্বপূৰ্ণ এজেণ্ট। বিদ্যালয়ে ৰাজনৈতিক জগতৰ বিষয়ে জ্ঞান প্ৰদান কৰে। ই শিশুসকলক ৰাজনৈতিক প্ৰতিষ্ঠান আৰু সম্পৰ্কসমূহৰ বিষয়ে অধিক স্পষ্ট ধাৰণা প্ৰদান কৰে। ই সমাজৰ মূল্যবোধ আৰু মনোভাবসমূহো প্ৰেৰণ কৰে। প্ৰায় সকলো ৰাজ্যতেই বিদ্যালয়সমূহে সমাজ-ৰাজনৈতিক ব্যৱস্থাৰ একেবাৰে মূল ভেটি গঠন কৰে, যিয়ে কেৱল শিক্ষা দিয়াই নহয়, ভৱিষ্যতৰ দায়িত্বশীল নাগৰিকসকলক প্ৰশিক্ষণো দিয়ে। সেয়েহে, পৃথিৱীৰ দেশসমূহে— সেয়া উদাৰ গণতান্ত্ৰিক হওক বা সমাজতান্ত্ৰিক হওক— নিজৰ নিজৰ ব্যৱস্থাৰ ৰাজনীতিৰ কৌশল আৰু কৌশলবিদ্যাত শিশুসকলক সামাজিকীকৰণ কৰাৰ বাবে বিদ্যালয়সমূহক গুৰুত্বপূৰ্ণ সংস্থা হিচাপে গণ্য কৰে। এইটোও এটা সত্য যে ৰাজনৈতিক সামাজিকীকৰণৰ সাধাৰণ প্ৰক্ৰিয়া, ইয়াৰ বিশেষত্বসহ বিদ্যালয় পৰ্যায়তেই উদ্ভৱ হয়। ইয়াত উল্লেখ কৰিব পাৰি যে এলমণ্ড আৰু ভাৰ্বাই তেওঁলোকৰ 'পাঁচটা জাতিৰ অধ্যয়ন'ত দেখা পাইছিল যে শিক্ষিত ব্যক্তিসকল নিজৰ জীৱনত চৰকাৰৰ প্ৰভাৱৰ বিষয়ে অধিক সচেতন আছিল।

উচ্চস্তৰত, কলেজ আৰু বিশ্ববিদ্যালয়সমূহেও শিক্ষাৰ্থীসকলৰ মাজত ৰাজনৈতিক সামাজিকীকৰণ ঘটোৱাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। কলেজ আৰু বিশ্ববিদ্যালয় পৰ্যায়ৰ অধ্যয়নত শিক্ষাৰ্থীসকলে এটা নিৰ্দিষ্ট পৰিৱেশৰ সৈতে এক প্ৰকাৰৰ খাপ খুৱাই লোৱাকৈ গঢ়ি তোলে, আৰু সংশ্লিষ্ট শিক্ষাৰ্থীয়ে অধিক নাগৰিক সচেতনতা আৰু দক্ষতা বিকাশ কৰে। তেওঁ ধীৰে ধীৰে স্বতন্ত্ৰ চিন্তাধাৰা বিকাশ কৰে আৰু কোনো দলীয় আনুগত্যৰ প্ৰভাৱত নপৰি নিজৰ ৰাজনৈতিক মতামত প্ৰকাশ কৰে।

সমবয়সীয়া গোটসমূহ ঃ

পৰিয়াল আৰু শিক্ষানুষ্ঠানৰ বাহিৰেও, সমবয়সীয়া গোট ৰাজনৈতিক সামাজিকীকৰণৰ আন এক অতি গুৰুত্বপূৰ্ণ এজেণ্ট। সমবয়সীয়া গোটে শৈশৱৰ খেলগোট, বন্ধুত্বৰ বৃত্ত আৰু সৰু কৰ্মগোট আদি বুজায়, য'ত সদস্যসকলে তুলনামূলকভাৱে সমান মৰ্যাদা আৰু ঘনিষ্ঠ সম্পৰ্ক ভাগ-বতৰা কৰে। প্ৰতিৱেশৰ শৈশৱৰ বন্ধুসকলেই পৰিয়ালৰ বাহিৰত শিশুসকলে প্ৰথমে যিসকল লোকৰ সৈতে পাৰস্পৰিক সম্পৰ্ক স্থাপন কৰে, আৰু ই শিশুৰ মানসিক ধাৰণা বা মানসিক গঠন ওপৰত বিস্তৃতভাৱে প্ৰভাৱ পেলায়। ইয়াত, ৰাজনৈতিক সামাজিকীকৰণৰ ক্ষেত্ৰত সমবয়সীয়া গোটৰ গুৰুত্বৰ কথা উল্লেখ কৰোঁতে, সমবয়সীয়া বা বন্ধুসকলক দুটা ধৰণত বিভাজন কৰা যায়— অৰ্থাৎ পৰিয়ালৰ বাহিৰৰ সমবয়সীয়া আৰু শিক্ষানুষ্ঠানৰ বাহিৰৰ সমবয়সীয়া। এই সমবয়সীয়া বন্ধুসকলে নিশ্চয়কৈ শিশুসকলৰ প্ৰাৰম্ভিক সমাজ-ৰাজনৈতিক ধাৰণা আৰু মনোভাব গঢ়ি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। প্ৰথম শ্ৰেণীৰ বন্ধুসকলে স্পষ্টভাৱে অনানুষ্ঠানিক ধৰণে পাৰস্পৰিক সম্পৰ্ক স্থাপন কৰে আৰু ই শিশুসকলৰ আচৰণত প্ৰভাৱ পেলোৱাৰ লগতে সেই বৃহৎ ৰাজনৈতিক ব্যৱস্থাৰ প্ৰেক্ষাপটত, যাৰ তেওঁলোক ভৱিষ্যতে দায়িত্বশীল সদস্য হ'ব, তেওঁলোকৰ সমাজ-ৰাজনৈতিক ব্যক্তিত্ব গঢ়ি তোলাত সহায় কৰে।

দ্বিতীয় শ্ৰেণীৰ সমবয়সীয়া গোটে শিশুসকলৰ আচাৰ-ব্যৱহাৰ, তেওঁলোকৰ আচৰণৰ ধৰণ, শৃংখলাৰ বোধ, কৰ্তৃত্বৰ প্ৰতি আজ্ঞা পালন আৰু নিয়মীয়া জীৱনৰ সৈতে পৰিচিতি সম্পৰ্কে বিশেষ প্ৰভাৱ পেলায়। এটা সমবয়সীয়া গোটে নিজৰ কাৰ্যকলাপৰ জৰিয়তে ব্যক্তিজনক প্ৰভাৱিত কৰিব বিচাৰে বা নিজৰ ধাৰণা আৰু মনোভাব গ্ৰহণ কৰিবলৈ তেওঁৰ ওপৰত চাপ প্ৰয়োগ কৰে। ঘনিষ্ঠ বন্ধুসকলৰ প্ৰভাৱৰ বাবে এজন ব্যক্তি ৰাজনৈতিক কাৰ্যকলাপতো জড়িত হৈ পৰিব পাৰে। এনে ক্ষেত্ৰত ব্যক্তিজনে নিজৰ মনোভাব আৰু ধাৰণাসমূহ সলনি কৰি নিজৰ ঘনিষ্ঠ বন্ধুৰ বৃত্তই বিচৰা অনুসাৰে আচৰণৰ ধৰণ প্ৰদৰ্শন কৰে।

আনফালে, চাকৰি বা বৃত্তিৰ অভিজ্ঞতা, আৰু আনুষ্ঠানিক আৰু অনানুষ্ঠানিক সংগঠনসমূহতো জড়িত কাৰ্যকলাপসমূহে ৰাজনৈতিক সামাজিকীকৰণৰ প্ৰক্ৰিয়াত উল্লেখযোগ্য ভূমিকা পালন কৰে। ধৰ্মঘট, সমষ্টিগত প্ৰতিবাদ-প্ৰদৰ্শন আৰু পিকেটিং আদি অন্যান্য ইউনিয়নৰ কাৰ্যকলাপত অংশগ্ৰহণে ব্যক্তিজনক নিৰ্দিষ্ট দক্ষতা আহৰণ কৰাত সহায় কৰে আৰু ই ব্যক্তিজনক তেওঁৰ ৰাজনৈতিক মতাদৰ্শ গঢ়ি তোলাত সক্ষম কৰে। আনুষ্ঠানিক আৰু

অনানুষ্ঠানিক সংগঠনসমূহেও এই প্ৰক্ৰিয়াত সহায় কৰে।

ৰাজনৈতিক দলসমূহ ঃ

ইয়াৰোপৰি, ৰাজনৈতিক সামাজিকীকৰণৰ প্ৰক্ৰিয়াত চৰকাৰী ব্যৱস্থা আৰু ৰাজনৈতিক দলসমূহে পালন কৰা ভূমিকা উপেক্ষা কৰিব নোৱাৰি। চৰকাৰী গাঁথনিৰ কাৰ্যপ্ৰণালীৰ সৈতে ব্যক্তিসকলৰ প্ৰত্যক্ষ সম্পৰ্কে তেওঁৰ ৰাজনৈতিক ব্যৱস্থাৰ প্ৰতি মনোভাব কাৰ্যকৰীভাৱে গঢ়ি তোলে। ইয়াত উল্লেখ কৰিব পাৰি যে ৰাজনৈতিক দলসমূহে একে সময়তে মানুহ এজনক ৰাজনৈতিক বিষয়বস্তুৰ দিশে অভিমুখী কৰে বা অধিকাংশ ক্ষেত্ৰত ৰাজনৈতিক ইচ্ছাৰ ভিত্তিত তেওঁৰ মাজত সাংস্কৃতিক পৰিৱৰ্তনো প্ৰচাৰ কৰে। সেয়েহে, এইবোৰে ৰাজনৈতিক সামাজিকীকৰণৰ ফলপ্ৰসূ সংস্থা হিচাপে কাম কৰে।

একেদৰে ক'ব পাৰি যে ৰাজনৈতিক দলসমূহে ৰাজনৈতিক জ্ঞান আৰু মূল্যবোধ প্ৰচাৰ কৰে, ৰাজনৈতিক কাৰ্যকলাপ সংগঠিত কৰে আৰু ৰাজনৈতিক নেতাসকলক প্ৰশিক্ষণ দিয়ে। ব্যক্তিসকল চৰকাৰী কৰ্মচাৰী বা কৰ্তৃপক্ষৰ সৈতে প্ৰত্যক্ষভাৱে সংস্পৰ্শলৈ আহে। তেওঁলোকে বুজিবলৈ সক্ষম হয় যে চৰকাৰ কিহৰ বাবে থিয় দিছে আৰু চৰকাৰে কি কাম কৰি আছে। যদি চৰকাৰে ভাল কাম কৰে, তেন্তে ব্যক্তিসকলৰ মাজত আজ্ঞা পালনৰ ধাৰণা অধিক দৃঢ় হয়। কিন্তু যদি চৰকাৰে নিজৰ স্বাৰ্থমূলক স্বাৰ্থ বিকাশ কৰে আৰু শ্ৰমিক শ্ৰেণীৰ স্বাৰ্থ উপেক্ষা কৰে, তেন্তে ব্যক্তিসকলে এনে কাৰ্যৰ প্ৰতি অসন্তোষ প্ৰকাশ কৰাটো অৱশ্যম্ভাৱী হয়।

গণমাধ্যমৰ ভূমিকা ঃ

গণমাধ্যমো ৰাজনৈতিক সামাজিকীকৰণৰ আন এক গুৰুত্বপূৰ্ণ সংস্থা, যাক উপেক্ষা কৰিব নোৱাৰি। এইটো সত্য যে মাধ্যমসমূহ ৰাজনৈতিক সামাজিকীকৰণৰ এজেণ্ট। ব্যক্তিসকলৰ মাজত ৰাজনৈতিক অভিমুখিতা বিকাশৰ বাবে গণমাধ্যমৰ সৈতে সংস্পৰ্শ অতি গুৰুত্বপূৰ্ণ। মানুহে গণমাধ্যমৰ পৰা ৰাজনীতিৰ বিষয়ে বিপুল পৰিমাণৰ তথ্য লাভ কৰে। জনসংযোগ আজি বিশেষ গুৰুত্ব লাভ কৰিছে, কিয়নো ই জনমত মূল্যায়ন আৰু ব্যাখ্যা কৰাৰ বাবে প্ৰতিক্ৰিয়া ব্যৱস্থা আৰু গৱেষণা পদ্ধতি ৰক্ষা আৰু ব্যৱহাৰ কৰাৰ চেষ্টা কৰি আছে। নিজৰ কাৰ্যসমূহ সম্পাদন কৰাৰ সময়ত গণমাধ্যমে সামাজিক মূল্যবোধৰ লগতে ৰাজনৈতিক মূল্যবোধো প্ৰচাৰ কৰাত সহায় কৰে। এইবোৰে শক্তিশালীভাৱে ৰাজনৈতিক তথ্য স্থানান্তৰ কৰাত সহায় কৰে আৰু এইবোৰ ৰাজনৈতিক বাৰ্তাৰ বিতৰণকাৰী হোৱাৰ লগতে জনমত গঢ়ি তোলাৰ শক্তিশালী নিৰ্মাতাও। এইবোৰে ব্যক্তিগত, গোটীয় আৰু সামুদায়িক চিন্তাধাৰা উন্নীত কৰাৰ বাবে এটা সাংস্কৃতিক পৰিৱেশ সৃষ্টি কৰে। এই সমগ্ৰ প্ৰক্ৰিয়াত গণমাধ্যমে মানুহৰ মনত ৰাজনৈতিক সামাজিকীকৰণ অন্তৰ্ভুক্ত কৰাত উল্লেখযোগ্য ভূমিকা পালন কৰে।

মুদ্ৰিত মাধ্যম বা সংবাদমাধ্যম গণমাধ্যমৰ এক অবিচ্ছেদ্য অংশ। মুদ্ৰিত মাধ্যমেও ৰাজনৈতিক সামাজিকীকৰণৰ ক্ষেত্ৰত স্পষ্টভাৱে এক ইতিবাচক ভূমিকা পালন কৰে। ইলেক্ট্ৰনিক মাধ্যম কাৰ্যকৰী হৈ থকাৰ পাছতো সংবাদপত্ৰ আৰু মুদ্ৰিত প্ৰকাশনসমূহে সাধাৰণ জনসাধাৰণলৈ বিস্তৃত তথ্য প্ৰেৰণকাৰী হিচাপে কাম কৰি আহিছে। সেয়েহে, ৰাজনৈতিক সামাজিকীকৰণৰ প্ৰক্ৰিয়াত সংবাদমাধ্যমৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ বুলি গণ্য কৰিব পাৰি আৰু ইয়াৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে।

ধৰ্মৰ ভূমিকা ঃ

ৰাজনৈতিক সামাজিকীকৰণৰ প্ৰক্ৰিয়াত ধৰ্মীয় প্ৰতিষ্ঠানসমূহে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ভাৰতত এই এজেণ্টটো অতি সক্ৰিয়, কাৰণ মানুহৰ জীৱনত ধৰ্মীয় অনুভূতিসমূহে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। চাৰ্চে মানুহৰ ৰাজনৈতিক মনোভাব গঢ়ি তোলাত এক উল্লেখযোগ্য ভূমিকা পালন কৰে।

ৰাজনৈতিক দলসমূহ ঃ

একে সময়তে ক'ব পাৰি যে, ৰাজনৈতিক দলসমূহে ৰাজনৈতিক জ্ঞান আৰু মূল্যবোধ প্ৰাচাৰ কৰা, ৰাজনৈতিক কাৰ্যকলাপ সংগঠিত কৰা আৰু ৰাজনৈতিক নেতাক প্ৰশিক্ষণ দিয়াৰ দৰে কাম কৰে। ব্যক্তিসকল চৰকাৰী কৰ্মীসকলৰ পোনপটীয়াভাৱে সংস্পৰ্শলৈ আহে। তেওঁলোকে জানিবলৈ আহে যে, কি উদ্দেশত চৰাকৰে আগভাগ লৈছে

আৰু চৰকাৰে কি কৰিছে। যদিহে চৰকাৰে ভাল কাম কৰে, তেন্তে আজ্ঞা পালনৰ ধাৰণাটো হ'ল ব্যক্তিসকলৰ মাজত শক্তিশালী কৰা। আকৌ যদি চৰকাৰে নিহিত স্বাৰ্থৰ হৈ বিকশিত কৰে আৰু শ্ৰমিক শ্ৰেণীক আওকাণ কৰে, তেন্তে ব্যক্তিসকলে এনে কাৰ্যত ক্ষোভিত হোৱাটো নিশ্চিত।

প্ৰতীকৰ ভূমিকা ঃ

শেষত, উল্লেখ কৰিব পাৰি যে প্ৰতীকসমূহো কেতিয়াবা ৰাজনৈতিক সামাজিকীকৰণৰ প্ৰক্ৰিয়াত কাৰ্যকৰী ভূমিকা পালন কৰে। এইবোৰৰ ভিতৰত আমাৰ ৰাষ্ট্ৰীয় বীৰসকলৰ জন্মদিন বা শ্বহীদ দিৱস অন্তৰ্ভুক্ত, যেনে Mahatma Gandhi, Jawaharlal Nehru, Subhas Chandra Bose, Lala Lajpat Rai আৰু Bhagat Singh। এই দিৱসসমূহ উদযাপনৰ জৰিয়তে যুৱসমাজ আৰু সাধাৰণ মানুহৰ মাজত ৰাষ্ট্ৰীয়তাবাদৰ এক নতুন স্পৃহা সঞ্চাৰিত হয়।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ৰাজনৈতিক সামাজিকীকৰণ বুলি কি বুজায়?

প্ৰশ্ন নং ২ ঃ ৰাজনৈতিক সামাজিকীকৰণৰ এজেণ্টসমূহ কি কি?

প্ৰশ্ন নং ৩ ঃ ৰাজনৈতিক সামাজিকীকৰণৰ প্ৰক্ৰিয়াত পৰিয়ালে পালন কৰা ভূমিকাৰ বিশ্লেষণ কৰক।

৩.৫ ৰাজনৈতিক সামাজিকীকৰণৰ ৰূপসমূহ

ৰাজনৈতিক সামাজিকীকৰণ তলত উল্লেখ কৰা দুটা প্ৰকাৰত বিভক্ত কৰা হৈছে-

(i) প্ৰত্যক্ষ বা প্ৰকাশ্য ৰাজনৈতিক সামাজিকীকৰণ

(ii) সুপ্ত বা পৰোক্ষ ৰাজনৈতিক সামাজিকীকৰণ।

প্ৰত্যক্ষ বা প্ৰকাশ্য ৰাজনৈতিক সামাজিকীকৰণ ঃ

ই এনে এক প্ৰক্ৰিয়া য'ত প্ৰেৰণ কৰা তথ্য, মূল্যবোধ বা অনুভূতিসমূহৰ বিষয়বস্তু ৰাজনৈতিক হয়। এজন ব্যক্তি পৰিয়াল, শিক্ষক বা আন কিছুমান সংস্থাৰ প্ৰভাৱত চৰকাৰৰ ধৰণ আৰু কাৰ্যাৱলী আৰু ৰাজনৈতিক দলসমূহৰ মতাদৰ্শ সম্পৰ্কে স্পষ্টভাৱে শিক্ষা লাভ কৰে। চৰকাৰী প্ৰতিষ্ঠানসমূহৰ সৈতে লাভ কৰা অভিজ্ঞতা, বিদ্যালয়ত নাগৰিক শিক্ষা পাঠ্যক্ৰমত গণতন্ত্ৰ, নাগৰিকসকলৰ অধিকাৰ, মৌলিক কৰ্তব্য আৰু ৰাজ্যৰ নীতি-নিৰ্দেশক তত্ত্ব সম্পৰ্কে দিয়া তথ্যসমূহেও প্ৰত্যক্ষ ৰাজনৈতিক সামাজিকীকৰণৰ সৃষ্টি কৰে।

সুপ্ত বা পৰোক্ষ ৰাজনৈতিক সামাজিকীকৰণ ঃ

সুপ্ত ৰাজনৈতিক সামাজিকীকৰণ অ-ৰাজনৈতিক বস্তু আৰু অভিমুখিতাৰ পৰা আৰম্ভ হয়। সুপ্ত ৰাজনৈতিক সামাজিকীকৰণত সাধাৰণ সংস্কৃতিৰ বহুতো মৌলিক বৈশিষ্ট্য অন্তৰ্ভুক্ত থাকে, যিবোৰে ৰাজনৈতিক ক্ষেত্ৰত গভীৰ প্ৰভাৱ পেলায়। ই কিছুমান নিৰ্দিষ্ট মাধ্যম বা পথৰ জৰিয়তে সংঘটিত হয়। সেইবোৰ হৈছে— ৰাজনৈতিক কাৰ্য বা অক্ৰিয়তাৰ দিশে লৈ যোৱা সাধাৰণ সামাজিক পৰিস্থিতি আৰু মনোভাব, তথ্য, মূল্যবোধ আৰু মনোভাবৰ আন্তঃব্যক্তিগত যোগাযোগ, আৰু অ-ৰাজনৈতিক কাৰ্যকলাপত দক্ষতা আৰু কৌশল আহৰণ কৰা, যিবোৰ এজন ব্যক্তি প্ৰাপ্তবয়স্ক হোৱাৰ পিছত ৰাজনৈতিক দক্ষতালৈ পৰিণত হ'ব পাৰে। কলেজ আৰু বিশ্ববিদ্যালয়ৰ ৰাজনীতিত অংশগ্ৰহণেও ভৱিষ্যতে ৰাজনীতিত ভূমিকা পালন কৰাৰ বাবে মজবুত ভিত্তি শক্তিশালী কৰে। এইদৰে সামাজিকীকৰণৰ দুয়োটা ৰূপ বিভিন্ন মাধ্যম বা পথৰ জৰিয়তে কাৰ্যকৰী হয়। অনুকৰণ, ৰাজনৈতিক অভিজ্ঞতা আৰু ৰাজনৈতিক শিক্ষাই প্ৰকাশ্য সামাজিকীকৰণৰ মাধ্যমসমূহক সূচায়। অনুকৰণৰ কাৰ্য শৈশৱৰ কোমল বয়সতেই

সংঘটিত হয়, য'ত শিশুসকলে নিজৰ পিতৃ-মাতৃ, আত্মীয়-স্বজন, শিক্ষক, প্ৰতিৰেশী আদি লোকক অনুকৰণ কৰে। ইয়াত শক্তিশালী ৰাজনৈতিক বিশ্বাস নাথাকিলেও শক্তিশালী ৰাজনৈতিক আস্থা গঢ়ি তোলাৰ সক্ষমতা থাকে। ৰাজনৈতিক অভিজ্ঞতাই মানুহৰ মনত স্থায়ী প্ৰভাৱ এৰি যায় আৰু ৰাজনীতিৰ প্ৰতি মানুহৰ মনোভাবত পৰিৱৰ্তন আনিব পাৰে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ ৰাজনৈতিক সামাজিকীকৰণৰ দুটা মুখ্য ৰূপ কি কি?

প্ৰশ্ন নং ৫ ঃ ৰাজনৈতিক সামাজিকীকৰণৰ গুৰুত্বৰ ওপৰত এটা সংক্ষিপ্ত টোকা লিখক।

৩.৬ ৰাজনৈতিক সামাজিকীকৰণৰ গুৰুত্ব

ৰাজনৈতিক সামাজিকীকৰণ ৰাজনীতি বিজ্ঞানীৰ বাবে অধ্যয়নৰ আটাইতকৈ গুৰুত্বপূৰ্ণ ক্ষেত্ৰসমূহৰ এটা। প্ৰতিটো সমাজ আৰু প্ৰতিটো ব্যৱস্থাৰ নিজৰ অস্তিত্ব ৰক্ষা কৰাৰ প্ৰয়োজন থাকে। এই কাম ইয়াৰ এক গুৰুত্বপূৰ্ণ কাৰ্যৰ জৰিয়তে সম্পন্ন হয়, অৰ্থাৎ সামাজিকীকৰণৰ জৰিয়তে। সামাজিকীকৰণ হৈছে এক শিক্ষণ প্ৰক্ৰিয়া, যাৰ জৰিয়তে মূল্যবোধ, মনোভাব আৰু বিশ্বাস যুৱ প্ৰজন্মই আত্মস্থ কৰে। সাধাৰণতে, সামাজিকীকৰণ হৈছে এনে এক প্ৰক্ৰিয়া যাৰ মাধ্যমেৰে সংস্কৃতি এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ সঞ্চাৰিত হয়। ৰাজনৈতিক সামাজিকীকৰণক ৰাজনীতিৰ দিশে সামাজিকীকৰণ বুলি ক'ব পাৰি। ৰাজনৈতিক সামাজিকীকৰণ হৈছে এনে এক প্ৰক্ৰিয়া যাৰ জৰিয়তে এজন ব্যক্তিয়ে ৰাজনৈতিক জ্ঞান, মূল্যবোধ, বিশ্বাস আৰু মনোভাব আহৰণ কৰে আৰু তেওঁ ৰাজনৈতিক ব্যৱস্থাৰ সৈতে পৰিচিত হয়। ইয়াৰ ফলত ৰাজনৈতিক ঘটনাৱলীৰ প্ৰতি তেওঁৰ প্ৰতিক্ৰিয়া আৰু ৰাজনীতি সম্পৰ্কীয় তেওঁৰ ধাৰণা নিৰ্ধাৰিত হয়। তেওঁ ৰাজনৈতিক ব্যৱস্থাৰ বিষয়ে এক সচেতনতা বিকাশ কৰে। উল্লেখ কৰিব পাৰি যে ৰাজনৈতিক সামাজিকীকৰণৰ গুৰুত্ব প্ৰাচীন সময়ৰ পৰাই স্বীকৃত হৈছিল যদিও ৰাজনৈতিক সামাজিকীকৰণৰ কোনো পদ্ধতিগত অধ্যয়ন ১৯৫৯ চনলৈকে দেখা পোৱা নাছিল, যেতিয়া Herbert Hyman-ৰ "Political Socialisation" প্ৰথমবাৰৰ বাবে প্ৰকাশ পাইছিল। সামাজিকীকৰণ সমাজবিজ্ঞানী, মনোবিজ্ঞানী আৰু ৰাজনীতি বিজ্ঞানীসকলে অধ্যয়ন কৰিছিল, কিন্তু ৰাজনৈতিক সামাজিকীকৰণ ক্ষেত্ৰত পথপ্ৰদৰ্শক কাম কৰিছিল Herbert Hyman এ, যিজন নিজেও এজন সমাজবিজ্ঞানী আছিল। এইদৰে ক'ব পাৰি যে ৰাজনৈতিক সামাজিকীকৰণ তুলনামূলকভাৱে এটা নতুন অধ্যয়ন ক্ষেত্ৰ। ইয়াক মনোবিজ্ঞান, সমাজবিজ্ঞান আৰু ৰাজনীতি বিজ্ঞানৰ মাজৰ এক সীমান্তীয় ক্ষেত্ৰ হিচাপে বিবেচনা কৰিব পাৰি।

৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ৰাজনৈতিক সামাজিকীকৰণ ৰাজনীতি বিজ্ঞানীৰ বাবে অধ্যয়নৰ আটাইতকৈ গুৰুত্বপূৰ্ণ ক্ষেত্ৰসমূহৰ এটা। ই এনে এক প্ৰক্ৰিয়া, যাৰ জৰিয়তে শিশুসকল ডাঙৰ হৈ প্ৰাপ্তবয়স্ক হোৱাৰ লগে লগে আৰু প্ৰাপ্তবয়স্কসকল নতুন ভূমিকা গ্ৰহণ কৰাৰ সময়ত ৰাজনৈতিক মনোভাব আৰু মূল্যবোধ অন্তৰ্ভুক্ত বা আত্মস্থ হয়।
- ৰাজনৈতিক সামাজিকীকৰণৰ জৰিয়তে ব্যক্তিসকল সমাজৰ সাধাৰণ মূল্যব্যৱস্থা আৰু আচৰণৰ ধৰণত সামাজিকীকৃত হয়। কিন্তু একে সময়তে, তেওঁলোকে সমাজৰ ভিতৰত সংঘটিত হোৱা আন কিছুমান বিশেষ প্ৰক্ৰিয়াৰ মূল্যবোধ আৰু নিয়ম-নীতিসমূহো আত্মস্থ কৰে, যিবোৰ মুখ্যতঃ সমাজত বিদ্যমান আৰু কাৰ্যকৰী হৈ থকা অন্যান্য ব্যৱস্থাসমূহৰ অস্তিত্ব আৰু কাৰ্যপ্ৰণালীৰ বাবে সংঘটিত হয়।
- ৰাজনৈতিক সামাজিকীকৰণ হৈছে ৰাজনৈতিক শিক্ষণৰ এক বিশেষ ধৰণ, যাৰ জৰিয়তে মানুহে এনে মনোভাব, মূল্যবোধ, বিশ্বাস, মতামত আৰু আচৰণ বিকাশ কৰে, যিবোৰ তেওঁলোকক নিজৰ দেশত ভাল নাগৰিক হিচাপে গঢ়ি তোলাৰ বাবে সহায়ক হয়।

- ৰাজনৈতিক সামাজিকীকৰণৰ প্ৰক্ৰিয়াই প্ৰত্যক্ষ অথবা পৰোক্ষ শিক্ষণৰ ৰূপ ল'ব পাৰে। প্ৰত্যক্ষ শিক্ষণত ৰাজনৈতিক ধাৰণা আৰু বিষয়বস্তুৰ প্ৰতি তথ্য, মূল্যবোধ বা অনুভূতিৰ নিৰ্দিষ্ট যোগাযোগ অন্তৰ্ভুক্ত থাকে। পৰোক্ষ ৰাজনৈতিক সামাজিকীকৰণ এজন ব্যক্তিৰ ব্যক্তিত্ব বিকাশৰ দীঘলীয়া প্ৰক্ৰিয়াৰ ফল, যাৰ আৰম্ভণি শৈশৱৰ প্ৰাৰম্ভিক অৱস্থাৰ পৰাই হয়।
- ৰাজনৈতিক সামাজিকীকৰণৰ এজেণ্টসমূহে ৰাজনৈতিক সামাজিকীকৰণৰ প্ৰক্ৰিয়াটো সমন্বয় কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ৰাজনৈতিক সামাজিকীকৰণৰ কিছুমান গুৰুত্বপূৰ্ণ এজেণ্ট হৈছে পৰিয়াল, শিক্ষানুষ্ঠান, সমবয়সীয়া গোট আৰু গণমাধ্যম।
- ৰাজনৈতিক সামাজিকীকৰণ তলত উল্লেখ কৰা দুটা প্ৰকাৰত বিভক্ত কৰা হৈছে—
  (i) প্ৰত্যক্ষ বা প্ৰকাশ্য ৰাজনৈতিক সামাজিকীকৰণ
  (ii) সুপ্ত বা পৰোক্ষ ৰাজনৈতিক সামাজিকীকৰণ।
- প্ৰত্যক্ষ বা প্ৰকাশ্য ৰাজনৈতিক সামাজিকীকৰণ হৈছে এনে এক প্ৰক্ৰিয়া য'ত প্ৰেৰণ কৰা তথ্য, মূল্যবোধ অথবা অনুভূতিৰ বিষয়বস্তু ৰাজনৈতিক হয়।
- সুপ্ত বা পৰোক্ষ ৰাজনৈতিক সামাজিকীকৰণ অ-ৰাজনৈতিক বস্তু আৰু অভিমুখিতাৰ পৰা আৰম্ভ হয়।
- ৰাজনৈতিক সামাজিকীকৰণ তুলনামূলকভাৱে এটা নতুন অধ্যয়নৰ ক্ষেত্ৰ। ইয়াক মনোবিজ্ঞান, সমাজবিজ্ঞান আৰু ৰাজনীতি বিজ্ঞানৰ মাজৰ এক সীমান্তীয় ক্ষেত্ৰ হিচাপে বিবেচনা কৰিব পাৰি।

৩.৮ অধিক জানিবলৈ

1) Akinchan, Sita Ram (1982). *Urban Growth and Political Socialization in India. Patna*: Janki Prakashan.
2) Almond, G.A. and Verba, Sidney (1972). *The Civic Culture: Political Attitudes and Democracy in Five Nations*, Boston: Little Brown and Company.
3) Almond, G.A. and Powell, B. (1966). *Comparative Politics: A Developmental Approach*, Boston: Little Brown and Co.
4) Apter, David (ed.) (1964). *Ideology and Discontent*. New York: The Free Press of Glencoe.
5) Brown, F. (1939). *The Sociology of Childhood*. New York: Prentice Hall.
6) Buckley, C.J. (1948). *The Use of Schools as Direct Instrument of Democracy*. London: University of London Press.

৩.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ৰাজনৈতিক সামাজিকীকৰণ সাধাৰণতে সেই প্ৰক্ৰিয়াক বুজায়, যাৰ জৰিয়তে এজন ব্যক্তিয়ে ৰাজনৈতিক বিশ্বাস আৰু মতামত বিকাশ কৰে, যিবোৰে সমাজৰ ক্ষেত্ৰসমূহত তেওঁৰ আচৰণত প্ৰভাৱ পেলায়।

২ নং প্ৰশ্নৰ উত্তৰ ঃ ৰাজনৈতিক সামাজিকীকৰণৰ গুৰুত্বপূৰ্ণ এজেণ্টসমূহ হৈছে পৰিয়াল, শিক্ষানুষ্ঠান, সমবয়সীয়া গোট আৰু গণমাধ্যম।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ

পৰিয়ালৰ ভূমিকা ঃ

ইয়াত উল্লেখ কৰাটো গুৰুত্বপূৰ্ণ যে ব্যক্তিসকলৰ জীৱনত পৰিয়াল সামাজিকীকৰণৰ প্ৰাথমিক এজেণ্ট। ই সমগ্ৰ সামাজিকীকৰণ প্ৰক্ৰিয়াটোক গতি প্ৰদান কৰে আৰু শিশুৰ ওপৰত বিস্তৃতভাৱে প্ৰভাৱ ৰাখে। পৰিয়ালে শিশুৰ কৰ্তৃত্ব প্ৰতি মনোভাব গঢ়ি তোলাতো প্ৰভাৱ পেলায়। ই সমষ্টিগত সিদ্ধান্ত গ্ৰহণ কৰে, যিবোৰ অধিকাংশ ক্ষেত্ৰত শিশুৰ বাবে কৰ্তৃত্বমূলক হয়। তদুপৰি, পৰিয়াল পৰ্যায়ত সিদ্ধান্তসমূহ মানি চলাৰ ক্ষেত্ৰত শিশুৰ আজ্ঞা পালনৰ ধৰণে তেওঁক ৰাজনৈতিক ব্যৱস্থাৰ নিয়ম-নীতিৰ প্ৰতি এজন ৰাজনৈতিক বিষয় হিচাপে প্ৰেৰণা যোগায়। পৰিয়ালে ব্যক্তিজনক তেওঁৰ জাতিগত, ভাষাগত, ধৰ্মীয় সম্পৰ্ক আৰু সামাজিক শ্ৰেণী স্থাপন কৰাতো সহায় কৰে।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ৰাজনৈতিক সামাজিকীকৰণৰ দুটা মুখ্য ৰূপ হৈছে—

(i) প্ৰত্যক্ষ বা প্ৰকাশ্য ৰাজনৈতিক সামাজিকীকৰণ

(ii) সুপ্ত বা পৰোক্ষ ৰাজনৈতিক সামাজিকীকৰণ।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ ৰাজনৈতিক সামাজিকীকৰণ ৰাজনীতি বিজ্ঞানীৰ বাবে অধ্যয়নৰ আটাইতকৈ গুৰুত্বপূৰ্ণ ক্ষেত্ৰসমূহৰ এটা। প্ৰতিটো সমাজ আৰু প্ৰতিটো ব্যৱস্থাৰ নিজৰ অস্তিত্ব ৰক্ষা কৰাৰ প্ৰয়োজন থাকে। এই কাম ইয়াৰ এক গুৰুত্বপূৰ্ণ কাৰ্যৰ জৰিয়তে সম্পন্ন হয়, অৰ্থাৎ সামাজিকীকৰণৰ জৰিয়তে। সামাজিকীকৰণ হৈছে এক শিক্ষণ প্ৰক্ৰিয়া, যাৰ জৰিয়তে মূল্যবোধ, মনোভাব আৰু বিশ্বাস যুৱ প্ৰজন্মই আত্মস্থ কৰে। সাধাৰণতে, সামাজিকীকৰণ হৈছে এনে এক প্ৰক্ৰিয়া যাৰ মাধ্যমেৰে সংস্কৃতি এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ সঞ্চাৰিত হয়।

ৰাজনৈতিক সামাজিকীকৰণক ৰাজনীতিৰ দিশে সামাজিকীকৰণ বুলি ক'ব পাৰি। ৰাজনৈতিক সামাজিকীকৰণ হৈছে এনে এক প্ৰক্ৰিয়া যাৰ জৰিয়তে এজন ব্যক্তিয়ে ৰাজনৈতিক জ্ঞান, মূল্যবোধ, বিশ্বাস আৰু মনোভাব আহৰণ কৰে আৰু তেওঁ ৰাজনৈতিক ব্যৱস্থাৰ সৈতে পৰিচিত হয়। ইয়াৰ ফলত ৰাজনৈতিক ঘটনাৱলীৰ প্ৰতি তেওঁৰ প্ৰতিক্ৰিয়া আৰু ৰাজনীতি সম্পৰ্কীয় তেওঁৰ ধাৰণা নিৰ্ধাৰিত হয়। তেওঁ ৰাজনৈতিক ব্যৱস্থাৰ বিষয়ে এক সচেতনতা বিকাশ কৰে।

৩.১০ আৰ্হি প্ৰশ্ন

(ক) অতি চমু প্ৰশ্ন-

প্ৰশ্ন ১ ঃ "Communist Manifesto" গ্ৰন্থখন কোনে লিখিছিল?

প্ৰশ্ন ২ ঃ "The Protestant Ethic and the Spirit of Capitalism" গ্ৰন্থখন কোনে লিখিছিল?

প্ৰশ্ন ৩ ঃ ৰাজনৈতিক সামাজিকীকৰণৰ এটা বৈশিষ্ট্য উল্লেখ কৰক।

(খ) চুটি প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায় ১৫০ টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ ৰাজনৈতিক সামাজিকীকৰণৰ অৰ্থৰ ওপৰত এটা সংক্ষিপ্ত টোকা লিখক।

প্ৰশ্ন ২ ঃ চমু টোকা লিখক—

(a) ৰাজনৈতিক সামাজিকীকৰণত Karl Marx-ৰ অৱদান

(b) ৰাজনৈতিক সামাজিকীকৰণত Max Weber-ৰ অৱদান

প্ৰশ্ন ৩ ঃ ৰাজনৈতিক সামাজিকীকৰণৰ মুখ্য বৈশিষ্ট্যসমূহ পৰীক্ষা কৰক।

প্রশ্ন ৪ ঃ ৰাজনৈতিক সামাজিকীকৰণৰ পৰিসৰ ব্যাখ্যা কৰক।

(গ) **ৰচনাধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ প্রায় ৩০০-৫০০ শব্দৰ ভিতৰত লিখক)**

প্রশ্ন ১ ঃ ৰাজনৈতিক সামাজিকীকৰণৰ সংজ্ঞা দিয়ক। ইয়াৰ মুখ্য এজেণ্টসমূহ আলোচনা কৰক।

প্রশ্ন ২ ঃ ৰাজনৈতিক সামাজিকীকৰণৰ গুৰুত্ব আলোচনা কৰক।

****

অধ্যায় ৪ ঃ ৰাজনৈতিক সংস্কৃতি

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ ৰাজনৈতিক সংস্কৃতিৰ অর্থ আৰু প্রকৃতি
৪.৪ ৰাজনৈতিক সংস্কৃতিৰ তত্ত্বসমূহ
৪.৫ ৰাজনৈতিক সংস্কৃতিৰ প্রকাৰসমূহ
৪.৬ ৰাজনৈতিক সংস্কৃতিৰ বিকাশ
৪.৭ ৰাজনৈতিক সংস্কৃতিৰ ভূমিকা আৰু প্রয়োজনীয়তা
৪.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৯ অধিক জানিবলৈ
৪.১০ অগ্রগতিৰ খতিয়ান
৪.১১ আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ৰাজনৈতিক সংস্কৃতিৰ অর্থ আৰু প্রকৃতিৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব।
- ৰাজনৈতিক সংস্কৃতিৰ তত্ত্বসমূহৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব।
- ৰাজনৈতিক সংস্কৃতিৰ প্রকাৰসমূহ আলোচনা কৰিব পাৰিব।
- ৰাজনৈতিক সংস্কৃতিৰ বিকাশ বিশ্লেষণ কৰিব পাৰিব।
- ৰাজনৈতিক সংস্কৃতিৰ ভূমিকা আৰু প্রয়োজনীয়তা সমালোচনামূলকভাৱে বর্ণনা কৰিব পাৰিব।

৪.২ পৰিচয়

মানৰ অস্তিত্বৰ এটা অৱশ্যম্ভাৱী সত্য হৈছে ৰাজনীতি। প্রতিজন মানুহে জীৱনৰ কোনোবা সময়ত ৰাজনৈতিক ব্যৱস্থাত নিজকে জড়িত অৱস্থাত পায়। ৰাজনৈতিক ব্যৱস্থাত আমাৰ প্রতিজনৰ অংশগ্রহণ সদায় ৰাজনীতি আৰু ৰাজনৈতিক বস্তুসমূহৰ বিষয়ে থকা মূল্যবোধ, বিশ্বাস, মনোভাব আৰু অভিমুখতাৰ দ্বাৰা প্রভাৱিত হয়; অর্থাৎ, এই ব্যৱস্থাটোক সমাজতাত্ত্বিক-মানসিক পৰিৱেশৰ দ্বাৰা প্রভাৱিত হয়। ৰাজনীতি বিশ্লেষণ কৰাৰ সময়ত, বিশেষকৈ ৰাজনীতিত মানৱ আচৰণৰ ক্ষেত্রত, এই উদ্দেশ্যৰ বাবে এটা ধাৰণা প্রণয়ন কৰা হৈছে।

প্রতিটো ৰাজনৈতিক ব্যৱস্থা এটা সমাজতাত্ত্বিক আৰু মানসিক পৰিৱেশত সংলগ্ন থাকে— লোকসকলৰ ৰাজনীতিৰ প্রতি থকা মূল্যবোধ, বিশ্বাস, অভিমুখতা আৰু মনোভাবৰ সমষ্টি, অর্থাৎ ৰাজনৈতিক সংস্কৃতি। অথবা ডেভিছ আৰু লুইছৰ মতে: "ৰাজনৈতিক ব্যৱস্থাই এটা অর্থ আৰু উদ্দেশ্যৰ সমষ্টিৰ পৰিসৰত কাম কৰে - সমাজৰ ৰাজনৈতিক সংস্কৃতিৰ ভিতৰত।"

ৰাজনীতিৰ অধ্যয়ন তেওঁৰ ৰাজনৈতিক সংস্কৃতিৰ সৈতে সম্পর্ক স্থাপন নকৰাকৈ কেতিয়াও সম্পূর্ণ আৰু বাস্তৱ হ'ব নোৱাৰে। এই আৱশ্যকতাই ৰাজনৈতিক সংস্কৃতিৰ ধাৰণাক প্রতিষ্ঠা কৰাৰ প্রয়াসক জন্ম দিছে। এই দিশত এক অগ্রণী অৱদান আগবঢ়াইছে গ্যাব্রিয়েল আলমণ্ডে, যাক এই ধাৰণা প্রৱর্তনৰ কৃতিত্ব দিয়া হয়। ক'লমেন, প'ৱেল, ভার্বা, লুসিয়ান পাই, ডেনিছ কেভানাঘ আৰু বহু অন্যান্য ব্যক্তিয়ে ইয়াক জনপ্রিয় কৰি তুলিবলৈ চেষ্টা কৰিছে।

৪.৩ ৰাজনৈতিক সংস্কৃতিৰ অর্থ আৰু প্রকৃতি

অর্থ ঃ

আধুনিক ৰাজনৈতিক সংস্কৃতিৰ অধ্যয়নৰ উদ্ভৱ ১৯৫০ চনৰ শেষত আৰু ১৯৬০ চনৰ আৰম্ভণিত ঘটিছিল। "Political Culture" শব্দৰ ইতিহাস দুজন আমেৰিকান ৰাজনীতি বিজ্ঞানী গ্যাব্রিয়েল আলমণ্ড আৰু ছিডনি ভাৰ্বাৰ সৈতে জড়িত।

আলমণ্ড আৰু প'ৱেলৰ শব্দত, "ৰাজনৈতিক সংস্কৃতি হৈছে ৰাজনৈতিক ব্যৱস্থাৰ সদস্যসকলৰ মাজত ৰাজনীতিৰ প্রতি থকা ব্যক্তিগত মনোভাব আৰু অভিমুখতাৰ ধাৰা।"

ৰয় মেকাইডছ পর্যবেক্ষণ কৰে, "ৰাজনৈতিক সংস্কৃতি হৈছে সাধাৰণভাৱে ভাগ কৰা লক্ষ্যসমূহ আৰু সাধাৰণভাৱে গ্রহণ কৰা নিয়মসমূহ।"

পাই আৰু ছিডনি ভাৰ্বাএ কৈছে, "ৰাজনৈতিক সংস্কৃতি হৈছে সেই ব্যৱস্থা য'ত প্রমাণভিত্তিক বিশ্বাস, প্রকাশমূলক চিহ্নসমূহ আৰু মূল্যবোধসমূহ অন্তর্ভুক্ত থাকে, যি সেই পৰিস্থিতি নির্ধাৰণ কৰে য'ত ৰাজনৈতিক কার্যকলাপ সংঘটিত হয়।"

এৰিক ৰোয়ে লিখিছে, "ৰাজনৈতিক সংস্কৃতি হৈছে ব্যক্তিগত মূল্যবোধ, বিশ্বাস, প্রকাশমূলক চিহ্নসমূহ আৰু মূল্যবোধৰ ধাৰা, যি সেই পৰিস্থিতি নির্ধাৰণ কৰে য'ত ৰাজনৈতিক কার্যকলাপ সংঘটিত হয়।"

পেট্রিক ও'নেইলৰ মতে, "ৰাজনৈতিক সংস্কৃতি বিশেষকৈ সমাজত ৰাজনৈতিক কার্যকলাপৰ বাবে থকা মৌলিক নীতিক বুজায়। ই নির্ধাৰক কাৰক হয় যে কোনো দেশৰ ৰাজনৈতিক শাসনত কোন ধৰণৰ মতবাদে প্রাধান্য পাব, আৰু ই বিশেষকৈ নির্দিষ্ট দেশ বা মানুহৰ গোটৰ বাবে অনন্য হয়।"

আন্তঃৰাষ্ট্রীয় সমাজ বিজ্ঞানৰ বিশ্বকোষ অনুযায়ী ৰাজনৈতিক সংস্কৃতি হৈছে, "মনোভাব, বিশ্বাস আৰু অনুভূতিৰ সমষ্টি, যিয়ে ৰাজনৈতিক প্রক্রিয়াক শৃংখলাবদ্ধ আৰু অর্থপূর্ণ কৰি তোলে আৰু যিয়ে ৰাজনৈতিক ব্যৱস্থাত আচৰণ নির্ধাৰণ কৰা মৌলিক অনুমান আৰু নিয়মসমূহ প্রদান কৰে।"

ৰাজনৈতিক সংস্কৃতিক বিশেষকৈ ৰাজনৈতিক অভিমুখতা আৰু ৰাজনৈতিক দর্শনৰ আর্হিযুক্ত ৰূপ হিচাপে বুজি পাব পাৰি, যি বিস্তৃত আৰু জটিল ঘটনাৰ সমষ্টিৰ পৰা গঠিত, য'ত বিশ্বাস, মূল্যবোধ, আৰু মনোভাব অন্তর্ভুক্ত থাকে, আৰু যিয়ে চৰকাৰ আৰু ৰাজনৈতিক ব্যৱস্থা কেনেকৈ চলাব লাগে তাৰ বিষয়ে ধাৰণা প্রদান কৰে।

ৰাজনৈতিক সংস্কৃতি হৈছে সমাজৰ মনোভাব, বিশ্বাস, অনুভূতি আৰু মূল্যবোধৰ সমষ্টি, যি ৰাজনৈতিক ব্যৱস্থা আৰু ৰাজনৈতিক বিষয়সমূহৰ সৈতে সম্পর্কিত। ই পৰিভাষিত হৈছে ৰাজনৈতিক ব্যৱস্থাৰ সদস্যসকলৰ মাজত ৰাজনীতিৰ প্রতি থকা ব্যক্তিগত মনোভাব আৰু অভিমুখতাৰ ধাৰা হিচাপে।

সমাজৰ মানুহসকলে এটা সাধাৰণ মানৰ প্রকৃতি ভাগ কৰি লয়, যেনে— অনুভূতিপ্রৱণতা, বৌদ্ধিক সক্ষমতা আৰু নৈতিক দৃষ্টিভংগী। এই সাধাৰণ মানৰ প্রকৃতিয়ে নিজকে নির্দিষ্ট মূল্যবোধ, বিশ্বাস আৰু অনুভূতিমূলক মনোভাবৰ ৰূপত প্রকাশ কৰে, যি এক প্রজন্মৰ পৰা আন প্রজন্মলৈ অধিক বা কম পৰিৱর্তনৰ সৈতে প্রৱর্তিত হয়, আৰু এনেদৰে সেই সমাজৰ সাধাৰণ সংস্কৃতি গঠন কৰে।

সমাজৰ সাধাৰণ সংস্কৃতিৰ কিছু নির্দিষ্ট দিশ বিশেষকৈ এইটো লৈ সম্পর্কিত থাকে যে চৰকাৰে কেনেকৈ চলিব লাগে আৰু কি কৰা উচিত। এই সংস্কৃতিক ৰাজনৈতিক সংস্কৃতি বুলি কোৱা হয়। ই হৈছে মনোভাব, বিশ্বাস আৰু অনুভূতিৰ সমষ্টি, যিয়ে ৰাজনৈতিক প্রক্রিয়াক শৃংখলাবদ্ধ আৰু অর্থপূর্ণ কৰি তোলে আৰু যিয়ে ৰাজনৈতিক ব্যৱস্থাত আচৰণ নির্ধাৰণ কৰা মৌলিক অনুমান আৰু নিয়মসমূহ প্রদান কৰে।

প্রকৃতি ঃ

- সংস্কৃতি হৈছে চিন্তা, মূল্যবোধ আৰু বস্তুৰ এক সঞ্চয়— সংস্কৃতি হ'ল সমাজৰ বংশপৰম্পৰাৰ পৰা আমি অনানুষ্ঠানিক আৰু আনুষ্ঠানিক শিক্ষা দুয়োৰে মাধ্যমত লাভ কৰা সামাজিক ঐতিহ্য, ঠিক তেনেকৈ, ৰাজনৈতিক সংস্কৃতি হৈছে মানুহৰ মূল্যবোধ, বিশ্বাস, অভিমুখতা আৰু মনোভাবৰ সমষ্টি, যিবোৰ তেওঁলোকে ব্যৱস্থাৰ পৰা

শিকে বা অর্জন কৰে আৰু যিয়ে তেওঁলোকৰ আচৰণত প্ৰভাৱ পেলায় ৰাজনৈতিক ব্যৱস্থাৰ কার্যকর্তা হিচাপে। সংক্ষেপে ক'লে, ই ৰাজনৈতিক আদর্শ আৰু ৰাজনীতিৰ কার্যকৰী নীতি দুয়োকে অন্তর্ভুক্ত কৰে।

- ৰাজনৈতিক সংস্কৃতিত কেৱল ৰাজনীতিৰ প্ৰতি থকা মনোভাব, ৰাজনৈতিক মূল্যবোধ, মতবাদ, ৰাষ্ট্ৰীয় চৰিত্ৰ আৰু সাংস্কৃতিক পৰম্পৰা অন্তর্ভুক্ত নহয়, তাৰ লগত ৰাজনীতিৰ শৈলী, ভংগীমা আৰু মূল বিষয়বস্তুও অন্তর্ভুক্ত থাকে।
- মানুহৰ ৰাজনৈতিক সংস্কৃতিয়ে তেওঁলোকক নিজৰ ৰাজনৈতিক ব্যৱস্থা আৰু তাৰ প্ৰক্ৰিয়াৰ প্ৰতি এটা অভিমুখতা প্ৰদান কৰে। ৰাজনৈতিক বিশ্বাসসমূহ বুজিবলৈ এক উপায় হৈছে ৰাজনৈতিক কাঠামোয়ে কেনেকৈ কাম কৰে তাক পর্যবেক্ষণ কৰা। এই বিশ্বাসসমূহে কাঠামো কেনেকৈ চলিব লাগে তাৰ ওপৰত প্ৰভাৱ পেলায় আৰু কাঠামো চলাৰ ধৰণেও এই বিশ্বাসসমূহক প্ৰভাৱিত কৰে, আৰু সংস্কৃতি আৰু কাঠামোৰ মাজত এটি ঘনিষ্ঠ সম্পর্কৰ চক্ৰ থাকে।
- ৰাজনৈতিক সংস্কৃতি হৈছে ৰাজনীতিৰ মানসিক আৰু ব্যক্তিগত দিশসমূহৰ সমষ্টি ৰূপত প্ৰদর্শন। এটা ৰাজনৈতিক সংস্কৃতি হৈছে ৰাজনৈতিক ব্যৱস্থাৰ সমষ্টিগত ইতিহাস আৰু সেই ব্যৱস্থাৰ সদস্যসকলৰ জীৱন ইতিহাসৰ প্ৰযোজ্য ফল। সংক্ষেপে ক'লে, ৰাজনৈতিক সংস্কৃতি ৰাজনৈতিক ব্যৱস্থাৰ বাবে যি অর্থ বহন কৰে, ঠিক সেইদৰে সংস্কৃতি সমাজ ব্যৱস্থাৰ বাবে অর্থ বহন কৰে।
- শেষত, ৰাজনৈতিক সংস্কৃতিত সেই ৰাজনৈতিক আচৰণৰ ধাৰাসমূহ অন্তর্ভুক্ত থাকে, যিবোৰ ব্যক্তিসকলৰ ৰাজনৈতিক বিশ্বাস, মূল্যবোধ আৰু মনোভাবৰ পৰা উদ্ভৱ হয়। এই প্ৰক্ৰিয়াত, ৰাজনৈতিক বিশ্বাস, মূল্যবোধ আৰু মনোভাবসমূহে মানুহৰ ৰাজনৈতিক আচৰণত প্ৰভাৱ পেলায়, আৰু তাৰ পাছত সেই আচৰণসমূহ এক ধাৰা হিচাপে পৰিগণিত হয় আৰু ই তেওঁলোকৰ ৰাজনৈতিক সংস্কৃতিৰ অংশ হয়।

জানি থোৱা ভাল

ৰাজনৈতিক সংস্কৃতি হৈছে এটা সাম্প্ৰতিক শব্দ, যি ৰাজনৈতিক মতবাদ, ৰাষ্ট্ৰীয় পৰম্পৰা আৰু আধ্যাত্মিকতা, ৰাষ্ট্ৰীয় ৰাজনৈতিক মনোবিজ্ঞান, আৰু মানুহৰ মৌলিক মূল্যবোধৰ সৈতে জড়িত বহুতো ধাৰণাক অধিক স্পষ্ট আৰু প্ৰণালীবদ্ধভাৱে প্ৰকাশ কৰিবলৈ চেষ্টা কৰে।

ৰাজনৈতিক সংস্কৃতি, নেতা আৰু নাগৰিকসকলৰ ৰাজনৈতিক অভিমুখতাক অন্তর্ভুক্ত কৰাৰ ফলত, ৰাজনৈতিক শৈলী বা কার্যকৰী কোডৰ দৰে শব্দসমূহতকৈ অধিক বিস্তৃত, যি কেৱল অভিজাত আচৰণত কেন্দ্ৰীভূত থাকে। আনফালে, এই শব্দটো অধিক স্পষ্টভাৱে ৰাজনৈতিক হয়, ই জনমত আৰু ৰাষ্ট্ৰীয় চৰিত্ৰৰ দৰে ধাৰণাৰ তুলনাত অধিক সীমিত হয়।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ আধুনিক ৰাজনৈতিক সংস্কৃতিৰ অধ্যয়নৰ উদ্ভৱ ১৯৫০ চনৰ শেষত আৰু ১৯৬০ চনৰ আৰম্ভণিত হৈছিল। (শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন নং ২ ঃ ..... আৰু .....ক ৰাজনৈতিক সংস্কৃতিৰ অধ্যয়নৰ উৎপত্তিৰ বাবে কৃতিত্ব দিয়া যায়। (শূন্যস্থান পূৰণ কৰক)

প্ৰশ্ন নং ৩ ঃ আন্তঃৰাষ্ট্ৰীয় সমাজ বিজ্ঞানৰ বিশ্বকোষে ৰাজনৈতিক সংস্কতিক কেনেকৈ পৰিভাষিত কৰে?

প্ৰশ্ন নং ৪ ঃ ৰাজনৈতিক সংস্কৃতিয়ে কেনেকৈ ৰাজনৈতিক ব্যৱস্থাৰ ৰাজনৈতিক আদর্শসমূহ আৰু কার্যকৰী নীতি দুয়োকে অন্তর্ভুক্ত কৰে, বাখ্যা কৰক।

৪.৪ ৰাজনৈতিক সংস্কৃতিৰ তত্ত্বসমূহ

এটা ৰাজনৈতিক ব্যৱস্থাৰ ৰাজনৈতিক সংস্কৃতি বিশ্লেষণ কৰাৰ বাবে, আমি গ্যাব্রিয়েল আলমণ্ড আৰু ছিডনি ভার্বায়ে আগবঢ়োৱা ৰাজনৈতিক সংস্কৃতিৰ তত্ত্বসমূহ অধ্যয়ন কৰিব পাৰোঁ। তেওঁলোকে পর্যবেক্ষণ কৰিছে যে ৰাজনৈতিক সংস্কৃতিক দুটা উপাদান-অভিমুখতা আৰু ৰাজনৈতিক বস্তুসমূহৰ পৰিপ্রেক্ষিতত বিশ্লেষণ আৰু পৰিমাপ কৰিব পাৰি, কাৰণ ৰাজনৈতিক সংস্কৃতি মূলত মানুহৰ ৰাজনৈতিক বস্তুসমূহৰ প্রতি থকা অভিমুখতাৰ সমষ্টি।

আলমণ্ড আৰু ভার্বায়ে দাবী কৰিছে যে ৰাজনৈতিক অভিমুখতা তিনি প্রকাৰৰ থাকে—

- **জ্ঞানমূলক অভিমুখতা** — ইয়াত ৰাজনৈতিক ব্যৱস্থা, তাৰ ভূমিকা আৰু সেই ভূমিকা পালন কৰা ব্যক্তিসকল, লগতে ব্যৱস্থাৰ ইনপুট আৰু আউটপুট সম্পর্কীয় জ্ঞান আৰু তথ্য অন্তর্ভুক্ত থাকে।
- **অনুভূতিক অভিমুখতা** — ইয়াৰ অর্থ হৈছে ৰাজনৈতিক ব্যৱস্থাৰ প্রতি অনুভূতি, মনোভাব আৰু মানসিক অৱস্থা প্রকাশ কৰা, যি ধনাত্মক বা ঋণাত্মক হ'ব পাৰে। অনুভূতিক অভিমুখতাত ব্যৱস্থাৰ কার্য, অংশগ্রহণকাৰীসকল আৰু তেওঁলোকৰ কার্যকলাপো অন্তর্ভুক্ত থাকে।
- **মূল্যায়নমূলক অভিমুখতা** — ইয়াৰ অর্থ হৈছে ৰাজনৈতিক লক্ষ্যসমূহৰ বিষয়ে কৰা সিদ্ধান্ত আৰু মতামত, য'ত সাধাৰণতে মূল্যবোধ, মানদণ্ড আৰু মাপকাঠীৰ সৈতে জ্ঞান আৰু অনুভূতিৰ সংমিশ্রণ থাকে। ই মানুহৰ ৰাজনৈতিক ব্যৱস্থাৰ সৈতে ব্যক্তিগত সম্পর্ক প্রকাশ কৰে। ইয়াত ধনাত্মক আৰু ঋণাত্মক বৈশিষ্ট্যসমূহৰ সূক্ষ্ম অধ্যয়ন কৰা হয়।

ৰবার্ট এ. ডা (Robert A. Dahl) এ মত প্রকাশ কৰিছে যে ৰাজনৈতিক সংস্কৃতি হৈছে ৰাজনৈতিক বিৰুদ্ধাচৰণৰ বিভিন্ন ধাৰণাৰ ব্যাখ্যা দিব পৰা এটা কাৰক, যাৰ মুখ্য উপাদানসমূহ হৈছে—

- সমস্যা সমাধানৰ অভিমুখতা
- সমষ্টিগত কার্যকলাপৰ অভিমুখতা
- ৰাজনৈতিক ব্যৱস্থাৰ অভিমুখতা
- অন্য মানুহৰ প্রতি অভিমুখতা

সেয়েহে, ৰাজনৈতিক সংস্কৃতিৰ তত্ত্বসমূহ বহু আন্তঃসংলগ্ন কাৰকৰ তথা প্রচলিত আৰু আধুনিক উপাদানসমূহৰ ফল। ৰাজনৈতিক সংস্কৃতিৰ পৰিৱর্তন এই কাৰকসমূহৰ প্রভাৱত হয়। ৰাষ্ট্রই যদি স্থাপন কৰা আৰু বিকশিত ৰাজনৈতিক সংস্কৃতি ৰাখে, তেন্তে তেওঁলোকে বিভিন্ন দিশ, ৰূপ আৰু প্রকাৰত উপকৃত হ'ব।

ৰ'জেনবাউমে ৰাজনৈতিক সংস্কৃতিৰ অভিমুখতাৰ বাবে তিনিটা মুখ্য উপাদান প্রস্তাৱ কৰিছে—

- **চৰকাৰী কাঠামোৰ প্রতি অভিমুখতা ঃ**

ইয়াত অন্তর্ভুক্ত হৈছে ঃ

শাসনতান্ত্রিক অভিমুখতা ঃ এজন ব্যক্তিয়ে নিজৰ সমাজৰ মৌলিক চৰকাৰী প্রতিষ্ঠানসমূহ, তাৰ প্রতীকসমূহ, কর্মচাৰীসকল আৰু নিয়মসমূহ কেনেকৈ মূল্যায়ন কৰে আৰু সঁহাৰি প্রদান কৰে। চৰকাৰী ইনপুট আৰু আউটপুটৰ প্রতি অভিমুখতাঃ ব্যক্তিসকলে কেনেকৈ অনুভৱ কৰে আৰু প্রতিক্রিয়া দিয়ে।

শাসনতান্ত্রিক অভিমুখতাক উল্লেখ কৰিব পাৰি এইদৰে ঃ

(a) অর্থনৈতিক শাসনতন্ত্র: সমাজবাদী, বর্তমান, ভৱিষ্যৎ
(b) ৰাজনৈতিক শাসনতন্ত্র: কমিউনিষ্ট, বর্তমান, ভৱিষ্যৎ
(c) মূল্যবোধ শাসনতান্ত্রিক অভিমুখতা: কমিউনিষ্ট শাসন, সেনা শাসন, শক্তিশালী নেতা বা সংসদৰ মাজত প্রাধান্যৰ পছন্দ ।

- **ৰাজনৈতিক ব্যৱস্থাৰ অন্যান্য লোকৰ প্ৰতি অভিমুখতা ঃ**

ইয়াত অন্তৰ্ভুক্ত হৈছে ঃ

ৰাজনৈতিক পৰিচয় ঃ ৰাজনৈতিক এককসমূহ, ভূগোলিক অঞ্চলসমূহ আৰু গোটসমূহ য'ত এজন ব্যক্তি নিজকে অন্তৰ্ভুক্ত বোধ কৰে।

ৰাজনৈতিক বিশ্বাস ঃ নাগৰিক জীৱনত আনৰ সৈতে কাম কৰাৰ সময়ত সহযোগী বা সহনশীল মনোভাব অনুভৱ কৰাৰ পৰিসৰ।

খেলৰ নিয়ম ঃ নাগৰিক জীৱনত কোন নিয়ম মানি চলা উচিত সেই ব্যক্তিগত ধাৰণা।

- **নিজৰ ৰাজনৈতিক কাৰ্যকলাপৰ প্ৰতি অভিমুখতা ঃ**

ইয়াত অন্তৰ্ভুক্ত হৈছে ঃ

ৰাজনৈতিক ক্ষমতা ঃ এজন ব্যক্তি নাগৰিক জীৱনত কিমান সঘনাই আৰু কেনেকৈ অংশগ্ৰহণ কৰে।

ৰাজনৈতিক কাৰ্যকৰিতা ঃ ব্যক্তিগত ৰাজনৈতিক কাৰ্যই ৰাজনৈতিক প্ৰক্ৰিয়াত প্ৰভাৱ পেলাব পাৰে বুলি অনুভৱ কৰা আৰু ৰাজনৈতিক ব্যৱস্থা আৰু চৰকাৰক নাগৰিকৰ দাবীসমূহৰ প্ৰতি মুকলি আৰু প্ৰতিক্ৰিয়াশীল বুলি মূল্যায়ন কৰা।

কাৰ্যকলাপ ৪.১

ভাৰতীয় ৰাজনৈতিক সংস্কৃতি আৰু ব্ৰিটেইনৰ মাজত অভিমুখতাৰ সাদৃশ্যসমূহ তালিকাভুক্ত কৰি নিৰূপণ কৰিবলৈ চেষ্টা কৰক।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ এটা ৰাজনৈতিক ব্যৱস্থাৰ ৰাজনৈতিক সংস্কৃতি বিশ্লেষণ কৰিবলৈ, আমি গ্যাব্ৰিয়েল আলমণ্ড আৰু ছিডনি ভাৰ্বাৰ ধাৰণাক গ্ৰহণ কৰিব পাৰোঁ। (শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন নং ৬ ঃ ৰাজনৈতিক সংস্কৃতি মূলত মানুহৰ ৰাজনৈতিক বস্তুসমূহৰ প্ৰতি থকা .....ৰ সমষ্টি। (খালী ঠাই পূৰণ কৰক)

প্ৰশ্ন নং ৭ ঃ ৰবাৰ্ট এ. ডা (Robert A. Dahl)এ আগবঢ়োৱা বিভিন্ন ধৰণৰ অভিমুখতা কি কি?

৪.৫ ৰাজনৈতিক সংস্কৃতিৰ প্ৰকাৰসমূহ

আলমণ্ডে, অংশগ্ৰহণকাৰীৰ ভিত্তিত, ৰাজনৈতিক সংস্কৃতিসমূহৰ এটি প্ৰখ্যাত শ্ৰেণীবিভাজন উপস্থাপন কৰিছে। ইয়াৰ ফলত ৰাজনৈতিক সংস্কৃতিৰ এটা ত্ৰিপাক্ষিক বিভাজন দেখা গৈছে, যি তলত বৰ্ণনা কৰা হৈছে ঃ

- **স্থানীয়সীমিত/ৰাজনৈতিক সংস্কৃতি ঃ**

ই সেই মানুহক উল্লেখ কৰে যাৰ ৰাজনৈতিক বস্তুসমূহৰ প্ৰতি কোনো ৰাজনৈতিক অভিমুখতা নাই। এই ধৰণৰ ৰাজনৈতিক সংস্কৃতিত, নাগৰিকসকলৰ কেন্দ্ৰীয় চৰকাৰৰ উপস্থিতিৰ বিষয়ে কেৱল দূৰৱৰ্তীভাৱে জ্ঞান থাকে, আৰু ৰাষ্ট্ৰৰ সিদ্ধান্তসমূহৰ প্ৰতি বিশেষ প্ৰভাৱ নপৰাকৈ নিজৰ জীৱন যাপন কৰে। নাগৰিকসকলৰ ৰাজনৈতিক ব্যৱস্থাৰ বিষয়ে কোনো জ্ঞান নাথাকে আৰু ৰাজনৈতিক ঘটনাৱলীৰ বিষয়ে তেওঁলোক অৱগত নাথাকে। তেওঁলোকৰ ৰাজনীতিৰ বিষয়ে জ্ঞান নাথাকে, উৎসাহো নাথাকে। ৰাজনৈতিক ইনপুট, আউটপুট, ৰাজনৈতিক ব্যৱস্থা বা নিজৰ ভূমিকাৰ সকলো উপাদানৰ প্ৰতি কোনো অভিমুখতা নাথাকে। এই ধৰণৰ ৰাজনৈতিক সংস্কৃতি পৰম্পৰাগত ৰাজনৈতিক কাঠামোৰ সৈতে সংগতিপূৰ্ণ হয়। এই ধৰণৰ ৰাজনৈতিক সংস্কৃতি পৰম্পৰাগত সমাজত উপস্থিত থাকে। স্থানীয় পদ্ধতি হৈছে সীমিত পদ্ধতি। স্থানীয় পদ্ধতিত ৰেফাৰেঞ্চৰ সীমাবদ্ধতা থাকে। মানুহসকলে ৰাজনীতিৰ

বিষয়ে অৱগত নাথাকে, তেওঁলোকৰ ধর্মনিৰপেক্ষ বিশ্বদর্শন নাই, আৰু কোনো সুস্পষ্ট পৃথকীকৃত ৰাজনৈতিক কাঠামো নাথাকে। এই মডেলত, মানুহৰ ৰাজনৈতিক ব্যৱস্থাৰ প্ৰতি কোনো জ্ঞানমূলক অভিমুখতা নাথাকে। এই ধৰণৰ ৰাজনৈতিক সংস্কৃতিৰ দ্বাৰা চিহ্নিত সমাজে চৰকাৰৰ পৰা ধনাত্মক কিবা আশা নকৰে, আৰু তেওঁলোকে ৰাজনীতিত অংশগ্ৰহণ কৰিবলৈও আশা নকৰে, কাৰণ ৰাজনীতি অভিজাত ক্ষেত্ৰ হিচাপে গণ্য কৰা হয়। তদুপৰি, চৰকাৰক নিজৰ নিয়ম বলৱৎকাৰী হিচাপে গণ্য কৰা হয় আৰু পৰিণতিস্বৰূপে, ৰাজনীতিৰ ক্ষেত্ৰখনক এৰাই চলিবলগীয়া বিষয় হিচাপে গণ্য কৰা হয়।

- **নিষ্ক্ৰিয় ৰাজনৈতিক সংস্কৃতি ঃ**

এই ৰাজনৈতিক সংস্কৃতিয়ে সেইসকল লোকক বুজায় যিসকলে ৰাজনৈতিক ব্যৱস্থাৰ প্ৰতি নিষ্ক্ৰিয় অভিমুখিতা ৰাখে আৰু নিজকে ৰাজনৈতিক প্ৰক্ৰিয়াত অতি সামান্য প্ৰভাৱ থকা বুলি ধৰে। এই ধৰণৰ ৰাজনৈতিক সংস্কৃতিত নাগৰিকসকলে কেন্দ্ৰীয় চৰকাৰৰ বিষয়ে সচেতন হয়, আৰু ইয়াৰ সিদ্ধান্তসমূহৰ অধীনত অধিকভাৱে থাকিব লগা হয়, য'ত মতভেদ প্ৰকাশৰ সুযোগ অতি কম। ব্যক্তিজনে ৰাজনীতি, ইয়াৰ কার্যকর্তা আৰু প্ৰতিষ্ঠানসমূহৰ বিষয়ে অৱগত থাকে। তেওঁ ৰাজনীতিৰ প্ৰতি অনুভূতিমূলকভাৱে অভিমুখী, তথাপি তেওঁ ৰাজনীতিৰ "তলমুখী প্ৰবাহ" অংশত থাকে। নাগৰিকসকলৰ ব্যৱস্থাটোৰ ফলাফলমুখী দিশসমূহৰ প্ৰতি অভিমুখিতা থাকে। তেওঁলোকৰ ফলাফল আৰু ৰাজনৈতিক ব্যৱস্থাৰ প্ৰতিও কিছু অভিমুখিতা থাকে। লোকসকলে সিদ্ধান্ত গ্ৰহণ ব্যৱস্থাৰ বিষয়ে জানে। ৰাজনৈতিক সচেতনতা থাকিলেও নিজৰ ৰাজনৈতিক মতামত প্ৰকাশ কৰাৰ আত্মবিশ্বাস নাথাকে, ফলস্বৰূপে অংশগ্ৰহণমূলক মানদণ্ডৰ অনুপস্থিতি দেখা যায়। এই ধৰণৰ ৰাজনৈতিক সংস্কৃতি কেন্দ্ৰীভূত স্বৈৰাচাৰী গাঁথনিৰ সৈতে সামঞ্জস্যপূৰ্ণ। এই আদর্শত লোকসকলৰ জ্ঞানমূলক অভিমুখিতা কেৱল ব্যৱস্থাটোৰ ফলাফলমুখী দিশসমূহৰ প্ৰতি থাকে। ইয়াৰ প্ৰকাশ এনে এখন নাগৰিক সমাজত দেখা যায় য'ত চৰকাৰৰ পৰা ইতিবাচক কার্যৰ আশা কৰা হয়, কিন্তু নিজে ৰাজনৈতিকভাৱে সক্ৰিয় হ'বলৈ আগ্ৰহ নাথাকে। তেওঁলোকে ৰাজনীতিক কেৱল ক্ষমতা আৰু প্ৰভাৱ থকা লোকসকলৰ দ্বাৰা সম্পাদিত হ'ব লগা এখন অভিজাত ক্ষেত্ৰ বুলি ধাৰে।

- **অংশগ্ৰহণমূলক ৰাজনৈতিক সংস্কৃতি ঃ**

বিভিন্ন কাৰকৰ পাৰস্পৰিক আন্তঃক্ৰিয়াই সামাজিক পৰিৱৰ্তন ঘটায়। যদিও ধাৰণা কৰা হয় যে সামাজিক পৰিৱৰ্তনৰ পিছত কোনো এটা নিৰ্দিষ্ট কাৰক জড়িত থাকে, বাস্তৱতে বিভিন্ন কাৰক সেই নিৰ্দিষ্ট কাৰকৰ সৈতে সংযুক্ত হৈ সামাজিক পৰিৱৰ্তনৰ সৃষ্টি কৰে। এই কাৰকসমূহ জনসংখ্যাগত, সাংস্কৃতিক, আৰ্থিক, প্ৰযুক্তিগত, শিক্ষাগত আদি হ'ব পাৰে। উদাহৰণস্বৰূপে, যদিও কোৱা হয় যে বিদেশীৰ সমস্যাই অসম আন্দোলনক ১৯৮০ৰ দশকত সূচনা কৰিছিল, তথাপি বিদেশীৰ সমস্যাৰ লগতে জনসংখ্যা, সংস্কৃতি আৰু অৰ্থনীতিৰ দৰে কাৰকসমূহেও ইয়াত অৱদান যোগান ধৰিছিল।

- **মানৱসৃষ্ট আৰু প্ৰাকৃতিক পৰিৱৰ্তন**

সামাজিক পৰিৱৰ্তন দুটা দিশৰ পৰা সংঘটিত হ'ব পাৰে এটা মানৱসৃষ্ট আৰু আনটো প্ৰাকৃতিক। মানুহে বিভিন্ন অভিলাষ পূৰণৰ বাবে বিভিন্ন পৰিকল্পনা, প্ৰকল্প আৰু আঁচনি প্ৰস্তুত কৰে, যাৰ ফলত সামাজিক পৰিৱৰ্তন সংঘটিত হয়। প্ৰাকৃতিক পৰিৱৰ্তন অপৰিকল্পিত, ই প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰে। কেতিয়াবা বানপানী, ভূমিকম্প, আগ্নেয়গিৰি আদি প্ৰাকৃতিক দুৰ্যোগৰ ফলত সমাজত পৰিৱৰ্তন আহে।


- **শৃংখলাবদ্ধ প্ৰভাৱ**

সামাজিক পৰিৱৰ্তনে শৃংখলাবদ্ধ প্ৰভাৱৰ সৃষ্টি কৰে। অৰ্থাৎ, এটা দিশত হোৱা পৰিৱৰ্তনে আন দিশসমূহত তাৰ সমান্তৰাল প্ৰভাৱ পেলায়। উদাহৰণস্বৰূপে, আৰ্থিক বিশ্বায়নৰ পৰিৱৰ্তনে আমাৰ জীৱনৰ সাংস্কৃতিক, শিক্ষাগত, ৰাজনৈতিক আৰু আন আন দিশসমূহতো সমান্তৰাল পৰিৱৰ্তন আনিছে।

এইবোৰ সামাজিক পৰিৱৰ্তনৰ কিছুমান সাধাৰণ বৈশিষ্ট্য।

৭.৫ সামাজিক পৰিৱৰ্তনৰ তত্ত্বসমূহ

সামাজিক পৰিৱৰ্তন কিয় আৰু কেনেকৈ সমাজত সংঘটিত হয় তাক ব্যাখ্যা কৰিবলৈ সামাজিক পৰিৱৰ্তনৰ বিভিন্ন তত্ত্ব আছে। সাধাৰণভাৱে ক'বলৈ গ'লে, সামাজিক পৰিৱৰ্তনৰ তত্ত্বসমূহক তলত দিয়া শ্ৰেণীসমূহত বিভাজিত কৰিব পাৰি, যথা—



৭.৫.১ বিবৰ্তনমূলক তত্ত্ব

সামাজিক পৰিৱৰ্তন কি আৰু সামাজিক পৰিৱৰ্তনৰ স্বভাৱ কেনেকৈ বুজিব লাগে এই প্ৰশ্নৰ প্ৰথম উত্তৰ বিবৰ্তনমূলক তত্ত্বৰ প্ৰৱৰ্তকসকলেই আগবঢ়াইছিল। এই তত্ত্বৰ সৈতে Auguste Comte, Lewis H. Morgan, Émile Durkheim, Herbert Spencer আদি পণ্ডিতসকলৰ নাম জড়িত। তেওঁলোকৰ মতে সামাজিক পৰিৱৰ্তনৰ অৰ্থ হৈছে এটা উন্নত অৱস্থালৈ অগ্ৰগতি। সামাজিক পৰিৱৰ্তন ধীৰে ধীৰে বৃদ্ধি আৰু বিবৰ্তনৰ প্ৰক্ৰিয়াৰ ৰূপত সংঘটিত হয়।

সামাজিক পৰিৱৰ্তনৰ এই বিবৰ্তনমূলক দৃষ্টিভংগী Charles Darwin 'Organic Evolution' তত্ত্বৰ দ্বাৰা গভীৰভাৱে প্ৰভাৱিত হৈছিল। অধিক স্পষ্টভাৱে ক'বলৈ গ'লে, Herbert Spencer (১৮২০-১৯০৩), এজন ব্ৰিটিছ সমাজবিজ্ঞানী, Charles Darwinৰ বিবৰ্তন তত্ত্বৰ দ্বাৰা অত্যন্ত প্ৰভাৱিত হৈছিল। হাৰ্বাৰ্ট স্পেন্সাৰে সামাজিক পৰিৱৰ্তন বুজাবলৈ ডাৰউইনৰ নীতি 'the survival of the fittest' প্ৰয়োগ কৰিছিল। তেওঁ যুক্তিসহ ক'বলৈ চেষ্টা কৰিছিল যে সমাজ ধীৰে ধীৰে নিম্ন অৱস্থাৰ পৰা উচ্চ অৱস্থালৈ উন্নীত হয়। স্পেন্সাৰে কৈছিল যে আগতে পশ্চিমীয়া সমাজসমূহ সামৰিক সমাজ আছিল আৰু বৰ্তমান সেয়া উদ্যোগিক সমাজলৈ ৰূপান্তৰিত হৈছে। পশ্চিমীয়া সমাজসমূহে পৰিৱৰ্তিত পৰিস্থিতিৰ সৈতে নিজকে খাপ খুৱাব পৰা স্বভাৱ থকাৰ বাবে বহুতো অস্থিৰতা সম্মুখীন হ'লেও ভালদৰে টিকি থাকিব পাৰিছে। সমাজ সম্পৰ্কে স্পেন্সাৰৰ এইধৰণৰ দৃষ্টিভংগীক 'Social Darwinism' বুলি জনা যায়।

Émile Durkheim, ফ্ৰান্সৰ সমাজবিজ্ঞানী, এই মত পোষণ কৰে যে সামাজিক পৰিৱৰ্তন সমাজৰ বিবৰ্তনৰ ফলত সংঘটিত হয় আৰু এনে বিবৰ্তন সমাজৰ নৈতিক ঘনত্ব বৃদ্ধিৰ ফলস্বৰূপ। ডাৰখাইমে সূচাইছিল যে পূৰ্বতে সমাজত অবিভাজিত সামাজিক গাঁথনি আছিল, কৰ্মবিভাজন আছিল অতি কম, আৰু সামাজিক ঐক্য আৰু সংহতি আছিল অতি যান্ত্ৰিক, যাক 'mechanical solidarity' বুলি জনা যায়। বৰ্তমান ই অধিক বিভাজিত সামাজিক গাঁথনি, অধিক কৰ্মবিভাজনলৈ বিবৰ্তিত হৈছে আৰু সামাজিক

ঐক্য আৰু সংহতিও যান্ত্রিক অৱস্থাৰ পৰা 'organic solidarity'লৈ পৰিৱৰ্তিত হৈছে।

Lewis H. Morganৰ দৰে চিন্তাবিদসকলে সূচাইছিল যে সমাজ আদিম অৱস্থাৰ পৰা সভ্যতাৰ নতুন স্তৰসমূহলৈ বিবৰ্তিত হৈছে আৰু এই প্ৰসংগত তেওঁ সমাজত পৰিৱৰ্তনৰ তিনিটা মৌলিক স্তৰ আগবঢ়াইছিল, যথা- Savagery, Barbarism আৰু Civilization। একেদৰে, Auguste Comteএও সমাজ আৰু মানৱ চিন্তাৰ বিবৰ্তনত তিনিটা স্তৰৰ উল্লেখ কৰিছিল এই স্তৰসমূহ হৈছে the theological, the metaphysical আৰু the positive। অগষ্ট কোঁতৰ মতে, "মানৱ সমাজসমূহ একৰৈখিক ধৰণে বিবৰ্তিত হয়- অৰ্থাৎ উন্নয়নৰ এটা মাত্ৰ ৰেখাৰ ওপৰত।"

৭.৫.২ চক্ৰীয় তত্ত্ব


সামাজিক পৰিৱৰ্তনৰ চক্ৰীয় তত্ত্বৰ মুখ্য প্ৰৱৰ্তকসকল আছিল Oswald Spengler, Arnold J. Toynbee আৰু Pitirim A. Sorokin। ইয়াৰ উপৰিও Vilfredo Paretoৰ নামো এই তত্ত্বৰ সৈতে জড়িত। সামাজিক পৰিৱৰ্তন কেনেকৈ সংঘটিত হয়? তেওঁলোকে তলত দিয়া ধৰণে উত্তৰ দিছিল।

Oswald Spenglerএ তেওঁৰ প্ৰসিদ্ধ গ্ৰন্থ The Decline of the West (১৯১৮)-ত মানুহৰ দৰে জীৱন্ত অৰ্গানিজম আৰু সমাজৰ মাজত পৰিৱৰ্তনৰ এক উপমা আগবঢ়াইছিল। প্ৰতিটো জীৱন্ত অৰ্গানিজমৰ নিজস্ব জীৱন চক্ৰ থাকে। উদাহৰণস্বৰূপে, প্ৰতিজন ব্যক্তি জন্মগ্ৰহণ কৰে, প্ৰাপ্তবয়স্ক হয়, বৃদ্ধ হয় আৰু মৃত্যুবৰণ কৰে। একেদৰে, সমাজ আৰু সভ্যতাও উত্থান, অৱনতি আৰু পতনৰ চক্ৰ অনুসৰি পৰিৱৰ্তিত হয়। এই তত্ত্বই 'History repeats itself বাক্যাংশৰ ওপৰত বিশ্বাস কৰে। একেদৰে, সমাজে এই সকলো স্তৰ অতিক্ৰম কৰাৰ পিছত পুনৰ প্ৰাথমিক অৱস্থালৈ উভতি যায় আৰু এইদৰে চক্ৰটো পুনৰ আৰম্ভ হয়। নিজৰ মত প্ৰমাণ কৰিবলৈ স্পেংগ্লাৰে বিশ্বৰ আঠখন মুখ্য সভ্যতাৰ ওপৰত বিস্তৃত অধ্যয়ন কৰিছিল আৰু এই সিদ্ধান্তলৈ উপনীত হৈছিল যে পশ্চিমীয়া সমাজসমূহ অন্তিম স্তৰত উপনীত হৈছে আৰু অৱক্ষয়ৰ এক পৰ্যায়লৈ প্ৰৱেশ কৰিছে। যুদ্ধ, সংঘাত আৰু সামাজিক ভাঙন আদি ঘটনা এই সত্যৰ স্পষ্ট প্ৰমাণ।

- পেছাগতভাৱে ইতিহাসবিদ Amold J. Toynbeeএ তেওঁৰ প্ৰসিদ্ধ গ্ৰন্থ A Study of History (১৯৩৪)ত সামাজিক পৰিৱৰ্তনৰ চক্ৰীয় দৃষ্টিভংগীক গ্ৰহণ কৰিছিল। বিভিন্ন সভ্যতাৰ ইতিহাস অধ্যয়ন কৰাৰ পিছত তেওঁ দেখিছিল যে মিচৰৰ সভ্যতাৰ দৰে প্ৰতিটো সভ্যতাৰ উত্থান, বিকাশ আৰু পতন থাকে। এই প্ৰসংগত টইনবীয়ে 'challenge and response' নামৰ এটা তত্ত্ব আগবঢ়াইছিল। এখন সমাজে পৰিৱেশৰ পৰা অভ্যন্তৰীণ বা বাহ্যিক বিভিন্ন প্ৰত্যাহ্বান সম্মুখীন হ'ব লাগে। তাৰ পিছত সেইবোৰৰ প্ৰতি সঠিক প্ৰতিক্ৰিয়া জনাব লাগিব ইয়াতেই তাৰ ভাগ্য নিৰ্ভৰ কৰে। অৰ্থাৎ, যিবোৰ সমাজে পৰিৱৰ্তিত পৰিৱেশৰ সৈতে নিজকে খাপ খুৱাব পাৰে, সিহঁতে টিকি থাকে আৰু যিবোৰে সেই প্ৰত্যাহ্বানসমূহ সম্মুখীন কৰিব নোৱাৰে, সিহঁতে লুপ্ত হয়।
- এজন আমেৰিকান সমাজবিজ্ঞানী Pitirim A. Sorokinএ তেওঁৰ প্ৰসিদ্ধ গ্ৰন্থ Social and Cultural Dynamics (১৯৩৭)ত সামাজিক পৰিৱৰ্তনৰ চক্ৰীয় দৃষ্টিভংগীক সমৰ্থন কৰিছিল, যদিও ই স্পেংগ্লাৰ আৰু টইনবীৰ দৃষ্টিভংগীৰ পৰা কিছু ভিন্ন। নিজৰ মত সুস্পষ্ট কৰিবলৈ সোৱোকিনে 'pendulum theory of social change' নামেৰে পৰিচিত এটা তত্ত্ব আগবঢ়াইছিল।

তেওঁৰ pendulum তত্ত্বৰ ভিতৰত Pitirim A. Sorokinএ দুটা মৌলিক সংস্কৃতিৰ উল্লেখ কৰিছে- 'sensate' আৰু 'ideational' নামেৰে পৰিচিত, আৰু এই দুয়োৰ মাজত এটা মিশ্ৰ সংস্কৃতি পোৱা যায়,

যাক 'idealistic' বুলি কোৱা হয়, তলত দেখুওৱা ধৰণে—



'Sensate' সংস্কৃতি পোনপটীয়াভাৱে ইন্দ্রিয় আৰু ভোগ-বিলাসজনিত আকাংক্ষাৰ সৈতে সম্পৰ্কিত। ই সুখভোগবাদী, ব্যৱহাৰিক আৰু সেইবাবে অভিজ্ঞতাভিত্তিক স্বভাৱৰ। বিপৰীতে, 'Ideational' সংস্কৃতিৰ ইন্দ্রিয়ৰ সৈতে কোনো সম্পৰ্ক নাথাকে, বৰঞ্চ মন বা আত্মাৰ সৈতে সম্পৰ্ক থাকে। এই ধৰণৰ সংস্কৃতিত শিল্প, সাহিত্য, ধৰ্ম আৰু নৈতিকতাৰ প্রকাশসমূহ ইন্দ্রিয়ক আকৰ্ষণ নকৰে, বৰং মানুহৰ মনক আকৰ্ষণ কৰে। ই স্বভাৱতে বিমূৰ্ত আৰু প্রতিকাত্মক।

তৃতীয় প্রকাৰটো 'Idealistic' সংস্কৃতি হিচাপে জনা যায়, যি এই দুয়োটা সংস্কৃতিৰ গুণসমূহ প্রতিনিধিত্ব কৰে। ই বিশ্বাস, যুক্তি আৰু ইন্দ্রিয়ৰ এক সংমিশ্রণ।

তেওঁৰ মতে, ঘড়ীৰ দোলকৰ দৰে সংস্কৃতি 'sensate' ধ্রুৱবিন্দুৰ পৰা 'idealistic' নামেৰে পৰিচিত মধ্য ধ্রুৱবিন্দু অতিক্রম কৰি 'ideational' ধ্রুৱবিন্দুলৈ দোল খায়। দোলকৰ দোলনৰ দৰে সমাজো 'sensate' সংস্কৃতিৰ পৰা 'ideational' সংস্কৃতিলৈ পৰিৱর্তিত হয় আৰু পুনৰ নিজৰ প্রাৰম্ভিক অৱস্থালৈ উভতি আহে।

৭.৫.৩ কার্য্যকৰী/ সন্তুলন তত্ত্ব

২০ শতিকাৰ প্রাৰম্ভিক সময়ছোৱাত সামাজিক পৰিৱর্তনৰ বিবর্তনমূলক তত্ত্বৰ প্রতিক্রিয়া হিচাপে কার্য্যকৰী তত্ত্বৰ উদ্ভৱ হৈছিল। কার্য্যকৰীবাদীসকলে সামাজিক পৰিৱর্তনৰ বিবর্তনমূলক ধাৰণাক সমালোচনা কৰি ইয়াক "fruitless quest for origin" বুলি অভিহিত কৰিছিল।


Herbert Spencer, Émile Durkheim. Robert K. Merton, Talcott Parsons আদি পণ্ডিতসকল সামাজিক পৰিৱর্তনৰ কার্য্যকৰী দৃষ্টিভংগীৰ সৈতে জড়িত। তেওঁলোকৰ মতে, সমাজ পৰস্পৰ সংযুক্ত অংশসমূহে গঠিত, যিবোৰে একেলগে কাম কৰি সামগ্রিকভাৱে সন্তুলন বা সাম্য অৱস্থা বজাই ৰাখে।

কার্য্যকৰী তত্ত্বৰ মূল বিষয়বস্তু হৈছে সমাজত কেনেকৈ সন্তুলন বা সাম্য অৱস্থা নিশ্চিত কৰিব পাৰি। তেওঁলোকে যোগ কৰিছিল যে সমাজত সন্তুলন সামাজিক স্থিৰতাৰ দ্বাৰা নিশ্চিত কৰিব পাৰি। বাস্তৱতে, স্থিৰতা মানে স্থবিৰতা নহয়। ইয়াৰ অর্থ হৈছে বিঘ্নকাৰী শক্তিসমূহক শোষণ কৰি আগবঢ়া

ধৰণৰ পৰিৱৰ্তন, যিয়ে সমাজত সন্তুলন বজাই ৰাখে। সময়ৰ গতিৰ সৈতে পৰিৱৰ্তিত পৰিস্থিতিৰ প্ৰয়োজন পূৰণ কৰিবলৈ, পৰিৱৰ্তন এনে দিশত সংঘটিত হ'ব পাৰে যিয়ে আগৰ সন্তুলন অৱস্থাক সলনি কৰি নতুন সন্তুলন অৱস্থা স্থাপন কৰে। এই প্ৰসংগত, সামাজিক পৰিৱৰ্তন দুটা দিশৰ পৰা সংঘটিত হ'ব পাৰে- এটা হৈছে আন সমাজসমূহৰ সৈতে সংযোগ স্থাপন কৰি, আৰু দ্বিতীয়টো হৈছে ব্যৱস্থাৰ ভিতৰত বিভিন্ন সমস্যা সমাধান কৰি সামঞ্জস্য স্থাপন কৰা।

(Source: https://www.yourarticlelibrary.com/sociology/top-5-theories-of-social-change-explained/35124)।

কার্যবাদী চিন্তাবিদ টালকট পার্সন্স (Talcott Parsons)ৰ মত অনুসাৰে, সামাজিক পৰিবৰ্তন সংঘটিত হোৱাৰ দুটা প্ৰক্ৰিয়া আছে।



পাৰস্পৰিক সমাজ সামাজিক প্ৰতিষ্ঠানসমূহৰ অবিভাজনৰ ওপৰত আধাৰিত আছিল, কাৰণ সমাজ অত্যন্ত সৰল আছিল। এটা মাত্ৰ প্ৰতিষ্ঠানেই বহুতো কার্য সম্পাদন কৰিব লাগিছিল। কিন্তু আধুনিক সমাজ অধিক জটিল আৰু সামাজিক প্ৰতিষ্ঠানসমূহ বিভাজন আৰু বিশেষীকৰণৰ ওপৰত আধাৰিত। বিভিন্ন প্ৰতিষ্ঠানে সমাজৰ বিশেষ কার্যসমূহ সম্পাদন কৰিব লাগে আৰু এই প্ৰতিষ্ঠানসমূহক 'সমন্বয়'ৰ জৰিয়তে একেলগ কৰিব লাগে। এইদৰে, সামাজিক পৰিবৰ্তনৰ কার্যবাদী মডেল সমাজত স্থিৰতা আৰু পৰিবৰ্তন দুয়োটাৰ সৈতে সম্পৰ্কিত।

৭.৫.৪ মাৰ্ক্সীয় তত্ত্ব বা সংঘাত তত্ত্ব

১৯শ আৰু ২০শ শতিকাৰ আৰম্ভণিৰ সময়ছোৱাত সামাজিক পৰিবৰ্তনৰ এটা প্ৰভাৱশালী তত্ত্ব হিচাপে সংঘাত তত্ত্ব উদ্ভৱ হৈছিল, যি সামাজিক পৰিবৰ্তনৰ কার্যবাদী তত্ত্বৰ প্ৰতিক্ৰিয়া স্বৰূপে আহিছিল, যিয়ে সমাজত স্থিৰতাৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিছিল। সমাজ ব্যৱস্থাৰ স্থিৰতা নিশ্চিত কৰা আৰু ৰক্ষণাবেক্ষণ কৰাৰ কথা কার্যবাদীসকলে আগবঢ়োৱা কথাৰ বিপৰীতে, সংঘাত তত্ত্বৰ পণ্ডিতসকলে সমাজত অস্থিৰতা, সংঘর্ষ, সংঘাত আৰু সামাজিক বিশৃংখলতা সৃষ্টি কৰা বাস্তৱতাক গুৰুত্ব দিয়ে। সংঘাত তত্ত্বৰ মতে, সামাজিক পৰিবৰ্তন সার্বজনীন পৰিঘটনা আৰু ই সামাজিক সংঘাতৰ

জৰিয়তে সংঘটিত হয়।

জার্মান দার্শনিক Karl Marx সামাজিক পৰিবৰ্তনৰ সংঘাত তত্ত্বৰ মুখ্য প্ৰৱৰ্তক বুলি গণ্য কৰা হয়। মার্ক্সে মত প্ৰকাশ কৰে যে সামাজিক গঠন অৰ্থনৈতিক পৰিস্থিতি আৰু অৰ্থনৈতিকভাৱে উদ্দেশ্যপ্ৰণোদিত কাৰ্যকলাপৰ ওপৰত ভিত্তি কৰি থাকে, যিয়ে মানৰ কাৰ্যকলাপৰ আন সকলো দিশক প্ৰভাৱিত কৰে। সমাজৰ অৰ্থনৈতিক গঠন উৎপাদনৰ সম্পৰ্কসমূহে গঢ়ি তোলে আৰু সেয়াই আইনগত আৰু ৰাজনৈতিক উপ-গঠনসমূহৰ মুখ্য ভেটি। মার্ক্সৰ মতে, "ভৌতিক উপায়সমূহত উৎপাদনৰ ধৰণেই সাধাৰণভাৱে সামাজিক, ৰাজনৈতিক, বৌদ্ধিক আৰু আধ্যাত্মিক জীৱনৰ সমগ্ৰ প্ৰক্ৰিয়াক নিৰ্ধাৰণ কৰে।"

The Communist Manifesto (1848) ত Karl Marx আৰু তেওঁৰ বন্ধু Friedrich Engels এ মত প্ৰকাশ কৰিছিল, "এতিয়ালৈকে বিদ্যমান সকলো সমাজৰ ইতিহাস হৈছে শ্ৰেণী-সংগ্ৰামৰ ইতিহাস। স্বাধীন মানুহ আৰু দাস, পেট্ৰিছিয়ান আৰু প্লেবিয়ান, প্ৰভু আৰু দাস, গিল্ড-মাষ্টাৰ আৰু জার্নিমেন, এক কথাত, দমনকাৰী আৰু দমিত-এজন আনজনৰ বিৰুদ্ধে নিৰন্তৰ বিৰোধত থিয় হৈ আছিল..... অথবা সমাজৰ সামগ্ৰিকভাৱে বিপ্লৱী পুনৰ্গঠনলৈ গৈছিল, নহ'লে প্ৰতিদ্বন্দ্বী শ্ৰেণীসমূহৰ একেলগীয়া ধ্বংসত পৰিণত হৈছিল।" (Progress Publishers, Moscow, Selected Works - Karl Marx and F. Engels, 1977, পৃষ্ঠা-108 অনুসৰি)।

এইদৰে Karl Marx এ কৈছে যে সমাজৰ প্ৰতিটো ৰূপতেই দুটা পৰস্পৰ প্ৰতিদ্বন্দ্বী শ্ৰেণী থাকে- 'অধিকাৰভোগী' আৰু 'অধিকাৰবঞ্চিত'। এই প্ৰতিদ্বন্দ্বী শ্ৰেণীসমূহৰ মাজত থকা শত্ৰুতা আৰু সংঘৰ্ষেই সমাজত পৰিবৰ্তনৰ মুখ্য শক্তি। যেতিয়া অধীনস্ত শ্ৰেণীয়ে নিজৰ দুখ-কষ্ট সম্পৰ্কে অধিক সচেতন হৈ উঠে, তেতিয়া শ্ৰেণীসমূহৰ মাজত বিপ্লৱী সংগ্ৰাম আৰম্ভ হয় আৰু এই সংগ্ৰামেই এটা নতুন সামাজিক ব্যৱস্থাৰ উদ্ভৱ প্ৰক্ৰিয়াত সহায় কৰে।

এইদৰে Karl Marxএ সমাজ পৰিবৰ্তনৰ সমগ্ৰ ইতিহাসক পাঁচটা প্ৰগতিশীল পৰ্যায়ত বিভক্ত কৰিছে—

- আদিম সাম্যবাদ,
- দাস-মালিকানা যুগ,
- সামন্তযুগ,
- পুঁজিবাদৰ যুগ, আৰু
- সমাজবাদী সমাজ— সমাজ পৰিবৰ্তন আৰু মানব ইতিহাসৰ চূড়ান্ত পৰ্যায়

এইদৰে ইতিহাস হৈছে শোষক আৰু শোষিত শ্ৰেণীৰ মাজত সংঘটিত সংঘৰ্ষৰ এখন নথি। এই সংঘৰ্ষ চলি থাকে যেতিয়ালৈকে পুঁজিবাদৰ শেষ মানুহ পৰাস্ত নহয় আৰু সমাজবাদী সমাজ প্ৰতিষ্ঠা নহয়। এইদৰে, সংঘাত তত্ত্বত, Karl Marxএ যোগ কৰিছে যে সমাজত শ্ৰেণীসমূহৰ মাজত অন্তহীন সংঘৰ্ষ থাকে, কাৰণ তেওঁলোকে সীমিত সম্পদৰ বাবে অনুসন্ধান আৰু প্ৰতিযোগিতা কৰি থাকে। ঐকমত্য আৰু অনুকূলতাৰ বিপৰীতে, সামাজিক ব্যৱস্থা শক্তি আৰু আধিপত্যৰ জৰিয়তে ৰক্ষা কৰা হয়।

সংঘাত তত্ত্বৰ ত্ৰুটি-বিচ্যুতি ঃ

যদিও সংঘাত তত্ত্ব অধিক প্ৰভাৱশালী আৰু প্ৰসিদ্ধ, তথাপি ই সমালোচনাৰ ঊৰ্ধ্বত নহয়। এই তত্ত্বৰ কেইটামান মুখ্য ত্ৰুটি তলত দিয়া হ'লঃ

- এই তত্ত্ব সম্পূৰ্ণ নহয়। কিয়নো ই সামাজিক পৰিৱৰ্তনৰ ক্ষেত্ৰত কেৱল এটা কাৰক অৰ্থাৎ অৰ্থনৈতিক কাৰকৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ই আন কাৰকসমূহ যেনে ধৰ্ম, ভাষা, সংস্কৃতি, অনুভূতি আৰু আবেগ আদি অন্তৰ্ভুক্ত নকৰে, যিবোৰে সামাজিক পৰিৱৰ্তন আনিবলৈ বিস্ময়কৰ প্ৰভাৱ পেলায়।
- কেতিয়াবা এজন মানুহৰ ব্যক্তিত্বৰ দ্বাৰাও সমাজ পৰিৱৰ্তিত হ'ব পাৰে। উদাহৰণস্বৰূপে, Mahatma Gandhi, Gautama Buddha, Leo Tolstoy, Adolf Hitler আদি ব্যক্তিত্বসমূহে সমাজক বৃহৎ পৰিমাণে গঢ়ি তুলিব পাৰিছিল। কিন্তু Karl Marx এ সামাজিক পৰিৱৰ্তন আনিবলৈ মানুহৰ ব্যক্তিত্বক অন্তৰ্ভূক্ত কৰা নাই। আনকি সমাজবাদী বিপ্লৱো নেতৃত্বৰ ব্যক্তিত্বময় আকৰ্ষণ অবিহনে সম্ভৱ নহয়।
- অৰ্থনীতিৰ ভিত্তিত Karl Marx এ সমাজৰ মানুহক দুটা শ্ৰেণীত বিভক্ত কৰিছে- হেভছ (ধনী) আৰু হেভ নটছ (দুখীয়া)। কিন্তু এই দুয়োৰ মাজত থকা মধ্যবৰ্গ সম্পৰ্কে তেওঁ কোনো আলোচনা কৰা নাই যিয়ে সামাজিক পৰিৱৰ্তন আনিবলৈ গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।

তাৰোপৰি, ভাষা, ধৰ্ম, জাতি আদি ভিত্তিত সমাজত আৰু বহুতো শ্ৰেণী বা গোট থাকিব পাৰে।

- Karl Marxএ নিজৰ সংঘাত তত্ত্বত কেৱল বিপ্লৱমূলক দিশটোৰ ওপৰতেই গুৰুত্ব আৰোপ কৰিছে আৰু সামাজিক পৰিৱৰ্তনৰ ক্ষেত্ৰত বিকাশমূলক দিশটোক সম্পূৰ্ণভাৱে অস্বীকাৰ কৰিছে। কিন্তু ইতিহাসে স্বীকাৰ কৰে যে গোটসমূহৰ মাজত সহযোগিতা আৰু সমঝোতাৰ জৰিয়তে আমি বিস্তৃত হাৰত উন্নতি লাভ কৰিছো। আচলতে বিপ্লৱৰ সলনি বিকাশেই উন্নতিৰ আভ্যন্তৰীণ শক্তি।
- Karl Marxএ এটা শ্ৰেণীহীন আৰু ৰাষ্ট্ৰহীন সমাজৰ পক্ষে মত প্ৰকাশ কৰিছিল, কিন্তু ৰাষ্ট্ৰ অবিহনে সমাজবাদ প্ৰতিষ্ঠা কৰা প্ৰায় অসম্ভৱ।

ইমানবোৰ দুৰ্বলতা থাকিলেও, Karl Marxএ উপস্থাপন কৰা সংঘাত তত্ত্বৰ গুৰুত্ব হ্ৰাস কৰিব নোৱাৰি। ইতিহাসৰ ধাৰাত অৰ্থনীতিৰ ভিত্তিত সমাজ কেনেদৰে পৰিৱৰ্তিত হৈছে তাক এই তত্ত্বই ফলপ্ৰসূভাৱে আলোকপাত কৰিছে। বৰ্তমান বিশ্বৰ প্ৰায় সকলো চিন্তাবিদেই মানি লয় যে এখন সমাজৰ ৰাজনীতি আৰু সামাজিক দৰ্শনত অৰ্থনৈতিক উপাদানসমূহে অতি গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলায়।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ শৃংখল প্ৰণালীৰ প্ৰভাৱ বুলিলে আপুনি কি বুজে?

প্ৰশ্ন নং ২ ঃ Auguste Comte অনুসাৰে বিবৰ্তনৰ তিনিটা পৰ্যায় কি কি?

প্ৰশ্ন নং ৩ ঃ সংবেদী আৰু ভাববাদী সংস্কৃতিৰ মাজত কি পাৰ্থক্য আছে?

৭.৬ সামাজিক পৰিৱৰ্তনৰ কাৰকবৃন্দ


সামাজিক পৰিৱৰ্তনৰ কিছুমান প্ৰেৰক আছে, যেনে- অভিজাত শ্ৰেণী, জনসাধাৰণ, সামাজিক আন্দোলন, ৰাজনৈতিক দল, চাপ গোট, আমলাতন্ত্ৰ, নাগৰিক সমাজ আদি। এইবোৰ তলত দিয়া ধৰণে অধ্যয়ন কৰিব পাৰি ঃ

৭.৬.১ অভিজাত শ্ৰেণী

অভিজাত শ্ৰেণী সামাজিক পৰিৱৰ্তনৰ এক গুৰুত্বপূৰ্ণ প্ৰেৰক। 'অভিজাত শ্ৰেণী' শব্দৰ অভিধানিক অৰ্থ হৈছে জনসংখ্যাৰ মাজৰ নিৰ্বাচিত অংশ। অভিজাত শ্ৰেণী সেই উৎকৃষ্ট সদস্যসকলৰ

দ্বাৰা গঠিত, যিসকলৰ অসাধাৰণ গুণে তেওঁলোকলৈ ক্ষমতা আৰু মৰ্যাদা আনিছে। ভি. পেৰেটোৰ মতে, "অভিজাত শ্ৰেণী সেইসকল লোকৰে গঠিত, যিসকলে নিজৰ ক্ষেত্ৰত বা কিছুমান কাৰ্যকলাপত অসাধাৰণ গুণ বা উৎকৃষ্ট যোগ্যতা প্ৰদৰ্শন কৰে।"

পাৰেটোৰ মতে, সমাজত মানুহৰ দুই শ্ৰেণী থাকে।



অভিজাত শ্ৰেণী হৈছে উচ্চ শ্ৰেণীক প্ৰতিনিধিত্ব কৰা বা সেই শ্ৰেণী যি ৰাজনৈতিক ব্যৱস্থাত ক্ষমতা আৰু নিয়ন্ত্ৰণ প্ৰদান কৰে। আনহাতে, অ-অভিজাত (সৰ্বসাধাৰণ) শ্ৰেণীৰ সদস্যসকলৰ এনে গুণাবলী নাথাকে। লগতে, অভিজাত শ্ৰেণীক দুটা উপ-শ্ৰেণীত ভাগ কৰা হৈছে, যথা—



শাসনকাৰী অভিজাত শ্ৰেণী সেইসকল, যিসকলে প্ৰত্যক্ষ বা পৰোক্ষভাৱে চৰকাৰৰ কাৰ্য সম্পাদন কৰে আৰু প্ৰশাসনক প্ৰভাৱিত কৰে। তেওঁলোকেই এখন দেশৰ প্ৰকৃত নীতি-নিৰ্ধাৰক। বিভিন্ন চৰকাৰী ৰাজনীতিৰ জৰিয়তে তেওঁলোকে সামাজিক পৰিৱৰ্তন আনিবলৈ চেষ্টা কৰে। আনহাতে, অশাসনকাৰী অভিজাত শ্ৰেণীয়ে প্ৰত্যক্ষভাৱে চৰকাৰ আৰু সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত অংশ নলয় যদিও বাহিৰৰ পৰা সিদ্ধান্তসমূহক প্ৰভাৱিত কৰে।

সামাজিক পৰিবৰ্তনৰ এজেন্ট হিচাপে অভিজাত শ্ৰেণী কোনো স্থিৰ উপাদান নহয়। ইতিহাসত অভিজাত শ্ৰেণীৰ নিৰন্তৰ উঠানামা চলি থাকে। কেতিয়াবা অভিজাত শ্ৰেণী অনভিজাত হৈ পৰে আৰু

অনভিজাতেও অভিজাত মর্যাদা লাভ কৰিব পাৰে। এই প্ৰসংগত পেৰেটোৱে অভিজাতৰ পৰিচলন তত্ত্ব আগবঢ়াইছিল আৰু জি. মস্কাই অভিজাতৰ 'উত্থান আৰু পতন' তত্ত্ব প্ৰচাৰ কৰিছিল। অভিজাতৰ এনে উঠা-নমাই উৎকৃষ্ট মেধাসম্পন্ন ব্যক্তিসকলৰ ঊৰ্ধ্বগামী গতিশীলতা নিশ্চিত কৰে। অভিজাতৰ উত্থান আৰু পতনৰ সৈতে ধাৰণাসমূহো পৰিচলিত হয়, ফলস্বৰূপে সমাজত বিভিন্ন পৰিবৰ্তন সংঘটিত হয়।

৭.৬.২ গণসমাজ

যদিও অভিজাত শ্ৰেণী সামাজিক পৰিৱৰ্তন আনিব পাৰে, তেন্তে আমাৰ মনত সাধাৰণতে এটা প্ৰশ্ন উদয় হয় যে অনাভিজাত অৰ্থাৎ জনসাধাৰণে সামাজিক পৰিৱৰ্তন অনাত অৱদান আগবঢ়াব পাৰে নে নোৱাৰে। সমাজত কেৱল অভিজাত শ্ৰেণীয়ে অনাভিজাতসকলৰ ওপৰত পৰিৱৰ্তন আনে নে জনসাধাৰণেও অভিজাত শ্ৰেণীৰ ওপৰত পৰিৱৰ্তন আনিব পাৰে? সাধাৰণতে জনসাধাৰণ বুলি ক'লে সাধাৰণ মানুহক বুজায়। Cambridge English Dictionaryএ ইয়াক সমাজত আটাইতকৈ ডাঙৰ গোট গঠন কৰা সাধাৰণ মানুহ বুলি সংজ্ঞা দিছে। Collins English Dictionary এ ইয়াক সাধাৰণ মানুহৰ সমষ্টি বুলি সংজ্ঞা দিছে। Longman Dictionary of Contemporary Englishএ জনসাধাৰণ বুলিলে সমাজৰ সকলো সাধাৰণ মানুহ, যিসকলৰ শক্তি বা প্ৰভাৱ নাই তাক বুজায় বুলি সংজ্ঞা দিছে।

জনসাধাৰণ ৰাজনৈতিক ব্যৱস্থাত বিভিন্ন সামাজিক-ৰাজনৈতিক পৰিৱৰ্তন অনাৰ শক্তি। গণতান্ত্ৰিক ব্যৱস্থাত মানুহেই সৰ্বোচ্চ; তেওঁলোকেই জনপ্ৰিয় সাৰ্বভৌমত্বৰ মালিক। নিৰ্বাচনত নিজৰ ভোটাধিকাৰৰ জৰিয়তে তেওঁলোকে চৰকাৰ গঠন আৰু ভংগ কৰিব পাৰে, শাসক অভিজাত শ্ৰেণী সলনি কৰিব পাৰে।

প্ৰত্যক্ষ গণতন্ত্ৰ (যেনে Switzerland) ত মানুহে নিজেই গুৰুত্বপূৰ্ণ সিদ্ধান্ত ল'ব পাৰে আৰু চৰকাৰৰ অসামাজিক নীতি সলনি বা বন্ধ কৰিবলৈ শাসক অভিজাত শ্ৰেণীৰ ওপৰত চাপ প্ৰয়োগ কৰিব পাৰে। নীতি নিৰ্মাণ কৰাৰ আগত আৰু পাছত শাসকসকলে জনসাধাৰণৰ অনুমতি ল'ব লাগে। আনকি 'Recall' (ৰিক'ল) পদ্ধতিৰ জৰিয়তে জনসাধাৰণে এনে প্ৰতিনিধিসকলক, যিসকলে তেওঁলোকৰ ইচ্ছা পূৰণ কৰিব নোৱাৰে আৰু অসামাজিক নীতি গ্ৰহণ কৰে, উভতাই নিব পাৰে।

বাস্তৱতে, সকলো ৰাজনৈতিক ব্যৱস্থা শাসিতসকল/জনসাধাৰণৰ ইচ্ছা আৰু সন্মতিৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠে। জনসাধাৰণে ৰাজনৈতিক ব্যৱস্থাক বৈধতা অৰ্থাৎ প্ৰদান কৰে। এই প্ৰসংগত লেটিন প্ৰবাদ 'Vox Populi, Vox Dei জনসাধাৰণৰ কণ্ঠই ঈশ্বৰৰ কণ্ঠ যথেষ্ট প্ৰাসংগিক। কোনো চৰকাৰেই জনসাধাৰণৰ কণ্ঠক অৱজ্ঞা কৰিব নোৱাৰে। আনকি যদি চৰকাৰে জনসাধাৰণৰ ইচ্ছাক দমন কৰিবলৈ চেষ্টা কৰে আৰু তেওঁলোকৰ বিৰুদ্ধে কিবা কৰিবলৈ আগবাঢ়ে, তেতিয়াও জনসাধাৰণে বৃহৎ প্ৰতিবাদ লৈ ওলাই আহিব পাৰে।

ঔপনিৱেশিক কালছোৱাতৰ নেতৃত্বত ব্ৰিটিছ চৰকাৰৰ বিৰুদ্ধে গঢ়ি উঠা গণ আন্দোলন, যাৰ ফলস্বৰূপে ভাৰতে স্বাধীনতা লাভ কৰিছিল: বিদেশীসকলৰ বিৰুদ্ধে গঢ়ি উঠা অসম আন্দোলন, যাৰ ফলত ১৯৮৫ চনত অসম চুক্তি স্বাক্ষৰিত হৈছিল; ২০১৮-২০১৯ চনত বিভিন্ন স্থানীয় সংগঠনৰ বেনাৰত নাগৰিকত্ব (সংশোধনী) বিধেয়ক, ২০১৬-ৰ বিৰুদ্ধে সংঘটিত গণ প্ৰতিবাদ, যাৰ ফলত এন.ডি.এ. (NDA) চৰকাৰে বিধেয়কখন গৃহীত কৰাবলৈ ব্যৰ্থ হৈছিল; আদি হৈছে জনসাধাৰণৰ সামূহিক চেতনাই সমাজলৈ কেনেদৰে পৰিৱৰ্তন আনিব পাৰে, তাৰ কেইটামান উজ্জ্বল উদাহৰণ।

চৰকাৰী পৰিকল্পনা আৰু প্ৰকল্পসমূহ সফলভাৱে ৰূপায়ণ হোৱাটোও জনসাধাৰণৰ অংশগ্ৰহণৰ ওপৰত নিৰ্ভৰ কৰে। জনসাধাৰণেই চৰকাৰক উপযুক্ত জনশক্তি যোগান ধৰে। তদুপৰি, সমাজ আৰু সামাজিক পৰিৱৰ্তন বেছিভাগেই জনসাধাৰণৰ গুণগত মান আৰু পৰিমাণৰ ওপৰত নিৰ্ভৰশীল।

৭.৬.৩ সামাজিক আন্দোলনসমূহ

সামাজিক আন্দোলন সামাজিক পৰিৱৰ্তনৰ এটা কাৰক হিচাপে অৰ্থ কৰে ই হৈছে সমষ্টিগত আচৰণ আৰু সমাজত কোনো পৰিৱৰ্তন আনিবলৈ বা কোনো পৰিৱৰ্তনৰ বিৰুদ্ধে প্ৰতিবাদ কৰিবলৈ মানুহে কৰা গোটীয় কাৰ্যকলাপৰ এটা ৰূপ। সামাজিক আন্দোলনত মানুহে সমাজত ঘটা ঘটনাবোৰত নীৰৱ দৰ্শক বা নম্ৰ অংশগ্ৰহণকাৰী হৈ থকাৰ পৰিৱৰ্তে সামাজিক পৰিৱৰ্তনৰ প্ৰক্ৰিয়াত সক্ৰিয়ভাৱে হস্তক্ষেপ কৰিবলৈ ওলাই আহে।

Parker আৰু Anderson-এ সামাজিক আন্দোলনক এইদৰে সংজ্ঞায়িত কৰিছে— "ই হৈছে এক গতিশীল বহুত্ববাদী আচৰণ যি সময়ৰ লগে লগে গঠন বিকাশ কৰে আৰু সামাজিক ব্যৱস্থাৰ আংশিক বা সম্পূৰ্ণ পৰিবৰ্তনক লক্ষ্য হিচাপে লৈ আগবাঢ়ে।" (Source: https://www.sociologydiscussion.com/social-movements/social-movements-meaning-causes-types-revolution-and-role/2248)।

Lundberg আদি বিদ্বানসকলৰ মতে, সামাজিক আন্দোলনক এইদৰে সংজ্ঞায়িত কৰিব পাৰি— "বৃহৎ সমাজত মনোভাৱ, আচৰণ আৰু সামাজিক সম্পৰ্ক পৰিৱৰ্তন কৰাৰ উদ্দেশ্যে সমন্বিত প্ৰচেষ্টাত নিয়োজিত লোকসকলৰ এটা স্বেচ্ছাসেবী সংগঠন।" (Source: https://www.sociologydiscussion.com/social-movements/social-movements-meaning-causes-types-revolution-and-role/2248)।

Horton আৰু Hunt-ৰ মতে, "সামাজিক আন্দোলন হৈছে পৰিৱৰ্তন প্ৰচাৰ কৰিবলৈ বা পৰিৱৰ্তনৰ বিৰুদ্ধে প্ৰতিৰোধ কৰিবলৈ কৰা এটা সমষ্টিগত প্ৰচেষ্টা।"

এইদৰে, সামাজিক আন্দোলনক সংজ্ঞায়িত কৰিব পাৰি সমাজত পৰিৱৰ্তন আনিবলৈ বৃহৎ সংখ্যক লোকৰ বা লোকসকলৰ কোনো সংগঠনৰ এটা অবিৰত আৰু সংগঠিত প্ৰচেষ্টা হিচাপে। এনে পৰিৱৰ্তন সংস্কাৰমূলক বা মূলগত/বিপ্লৱমূলক হ'ব পাৰে। সংস্কাৰমূলক অৰ্থত, যেতিয়া আন্দোলনৰ লক্ষ্য বিদ্যমান সামাজিক ব্যৱস্থাৰ কিছুমান দিশ সংশোধন কৰা হয়। আনহাতে, যেতিয়া সামাজিক আন্দোলনৰ লক্ষ্য বিদ্যমান সামাজিক ব্যৱস্থাৰ সম্পূৰ্ণ আৰু গভীৰ পৰিৱৰ্তন অনা হয়, তেতিয়া তাক মূলগত বা বিপ্লৱমূলক সামাজিক পৰিৱৰ্তন বুলি কোৱা হয়। কেতিয়াবা, কোনো সামাজিক আন্দোলনৰ বিৰুদ্ধেও প্ৰতিক্ৰিয়া আন্দোলন দেখা যায়। এনে প্ৰতিক্ৰিয়া আন্দোলনৰ উদ্দেশ্য মূল আন্দোলনৰ বিৰোধিতা কৰা। প্ৰতিক্ৰিয়া আন্দোলনে সমাজত বিদ্যমান অৱস্থা বজাই ৰাখিবলৈ চেষ্টা কৰে।

সামাজিক পৰিৱৰ্তনৰ এটা কাৰক হিচাপে সামাজিক আন্দোলনে তিনিটা কাৰ্য্য সম্পাদন কৰে, যথা- (উক্তি অনুসৰি: ৰোচেৰ, গাই (Rocher Guy), 1972, পৃষ্ঠা 445)।



মধ্যস্থতা ঃ

মধ্যস্থতাকাৰী হিচাপে সামাজিক আন্দোলনে এটা ফালে ব্যক্তিসকল আৰু আন ফালে গঠন আৰু সামাজিক বাস্তৱতাৰ মাজত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। সামাজিক পৰিৱৰ্তন ৰক্ষা, সমালোচনা বা পৰামৰ্শ আগবঢ়াবলৈ সামাজিক আন্দোলনে সামাজিক বাস্তৱতা ব্যাখ্যা কৰে। এই দৃষ্টিভংগীৰ পৰা দেখা যায় যে সামাজিক আন্দোলনে সামাজিকীকৰণৰ কাৰক হিচাপে ভূমিকা লৈ মানুহৰ মাজত সামাজিক বাস্তৱতা প্ৰচাৰ কৰে।

ইয়াৰ উপৰিও, মধ্যস্থতাকাৰী হিচাপে ই অংশগ্ৰহণৰ এটা শক্তিশালী মাধ্যম হিচাপে কাম কৰে। জটিল সমাজত সামাজিক আন্দোলনে একে লক্ষ্যত মানুহক একত্ৰিত কৰে, যাৰ ফলত জৈৰ সংহতি গঢ় লৈ উঠে।

এইদৰে, গণসমাজত সামাজিক আন্দোলনে মধ্যস্থতাকাৰী গোট হিচাপে কাম কৰিছে, যাৰ জৰিয়তে বিভিন্ন অংশগ্ৰহণকাৰীয়ে নিজৰ স্বাৰ্থ সু�ৰক্ষিত কৰিবলৈ, নিজৰ ধাৰণা প্ৰতিষ্ঠা কৰিবলৈ আৰু বিভিন্ন পৰিমাণে ঐতিহাসিক কাৰ্যকলাপত অংশগ্ৰহণ কৰিবলৈ চেষ্টা কৰে।

সমষ্টিগত চেতনাৰ স্পষ্টীকৰণ ঃ

সামাজিক আন্দোলনে নিজৰ স্বভাৱ অনুসৰি সমাজত বা সমাজৰ কোনো বিশেষ খণ্ডত এক স্পষ্ট আৰু দৃঢ় সমষ্টিগত চেতনা গঢ়ি তোলে আৰু বজাই ৰাখে (Rocher Guy, 1972, পৃষ্ঠা-446 অনুসাৰে)। Karl Marx-এ শ্ৰেণী চেতনাৰ তত্ত্ব আগবঢ়োৱা সময়ৰ পৰাই ইয়াক সামাজিক আন্দোলনৰ এটা মুখ্য কাৰ্য হিচাপে স্বীকৃতি দিয়া হৈছে। উদাহৰণস্বৰূপে, ভাৰতীয় প্ৰসংগত ঔপনিৱেশিক কালছোৱাত শোষণমূলক ভূমি ৰাজহ নীতিৰ ফলত কৃষক শ্ৰেণী সচেতন হৈ উঠিছিল, যাৰ ফলস্বৰূপে ভাৰতৰ বিভিন্ন অংশত কৃষক আন্দোলনৰ জন্ম হৈছিল।

চাপ ঃ

তৃতীয়তে, সামাজিক পৰিৱৰ্তনৰ এটা কাৰক হিচাপে সামাজিক আন্দোলনে ক্ষমতাশালী ব্যক্তি আৰু ক্ষমতাত থকা অভিজাতসকলৰ ওপৰত চাপ প্ৰয়োগ কৰে। ইয়াৰ ফলত সামাজিক আন্দোলনে ইতিহাসৰ ধাৰা পৰিবৰ্তন কৰিবলৈ সক্ষম হয়। আধুনিক বিজ্ঞান আৰু প্ৰযুক্তিৰ যুগত বিভিন্ন ছপা আৰু

ইলেক্ট্রনিক মাধ্যমৰ জৰিয়তে অসামাজিক নীতিৰ বিৰুদ্ধে সামাজিক আন্দোলনে কৰ্তৃপক্ষৰ ওপৰত চাপ প্ৰয়োগ কৰাটো অতি সহজ হৈ পৰিছে। উদাহৰণস্বৰূপে, উত্তৰ-পূৰ্বাঞ্চল আৰু ভাৰতৰ আন আন অংশৰ বিভিন্ন সংগঠনে আগবঢ়োৱা চাপৰ ফলতেই ২০১৮-২০১৯ চনত নাগৰিকত্ব (সংশোধনী) বিধেয়ক ২০১৬-ৰ বিৰুদ্ধে প্ৰতিবাদ আন্দোলন হৈছিল, আৰু কেন্দ্ৰীয় চৰকাৰে বিধেয়কখন বলবৎ কৰিবলৈ সাহস কৰা নাছিল।

এইদৰে দেখা যায় যে সামাজিক আন্দোলনে সামাজিক পৰিৱৰ্তন আনিবলৈ সক্ৰিয় ভূমিকা গ্ৰহণ কৰিছে। ইয়াৰ লগতে এইটোও দেখা যায় যে কেতিয়াবা সামাজিক পৰিৱৰ্তনৰ ফলতেই সামাজিক আন্দোলনৰ জন্ম হয়। এই ভিত্তিতেই Smelser-ৰ দৰে বিদ্বানে মন্তব্য কৰিছে যে সামাজিক আন্দোলন মূলতে সমাজ-সাংস্কৃতিক পৰিৱৰ্তন সৃষ্টিৰ বাবে সংগঠিত গোটীয় প্ৰচেষ্টাহে।

৭.৬.৪ ৰাজনৈতিক দলসমূহ

গণতান্ত্ৰিক সামাজিক-ৰাজনৈতিক ব্যৱস্থাত ৰাজনৈতিক দলসমূহে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। সহজ ভাষাত ক'বলৈ গ'লে, ৰাজনৈতিক দল বুলিলে এনে এক সংঘ বুজায়, য'ত কিছুমান লোক বিভিন্ন বিষয়ত একে ধৰণৰ মতামত পোষণ কৰে আৰু নিজৰ উদ্দেশ্যসমূহ পূৰণ কৰাৰ বাবে সাংবিধানিক উপায়েৰে ক্ষমতা লাভ কৰাৰ আকাঙক্ষা পোষণ কৰে। গণতন্ত্ৰত ৰাজনৈতিক দলসমূহৰ উপস্থিতি অনুভৱ কৰা যায়, কিয়নো প্ৰথমতে, ৰাজনৈতিক দলসমূহে নাগৰিকসকলক ৰাজনৈতিক বিষয়সমূহ সম্পৰ্কে শিক্ষিত কৰে। দ্বিতীয়তে, ৰাজনৈতিক দলসমূহে জনসাধাৰণক তেওঁলোকৰ শাসক অভিজাত গোট নিৰ্বাচন কৰাৰ সুযোগ প্ৰদান কৰে।

ৰাজনৈতিক দলৰ ধৰণ যিয়েই নহওক কিয় একদলীয়, দ্বিদলীয় বা বহুদলীয় - নাগৰিকসকল ইয়াৰ সৈতে প্ৰত্যক্ষভাৱে সংযুক্ত থাকে। সেই অনুসাৰে সমাজে সন্মুখীন হোৱা বিভিন্ন সমস্যাসমূহ ৰাজনীতিবিদসকলৰ দ্বাৰা সহজে সমাধান কৰা যায়।



ওপৰত দেখুওৱাৰ দৰে, সাংসদসকলে সামাজিক বিষয়সমূহ গ্ৰহণ কৰিব পাৰে, যিবোৰ তেওঁলোকে দেশৰ সৰ্বোচ্চ মঞ্চ অৰ্থাৎ সংসদত উত্থাপন কৰিব পাৰে। প্ৰকৃততে, সামাজিক সমস্যাসমূহ সম্পৰ্কীয়

সকলো গুৰুত্বপূৰ্ণ সিদ্ধান্ত সংসদৰ সভাত আলোচনা কৰা হয়, যিয়ে সমাজত সঙ্গতিপূৰ্ণ পৰিৱৰ্তন আনিবলৈ সহায় কৰে।

৭.৬.৫ চাপ গোট

ৰাজনৈতিক দলসমূহৰ উপৰিও, আমাৰ আধুনিক সমাজ-ৰাজনৈতিক ব্যৱস্থাত চাপ গোটসমূহে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। সৰলভাৱে ক'বলৈ গ'লে, এটা চাপ গোটক ৰাজনৈতিক দলৰ দৰে একে স্বাৰ্থ থকা লোকসকলৰ এখন সংঘ বুলি বুজাব পাৰি, যিয়ে নিজৰ স্বাৰ্থ পূৰণৰ বাবে চৰকাৰৰ ওপৰত প্ৰভাৱ পেলাবলৈ চেষ্টা কৰে। ৰাজনৈতিক দলসমূহে যিদৰে ৰাজনৈতিক ক্ষমতা দখল কৰা বা চৰকাৰ গঠন কৰাটো লক্ষ্য কৰে, চাপ গোটসমূহৰ লক্ষ্য সেইটো নহয়; তেওঁলোকৰ লক্ষ্য হৈছে চৰকাৰৰ ওপৰত প্ৰভাৱ পেলোৱা বা চাপ প্ৰয়োগ কৰি নিজৰ দাবীসমূহ পূৰণ কৰোৱা। বিভিন্ন চিন্তাবিদে চাপ গোটসমূহক বিভিন্ন ধৰণে সংজ্ঞায়িত কৰিছে—

হেনৰি এ. টাৰ্নাৰৰ মতে, "চাপ গোটসমূহক অদলীয় সংগঠন হিচাপে সংজ্ঞায়িত কৰিব পাৰি, যিসকলে জননীতিৰ কিছুমান পৰ্যায়ত প্ৰভাৱ পেলাবলৈ চেষ্টা কৰে।"

এইচ. জাইগলাৰে চাপ গোটক এইদৰে সংজ্ঞায়িত কৰিছে— "এটা সংগঠিত সমষ্টি, যিয়ে চৰকাৰী সিদ্ধান্তসমূহৰ বিষয়বস্তুত প্ৰভাৱ পেলাবলৈ চেষ্টা কৰে, কিন্তু নিজৰ সদস্যসকলক চৰকাৰৰ আনুষ্ঠানিক পদবীত স্থাপন কৰাৰ চেষ্টা নকৰে।"

ÖÂÕ'. ßÁ(V. O. Key) দৰে চিন্তাবিদে ইয়াক এইদৰে সংজ্ঞায়িত কৰিছে— "চাপ গোট হৈছে জননীতিত প্ৰভাৱ পেলাবলৈ গঠিত ব্যক্তিগত সংঘসমূহ।"

উপৰোক্ত সংজ্ঞাসমূহৰ পৰা স্পষ্ট হয় যে চাপ গোটসমূহ হৈছে অদলীয় সংগঠন, যিসকলে জননীতিৰ কিছুমান পৰ্যায়ত প্ৰভাৱ পেলাবলৈ চেষ্টা কৰে।

সামাজিক পৰিৱৰ্তনৰ এটা কাৰক হিচাপে চাপ গোটসমূহক সক্ৰিয় ভূমিকা লোৱা দেখা যায়, কিয়নো এই গোটসমূহ সমাজৰ অন্তৰ্গত মানুহৰেই গঠন। তাৰ ফলত, এই গোটসমূহে নিৰ্দিষ্ট এখন সমাজত জনসাধাৰণৰ ইচ্ছাক প্ৰতিনিধিত্ব কৰে।

চাপ গোটে নিজৰ পক্ষত জনসাধাৰণক সংগঠিত কৰিবলৈ চেষ্টা কৰে, যাৰ ফলত ৰাজনৈতিক দলসমূহৰ ওপৰত প্ৰভাৱ পৰে। তদনুসাৰে, ৰাজনৈতিক দলসমূহে শাসক অভিজাত শ্ৰেণীৰ ওপৰত চাপ প্ৰয়োগ কৰে যাতে শাসক অভিজাত শ্ৰেণীয়ে তেওঁলোকৰ পক্ষত নীতি প্ৰণয়ন কৰে। উদাহৰণস্বৰূপে, উত্তৰ-পূৰ্বাঞ্চলত NESO এটা শক্তিশালী ছাত্ৰ সংগঠন— এটা চাপ গোট। তেওঁলোকে অবৈধ অভিবাসী, নাগৰিকত্বৰ বিষয়, NRC আদি বিভিন্ন বিষয়ত উত্তৰ-পূৰ্বাঞ্চলৰ লোকসকলক সংগঠিত কৰিবলৈ যথাসাধ্য চেষ্টা কৰিছে, যাৰ ফলত ৰাজনৈতিক দলসমূহৰ ওপৰত প্ৰভাৱ পৰে আৰু সেইদৰে চৰকাৰৰ ওপৰত চাপ সৃষ্টি হয়।

নিৰ্বাচনৰ সময়ত দেখা যায় যে অধিকাংশ চাপ গোটে বিভিন্ন ৰাজনৈতিক দলক সহায়তা কৰিবলৈ চেষ্টা কৰে, যাতে তেওঁলোকৰ পছন্দৰ প্ৰাৰ্থীয়ে দলীয় টিকট লাভ কৰিব পাৰে। তেওঁলোকে ধন সংগ্ৰহ কৰে আৰু সেই ধন প্ৰাৰ্থীৰ প্ৰচাৰ-প্ৰচাৰণা আৰু নিৰ্বাচনী অভিযানত ব্যয় কৰে। নিৰ্বাচনত জয়লাভ কৰাৰ পাছত তেওঁলোকে নিজৰ প্ৰাৰ্থীক কাৰ্যনিৰ্বাহী পদত স্থাপন কৰিবলৈ চেষ্টা কৰে, অৰ্থাৎ তেওঁলোকে নিশ্চিত কৰিবলৈ চেষ্টা কৰে যে তেওঁলোকে মন্ত্ৰীসভাত এখন আসন লাভ কৰে।

তেওঁলোকে ন্যায়পালিকাৰ স্বতন্ত্ৰতাৰ ওপৰতো প্ৰভাৱ পেলাবলৈ চেষ্টা কৰে। যদিও ন্যায়পালিকা এটা নিৰপেক্ষ অংগ, তথাপিও বিচাৰপতি নিয়োগ এক ৰাজনৈতিক প্ৰক্ৰিয়া। তেওঁলোকে ন্যায়পালিকাৰ বিচাৰপতিসকলৰ নিয়োগৰ ক্ষেত্ৰত সৰ্বাধিক গুৰুত্ব আৰোপ কৰে যাতে তেওঁলোকৰ অনুকূল বিচাৰপতিসকল ক্ষমতালৈ আহিব পাৰে। যুক্তৰাষ্ট্ৰ (USA)ৰ দৰে দেশসমূহত চাপ গোটে নিজৰ দাবী সফল কৰিবলৈ লবিস্ট (lobbyist) নিয়োগ কৰে।

৭.৬.৬ আমোলাতন্ত্ৰ

কল্যাণমূলক ৰাষ্ট্ৰৰ কাঠামোৰ ভিতৰত আৰু বিভিন্ন উন্নয়নমূলক কাৰ্যসূচী প্ৰৱৰ্তনৰ পৰিপ্ৰেক্ষিতত আমলাতন্ত্ৰক সামাজিক পৰিবৰ্তন আৰু উন্নয়নৰ এক প্ৰেৰক সংস্থা হিচাপে কাৰ্য সম্পাদন কৰিব বুলি আশা কৰা হয়।

'আমোলাতন্ত্ৰ' শব্দটো প্ৰথমে ফৰাচী পণ্ডিত ভিনচেণ্ট দ্য গুৰনেয়ে প্ৰৱৰ্তন কৰিছিল। কিন্তু উনবিংশ শতিকাত জাৰ্মান সমাজবিজ্ঞানী মেক্স ৱেবাৰে প্ৰথমবাৰৰ বাবে আমোলাতন্ত্ৰৰ ধাৰণাটো এক সাংগঠনিক পদ্ধতি হিচাপে সুসংবদ্ধভাৱে বিকাশ কৰিছিল। 'আমলাতন্ত্ৰ' শব্দটোৱে দুটা কথাক বুজায়—

- ই প্ৰশাসনৰ কাম-কাজ আৰু প্ৰক্ৰিয়াক বুজায় আৰু
- এই প্ৰশাসনিক বিষয়াসকলৰ এক সমষ্টিগত শব্দ হিচাপেও ব্যৱহাৰ কৰা হয়।

সামাজিক পৰিবৰ্তনৰ এক এজেণ্ট হিচাপে দেখা যায় যে চৰকাৰৰ উচ্চ স্তৰত প্ৰণীত উন্নয়ন নীতি আৰু কাৰ্যসূচীসমূহ চৰকাৰৰ বিভিন্ন বিভাগৰ জৰিয়তে কাৰ্যকৰী কৰা হয় যিবোৰ দক্ষ আমোলাসকলে পৰিচালনা কৰে। আমোলাতন্ত্ৰই চৰকাৰ আৰু জনসাধাৰণৰ মাজত এক মধ্যস্থতাকাৰী হিচাপে কাৰ্য কৰে। চৰকাৰৰ সকলো নীতিক আমোলাসকলে বাস্তৱ ক্ষেত্ৰত ৰূপায়িত কৰে আৰু লগতে সমাজৰ সমস্যা আৰু অভিযোগসমূহ অধ্যয়ন কৰি চৰকাৰলৈ জনায়।

জৰুৰী অৱস্থা আৰু সংকটকালীন পৰিস্থিতিত দক্ষ আমোলাসকলৰ দ্বাৰা পৰিচালিত প্ৰশাসনে সমাজক ৰক্ষা কৰিবলৈ আগবাঢ়ি আহে। সমাজত আইন-শৃংখলা বজাই ৰখাটো জিলা আযুক্তৰ দৰে আমোলাসকলৰ কৰ্তব্য। সমাজৰ জনসাধাৰণৰ মাজত বিভিন্ন অসামাজিক আৰু ৰাষ্ট্ৰবিৰোধী উপাদানসমূহ সন্দৰ্ভত বিভিন্ন সজাগতা কাৰ্যসূচী গ্ৰহণ কৰে আমোলাসকলেই।

প্ৰকৃততে, তেওঁলোকক এটা সামাজিক-ৰাজনৈতিক ব্যৱস্থাৰ মেৰুদণ্ড হিচাপে গণ্য কৰা হয় আৰু আমোলাতন্ত্ৰৰ বাঢ়ি অহা ভূমিকাৰ বাবে ইয়াক চৰকাৰৰ 'চতুৰ্থ শাখা' বুলিও জনা যায়। অৱশ্যে, কিছুমান পণ্ডিতৰ মতে সাধাৰণতে আমোলাসকল চিন্তাধাৰাত ৰক্ষণশীল হয় আৰু সেইকাৰণে সমাজত পৰিবৰ্তন শামুকৰ গতিৰে ঘটে।

৭.৬.৭ নাগৰিক সমাজ

নৱ-উদাৰবাদী অৰ্থনীতি আৰু বিশ্বায়নৰ যুগত নাগৰিক সমাজৰ ভূমিকা সামাজিক-ৰাজনৈতিক আৰু উন্নয়নমূলক আলোচনাত অধিক গুৰুত্ব লাভ কৰিছে। নাগৰিক সমাজ ধাৰণাৰ সৈতে Hegel, Karl Marx, Fredrick Engels আৰু Antonio Gramsci আদি পণ্ডিতসকলৰ নাম জড়িত।

বৰ্তমান 'নাগৰিক সমাজ'ক সমাজৰ 'তৃতীয় অংশ' হিচাপে গণ্য কৰা হয়, কাৰণ ই পৰিয়াল, বজাৰ একক, ৰাজনৈতিক দল আৰু চৰকাৰৰ পৰা পৃথক। নাগৰিক সমাজক এক সমষ্টি স্বায়ত্তশাসিত অ-চৰকাৰী, অ-ৰাজনৈতিক, স্বেচ্ছাসেৱী, নাগৰিক আৰু সামাজিক সংগঠনৰূপে সংজ্ঞায়িত কৰিব পাৰি,

যিয়ে সমাজত ব্যক্তিসকলৰ স্বাৰ্থ আৰু ইচ্ছাক প্ৰতিনিধিত্ব কৰে। Niraja Gopal Jayalৰ মতে, "নাগৰিক সমাজে সেই সকলো ধৰণৰ স্বেচ্ছাসেৱী সংগঠন আৰু সামাজিক পাৰস্পৰিক ক্ৰিয়াক সামৰি লয়, যিবোৰ ৰাজ্যৰ নিয়ন্ত্ৰণত নহয়।" (as cited in Laxmikanth 2011, pg 227)

এইদৰে দেখা যায়—

- নাগৰিক সমাজয়ে স্বেচ্ছাসেৱী আৰু লাভ-অন্বেষণ নকৰা গোটসমূহক বুজায়।
- এইসমূহ অ-ৰাষ্ট্ৰ প্ৰতিষ্ঠান।
- এইসমূহৰ মুখ্য লক্ষ্য হৈছে সামূহিক মংগল সাধন কৰা।
- স্বভাৱত ই স্বায়ত্তশাসিত হলেও, ই ৰাষ্ট্ৰৰ নিয়ন্ত্ৰণৰ বাহিৰত নহয়।

নাগৰিক সমাজ সংগঠনসমূহৰ কিছুমান উদাহৰণ—

- ধৰ্মীয় সংগঠনসমূহ,
- ট্ৰেড ইউনিয়ন আৰু অন্যান্য সমষ্টিগত দৰ-কষাকষি গোটসমূহ,
- কৃষকৰ সংগঠনসমূহ,
- মহিলা সংঘসমূহ
- স্থানীয় আৰু তৃণমূল স্তৰৰ সংগঠনসমূহ,
- বিভিন্ন অ-চৰকাৰী সংগঠন আদি।

সেইহেতু, 'civil society' শব্দটো নিজেই এটা বহুবচনধৰ্মী ধাৰণা। 'civil society' ধাৰণাৰ আগত 'a' বা 'the' ব্যৱহাৰ কৰিব নোৱাৰি।

সামাজিক পৰিবৰ্তনৰ এজন কাৰক হিচাপে নাগৰিক সমাজে এজন শিক্ষকৰ ভূমিকা গ্ৰহণ কৰিছে। ই সমাজত মানুহক তেওঁলোকৰ অধিকাৰ আৰু দায়িত্বসমূহৰ বিষয়ে শিক্ষিত কৰে। নাগৰিক সমাজে চৰকাৰৰ বিভিন্ন আঁচনি, পৰিকল্পনা আৰু প্ৰকল্পসমূহৰ বিষয়ে বিভিন্ন তথ্য সংগ্ৰহ কৰি সেয়া জনসাধাৰণৰ মাজত প্ৰচাৰ কৰে আৰু এই কাৰ্যসূচীসমূহৰ বিষয়ে তেওঁলোকক সচেতন কৰি তোলে।

তেওঁলোকে মানৰ অধিকাৰৰ উলংঘন আৰু জনস্বাৰ্থৰ উলংঘনৰ বিৰুদ্ধে এটা সতৰ্ক প্ৰহৰী হিচাপে কাম কৰে। উদাহৰণস্বৰূপে, ১৯৯১ চনত অসমবাসীৰ অধিকাৰৰ উলংঘনৰ বিৰুদ্ধে সুৰক্ষা আৰু প্ৰতিবাদ কৰিবলৈ "মানৰ অধিকাৰ সংগ্ৰাম সমিতি" গঠন কৰা হৈছিল।

কেতিয়াবা নাগৰিক সমাজক সংগঠক আৰু আন্দোলনকাৰী হিচাপেও লক্ষ্য কৰিব পাৰি। ই প্ৰায়েই চৰকাৰী নীতিৰ পক্ষে বা বিপক্ষে জনমত গঢিঞ তুলিবলৈ মানুহক সংগঠিত কৰিবলৈ চেষ্টা কৰে। আৰু যদি তেওঁলোকে দেখিবলৈ পায় যে এনে চৰকাৰী নীতি সমাজৰ বিপক্ষে যায়, তেন্তে তেওঁলোকে ক্ষতিগ্ৰস্ত নাগৰিকসকলৰ হৈ আন্দোলনকাৰীৰ ভূমিকা গ্ৰহণ কৰে। উদাহৰণস্বৰূপে, ২০০৫ চনত RTI কৰ্মী অখিল গগৈয়ে গঠন কৰা এক কৃষক সংগঠন "কৃষক মুক্তি সংগ্ৰাম সমিতি" (Krishak Mukti Sangram Samiti KMSS)য়ে চৰকাৰৰ কৃষক-বিৰোধী নীতিৰ বিৰুদ্ধে অসমৰ মানুহক সংগঠিত কৰিবলৈ সক্ষম হৈছিল, ভূমি আৰু বন অধিকাৰ সুৰক্ষিত কৰা, দুৰ্নীতি উন্মোচন কৰা, ডাঙৰ ডাঙৰ বাঁধ নিৰ্মাণৰ বিৰুদ্ধে প্ৰতিবাদ কৰা, আৰু শেহতীয়াকৈ নাগৰিকত্ব (সংশোধনী) বিধেয়ক ২০১৬ৰ বিৰুদ্ধে আন্দোলন সংগঠিত কৰিছিল।

কিছুমান নাগৰিক সমাজে সমাজত সংঘাত নিষ্পত্তিৰ ভূমিকাও গ্ৰহণ কৰিছে। উদাহৰণস্বৰূপে, অসম সাহিত্য সভা, অসম সত্ৰ সম্মিলন, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদে সময়ে সময়ে ULFA আৰু চৰকাৰৰ মাজত সংঘাত সমাধান কৰিবলৈ চেষ্টা কৰিছিল।

নাগৰিক সমাজে সমাজৰ বাবে এটা চিন্তনকেন্দ্ৰ হিচাপে কাম কৰে। যেতিয়া সমাজক কু-প্ৰভাৱে আগুৰি ধৰে, তেতিয়া তেওঁলোকে আগবাঢ়ি আহি আগতীয়া বিপদৰ পৰা সমাজক ৰক্ষা কৰিবলৈ চেষ্টা কৰে।

৭.৭ সামাজিক পৰিৱৰ্তনৰ প্ৰতিৰোধ

সামাজিক পৰিৱৰ্তন এটা সাৰ্বজনীন, সৰ্বব্যাপী ঘটনা, তথাপিও, মানুহে সমাজত সংঘটিত সকলো পৰিৱৰ্তন কোনো প্ৰশ্ন নকৰাকৈ গ্ৰহণ নকৰে। কিছুমান পৰিৱৰ্তন মানুহে সহজে আদৰি লয় আৰু কিছুমান পৰিৱৰ্তন যথোচিত প্ৰতিবাদৰ পাছত অস্তিত্ব লাভ কৰে। এই ক্ষেত্ৰত সামাজিক পৰিৱৰ্তনৰ প্ৰতি প্ৰতিৰোধ বুলিলে জনসাধাৰণৰ দ্বাৰা সামাজিক পৰিৱৰ্তনৰ প্ৰতি বিৰোধিতা, অস্বীকাৰ, অনিচ্ছা আৰু অনাগ্ৰহ বুজায়। কিয় মানুহে সামাজিক পৰিৱৰ্তনৰ প্ৰতি প্ৰতিৰোধ বা বিৰোধিতা কৰে তাৰ কিছুমান গুৰুত্বপূৰ্ণ কাৰণ আছে।

১) **আৱিষ্কাৰ ঃ** কোৱা হয় যে প্ৰয়োজনেই আৱিষ্কাৰৰ জননী। ইয়াৰ অৰ্থ হৈছে নতুন আৱিষ্কাৰৰ মূল চালিকাশক্তি হৈছে প্ৰয়োজন। যদি আৱিষ্কাৰসমূহ মানুহৰ প্ৰয়োজনভিত্তিক হয় তেন্তে সেইবোৰ তেওঁলোকৰ বাবে সহজে গ্ৰহণযোগ্য হয়। কিন্তু যদি তেনে আৱিষ্কাৰে সমাজৰ বা সমাজৰ এটা অংশৰ বিপৰীতে যায় তেন্তে জনসাধাৰণে ইয়াক অধিক সম্ভাৱনাৰে প্ৰতিৰোধ কৰে। তেওঁলোকে ইয়াক প্ৰত্যাখ্যান কৰিবলৈ আগবাঢ়ি আহে।

২) **নতুন আৱিষ্কাৰৰ বিষয়ে অপৰ্যাপ্ততা আৰু ভয় ঃ** নতুন আৱিষ্কাৰৰ আৰম্ভণিতে, সেয়া যান্ত্ৰিক বা সামাজিক আৱিষ্কাৰেই হওক, কিছুমান খুঁত থাকে। ইয়াৰ অপূৰ্ণতাৰ কাৰণে মানুহে তেনে আৱিষ্কাৰ গ্ৰহণ কৰাৰ সম্ভাৱনা কম থাকে। তদুপৰি, মানুহৰ মাজত নতুন আৱিষ্কাৰৰ বিষয়ে ভয় আৰু সন্দেহ থাকে। উদাহৰণস্বৰূপে, আমাৰ সমাজৰ পুৰুষ সদস্যসকলৰ মাজত পুৰুষ বন্ধ্যাকৰণ (গৰ্ভনিৰোধ) সম্পৰ্কে এতিয়াও সন্দেহ আৰু ভয় বিদ্যমান। এনে ভয়ে সামাজিক পৰিৱৰ্তনৰ প্ৰক্ৰিয়াক বাধা দিয়ে।

৩) **ৰক্ষণশীলতা ঃ** জনসাধাৰণৰ ৰক্ষণশীলতা সামাজিক পৰিৱৰ্তনৰ পথত এক বাধা হিচাপে থিয় দিয়ে। তেওঁলোকে তেওঁলোকৰ শতাব্দী পুৰণি পৰম্পৰাগত প্ৰথাসমূহ ভাল পায়। পৰিৱৰ্তনে পুৰণি বস্তুৰ ঠাইত নতুন বস্তুৰ স্থাপন বুজায়, যাৰ ফলত সমাজত অস্থিৰতা আৰু অসাম্য সৃষ্টি হয়। সেয়ে পৰিৱৰ্তনৰ বিপৰীতে তেওঁলোকে নিজৰ সামাজিক ব্যৱস্থাত স্থিতাবস্থা বজাই ৰাখিবলৈ চেষ্টা কৰে।

৪) **জ্ঞানৰ অভাৱ ঃ** কেতিয়াবা মানুহৰ জ্ঞানৰ অভাৱ আৰু অজ্ঞতাইও সামাজিক পৰিৱৰ্তন বাধা দিয়ে। উদাহৰণস্বৰূপে, ভোটদান কৰ্মীসকলৰ মাজত প্ৰশিক্ষণৰ আগতে জ্ঞানৰ অভাৱৰ বাবে কিছুমানে বেলট বক্সৰ সলনি EVM প্ৰৱৰ্তনৰ ক্ষেত্ৰত সংকোচ অনুভৱ কৰিছিল। সেয়ে, সমাজত নতুন পৰিৱৰ্তন প্ৰৱৰ্তনৰ আগতে যথাযথ প্ৰদৰ্শন আৰু প্ৰশিক্ষণৰ প্ৰয়োজন হয়। কিন্তু সামাজিক বিষয়সমূহ প্ৰদৰ্শন কৰাটো কঠিন। তথাপিও, পথ নাটক, নাটক, চলচ্চিত্ৰ আদি মাধ্যমৰ জৰিয়তে বিভিন্ন সামাজিক বিষয় প্ৰদৰ্শন কৰিব পাৰি।

৫) **অভ্যাস ঃ** অভ্যাস সামাজিক পৰিৱৰ্তনৰ এক বাধা হিচাপে থিয় দিয়ে। কোনো আৱিষ্কাৰ নিয়মিত অনুশীলনৰ পিছত মানুহ সেইটোত অভ্যস্ত আৰু পৰিচিত হৈ পৰে। সেয়ে, যেতিয়া পুৰণি বস্তুৰ ঠাইত নতুন পৰিৱৰ্তন আহে মানুহে অপৰিচিততাৰ অজুহাত দেখুৱাই তাক গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰে। তেওঁলোক নিয়মিত অভ্যাসৰ সৈতে অভ্যস্ত হৈ থাকে আৰু অপৰিচিততাৰ বিপক্ষে থাকে।

৬) **অৰ্থনৈতিক বৈষম্য ঃ** যি সমাজত ধনী আৰু দৰিদ্ৰৰ মাজত ব্যাপক অৰ্থনৈতিক বৈষম্য থাকে, অথবা য'ত মানুহে চূড়ান্ত দাৰিদ্ৰ্যৰ সম্মুখীন হয়, তেনে সমাজত অৰ্থপূৰ্ণ সামাজিক পৰিৱৰ্তন অনাটো সম্ভৱ নহয়। সমাজৰ দৰিদ্ৰ, অৱহেলিত আৰু বঞ্চিত শ্ৰেণীয়ে সামাজিক পৰিৱৰ্তনৰ সুফল ভোগ কৰিবলৈ সক্ষম নহয়। ইয়াৰ কাৰণ হ'ল, বহু সময়ত নতুন ব্যৱস্থা বা নতুন ধাৰণা গ্ৰহণ কৰাটো এক ব্যয়বহুল বিষয় হৈ পৰে।

৭) **বৌদ্ধিক ক্ষমতা ঃ** সামাজিক পৰিৱৰ্তনৰ বাবে জনসাধাৰণৰ মাজত কিছুমান পৰিমাণৰ বৌদ্ধিক ক্ষমতা প্ৰয়োজন হয়। মানুহে সমাজত নতুন পৰিৱৰ্তন উপলব্ধি কৰিবলৈ সৃজনশীল মন আৰু যুক্তিসংগত চিন্তাধাৰা থাকিব লাগিব।

৮) **দুৰ্নীতিগ্ৰস্ত প্ৰশাসন ঃ** প্ৰশাসনিক যন্ত্ৰ সামাজিক পৰিৱৰ্তনৰ মুখ্য এজেন্ট কাৰণ আমাৰ সমাজত অধিকাংশ বৈধ পৰিৱৰ্তন ইয়াৰ জৰিয়তেই সংঘটিত হয়। কিন্তু যদি প্ৰশাসনিক ব্যৱস্থাটোৱেই অসৎ আচৰণ, অদক্ষতা, দুৰ্নীতি আদিৰে ভোগে, তেন্তে সুশৃঙ্খলভাৱে সামাজিক পৰিৱৰ্তন আনিবলৈ সহজ নহয়।

৯) **স্বাৰ্থান্বেষী গোট ঃ** স্বাৰ্থান্বেষী লোকসকলে সদায় সামাজিক পৰিৱৰ্তনৰ বিৰোধিতা কৰিবলৈ চেষ্টা কৰে। সমাজত কিছুমান শ্ৰেণী আছে যিসকলে সদায় লক্ষ্য কৰে যে নতুন পৰিৱৰ্তনে তেওঁলোকৰ স্বাৰ্থৰ ক্ষতি কৰে নে নাই। যদি তেওঁলোকে দেখে যে ক্ষতি হ'ব, তেন্তে তেনে পৰিৱৰ্তন বন্ধ কৰিবলৈ তেওঁলোকে কোনো প্ৰচেষ্টা বাদ নিদিয়ে।

১০) **অন্ধবিশ্বাস আৰু গুজব ঃ** অন্ধবিশ্বাস আৰু অন্ধ ভক্তিও সামাজিক পৰিৱৰ্তনৰ বিৰোধিতাৰ বাবে দায়ী। অন্ধবিশ্বাসৰ কাৰণতে আমাৰ দেশত এতিয়াও ডাইনী হত্যাৰ দৰে প্ৰথা চলি আছে। সেইদৰে, কিছুমান ঘটনাৰ বিষয়ে গুজবেও সামাজিক পৰিৱৰ্তন বাধা দিয়ে। তদুপৰি, ইণ্টাৰনেটৰ যুগত এনে গুজব ভাই�ৰেল হৈ সমাজৰ চুকে-কোণে বিয়পি পৰে, যাৰ ফলত বহু ক্ষতি হয়। উদাহৰণস্বৰূপে, অসম চৰকাৰে ২০১৭ আৰু ২০১৮ চনত অসমৰ বিভিন্ন অংশত বিদ্যালয়গামী শিশুসকলৰ মাজত 'মিজলছ আৰু ৰুবেলা টিকাকৰণ'ৰ বাবে বিশেষ অভিযান চলাইছিল। সেই সময়তে এটা গুজব বিয়পি পৰিছিল যে এনে টিকাই পুৰুষ আৰু মহিলাক উৰ্বৰতা নাশ কৰিব। ফলস্বৰূপে, সমাজত বাস্তৱ অৰ্থত পৰিৱৰ্তন আনিবলৈ চৰকাৰৰ এই প্ৰচেষ্টা বিফল হৈছিল।

ইয়াৰ উপৰি জলবায়ু পৰিৱৰ্তন আৰু প্ৰদূষণ, সন্ত্ৰাসবাদ, সীমান্ত অঞ্চলসমূহত বিশেষকৈ যুদ্ধ সদৃশ পৰিস্থিতি, দূৰৱৰ্তী অঞ্চলসমূহত আন্তঃগাঁথনিৰ অভাৱ আদি কাৰকসমূহেও সামাজিক পৰিৱৰ্তনৰ পথত বাধা হিচাপে থিয় দিয়ে। তথাপিও ক'ব নোৱাৰি যে প্ৰতিৰোধৰ কোনো তাৎপৰ্য নাই। সামাজিক পৰিৱৰ্তনৰ প্ৰতি প্ৰতিৰোধৰ কিছুমান ইতিবাচক দিশো থাকে। যদি কোনো আৱিষ্কাৰ বা পৰিৱৰ্তনে সমাজৰ বৃহৎ অংশৰ ক্ষতি কৰে, তেন্তে তাৰ বিৰুদ্ধে প্ৰতিৰোধ কৰা উচিত। উদাহৰণস্বৰূপে, যদি গণতন্ত্ৰৰ ঠাইত একনায়কত্ববাদ প্ৰৱৰ্তনৰ সিদ্ধান্ত লোৱা হয়, তেন্তে তাক বিৰোধিতা কৰিব লাগিব, কাৰণ একনায়কত্ববাদে বহুজনৰ অধিকাৰ নাকচ কৰে আৰু জনসাধাৰণৰ বাবে ক্ষতিকাৰক। সেয়ে সকলো পৰিৱৰ্তনকেই প্ৰশ্ন নকৰাকৈ গ্ৰহণ কৰিব নোৱাৰি।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ শাসকীয় অভিজাত শ্ৰেণী আৰু অ-শাসকীয় অভিজাত শ্ৰেণীৰ মাজত কেনেকৈ পাৰ্থক্য আছে?

প্ৰশ্ন নং ৫ ঃ প্ৰতিআন্দোলন বুলিলে আপুনি কি বুজায়?

প্ৰশ্ন নং ৬ ঃ ৰাজনৈতিক দল আৰু চাপ গোটৰ মাজত মৌলিক পাৰ্থক্য কি?

৭.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সামাজিক পৰিৱৰ্তন এক সাৰ্বজনীন পৰিঘটনা। ই সামাজিক গাঁথনি, সামাজিক মানদণ্ড আৰু মূল্যবোধৰ পৰিৱৰ্তন সূচায়।
- সামাজিক পৰিৱৰ্তনৰ বিভিন্ন তত্ত্ব আছে, যিবোৰ বিৱৰ্তনবাদী তত্ত্বৰ পৰা মাৰ্ক্সীয় তত্ত্বলৈকে বিস্তৃত। এই তত্ত্বসমূহৰ প্ৰতিটোৱে সামাজিক পৰিৱৰ্তনৰ বিভিন্ন প্ৰক্ৰিয়া অধ্যয়ন কৰিছে।
- মাৰ্ক্সীয় তত্ত্ব আন তত্ত্বসমূহতকৈ পৃথক, কিয়নো সমাজৰ স্থিৰতা আৰু ব্যৱস্থা ৰক্ষণাবেক্ষণৰ বিপৰীতে ই সমাজত কিয় আৰু কেনেকৈ অস্থিৰতা, সংঘৰ্ষ, দ্বন্দ্ব আৰু সামাজিক বিশৃংখলতাৰ উদ্ভৱ হয়, সেই বিষয়ে আলোচনা কৰে।
- সামাজিক পৰিৱৰ্তনৰ অভিকৰ্তা হিচাপে অভিজাত শ্ৰেণী কোনো স্থিৰ উপাদান নহয়। অভিজাত শ্ৰেণীৰ মাজত নিৰন্তৰ উত্থান-পতন চলি থাকে, যিয়ে শ্ৰেষ্ঠ প্ৰতিভাসম্পন্ন ব্যক্তিসকলৰ ঊৰ্ধ্বমুখী গতিশীলতা নিশ্চিত কৰে।

- জনসাধাৰণ, সামাজিক আন্দোলন, ৰাজনৈতিক দল আৰু হেঁচা গোটে সামাজিক পৰিৱৰ্তন অনাৰ ক্ষেত্ৰত সামূহিক আচৰণ আৰু সামূহিক প্ৰচেষ্টাৰ প্ৰতিনিধিত্ব কৰে।
- বৰ্তমান সময়ত নাগৰিক সমাজ-ও সামাজিক পৰিৱৰ্তনৰ এক গুৰুত্বপূৰ্ণ অভিকৰ্তা হিচাপে আত্মপ্ৰকাশ কৰিছে। ই সমাজৰ বাবে এক চিন্তাকোষ হিচাপে কাম কৰে।
- মানুহে কোনো প্ৰশ্ন নকৰাকৈ সকলো পৰিৱৰ্তন আদৰণি নজনায়। সামাজিক পৰিৱৰ্তন অনাৰ প্ৰক্ৰিয়াত মানুহৰ ফালৰ পৰা কিছু পৰিমাণৰ প্ৰতিৰোধ দেখা যায়। কিন্তু সকলো প্ৰতিৰোধেই ক্ষতিকাৰক নহয়। সমাজৰ বৃহত্তৰ স্বাৰ্থৰ বাবে কিছুমান প্ৰতিৰোধ অতি প্ৰয়োজনীয়।

৭.৯ অধিক জানিবলৈ

1. Rao, C.N. Shankar(2004). *Sociology primary principles.* New Delhi: S. Chand & company Ltd.
2. Bhushan, Vidya & DR, Sachdeva (1994). *An introduction to sociology.* Allahabad: kitab Mahal
3. Johari, J.C. (1996). *Comparative politics.* New Delhi: Sterling Publishers Pvt. Ltd.

Web Links:
http://www.yourarticlelibrary.com/sociology/top-5-theories-ofsocialchangeexplained/35124
https://www.investopedia.com/terms/c/conflict-theory.asp
https://www.newworldencyclopedia.org/entry/social-change

৭.১০ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ সামাজিক পৰিৱৰ্তনে শৃংখলাগত প্ৰভাৱ সৃষ্টি কৰে। ইয়াৰ অৰ্থ হৈছে এটা দিশত হোৱা পৰিৱৰ্তনে আন আন দিশসমূহতো সংশ্লিষ্ট প্ৰভাৱ আনে। উদাহৰণস্বৰূপে, অৰ্থনৈতিক বিশ্বায়নে সাংস্কৃতিক, শৈক্ষিক, ৰাজনৈতিক আৰু সামাজিক আদি বিভিন্ন দিশত বহুতো পৰিৱৰ্তন আনে।

২ নং প্ৰশ্নৰ উত্তৰ ঃ সামাজিক পৰিৱৰ্তনৰ বিকাশবাদী তত্ত্বত, অগুস্ত কঁতে সমাজ আৰু মানৱ চিন্তাৰ বিকাশত তিনিটা স্তৰৰ কথা উল্লেখ কৰিছে। এই স্তৰসমূহ হৈছে— তাত্ত্বিক, অধিবিদ্যাগত আৰু ধনাত্মক।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ছ'ৰ'কিন-এ তেওঁৰ পেন্ডুলাম তত্ত্বত সামাজিক পৰিৱৰ্তনৰ বিষয়ে উল্লেখ কৰি তিনিটা সংস্কৃতিৰ কথা কৈছে, যেনে- সংবেদনমূলক, আদৰ্শনিষ্ঠ ধাৰণামূলক আৰু আদৰ্শাত্মক সংস্কৃতি। সংবেদনমূলক আৰু আদৰ্শনিষ্ঠ সংস্কৃতিৰ মাজত মূল পাৰ্থক্যসমূহ হৈছে- প্ৰথমতে, সংবেদনমূলক সংস্কৃতি ইন্দ্ৰিয়সমূহ আৰু ইন্দ্ৰিয়জনিত ইচ্ছাৰ সৈতে প্ৰত্যক্ষভাৱে জড়িত, আনহাতে আদৰ্শনিষ্ঠ সংস্কৃতি ইন্দ্ৰিয়সমূহক আকৰ্ষণ নকৰে, বৰং মন বা আত্মাৰ সৈতে সংযুক্ত। দ্বিতীয়তে, সংবেদনমূলক সংস্কৃতি ভোগবাদী, ব্যৱহাৰিক আৰু অভিজ্ঞতাভিত্তিক স্বভাৱৰ; বিপৰীতে আদৰ্শনিষ্ঠ সংস্কৃতি বিমূৰ্ত আৰু প্ৰতীকী স্বভাৱৰ।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ শাসকীয় অভিজাত শ্ৰেণী হৈছে সেইসকল ব্যক্তি যিসকলে প্ৰত্যক্ষ বা পৰোক্ষভাৱে চৰকাৰৰ কাৰ্যসমূহ সম্পাদন কৰে। তেওঁলোক ৰাজনৈতিক ব্যৱস্থাৰ প্ৰকৃত নীতি-নিৰ্ধাৰক হয়। আনহাতে, অ-অভিজাত লোকসকলে প্ৰত্যক্ষভাৱে চৰকাৰ বা সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত অংশগ্ৰহণ নকৰে, কিন্তু বাহিৰৰ পৰা সিদ্ধান্তসমূহক প্ৰভাৱিত কৰে।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰতিআন্দোলন নামটোৱেই সূচায় যে ই এটা আন্দোলনৰ বিৰোধিতা কৰিবলৈ গঠিত আন্দোলন। সামাজিক আন্দোলনৰ বিপৰীতে এনে প্ৰতিআন্দোলন সৃষ্টি হয়। ইয়াৰ উদ্দেশ্য হৈছে মূল আন্দোলনৰ বিৰোধিতা কৰা। প্ৰতিআন্দোলনে সমাজত স্থিতাবস্থা বজাই ৰাখিবলৈ চেষ্টা কৰে।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ ৰাজনৈতিক দলৰ দৰে চাপ গোটো একে ধৰণৰ স্বাৰ্থ থকা লোকৰ সংগঠন। কিন্তু দুয়োটাৰ মাজত কিছুমান মৌলিক পাৰ্থক্য আছে। ৰাজনৈতিক দলৰ মূল লক্ষ্য হৈছে ৰাজনৈতিক ক্ষমতা দখল কৰা, অৰ্থাৎ চৰকাৰ গঠন কৰা। আনহাতে, চাপ গোটৰ উদ্দেশ্য চৰকাৰ গঠন কৰা নহয়, বৰং নিজৰ ইচ্ছিত স্বাৰ্থ পূৰণৰ বাবে চৰকাৰৰ ওপৰত চাপ সৃষ্টি কৰা বা প্ৰভাৱ বিস্তাৰ কৰা।

৭.১১ আৰ্হি প্ৰশ্ন

(ক) অতি চমু প্ৰশ্ন-

প্ৰশ্ন ১ ঃ কাৰ্যকাৰীতাবাদী তত্ত্বৰ মূল বিষয়বস্তু কি?

প্ৰশ্ন ২ ঃ সমাজৰ বিৱৰ্তন সম্পৰ্কে হাৰ্বাৰ্ট স্পেঞ্চাৰৰ মতামতাসমূহ কি?

প্ৰশ্ন ৩ ঃ সামাজিক পৰিৱৰ্তনৰ দোলক তত্ত্ব সম্পৰ্কে ছ'ৰ'কিনৰ মতামতসমূহ কি?

(খ) চুটি প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায় ১৫০ টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ অসৱাল্ড স্পেংগলাৰে সামাজিক পৰিৱৰ্তনৰ চক্ৰীয় স্বৰূপ কেনেদৰে ব্যাখ্যা কৰিছে?

প্ৰশ্ন ২ ঃ সামাজিক পৰিৱৰ্তনৰ দোলক তত্ত্ব সম্পৰ্কে ছ'ৰ'কিনৰ মতামতসমূহ কি?

প্ৰশ্ন ৩ ঃ অভিজাত শ্ৰেণীৰ পৰিক্ৰমণ সম্পৰ্কে ভি. পেৰেটোৰ মতামতসমূহ উল্লেখ কৰক।

প্ৰশ্ন ৪ ঃ সামাজিক পৰিৱৰ্তনৰ সংঘাত তত্ত্বৰ চাৰিটা সীমাবদ্ধতা উল্লেখ কৰক।

প্ৰশ্ন ৫ ঃ সামাজিক পৰিৱৰ্তন অনাত জনসাধাৰণৰ ভূমিকা বৰ্ণনা কৰক।

প্ৰশ্ন ৬ ঃ নাগৰিক সমাজৰ চাৰিটা বৈশিষ্ট্য উল্লেখ কৰক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায় ৩০০-৫০০ শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ সামাজিক পৰিৱৰ্তন বুলিলে কি বুজা? ইয়াৰ মুখ্য বৈশিষ্ট্যসমূহ আলোচনা কৰক।

প্ৰশ্ন ২ ঃ সামাজিক পৰিৱৰ্তনৰ মাৰ্ক্সীয় তত্ত্ব সমালোচনামূলকভাৱে আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ সামাজিক পৰিৱৰ্তন অনাত বিভিন্ন অভিকৰ্তাৰ ভূমিকা সংক্ষেপে ব্যাখ্যা কৰক।

প্ৰশ্ন ৪ ঃ সামাজিক পৰিৱৰ্তনৰ অভিকৰ্তা হিচাপে অভিজাত শ্ৰেণীৰ ভূমিকা আলোচনা কৰক।

প্ৰশ্ন ৫ ঃ সামাজিক আন্দোলন কি? সামাজিক আন্দোলনে কেনেদৰে সামাজিক পৰিৱৰ্তন অনাত সহায় কৰে?

প্ৰশ্ন ৬ ঃ হেঁচা গোট কি? সামাজিক পৰিৱৰ্তনৰ অভিকৰ্তা হিচাপে হেঁচা গোটসমূহৰ ভূমিকা আলোচনা কৰক।

প্ৰশ্ন ৭ ঃ নাগৰিক সমাজৰ সংজ্ঞা দিয়া। সামাজিক পৰিৱৰ্তনৰ অভিকৰ্তা হিচাপে নাগৰিক সমাজৰ ভূমিকা আলোচনা কৰক।

****

অধ্যায় ৮ ঃ হিংসা

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য
৮.২ পৰিচয়
৮.৩ হিংসাৰ অর্থ আৰু স্বভাৱ
৮.৪ হিংসাৰ তত্ত্বসমূহ আৰু ৰূপসমূহ
৮.৪.১ হিংসাৰ বিভিন্ন তত্ত্ব
৮.৪.২ হিংসাৰ ৰূপসমূহ
৮.৫ হিংসাৰ সংস্কৃতি
৮.৬ সমাজত হিংসাৰ প্ৰভাৱ
৮.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৮.৮ অধিক জানিবলৈ
৮.৯ অগ্ৰগতিৰ খতিয়ান
৮.১০ আৰ্হি প্ৰশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- হিংসাৰ অর্থ আৰু স্বভাৱ আলোচনা কৰিব পাৰিব।
- হিংসাৰ বিভিন্ন ৰূপ আৰু তত্ত্বসমূহ ব্যাখ্যা কৰিব পাৰিব।
- সমাজত হিংসাৰ প্ৰভাৱ বিশ্লেষণ কৰিব পাৰিব।

৮.২ পৰিচয়

হিংসাৰ প্ৰকৃতি যোৱা কেইটামান দশকত এক উল্লেখযোগ্য পৰিৱর্তনৰ মাজেৰে অতিক্ৰম কৰিছে। সমসাময়িক হিংসাত্মক সংঘাতসমূহে, বিশেষকৈ সশস্ত্ৰ প্ৰকৃতিৰ সংঘাতসমূহে, দ্ৰুতগতিত যুদ্ধৰ বিকল্প পদ্ধতি গ্ৰহণ কৰি আছে আৰু বিশ্বৰ বিভিন্ন সামাজিক-ৰাজনৈতিক পৰিপ্ৰেক্ষিতত বিস্তাৰ লাভ কৰি আছে। মানৰ অধিকাৰৰ উলংঘন, ৰাষ্ট্ৰ আৰু অ-ৰাষ্ট্ৰীয় পক্ষসমূহৰ পৃষ্ঠপোষকতাত সংঘটিত সশস্ত্ৰ হিংসা আদিয়ে ভয় আৰু অনিৰাপত্তাৰ পৰিৱেশ অব্যাহত ৰাখিছে আৰু ফলস্বৰূপে বৃহত্তৰ সমাজৰ আৱেগিক গাঁথনি ভাঙি পেলাইছে। বিভিন্ন প্ৰকৃতিৰ হিংসাই সশস্ত্ৰ সংঘাতৰ পৰিস্থিতিত অসামৰিক লোকসকলৰ জীৱন বিপদাপন্ন কৰি তোলে, যাৰ ফলত মানৰ সুৰক্ষা ক্ষেত্ৰতো এক জটিল অৱস্থাৰ সৃষ্টি হৈছে। হিংসা হৈছে সংঘাতৰ এক প্ৰকাশ। মানুহ হিচাপে আমি সংঘাতৰ প্ৰতি কেনেদৰে সঁহাৰি জনাম অথবা ইয়াক কেনেদৰে প্ৰকাশ কৰিম, সেই বিষয়ে আমাৰ নিজৰ পছন্দ আছে হিংসাত্মকভাৱে নে অহিংসাভাৱে। মহাত্মা গান্ধী, দলাই লামা আৰু বহুতো আন ব্যক্তিয়ে সংঘাতসমূহ অহিংসাভাৱে প্ৰকাশ কৰাৰ পথ বাছি লৈছিল।

৮.৩ হিংসাৰ অর্থ আৰু স্বভাৱ

হিংসাৰ সংজ্ঞা নিঃসন্দেহে অতি বিস্তৃত। সাধাৰণতে, 'হিংসা' শব্দটোক শান্তি আৰু অহিংসাৰ বিপৰীত হিচাপে ব্যাখ্যা কৰা হয়। হিংসা ব্যক্তি আৰু ব্যক্তিৰ মাজত, পৰিয়ালৰ ভিতৰত, সম্প্ৰদায়সমূহৰ মাজত আৰু বিশেষকৈ

জাতিগত গোটসমূহৰ মাজত সংঘটিত হ'ব পাৰে। ইয়াৰ মূল কাৰণসমূহ হ'ল পৰস্পৰবিৰোধী ধাৰণা, হতাশা, মানুহৰ মাজত থকা পার্থক্য, আপেক্ষিক বঞ্চনা, মানসিক বৈৰিতা, অসহিষ্ণু আচৰণ, প্রতিষ্ঠানগত নিয়ন্ত্রণমুক্তকৰণ, সহযোগিতাৰ অভাৱ আদি।

নৰৱেৰ সমাজতত্ত্ববিদ তথা শান্তি আৰু সংঘাত অধ্যয়ন শাখাৰ অন্যতম প্রধান প্রতিষ্ঠাপক জোহান গাল্টুং-এ এক তাত্ত্বিক ধাৰা বিকশিত কৰিছিল, যক্সত কোৱা হৈছে যে সংঘাত চাৰিটা স্তৰত উদ্ভৱ হক্সব পাৰে। সেইবোৰ হৈছে- এজন ব্যক্তিৰ অন্তর্ভাগৰ সংঘাত অথবা ব্যক্তিৰ মাজত হোৱা সংঘাত, অর্থাৎ আন্তঃব্যক্তিক আৰু অন্তঃব্যক্তিক সংঘাত; জাতি, লিংগ, প্রজন্ম অথবা শ্রেণীৰ মাজত সংঘাত; ৰাষ্ট্রসমূহৰ মাজত সংঘাত; আৰু বিশ্বৰ বিভিন্ন সভ্যতাৰ মাজত সংঘাত।

গাল্টুং-এ হিংসাৰ ধাৰণাটো বিশ্লেষণ কৰাৰ ক্ষেত্রত ছটা মাত্রা ব্যৱহাৰ কৰিছে। (১) হিংসা শাৰীৰিক অথবা মানসিক হ'ব পাৰে; (২) ই প্রভাৱ বিস্তাৰৰ ক্ষেত্রত নেতিবাচক অথবা ইতিবাচক উপায় ব্যৱহাৰ কৰিব পাৰে; (৩) ইয়াৰ লক্ষ্যবস্তু থাকিবও পাৰে, নাথাকিবও পাৰে; (৪) ইয়াৰ কর্তা থাকিবও পাৰে, নাথাকিবও পাৰে (ব্যক্তিগত বনাম গাঁথনিগত); (৫) ই ইচ্ছাকৃত অথবা অনিচ্ছাকৃত হ'ব পাৰে, আৰু (৬) ই প্রকাশ্য অথবা সুপ্ত হ'ব পাৰে। মানসিক অথবা সম্ভাব্য হিংসাক গাল্টুং-ৰ ভাষাত 'সুপ্ত হিংসা' বুলিও গণ্য কৰিব পাৰি।

জোহান গাল্টুং-এ এই ধৰণৰ হিংসাৰ বিষয়ে অত্যন্ত সুন্দৰভাৱে ব্যাখ্যা আগবঢ়াইছে। তেওঁৰ মতে, মানসিক হিংসাহ মানুহৰ মনোজগতৰ ওপৰত আঘাত হানে। উদাহৰণস্বৰূপে, যদি কোনো ৰাষ্ট্রই নিজৰ ভূখণ্ডত পাৰমাণৰিক বিস্ফোৰণ সংঘটিত কৰে আৰু তাত কোনো এজন ব্যক্তিও আঘাতপ্রাপ্ত নহয়, কিন্তু সেই বিস্ফোৰণৰ জৰিয়তে বিশ্বৰ আন আন অংশলৈ ভাবুকি প্রেৰণ কৰা হয়, তেন্তে বিস্ফোৰণটোৰ নিজস্ব কোনো লক্ষ্যবস্তু নাথাকে, কিন্তু সেই ভাবুকিৰ লক্ষ্যবস্তু থাকে, যাৰ ফলত শেষ পর্যন্ত সুপ্ত হিংসাৰ সৃষ্টি হয়।

গাল্টুং-এ গাঁথনিগত হিংসাক এনে এক পদ্ধতিগত প্রক্রিয়া হিচাপে সংজ্ঞায়িত কৰিছে, যাৰ জৰিয়তে কোনো নির্দিষ্ট শাসনব্যৱস্থা ব্যক্তিসকলক তেওঁলোকৰ সম্পূর্ণ সম্ভাৱনা অর্জন কৰাৰ পৰা বঞ্চিত কৰে। 'গাঁথনিগত হিংসা' শব্দটো প্রথমবাৰৰ বাবে ১৯৭০ চনত জোহান গাল্টুং-এ ব্যাপকভাৱে ব্যৱহাৰ কৰিছিল। গাঁথনিগত হিংসা হৈছে হিংসাৰ এক পদ্ধতিগত ৰূপ, য'ত কোনো নির্দিষ্ট সামাজিক গাঁথনি অথবা প্রতিষ্ঠানগত ব্যৱস্থাই ব্যক্তিসকলক ন্যূনতম প্রয়োজনীয়তাৰ পৰা বঞ্চিত কৰি তেওঁলোকৰ জীৱন ধ্বংস কৰে।

প্রতিষ্ঠানগত অভিজাততন্ত্র, জাতিকেন্দ্রিকতা, শ্রেণীবাদ, বর্ণবৈষম্য, লিংগবৈষম্য, প্রাপ্তবয়স্ক-প্রাধান্যবাদ, জাতীয়তাবাদ, বিষমকামিতা-প্রাধান্যবাদ আদি গাঁথনিগত হিংসাৰ উল্লেখযোগ্য উদাহৰণ হিচাপে শ্রেণীবদ্ধ কৰিব পাৰি। সামাজিক-ৰাজনৈতিক আৰু অর্থনৈতিক শোষণ আৰু আধিপত্যৰ ফলত ব্যক্তিসকলৰ জীৱনকাল হ্রাস পায়। বিভিন্ন সময়ত গাঁথনিগত হিংসাই প্রায়ে হিংসাত্মক সংঘাত অথবা প্রত্যক্ষ হিংসাৰ ৰূপ ধাৰণ কৰে, যাৰ অন্তর্গত হৈছে পাৰিবাৰিক হিংসা, বর্ণভিত্তিক হিংসা, ঘৃণাজনিত অপৰাধ, সন্ত্রাসবাদ, গণহত্যা আৰু যুদ্ধ।

১৯৮৪ চনত পেট্রা কেলীয়ে তেওঁৰ প্রথমখন গ্রন্থ "ফাইটিং ফৰ হ'প' (Fighting for Hope)-ত লিখিছিল "উন্নয়নশীল দেশসমূহৰ ২,০০০ নিযুত জনসংখ্যাৰ এক-তৃতীয়াংশ লোকে অনাহাৰে দিন কটায় অথবা অপুষ্টিত ভুগি আছে। তেওঁলোকৰ ২৫ শতাংশ শিশু পাঁচ বছৰ বয়স সম্পূর্ণ হোৱাৰ আগতেই মৃত্যুবৰণ কৰে (...) এই বছৰত মৃত্যুবৰণ কৰা ১.৫ কোটি শিশুৰ ১০ শতাংশৰ কম শিশুকেই ছটা আটাইতকৈ সাধাৰণ আৰু বিপজ্জনক শিশুৰোগৰ বিৰুদ্ধে প্রতিষেধক দিয়া হৈছিল। প্রতিজন শিশুক প্রতিষেধক প্রদান কৰিবলৈ ৩ পাউণ্ড ব্যয় হয়। কিন্তু তেনে নকৰাৰ ফলত প্রতি বছৰে আমি ৫০ লাখ জীৱন হেৰুৱাওঁ। এইবোৰ গাঁথনিগত হিংসাৰ ধ্রুপদী উদাহৰণ।"

কিছুমান ক্ষেত্রত জাতিকেন্দ্রিকতাই গাঁথনিগত হিংসাৰ এক উৎস হিচাপে কাম কৰে। ই এনে এক বিশ্বাস-ব্যৱস্থা, য'ত নিজৰ জাতি অথবা নৃগোষ্ঠীক সর্বাধিক গুৰুত্বপূর্ণ বুলি গণ্য কৰা হয় আৰু ইয়াৰ সংস্কৃতিৰ সকলো দিশকে আন জাতি বা নৃগোষ্ঠীৰ সংস্কৃতিতকৈ উৎকৃষ্ট বুলি বিবেচনা কৰা হয়। একেদৰে, বর্ণবাদ বুলিলে সাধাৰণতে বর্ণভিত্তিক পূর্বধাৰণা হিংসা, বৈষম্য অথবা ইয়াতকৈও অধিক ভয়ংকৰ শোষণ আৰু নিপীঞ্জনক বুজায়। 'বর্ণতত্ত্ব' শব্দটোৰ অর্থক লৈ বহু বিতর্ক দেখা দিয়ে।

অক্সফ'র্ড ইংৰাজী অভিধানৰ মতে, বর্ণবাদ হৈছে এনে এক বিশ্বাস অথবা মতাদর্শ, য'ত ধৰা হয় যে

প্রতিটো বর্ণৰ সকলো সদস্যৰ কিছুমান বিশেষ বৈশিষ্ট্য অথবা ক্ষমতা থাকে, যিবোৰ সেই বর্ণৰ সৈতে সম্পর্কিত, বিশেষকৈ কোনো এটা বর্ণক আন এটা বা একাধিক বর্ণতকৈ উৎকৃষ্ট অথবা নিকৃষ্ট বুলি পৃথকভাৱে চিহ্নিত কৰাৰ উদ্দেশ্যে।

মেৰিয়াম-ৱেবষ্টাৰ অভিধানে বর্ণবাদক এনে এক বিশ্বাস হিচাপে সংজ্ঞায়িত কৰিছে যে বর্ণয়েই মানুহৰ বৈশিষ্ট্য আৰু সামর্থ্যৰ প্রধান নির্ধাৰক, আৰু বর্ণগত পার্থক্যই কোনো এক নির্দিষ্ট বর্ণৰ অন্তর্নিহিত শ্রেষ্ঠত্ব সৃষ্টি কৰে। ইয়াৰ উপৰিও, এনে বিশ্বাসৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠা পূর্বধাৰণাকো বর্ণবাদ বুলি কোৱা হয়।

এখন বিশ্বকোষৰ প্রবন্ধত বহু আলোচিত গাঁথনিগত হিংসা শব্দটোৰ এইদৰে ব্যাখ্যা আগবঢ়োৱা হৈছে "হিংসা সামাজিক ব্যৱস্থাৰ মাজতেই অন্তর্নিহিত হৈ থাকে আৰু ই ক্ষমতাৰ অসম বণ্টন আৰু তাৰ ফলস্বৰূপে সুযোগ-সুবিধাৰ অসম বণ্টনৰ জৰিয়তে প্রকাশ পায় শ্চঅর্থাৎ আয়, শিক্ষা, সুযোগ-সুবিধা আদিৰ বণ্টনত বৈষম্য।" গাল্টুংৰ মতে, গাঁথনিগত হিংসা 'সামাজিক অন্যায়'ৰ সমার্থক।

বিংশ শতিকাৰ অন্তিম দশকত গাল্টুং-এ হিংসাৰ আন এক প্রকাৰ জনপ্রিয় কৰি তোলে, যাক সাধাৰণতে সাংস্কৃতিক হিংসা বুলি গণ্য কৰা হয়। গাল্টুংৰ ভাষাত, "সাংস্কৃতিক হিংসা বুলিলে সংস্কৃতিৰ সেইসমূহ দিশক বুজায়, যিবোৰ প্রত্যক্ষ হিংসা অথবা গাঁথনিগত হিংসাৰ ব্যৱহাৰক ন্যায্যতা অথবা বৈধতা প্রদান কৰিবলৈ ব্যৱহাৰ কৰিব পাৰি।"

গাঁথনিগত ৰূপত থকা হিংসাই কেৱল মানুহৰ শৰীৰতে আঘাত নকৰে, বৰঞ্চ ই মানুহৰ মন আৰু আত্মাতো গভীৰ প্রভাৱ পেলায়। গাঁথনিগত হিংসাৰ ধাৰণাটো বিশ্লেষণ কৰাৰ সময়ত গাল্টুং-এ ঋণাত্মক শান্তি আৰু ইতিবাচক শান্তিৰ বিষয়ে অত্যন্ত যথাযথভাৱে আলোচনা কৰিছে। যি ধৰণৰ শান্তি কেৱল প্রকাশ্য হিংসাত্মক সংঘাতৰ অনুপস্থিতিতকৈও অধিক অর্থ বহন কৰে, তাক ঋণাত্মক শান্তি বুলি গণ্য কৰা হয়। আনহাতে, ইতিবাচক শান্তিত এনে এক বিস্তৃত সম্পর্কৰ অন্তর্ভুক্তি ঘটে, য'ত ৰাষ্ট্রসমূহে পাৰস্পৰিক সহযোগিতা আৰু সমর্থনমূলক সমন্বয় স্থাপন কৰিব পাৰে।

গাঁথনিগত হিংসাৰ ধ্বংসাত্মক মাত্রা প্রত্যক্ষ হিংসাৰ মাত্রাতকৈও অধিক। এই ধৰণৰ হিংসাই ব্যক্তিৰ ওপৰত অধিক উচ্চ পর্যায়ত অন্যায় সংঘটিত কৰে। উদাহৰণস্বৰূপে, অর্থনৈতিক দৃষ্টিভংগীৰে আমি নৱ-ঔপনিৱেশিকতাক গাঁথনিগত হিংসাৰ এক প্রকাৰ হিচাপে বিবেচনা কৰিব পাৰোঁ। সংঘাতপ্রৱণ অঞ্চলত এই ধৰণৰ হিংসাৰ সম্ভাৱনা শান্তিপূর্ণ অঞ্চলৰ তুলনাত অধিক।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ শান্তি আৰু সংঘাত অধ্যয়ন শাখাৰ অন্যতম প্রধান প্রতিষ্ঠাপক কোন?

প্রশ্ন নং ২ ঃ হিংসাৰ অর্থ সম্পর্কে চমুকৈ লিখক।

প্রশ্ন নং ৩ ঃ জোহান গাল্টুং-এ উল্লেখ কৰা সংঘাতৰ চাৰিটা স্তৰ উল্লেখ কৰক।

৮.৪ হিংসাৰ তত্ত্বসমূহ আৰু ৰূপসমূহ

হিংসাৰ বিভিন্ন তত্ত্ব আৰু ৰূপসমূহ তলত আলোচনা কৰা হৈছে।

৮.৪.১ হিংসাৰ বিভিন্ন তত্ত্ব

হিংসাৰ কাৰণ, গতিশীলতা আৰু প্রকাশৰ ৰূপসমূহ ব্যাখ্যা কৰিবলৈ কেইবাটাও তত্ত্ব আগবঢ়োৱা হৈছে। তলত হিংসাৰ কিছুমান প্রধান তত্ত্ব উল্লেখ কৰা হ'ল—

- **সামাজিক শিক্ষণ তত্ত্ব ঃ** এলবার্ট বান্দু�ৰা-এ বিকশিত কৰা সামাজিক শিক্ষণ তত্ত্বৰ মতে, ব্যক্তিয়ে পর্যবেক্ষণ, অনুকৰণ আৰু পুনর্বলনৰ জৰিয়তে হিংসাত্মক আচৰণ কে ধৰি বিভিন্ন আচৰণ শিকে।

এই তত্ত্বই সূচায় যে ব্যক্তিয়ে নিজৰ চৌপাশৰ পৰিৱেশত, যেনে পৰিয়ালৰ ভিতৰত অথবা গণমাধ্যমৰ জৰিয়তে হিংসাৰ সংস্পর্শলৈ আহিলে, সেই হিংসাত্মক আচৰণসমূহক আত্মস্থ কৰি পিছত সেইবোৰ পুনৰাবৃত্তি কৰিব পাৰে।

- **চাপ তত্ত্ব ঃ** সমাজতত্ত্ববিদ ৰবার্ট মেটনৰ সৈতে সম্পর্কিত এই তত্ত্বৰ মতে, সমাজৰ গাঁথনি আৰু প্রতিষ্ঠানসমূহে ব্যক্তিসকলক বিপথগামী আচৰণত, যাৰ ভিতৰত হিংসাও অন্তর্ভুক্ত, জড়িত হ'বলৈ বাধ্য কৰিব পাৰে, যেতিয়া তেওঁলোকে সমাজে নির্ধাৰণ কৰি দিয়া সাংস্কৃতিক লক্ষ্যসমূহ বৈধ উপায়েৰে লাভকৰিবলৈ অক্ষম হয়। যেতিয়া ব্যক্তিৰ আকাংক্ষা আৰু সেইবোৰ পূৰণ কৰাৰ সুযোগসমূহৰ মাজত এক চাপ বা ব্যৱধানৰ সৃষ্টি হয়, তেতিয়া তেওঁলোকে নিজৰ লক্ষ্য লাভ কৰাৰ উপায় হিচাপে হিংসাৰ আশ্রয় ল'ব পাৰে।
- **সামাজিক নিয়ন্ত্রণ তত্ত্ব ঃ** ট্রেভিছ হিশ্চি-এ বিকশিত কৰা সামাজিক নিয়ন্ত্রণ তত্ত্বৰ মতে, পৰিয়াল, বিদ্যালয় আৰু সমাজৰ দৰে প্রচলিত সামাজিক প্রতিষ্ঠানসমূহৰ সৈতে দৃঢ় সামাজিক বন্ধন আৰু সংলগ্নতাই ব্যক্তিসকলক অপৰাধপ্রৱণ অথবা হিংসাত্মক আচৰণত লিপ্ত হোৱাৰ পৰা বিৰত ৰাখে। বিপৰীতে, দুর্বল সামাজিক বন্ধন অথবা সামাজিক নিয়ন্ত্রণ ব্যৱস্থাৰ ভাঙোনে হিংসাৰ সম্ভাৱনা বৃদ্ধি কৰিব পাৰে।
- **জৈৱিক তত্ত্বসমূহ ঃ** হিংসাৰ বিষয়ে জৈৱিক দৃষ্টিভংগীসমূহে বংশগতি, মগজুৰ ৰাসায়নিক গঠন আৰু স্নায়বিক কাৰকসমূহে ব্যক্তিসকলক আক্রমণাত্মক অথবা হিংসাত্মক আচৰণৰ প্রতি কেনেদৰে প্রৱণ কৰি তোলে, সেই বিষয়ে অনুসন্ধান কৰে। যদিও বংশগত কাৰকসমূহে ব্যক্তিসকলক হিংসাৰ সৈতে জড়িত কিছুমান বৈশিষ্ট্যৰ প্রতি, যেনে আকস্মিক প্রতিক্রিয়াশীলতা অথবা কম সহানুভূতি, জন্মগতভাৱে প্রৱণ কৰিব পাৰে, তথাপিও আচৰণ গঢ় দিয়াত পৰিৱেশগত কাৰকসমূহে সমানভাৱে গুৰুত্বপূর্ণ ভূমিকা পালন কৰে।
- **মনোবৈজ্ঞানিক তত্ত্বসমূহ ঃ** হিংসাৰ মনোবৈজ্ঞানিক তত্ত্বসমূহে ব্যক্তিগত স্তৰৰ কাৰকসমূহ, যেনে ব্যক্তিত্বৰ বৈশিষ্ট্য, জ্ঞানমূলক প্রক্রিয়া আৰু আৱেগ নিয়ন্ত্রণৰ ওপৰত গুৰুত্ব আৰোপ কৰে, যিবোৰে হিংসাত্মক আচৰণত অৰিহণা যোগাব পাৰে। এই তত্ত্বসমূহৰ ভিতৰত মনঃসমীক্ষণমূলক দৃষ্টিভংগী, জ্ঞানমূলক-আচৰণগত তত্ত্বসমূহ আৰু ব্যক্তিত্বজনিত বিকাৰৰ তত্ত্বসমূহ অন্তর্ভুক্ত, যিবোৰে আক্রমণাত্মক আচৰণৰ ক্ষেত্রত ব্যক্তিৰ আভ্যন্তৰীণ মনোবৈজ্ঞানিক গতিশীলতাৰ প্রভাৱৰ ওপৰত আলোকপাত কৰে।
- **নাৰীবাদী তত্ত্বসমূহ ঃ** হিংসাৰ বিষয়ে নাৰীবাদী দৃষ্টিভংগীসমূহে লিংগ বৈষম্য, পিতৃতন্ত্র আৰু ক্ষমতাৰ গতিশীলতাৰ ভূমিকাৰ ওপৰত গুৰুত্ব আৰোপ কৰে, যিবোৰে নাৰী আৰু সমাজৰ প্রান্তীয়কৃত গোটসমূহৰ বিৰুদ্ধে সংঘটিত বিভিন্ন ধৰণৰ হিংসাক অব্যাহত ৰাখে। এই তত্ত্বসমূহে হিংসাৰ প্রচলিত ব্যাখ্যাসমূহৰ সমালোচনা কৰে আৰু শোষণ আৰু বৈষম্যৰ বিস্তৃত ব্যৱস্থাসমূহৰ পৰিপ্রেক্ষিতত হিংসাক বুজি পোৱাৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰে।

ওপৰত উল্লেখ কৰা তত্ত্বসমূহৰ উপৰিও, হিংসাৰ এক তাত্ত্বিক কাঠামো বিকাশৰ ক্ষেত্রত জোহান গাল্টুংৰ অৱদান বিশেষভাৱে ব্যাখ্যা কৰাটো অত্যন্ত গুৰুত্বপূর্ণ।

গাল্টুংৰ সংঘাত ত্রিভুজ ঃ

জোহান গাল্টুং-এ এক তাত্ত্বিক আর্হি বিকশিত কৰিছিল, যি জনপ্রিয়ভাৱে 'গাল্টুংৰ সংঘাত ত্রিভুজ' অথবা 'হিংসাৰ ত্রিভুজ' নামেৰে পৰিচিত। জোহান গাল্টুংৰ হিংসাৰ শ্রেণীবিভাজন মোটামুটি

তিনিটা ভাগত বিভক্ত কৰিব পাৰি, যিবোৰে এই ত্রিভুজৰ তিনিটা উপাদান গঠন কৰে। এই তিনিটা উপাদান হৈছে প্রত্যক্ষ হিংসা, সাংস্কৃতিক হিংসা আৰু গাঁথনিগত হিংসা।

গাল্টুংৰ ভাষাত, "প্রত্যক্ষ হিংসাৰ দৃশ্যমান প্রভাৱসমূহ সুপৰিচিত নিহত, আহত শ্চদ্দ্বস্তব্ধস্তম্ভস্তব্ধ, স্থানচ্যুত লোকসকল, সম্পত্তিৰ ক্ষতি আৰু এই সকলোবোৰ ক্রমাৎ অসামৰিক লোকসকলক অধিকভাৰে প্রভাৱিত কৰে। কিন্তু ইয়াৰ অদৃশ্য প্রভাৱসমূহ আৰু অধিক ভয়ংকৰ হ'ব পাৰে। প্রত্যক্ষ হিংসাই গাঁথনিগত হিংসা আৰু সাংস্কৃতিক হিংসাক অধিক শক্তিশালী কৰি তোলে।"

জোহান গাল্টুংৰ মতে, "সাংস্কৃতিক হিংসা আৰু গাঁথনিগত হিংসাই প্রত্যক্ষ হিংসাৰ সৃষ্টি কৰে। ই এনে হিংসাত্মক ব্যক্তিসকলক ব্যৱহাৰ কৰে, যিসকলে গাঁথনিসমূহৰ বিৰুদ্ধে বিদ্রোহ কৰে, আৰু হিংসাক এক উপায় হিচাপে ব্যৱহাৰ কৰাটো বৈধ বুলি প্রতিপন্ন কৰিবলৈ সংস্কৃতিক ব্যৱহাৰ কৰে.... দীর্ঘম্যাদী দৃষ্টিকোণৰ পৰা চালে, গাঁথনিগত আৰু সাংস্কৃতিক ক্ষতিৰ তুলনাত প্রত্যক্ষ হিংসা হয়তো তুলনামূলকভাৰে কম ক্ষতিকাৰক হ'ব পাৰে।"

গাঁথনিগত হিংসাৰ ক্ষেত্রত উভয় পক্ষৰ লাভজনক পৰিস্থিতিৰ সম্ভাৱনা অতি কম থাকে, আৰু শক্তিশালী পক্ষৰ সৈতে প্রতিযোগিতা কৰোঁতে সদায় দুর্বল পক্ষই পৰাজিত হয়।

৮.৪.২ হিংসাৰ ৰূপসমূহ

হিংসাৰ ব্যাপকতা বিবেচনা কৰিলে ইয়াক বিভিন্ন শ্রেণীত বিভক্ত কৰিব পাৰি। যেতিয়া মতানৈক্য প্রকাশ আৰু সংলাপৰ বাবে কোনো মাধ্যম নাথাকে অথবা পর্যাপ্ত মাধ্যম উপলব্ধ নাথাকে, তেতিয়া সংঘাত হিংসাত্মক ৰূপ ধাৰণ কৰে। জোহান গাল্টুংৰ মতে, হিংসা হৈছে এনে এক কার্য, যিয়ে মানুহৰ শৰীৰ, মন আৰু আত্মাক আঘাত কৰে। হিংসা শাৰীৰিক বা প্রত্যক্ষ, মানসিক , গাঁথনিগত, সাংস্কৃতিক আৰু ৰাজনৈতিক প্রকৃতিৰ হ'ব পাৰে।

১. **প্রত্যক্ষ বা শাৰীৰিক হিংসা ঃ** এই ধৰণৰ হিংসা সম্পূর্ণৰূপে শাৰীৰিক আক্রমণ অথবা প্রত্যক্ষ আক্রমণৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠে, যেনে কাৰোবাক আঘাত কৰা, চৰ মৰা আদি। প্রত্যক্ষ বা শাৰীৰিক হিংসা হৈছে আনৰ বিৰুদ্ধে মানুহে সংঘটিত কৰা হিংসাত্মক কার্যকলাপৰ অন্তিম ফলাফল, যাৰ পূর্বে মানুহৰ মনত হিংসাত্মক মানসিকতা গঢ়ি উঠে। সাংস্কৃতিক হিংসা আৰু গাঁথনিগত হিংসাই প্রত্যক্ষ হিংসাৰ সৃষ্টি কৰে। এই বিষয়টোও জোহান গাল্টুং-এ বিস্তৃতভাৰে ব্যাখ্যা কৰিছে।

২. **মানসিক হিংসা ঃ** এই ধৰণৰ হিংসা মূলতঃ সংঘাত-পূর্ব আৰু সংঘাত-পৰৱর্তী পৰিস্থিতিত উদ্ভৱ হয়। মানসিক হিংসা বুলিলে এনে আচৰণ বা কার্যকলাপক বুজায়, যিয়ে এজন ব্যক্তিৰ মানসিক সুস্থতা, আত্ম-মূল্যবোধ আৰু আৱেগিক স্থিৰতাক ক্ষতিগ্রস্ত কৰে। শাৰীৰিক হিংসাৰ বিপৰীতে, মানসিক হিংসাই সাধাৰণতে কোনো দৃশ্যমান ক্ষতচিহ্ন এৰি নাযায়, কিন্তু ই ব্যক্তিৰ মানসিক স্বাস্থ্য আৰু সামগ্রিক জীৱনৰ মানৰ ওপৰত গভীৰ আৰু দীর্ঘস্থায়ী প্রভাৱ পেলাব পাৰে। ভয়জনিত মানসিক অৱস্থা, গভীৰ আঘাতজনিত মানসিক চাপ, পাৰিবাৰিক হিংসা আদি মানসিক হিংসাৰ কিছুমান উদাহৰণ। আঘাত-উত্তৰ মানসিক চাপজনিত বিকাৰ মানসিক হিংসাৰ এক অংশ। দীর্ঘদিন ধৰি চলি থকা মানৱ অধিকাৰ উলংঘন, নির্যাতন আদি শেষত মানসিক নির্যাতনৰ ৰূপ ধাৰণ কৰে, যাৰ ফলত ভুক্তভোগীসকলৰ অসুৰক্ষিত অৱস্থা অধিক বৃদ্ধি পায়।

৩. **গাঁথনিগত হিংসা ঃ** গাঁথনিগত হিংসা বুলিলে এনে এক ধৰণৰ হিংসাক বুজায়, য'ত প্রতিষ্ঠানগত

ব্যৱস্থা অথবা সামাজিক আৰু ৰাজনৈতিক গাঁথনিয়ে কিছুমান বিশেষ শ্ৰেণীৰ লোকক বিভিন্ন আঁচনি আৰু উন্নয়নমূলক আৰ্হিৰ সুবিধাসমূহ লাভ কৰাৰ পৰা বঞ্চিত কৰে। গাঁথনিগত হিংসাৰ ধাৰণাটো প্ৰথমবাৰৰ বাবে জোহান গাল্টুং-এ ১৯৬৯ চনত প্ৰকাশিত তেওঁৰ 'হিংসা, শান্তি আৰু শান্তি গৱেষণা' শীৰ্ষক প্ৰবন্ধত বিস্তৃতভাৱে ব্যাখ্যা কৰিছিল। গাল্টুংৰ মতে, গাঁথনিগত হিংসাই সমাজৰ প্ৰান্তীয়কৃত সম্প্ৰদায়সমূহৰ ওপৰত সামাজিক প্ৰতিষ্ঠানসমূহৰ নেতিবাচক ক্ষমতাৰ ব্যাখ্যা আগবঢ়ায়। জাতিভেদ, পুঁজিবাদ, নৱ-ঔপনিৱেশিকতা, সাম্প্ৰদায়িকত, অস্পৃশ্যতা, ধৰ্মীয় অসহিষ্ণুতা আৰু প্ৰতিষ্ঠানগত ব্যৱস্থাৰ বৈষম্যমূলক মনোভাৱ আদি গাঁথনিগত হিংসাৰ কিছুমান উল্লেখযোগ্য উদাহৰণ।

৪. **সাংস্কৃতিক হিংসা ঃ** জোহান গাল্টুংৰ মতে, সাংস্কৃতিক হিংসা হৈছে সংস্কৃতিৰ এনে যিকোনো দিশ, যাক প্ৰত্যক্ষ অথবা গাঁথনিগত হিংসাক বৈধতা প্ৰদান কৰিবলৈ ব্যৱহাৰ কৰিব পাৰি। যেতিয়া সংস্কৃতিৰ নামত কোনো বিষয়ক বৈধতা প্ৰদান কৰাৰ চেষ্টা কৰা হয় আৰু আইন, নীতি অথবা ভাষা আনৰ ওপৰত বলপূৰ্বকভাৱে জাপি দিয়া হয়, তেতিয়া সেয়া সাংস্কৃতিক হিংসাৰ ৰূপ ধাৰণ কৰে। ই এনে এক ধৰণৰ হিংসা, যাৰ বহুতো অদৃশ্য প্ৰভাৱ থাকে। এই ক্ষেত্ৰত হিংসাত্মক পক্ষসমূহে গাঁথনিৰ বিৰুদ্ধে বিদ্ৰোহ কৰে আৰু হিংসাক এক উপায় হিচাপে ব্যৱহাৰ কৰাটো বৈধতা প্ৰদান কৰিবলৈ সংস্কৃতিক ব্যৱহাৰ কৰে।

৫. **ৰাজনৈতিক হিংসা ঃ** এই ধৰণৰ হিংসা জনসাধাৰণ অথবা চৰকাৰসমূহে নিজৰ ৰাজনৈতিক লক্ষ্য লাভ কৰাৰ উদ্দেশ্যে সংঘটিত কৰে। এই শ্ৰেণীৰ হিংসা যুদ্ধৰ সময়ত এখন ৰাষ্ট্ৰই ইয়াৰ শত্ৰুভাৱাপন্ন ৰাষ্ট্ৰৰ বিৰুদ্ধে, লগতে অ-ৰাষ্ট্ৰীয় পক্ষসমূহৰ বিৰুদ্ধেও সংঘটিত কৰে। উদাহৰণস্বৰূপে- পুলিচৰ নিৰ্মমতা, বিদ্ৰোহ-দমন অভিযান, গণহত্যা আদি ৰাজনৈতিক হিংসাৰ উৎকৃষ্ট উদাহৰণ। বহুসাংস্কৃতিক আৰু সংঘাতপূৰ্ণ সমাজত ৰাজনৈতিক হিংসাৰ সময়ত হিংসাৰ মাত্ৰা অধিক বৃদ্ধি পায়। ধ্বংসাত্মক প্ৰৱণতাৰ বাবে ৰাজনৈতিক হিংসাৰ ক্ষেত্ৰত সংঘাত-উত্তৰ মানসিক আঘাত সৰ্বাধিক হয়। ৰাজনৈতিক হিংসা ৰাষ্ট্ৰ আৰু অ-ৰাষ্ট্ৰীয় পক্ষসমূহে অস্ত্ৰ-শস্ত্ৰ আৰু অন্যান্য ধৰণৰ সঁজুলিৰ সহায়ত সংঘটিত কৰে, যিবোৰৰ প্ৰতিপক্ষক ধ্বংস কৰাৰ ক্ষমতা থাকে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ ৰবাৰ্ট মেৰ্টন হিংসাৰ কোনটো তত্ত্বৰ সৈতে জড়িত?

প্ৰশ্ন নং ৫ ঃ সাংস্কৃতিক হিংসাৰ অৰ্থ লিখক।

৮.৫ হিংসাৰ সংস্কৃতি

হিংসাৰ সংস্কৃতি হৈছে এক জটিল পৰিঘটনা, যি বিশ্বৰ বিভিন্ন সমাজত গভীৰভাৱে প্ৰোথিত হৈ আছে। ইয়াৰ অন্তৰ্গত হৈছে বিভিন্ন ধৰণৰ আচৰণ, বিশ্বাস আৰু সামাজিক মানদণ্ড, যিবোৰে শাৰীৰিক আক্ৰমণৰ পৰা আৰম্ভ কৰি গাঁথনিগত বৈষম্য পৰ্যন্ত বিভিন্ন ধৰণৰ হিংসাক অব্যাহত ৰাখে আৰু স্বাভাৱিক হিচাপে প্ৰতিষ্ঠা কৰে। এই সংস্কৃতিৰ গতিশীলতা আৰু প্ৰভাৱসমূহ বুজিবলৈ ইয়াৰ উৎপত্তি, প্ৰকাশৰ ৰূপসমূহ আৰু ব্যক্তি তথা সম্প্ৰদায়সমূহৰ ওপৰত পৰা ইয়াৰ প্ৰভাৱ সম্পৰ্কে অনুসন্ধান কৰাটো প্ৰয়োজন।

হিংসাৰ সংস্কৃতিৰ বিকাশত অৱিহণা যোগোৱা মৌলিক দিশসমূহৰ ভিতৰত অন্যতম হৈছে ঐতিহাসিক পূৰ্বাপৰ। বহু সমাজৰ সংঘাত, যুদ্ধ আৰু বিজয় অভিযানৰ এক দীঘলীয়া ইতিহাস আছে, যিয়ে তেওঁলোকৰ সামূহিক মানসিকতা আৰু সামাজিক গাঁথনিক গঢ় দিছে। এই ঐতিহাসিক অভিজ্ঞতাসমূহে বহু ক্ষেত্ৰত ক্ষমতা, আধিপত্য

অথবা ন্যায় লাভকৰাৰ এক উপায় হিচাপে হিংসাক গৌৰৱমণ্ডিত কৰি আহিছে।

গাঁথনিগত বৈষম্যসমূহে হিংসাৰ সংস্কৃতি অব্যাহত ৰখাত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। অৰ্থনৈতিক বৈষম্য, বৰ্ণভিত্তিক বৈষম্য, লিংগভিত্তিক হিংসা আৰু পদ্ধতিগত অন্যায়ৰ অন্যান্য ৰূপসমূহে হিংসা অব্যাহত থকাৰ বাবে এক অনুকূল পৰিৱেশ সৃষ্টি কৰে। গণমাধ্যমৰ উপস্থাপন আৰু সাংস্কৃতিক বৰ্ণনাসমূহে আক্ৰমণাত্মক আচৰণ আৰু সংঘাত সমাধানৰ প্ৰতি মানুহৰ ধাৰণা আৰু মনোভাৱক প্ৰভাৱিত কৰি হিংসাৰ সংস্কৃতিক গঢ় দিয়ে।

জনপ্ৰিয় গণমাধ্যমে প্ৰায়ে হিংসাক গৌৰৱমণ্ডিত কৰে আৰু ইয়াক সমস্যাৰ সমাধান অথবা মনোৰঞ্জনৰ এক মাধ্যম হিচাপে উপস্থাপন কৰে। ভিডিঅ' গেম, চলচ্চিত্ৰ, সংগীত আৰু অন্যান্য গণমাধ্যমৰ ৰূপসমূহত সঘনাই হিংসাত্মক কাৰ্যকলাপ প্ৰদৰ্শন কৰা হয়, কিন্তু সেইবোৰৰ পৰিণতি সম্পূৰ্ণৰূপে বিশ্লেষণ কৰা নহয় অথবা সংঘাত সমাধানৰ বিকল্প অহিংস পদ্ধতিসমূহক যথেষ্টভাৱে উৎসাহিত কৰা নহয়। এনে উপস্থাপনাসমূহে ব্যক্তিসকলক হিংসাৰ বাস্তৱতাৰ প্ৰতি সংবেদনহীন কৰি তুলিব পাৰে আৰু ক্ষতিকাৰক ধাৰণা আৰু পূৰ্বধাৰণাসমূহক অধিক শক্তিশালী কৰি তোলে।

পৰিয়াল, বিদ্যালয় আৰু সমনীয়াৰ গোটসমূহে গঢ়ি তোলা সামাজিকীকৰণ প্ৰক্ৰিয়াই মূল্যবোধ, মনোভাৱ আৰু আচৰণ প্ৰদানৰ জৰিয়তে হিংসাৰ সংস্কৃতিক অধিক শক্তিশালী কৰে, যিবোৰে আক্ৰমণাত্মক আচৰণ আৰু সংঘাতক স্বাভাৱিক হিচাপে প্ৰতিষ্ঠা কৰে। শিশুসকলে প্ৰায়ে কম বয়সৰ পৰাই শিকে যে অনুভৱ কৰা ভাবুকি অথবা প্ৰত্যাহ্বানৰ প্ৰতি হিংসা এক গ্ৰহণযোগ্য অথবা আনকি প্ৰয়োজনীয় সঁহাৰি।

হিংসাৰ সংস্কৃতিৰ দ্বাৰা প্ৰভাৱিত সম্প্ৰদায়সমূহে প্ৰায়ে সামাজিক বিভাজন, পাৰস্পৰিক অবিশ্বাস আৰু অনিৰাপত্তাৰ সন্মুখীন হয়। উচ্চমাত্ৰাৰ হিংসাই সামাজিক সংহতি দুৰ্বল কৰি তুলিব পাৰে, সম্প্ৰদায়ভিত্তিক নেটৱৰ্কসমূহ বিঘ্নিত কৰিব পাৰে আৰু প্ৰতিষ্ঠানসমূহ তথা কৰ্তৃপক্ষৰ প্ৰতি থকা আস্থা ক্ষয় কৰিব পাৰে। তদুপৰি, হিংসাৰ স্বাভাৱিকীকৰণে অন্তৰ্নিহিত সামাজিক সমস্যাসমূহ সমাধান কৰা আৰু বহনক্ষম উন্নয়ন প্ৰসাৰ কৰাৰ প্ৰচেষ্টাক বাধাগ্ৰস্ত কৰিব পাৰে, ফলস্বৰূপে দৰিদ্ৰতা, অপৰাধ আৰু অস্থিৰতাৰ এক চিৰস্থায়ী চক্ৰ অব্যাহত থাকে।

হিংসাৰ সংস্কৃতিৰ মোকাবিলা কৰিবলৈ এক বহুমাত্ৰিক পদ্ধতিৰ প্ৰয়োজন, যিয়ে ইয়াৰ মূল কাৰণসমূহক সমাধান কৰে আৰু আক্ৰমণাত্মক আচৰণ তথা সংঘাতৰ বিকল্পসমূহক প্ৰসাৰিত কৰে। ইয়াৰ অন্তৰ্গত হৈছে সামাজিক ন্যায় আৰু সমতা প্ৰসাৰ কৰা, শিক্ষা আৰু যুৱ সৱলীকৰণত বিনিয়োগ কৰা, সম্প্ৰদায়ভিত্তিক হস্তক্ষেপ গ্ৰহণ কৰা, আৰু সহানুভূতি, সংলাপ আৰু মানৰ অধিকাৰৰ প্ৰতি সম্মানভিত্তিক এক সংস্কৃতি গঢ়ি তোলা। হিংসাৰ স্বাভাৱিকীকৰণক প্ৰত্যাহ্বান জনাই আৰু শান্তিপূৰ্ণ তথা অন্তৰ্ভুক্তিমূলক সমাজ গঢ়ি তোলাৰ জৰিয়তে আমি সকলোৰে বাবে অধিক নিৰাপদ আৰু অধিক ন্যায়সংগত বিশ্ব নিৰ্মাণৰ দিশত আগবাঢ়িব পাৰোঁ।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ হিংসাৰ সংস্কৃতিৰ অৰ্থ সম্পৰ্কে চমুকৈ লিখক।

৮.৬ সমাজত হিংসাৰ প্ৰভাৱ

যদি আমি এই ধাৰণা গঢ়ি তোলোঁ যে মানুহৰ মগজু স্বভাৱগতভাৱে হিংসাত্মক, তেন্তে সেয়া বৈজ্ঞানিকভাৱে শুদ্ধ বুলি গণ্য কৰা নহয়। কাৰণ হিংসা আমাৰ ঔপনিৱেশিক উত্তৰাধিকাৰত নাই, আৰু ই আমাৰ জিনতো নিহিত নহয়। সমাজত মানৱীয় মূল্যবোধসমূহ ধাৰাবাহিকভাৱে ক্ষয় হৈ আহিছে, আৰু দীৰ্ঘম্যাদত মানুহৰ বিভিন্ন শ্ৰেণীয়ে সামাজিক দৃষ্টিভংগীত গাঁথনিগত হিংসা আৰু অন্যান্য ধৰণৰ হিংসাৰ সৃষ্টি কৰিছে।

যিহেতু মানৱজাতিয়ে যুদ্ধ উদ্ভাৱন কৰিছে, আৰু যুদ্ধৰ আৰম্ভণি মানুহৰ মনত হয়, সেইদৰে শান্তি নিশ্চিত কৰাৰ ক্ষমতাও মানুহৰ আছে, কাৰণ শান্তিৰ আৰম্ভণিও মানুহৰ মনতেই হয়। এইবোৰ জৈৱিক নৈৰাশ্যবাদৰ কিছুমান দিশ মাত্ৰ। সেয়েহে আমি মানুহৰ সামাজিক দিশৰ ওপৰত অধিক গুৰুত্ব দিব লাগে, যাতে ব্যক্তিসকলে আশাবাদী মানসিক সম্পৰ্ক গঢ়ি তুলিব পাৰে, যি মানৱ সু�ৰক্ষাৰ বাবে অত্যন্ত অনুকূল।

হিংসাত্মক সংঘাত, বিশেষকৈ সশস্ত্র হিংসাই , মানৱ সুৰক্ষাৰ বিষয়টোক সম্পূৰ্ণৰূপে দুৰ্বল কৰি তোলে, যাৰ ফলত বিশ্বৰ বৃহৎ অংশত সুৰক্ষা-দ্বিধাৰ সৃষ্টি হয়। ক্ৰমবৰ্ধমান আকাংক্ষা, আশা-আকাংক্ষা আৰু সামৰ্থ্যৰ মাজৰ ব্যৱধানে হতাশাৰ সৃষ্টি কৰে, আৰু সেই হতাশাই শেষত হিংসাৰ জন্ম দিয়ে।

হিংসাত্মক সশস্ত্র সংঘাতৰ পৰিস্থিতিত নিৰ্দোষ অসামৰিক লোকসকলে নিজৰ কোনো অপৰাধ নোহোৱাকৈয়ে জীৱন হেৰুৱায়। সংঘাতপীড়িত অঞ্চলত বাস কৰা লোকসকলে ভয়ৰ পৰিৱেশৰ সৈতে খাপ খুৱাই জীৱন নিৰ্বাহ কৰিবলগীয়া হয়, কিয়নো সশস্ত্র হিংসাৰ সৈতে সাধাৰণতে ব্যাপক ভয় জড়িত হৈ থাকে। সংঘাতপ্ৰৱণ অঞ্চলত বাস কৰা লোকসকলে জীৱন আৰু শাৰীৰিক সুস্থতাৰ বাবে ভয় কৰাৰ উপৰিও ধৰ্মীয়, সাংস্কৃতিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক অধিকাৰ আৰু প্ৰাপ্য সুবিধাসমূহ স্বাধীনভাৱে প্ৰয়োগ কৰাৰ ক্ষেত্ৰতো ভয় অনুভৱ কৰে। তেওঁলোকে ভয়, উৎকণ্ঠা, সন্দেহ আৰু অনিৰাপত্তাৰ পৰিৱেশত জীৱন-যাপন কৰিবলগীয়া হয়।

সংঘাতপীড়িত অঞ্চলত বাস কৰা লোকসকলক সদায় কোনো বিপদৰ আশংকাত থকা দেখা যায়, সেয়া সশস্ত্র গোটসমূহৰ ভাবুকি হওক বা নিৰাপত্তা বাহিনীৰহয়ৰানি হওক। তেওঁলোকৰ গুলীয়াগুলীৰ মাজত আবদ্ধ হৈ পৰাৰ ভয় সদায় থাকে। লক্ষ্যবস্তু হিচাপে পৰিণত হোৱাৰ অথবা সশস্ত্র হিংসাৰ আকস্মিক ভুক্তভোগী হোৱাৰ ভয় সংঘাতপীড়িত অঞ্চলত বাস কৰা লোকসকলৰ মাজত অতি সাধাৰণ।

স্থানচ্যুতিৰ ফলত স্বাভাৱিক সামাজিক জীৱন আৰু উৎপাদনশীল কাৰ্যকলাপসমূহ স্থবিৰ হৈ পৰে। স্থানচ্যুতিৰ ফলত মানুহক শিবিৰবাসী হিচাপে কলংকিত কৰা হয়। ইয়াৰ ফলত মানুহ এনে এক পৰিস্থিতিত উপনীত হয়, য'ত তেওঁলোকে নিজৰ ভূমি হেৰুৱায়। এই ভূমিয়ে কেৱল তেওঁলোকৰ উপাৰ্জনৰ উৎসেই নাছিল, বৰঞ্চ তেওঁলোকৰ সাংস্কৃতিক ঐতিহ্যৰ সৈতে জড়িত এক গভীৰ সম্পৰ্ক বহন কৰিছিল। ভূমিৰ মালিকীস্বত্বৰ সৈতে জড়িত সামাজিক মৰ্যাদাও তেওঁলোকে হেৰুৱায়, আনৰ ভূমিত শ্ৰমিক হিচাপে কাম কৰিবলগীয়া হয় আৰু আত্মনিৰ্ভৰশীল অৱস্থাৰ পৰা চৰকাৰী কল্যাণমূলক সহায়তাৰ ওপৰত নিৰ্ভৰশীল হৈ পৰে। এইদৰে, হিংসাই সংঘাতপ্ৰৱণ অঞ্চলত বাস কৰা লোকসকলৰ সামাজিক আৰু আৰ্থিক অৱস্থাৰ ওপৰত গভীৰ প্ৰভাৱ পেলায়।

শিবিৰসমূহত আশ্ৰয় লৈ থকা স্থানচ্যুত লোকসকলে পুনৰ হিংসাৰ ভয়ত নিজৰ ঘৰলৈ ঘূৰি যাবলৈ অনিচ্ছা প্ৰকাশ কৰে। সশস্ত্র হিংসাৰ ফলত শিশুসকলৰ শিক্ষাও ক্ষতিগ্ৰস্ত হয়। কিয়নো হিংসাত্মক সংঘাতপীড়িত অঞ্চলসমূহত বিদ্যালয়সমূহক প্ৰায়ে সাহায্য শিবিৰত পৰিণত কৰা হয়, যাৰ ফলত শিশুসকলৰ শিক্ষা গুৰুতৰভাৱে ব্যাহত হয়। পুনৰ, সংঘাতপীড়িত অঞ্চলসমূহত বহু অভিভাৱকে বিদ্যালয়লৈ যোৱাৰ বাবে দীঘলীয়া দূৰত্ব অতিক্ৰম কৰাৰ লগত জড়িত অনিৰাপত্তাৰ ভয়ত নিজৰ সন্তানসকলক বিদ্যালয়লৈ পঠিয়াবলৈ সংকোচবোধ কৰে।

দীৰ্ঘদিন ধৰি চলি থকা হিংসাত্মক সংঘাতসমূহে সৃষ্টি কৰা অনিৰাপত্তাই মানুহৰ মনোবিজ্ঞানৰ ওপৰত গভীৰ নেতিবাচক প্ৰভাৱ পেলায়। ফলস্বৰূপে, তেওঁলোকে প্ৰায়ে গভীৰ মানসিক আঘাত ভুগিবলগীয়া হয়। এই মানসিক আঘাতে গুৰুতৰ স্বাস্থ্যজনিত সমস্যা সৃষ্টি কৰে আৰু মানসিক শান্তি বিঘ্নিত কৰে।

হিংসাত্মক সংঘাতৰ পৰিস্থিতিত সশস্ত্র হিংসাই মানুহক স্থানচ্যুত হ'বলৈ বাধ্য কৰে, আৰু ইয়াৰ ফলত অনিৰাপত্তা অধিক বৃদ্ধি পায়। নিজৰ ঘৰ আৰু বাসস্থান এৰি যাবলগীয়া হোৱাটো অতি কৰুণ, কিয়নো স্থানচ্যুত লোকসকলে নিজৰ মূল বাসস্থান এৰি যোৱাৰ সময়ত জীৱনধাৰণৰ বহুতো গুৰুত্বপূৰ্ণ সম্পদ হেৰুৱায়। ইয়াৰ ভিতৰত সামাজিক সম্পৰ্ক, ওচৰ-চুবুৰীয়া আৰু উমৈহতীয়া সম্পদৰ ব্যৱহাৰৰ সুবিধাও অন্তৰ্ভুক্ত। স্থানচ্যুতিয়ে বিশেষকৈ মহিলা আৰু শিশুসকলৰ বাবে অধিক অসুৰক্ষিত পৰিস্থিতিৰ সৃষ্টি কৰে।

এইদৰে, শিক্ষা, যাক মানৱ দক্ষতা আৰু মানৱ উন্নয়নৰ এক মুখ্য উপাদান বুলি গণ্য কৰা হয়, সশস্ত্র হিংসাপ্ৰৱণ সমাজসমূহৰ শিশুসকলৰ পৰা বঞ্চিত কৰা হৈছে। সশস্ত্র হিংসাই স্বাস্থ্যসেৱা সুবিধাসমূহৰ ওপৰতো নেতিবাচক প্ৰভাৱ পেলায়। বহু সময়ত সশস্ত্র গোটসমূহৰ ভয়ত চিকিৎসা কৰ্মীসকলে সংঘাতপ্ৰৱণ গ্ৰাম্য অঞ্চলসমূহলৈ গৈ নিজৰ দায়িত্ব পালন কৰিবলৈ ইচ্ছা নকৰে। চিকিৎসা কৰ্মীৰ এনে অভাৱৰ বাবে সাধাৰণ মানুহে গুৰুতৰভাৱে কষ্ট ভোগ কৰিবলগীয়া হয়। শিশু, মহিলা আৰু কিশোৰীসকলে এনে পৰিস্থিতিত বিশেষ সমস্যাৰ সন্মুখীন হয়। বিশেষকৈ, প্ৰজনন স্বাস্থ্যসেৱাৰ সুবিধাৰ অভাৱে মহিলা আৰু তেওঁলোকৰ শিশুসকলৰ বাবে

নেতিবাচক পৰিণতিৰ সৃষ্টি কৰে।

সংঘাতপীড়িত অঞ্চলসমূহত মানুহে নিজেই ৰাষ্ট্ৰৰ নিৰাপত্তা বাহিনী আৰু সশস্ত্ৰ গোটসমূহৰ পৰা হিংসাৰ ভয়ত নিজৰ চলাচলৰ ওপৰত নিষেধাজ্ঞা আৰোপ কৰে। চলাচলৰ ওপৰত এই নিষেধাজ্ঞাই মানুহৰ আৰ্থিক অৱস্থাৰ ওপৰত বিৰূপ প্ৰভাৱ পেলায়। এনে পৰিস্থিতিত উন্নয়নমূলক কাৰ্যকলাপসমূহো গুৰুতৰভাৱে ব্যাহত হয়, কিয়নো ৰাষ্ট্ৰই সশস্ত্ৰ গোটসমূহক প্ৰতিহত কৰিবলৈ ক্ৰমান্বয়ে অধিক পুঁজি বিনিয়োগ কৰে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৭ ঃ সংঘাতপ্ৰৱণ অঞ্চলসমূহত হিংসাৰ প্ৰভাৱ সম্পৰ্কে চমুকৈ লিখক।

৮.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- হিংসা শব্দটোক শান্তি আৰু অহিংসাৰ বিপৰীত হিচাপে ব্যাখ্যা কৰা হয়। হিংসা ব্যক্তি আৰু ব্যক্তিৰ মাজত, পৰিয়ালৰ ভিতৰত, সম্প্ৰদায়সমূহৰ মাজত আৰু বিশেষকৈ জাতিগত গোটসমূহৰ মাজত সংঘটিত হ'ব পাৰে।
- ইয়াৰ কাৰণসমূহৰ ভিতৰত পৰস্পৰবিৰোধী ধাৰণা, হতাশা, মানুহৰ মাজত থকা পাৰ্থক্য, আপেক্ষিক বঞ্চনা, মানসিক বৈৰিতা, অসহিষ্ণু আচৰণ, প্ৰতিষ্ঠানগত নিয়ন্ত্ৰণমুক্তকৰণ, সহযোগিতাৰ অভাৱ আদি উল্লেখযোগ্য।
- নৰৱেৰ সমাজতত্ত্ববিদ তথা শান্তি আৰু সংঘাত অধ্যয়ন শাখাৰ অন্যতম প্ৰধান প্ৰতিষ্ঠাপক জোহান গাল্টুং-এ এক তাত্ত্বিক ধাৰা বিকশিত কৰিছিল, য'ত কোৱা হৈছে যে সংঘাত চাৰিটা স্তৰত উদ্ভৱ হ'ব পাৰে। সেইবোৰ হৈছে এজন ব্যক্তিৰ অন্তৰ্ভাগৰ সংঘাত অথবা ব্যক্তি আৰু ব্যক্তিৰ মাজৰ সংঘাত, অৰ্থাৎ আন্তঃব্যক্তিক আৰু অন্তঃব্যক্তিক সংঘাত; জাতি, লিংগ, প্ৰজন্ম অথবা শ্ৰেণীৰ মাজত সংঘাত; ৰাষ্ট্ৰসমূহৰ মাজত সংঘাত; আৰু বিশ্বৰ বিভিন্ন সভ্যতাৰ মাজত সংঘাত।
- হিংসাৰ ব্যাপকতা বিবেচনা কৰিলে ইয়াক বিভিন্ন শ্ৰেণীত বিভক্ত কৰিব পাৰি। হিংসা শাৰীৰিক বা প্ৰত্যক্ষ, মানসিক, গাঁথনিগত, সাংস্কৃতিক আৰু ৰাজনৈতিক প্ৰকৃতিৰ হ'ব পাৰে।
- জোহান গাল্টুং-এ এক তাত্ত্বিক আৰ্হি বিকশিত কৰিছিল, যি জনপ্ৰিয়ভাৱে 'গাল্টুংৰ সংঘাত ত্ৰিভুজ' অথবা 'হিংসাৰ ত্ৰিভুজ' নামেৰে পৰিচিত। তেওঁ হিংসাৰ কাৰণসমূহক তিনিটা পৰ্যায়ত বিশ্লেষণ কৰিছিল- হিংসাৰ পূৰ্বে, হিংসাৰ সময়ত আৰু হিংসাৰ পিছত।
- হিংসাই সমাজৰ ওপৰত বিৰূপ প্ৰভাৱ পেলায়। হিংসাত্মক সংঘাত, বিশেষকৈ সশস্ত্ৰ হিংসাই মানৱ সুৰক্ষাৰ বিষয়টোক সম্পূৰ্ণৰূপে দুৰ্বল কৰি তোলে, যাৰ ফলত বিশ্বৰ বৃহৎ অংশত সুৰক্ষা-দ্বিধাৰ সৃষ্টি হয়।
- হিংসাত্মক পৰিস্থিতিত উন্নয়নমূলক কাৰ্যকলাপসমূহো গুৰুতৰভাৱে ব্যাহত হয়, কিয়নো ৰাষ্ট্ৰই সশস্ত্ৰ গোটসমূহক প্ৰতিহত কৰিবলৈ অধিকাধিক পুঁজি বিনিয়োগ কৰে।

৮.৮ অধিক জানিবলৈ

1. Gurr. Ted Robert (2016). *Why men rebel,* Routledge, p-40
2. Derrienic, Jean-pierre (1972). *Theory and ideologies of violence,* in Journal of Peace Research, Vol 9, No
3. Galtung. J.(1969). *Violence, Peace and Peace research,* JPR, pp- 167
4. Banerjee, D., & Mugga, R. (2002). *Small Arms and Human Insecurity* (Reviewing Participatory Research in South Asia), Regional Centre for Strategic Studies, Co-

lombo, p 46

5. Hussain, M and Phanjoubam, P.(2007). *A Status Report on Displacement in Assam and Manipur,* Mahanirban Calcutta Research Group, Kolkata, p 05

৮.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ জোহান গাল্টুং।

২ নং প্রশ্নৰ উত্তৰ ঃ হিংসাৰ সংজ্ঞা অতি বিস্তৃত। সাধাৰণতে, হিংসা শব্দটোক শান্তি আৰু অহিংসাৰ বিপৰীত হিচাপে ব্যাখ্যা কৰা হয়। হিংসা ব্যক্তি আৰু ব্যক্তিৰ মাজত, পৰিয়ালৰ ভিতৰত, সম্প্রদায়সমূহৰ মাজত আৰু বিশেষকৈ জাতিগত গোটসমূহৰ মাজত সংঘটিত হব পাৰে। ইয়াৰ কাৰণসমূহৰ ভিতৰত পৰস্পৰবিৰোধী ধাৰণা, হতাশা, মানুহৰ মাজত থকা পার্থক্য, আপেক্ষিক বঞ্চনা, মানসিক বৈৰিতা, অসহিষ্ণু আচৰণ, প্রতিষ্ঠানগত নিয়ন্ত্রণমুক্তকৰণ, সহযোগিতাৰ অভাৰ আদি উল্লেখযোগ্য।

৩ নং প্রশ্নৰ উত্তৰ ঃ

(i) এজন ব্যক্তিৰ অন্তর্ভাগৰ সংঘাত অথবা ব্যক্তি আৰু ব্যক্তিৰ মাজৰ সংঘাত, অর্থাৎ আন্তঃব্যক্তিক আৰু অন্তঃব্যক্তিক সংঘাত।

(ii) জাতি, লিংগ, প্রজন্ম অথবা শ্রেণীৰ মাজত সংঘাত।

(iii) ৰাষ্ট্রসমূহৰ মাজত সংঘাত।

(iv) বিশ্বৰ বিভিন্ন সভ্যতাৰ মাজত সংঘাত।

৪ নং প্রশ্নৰ উত্তৰ ঃ চাপ তত্ত্ব।

৫ নং প্রশ্নৰ উত্তৰ ঃ জোহান গাল্টুংৰ মতে, সাংস্কৃতিক হিংসা হৈছে সংস্কৃতিৰ এনে যিকোনো দিশ, যাক প্রত্যক্ষ বা গাঁথনিগত হিংসাক বৈধতা প্রদান কৰিবলৈ ব্যৱহাৰ কৰিব পাৰি। যেতিয়া সংস্কৃতিৰ নামত কোনো বিষয়ক বৈধতা প্রদান কৰাৰ চেষ্টা কৰা হয় আৰু আইন, নীতি অথবা ভাষা আনৰ ওপৰত বলপূর্বকভাৱে জাপি দিয়া হয়, তেতিয়া সেয়া সাংস্কৃতিক হিংসাৰ ৰূপ ধাৰণ কৰে। ই এনে এক ধৰণৰ হিংসা, যাৰ বহুতো অদৃশ্য প্রভাৱ থাকে। এই ক্ষেত্রত হিংসাত্মক পক্ষসমূহে গাঁথনিৰ বিৰুদ্ধে বিদ্রোহ কৰে আৰু হিংসাক এক উপায় হিচাপে ব্যৱহাৰ কৰাটো বৈধতা প্রদান কৰিবলৈ সংস্কৃতিক ব্যৱহাৰ কৰে।

৬ নং প্রশ্নৰ উত্তৰ ঃ হিংসাৰ সংস্কৃতি হৈছে এক জটিল পৰিঘটনা, যি বিশ্বৰ বিভিন্ন সমাজত গভীৰভাৱে প্রোথিত হৈ আছে। ইয়াৰ অন্তর্গত হৈছে বিভিন্ন ধৰণৰ আচৰণ, বিশ্বাস আৰু সামাজিক মানদণ্ড, যিবোৰে শাৰীৰিক আক্রমণৰ পৰা আৰম্ভ কৰি গাঁথনিগত বৈষম্য পর্যন্ত বিভিন্ন ধৰণৰ হিংসাক অব্যাহত ৰাখে আৰু স্বাভাৰিক হিচাপে প্রতিষ্ঠা কৰে।

৭ নং প্রশ্নৰ উত্তৰ ঃ হিংসাত্মক সশস্ত্র সংঘাতৰ পৰিস্থিতিত নির্দোষ অসামৰিক লোকসকলে নিজৰ কোনো অপৰাধ নোহোৱাকৈয়ে জীৱন হেৰুৱায়। সংঘাতপীড়িত অঞ্চলত বাস কৰা লোকসকলে ভয়ৰ পৰিৱেশৰ সৈতে খাপ খুৱাই জীৱন নির্বাহ কৰিবলগীয়া হয়, কিয়নো সশস্ত্র হিংসাৰ সৈতে সাধাৰণতে ব্যাপক ভয় জড়িত হৈ থাকে। তেওঁলোকে ভয়, উৎকণ্ঠা, সন্দেহ আৰু অনিৰাপত্তাৰ পৰিৱেশত জীৱন-যাপন কৰিবলগীয়া হয়। সংঘাতপীড়িত অঞ্চলত বাস কৰা লোকসকল সদায় কোনো বিপদৰ আশংকাত থাকে, সেয়া সশস্ত্র গোটসমূহৰ ভাবুকি হওক বা নিৰাপত্তা বাহিনীৰ হাৰাশাস্তি হওক। দীর্ঘদিন ধৰি চলি

থকা হিংসাত্মক সংঘাতে সৃষ্টি কৰা অনিৰাপত্তাই মানুহৰ মনোবিজ্ঞানৰ ওপৰত বিৰূপ প্ৰভাৱ পেলায়।

হিংসাই সংঘাতপ্ৰৱণ অঞ্চলত বাস কৰা লোকসকলৰ সামাজিক আৰু আৰ্থিক অৱস্থাৰ ওপৰত গভীৰ প্ৰভাৱ পেলায়। শিবিৰত বাস কৰা স্থানচ্যুত লোকসকলে পুনৰ হিংসাৰ ভয়ত নিজৰ ঘৰলৈ ঘূৰি যাবলৈ অনিচ্ছা প্ৰকাশ কৰে। সশস্ত্ৰ হিংসাৰ ফলত শিশুসকলৰ শিক্ষাও ক্ষতিগ্ৰস্ত হয়। হিংসাত্মক সংঘাতপীড়িত অঞ্চলসমূহত বিদ্যালয়সমূহ প্ৰায়ে সাহায্য শিবিৰলৈ ৰূপান্তৰিত কৰা হয়, যাৰ ফলত শিশুসকলৰ শিক্ষা গুৰুতৰভাৱে ব্যাহত হয়। তদুপৰি, সংঘাতপীড়িত অঞ্চলৰ বহু অভিভাৱকে বিদ্যালয়লৈ যোৱাৰ বাবে দীঘলীয়া দূৰত্ব অতিক্ৰম কৰাৰ লগত জড়িত অনিৰাপত্তাৰ ভয়ত নিজৰ সন্তানসকলক বিদ্যালয়লৈ পঠিয়াবলৈ সংকোচবোধ কৰে।

ফলস্বৰূপে, শিক্ষা, যাক মানৰ দক্ষতা আৰু মানৱ উন্নয়নৰ এক মুখ্য উপাদান বুলি গণ্য কৰা হয়, সশস্ত্ৰ হিংসাপ্ৰৱণ সমাজসমূহৰ শিশুসকলৰ বাবে বঞ্চিত হৈ পৰে। সশস্ত্ৰ হিংসাই স্বাস্থ্যসেৱা সুবিধাসমূহৰ ওপৰতো নেতিবাচক প্ৰভাৱ পেলায়। বহু সময়ত সশস্ত্ৰ গোটসমূহৰ ভয়ত চিকিৎসা কৰ্মীসকলে সংঘাতপ্ৰৱণ গ্ৰাম্য অঞ্চলসমূহলৈ গৈ নিজৰ দায়িত্ব পালন কৰিবলৈ ইচ্ছা নকৰে।

৮.১০ আৰ্হি প্ৰশ্ন

(ক) অতি চমু প্ৰশ্ন-

প্ৰশ্ন ১ ঃ 'ফাইটিং ফৰ হ'প' গ্ৰন্থখন কোনে লিখিছিল?

প্ৰশ্ন ২ ঃ মানসিক হিংসাৰ অৰ্থ লিখক।

প্ৰশ্ন ৩ ঃ হিংসাৰ সামাজিক নিয়ন্ত্ৰণ তত্ত্বৰ বিষয়ে চমুকৈ লিখক।

প্ৰশ্ন ৪ ঃ ি

(খ) চুটি প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায় ১৫০ টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ গাল্টুং-এ উল্লেখ কৰা হিংসাৰ বিভিন্ন মাত্ৰাসমূহ সম্পৰ্কে এটি টোকা লিখক।

প্ৰশ্ন ২ ঃ হিংসাৰ বিভিন্ন ৰূপ ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ ঃ সমাজত হিংসাৰ সংস্কৃতিৰ বিষয়ে চমুকৈ ব্যাখ্যা কৰক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায় ৩০০-৫০০ শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ হিংসাৰ অৰ্থ ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ হিংসা সম্পৰ্কে জোহান গাল্টুংৰ মতামতসমূহ আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ সমাজত হিংসাৰ প্ৰভাৱ পৰীক্ষা কৰক।

****

অধ্যায় ৯ ঃ ভাৰতত কৃষিভিত্তিক শ্ৰেণী গাঁথনি আৰু গ্ৰাম্য নেতৃত্ব

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য
৯.২ পৰিচয়
৯.৩ ভাৰতত কৃষিভিত্তিক শ্ৰেণী গাঁথনিৰ স্বৰূপ
৯.৪ স্বাধীনতাৰ পিছৰ ভাৰতত গ্ৰাম্য ৰূপান্তৰত ৰাষ্ট্ৰৰ হস্তক্ষেপ
৯.৫ ভাৰতত গ্ৰাম্য নেতৃত্বৰ পৰিৱৰ্তনশীল গতিশীলতা আৰু উদীয়মান ধাৰা
৯.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৯.৭ অধিক জানিবলৈ
৯.৮ অগ্ৰগতিৰ খতিয়ান
৯.৯ আৰ্হি প্ৰশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- কৃষিভিত্তিক শ্ৰেণী গাঁথনিৰ অৰ্থ ব্যাখ্যা কৰিব পাৰিব।
- ভাৰতত কৃষিভিত্তিক শ্ৰেণী গাঁথনিৰ স্বৰূপ বৰ্ণনা কৰিব পাৰিব।
- স্বাধীনতাৰ পিছৰ ভাৰতত গ্ৰাম্য ৰূপান্তৰত ৰাষ্ট্ৰৰ হস্তক্ষেপৰ স্বৰূপ আলোচনা কৰিব পাৰিব।
- ভাৰতত গ্ৰাম্য নেতৃত্বৰ পৰিৱৰ্তনশীল গতিশীলতা আৰু উদীয়মান ধাৰাসমূহ আলোচনা কৰিব পাৰিব।

৯.২ পৰিচয়

স্বাধীনতাৰ পিছৰ যুগত গ্ৰাম্য ভাৰত চাৰিটা শ্ৰেণীত গঠিত হৈ পৰিছে আৰু সেয়াই ব্যৱস্থাটোৰ এক অংশ হিচাপে পৰিগণিত হৈছে। ক'ব পাৰি যে কৃষি ক্ষেত্ৰখনৰ ভিতৰত তিনিটা শ্ৰেণী আছে— ভূমিৰ মালিক, ভাড়াতীয়া ৰায়ত আৰু শ্ৰমিক; আনহাতে চতুৰ্থ শ্ৰেণীটো হৈছে অ-কৃষিজীৱী।

যিবোৰ গোট আৰু বসতিৰ লোকসকলে মূলত ভূমি চহ কৰি আৰু মৎস্য পালন আৰু পশুপালন আদি সংলগ্ন কাৰ্যকলাপৰ জৰিয়তে জীৱিকা অৰ্জন কৰে, সেইবোৰক কৃষিভিত্তিক সমাজ বুলি কোৱা হয়। কৃষি অৰ্থনীতি কৃষি উৎপাদন, কৃষি ভোগ, কৃষি বিনিয়োগ আৰু কৃষি বিনিময়ৰ অৰ্থনৈতিক কাৰ্যকলাপৰ পৰা উদ্ভৱ হৈছে, যিয়ে কৃষিজাত সামগ্ৰীৰ মূল্য নিৰ্ধাৰণ আৰু উৎপাদন উপাদানৰ মূল্য নিৰ্ধাৰণ অথবা কৃষি সামগ্ৰী আৰু সেৱাৰ বিতৰণৰ সৈতে সম্পৰ্কিত।

লক্ষ্যণীয় যে উৎপাদন, ভোগ আৰু বিতৰণ— এই তিনিটা প্ৰতিটো অৰ্থব্যৱস্থাৰ মৌলিক অৰ্থনৈতিক কাৰ্যকলাপ। কৃষি উৎপাদনো স্পষ্টভাৱে এক গুৰুত্বপূৰ্ণ অৰ্থনৈতিক কাৰ্যকলাপ। কিন্তু অন্যান্য অৰ্থনৈতিক কাৰ্যকলাপৰ দৰে ইয়াকো এক সামাজিক পৰিপ্ৰেক্ষিত বা গাঁথনিত সম্পাদিত কৰা হয়, কিয়নো ই সামাজিক আন্তঃক্ৰিয়া আৰু সম্পৰ্কৰ দ্বাৰা নিয়ন্ত্ৰিত হয়।

৯.৩ ভাৰতত কৃষিভিত্তিক শ্ৰেণী গাঁথনিৰ স্বৰূপ

কৃষি বা ভূমি চহত নিয়োজিত ব্যক্তিসকলে বিভিন্ন সামাজিক ক্ষমতা আৰু মাত্ৰাত একে-অন্যৰ সৈতে আন্তঃক্ৰিয়া কৰে। কিছুমানে নিজে নিজৰ ভূমি চহ কৰে, আনহাতে কিছুমানে শ্ৰমিক নিযুক্ত কৰে অথবা নিজৰ ভূমি

ভাড়াত ভাড়াতীয়া ৰায়তলৈ দিয়ে। তেওঁলোকে কেৱল নিজৰ কৃষিভিত্তিক কৃষক সমাজৰ ভিতৰতেই নহয়, নিয়মিতভাৱে অন্যান্য বিভিন্ন শ্ৰেণীৰ লোকৰ সৈতেও যোগাযোগ কৰে, যিসকলে ভূমি চহৰ বাবে প্ৰয়োজনীয় বিভিন্ন ধৰণৰ সেৱা প্ৰদান কৰে।

আধুনিক ঔদ্যোগিক সমাজসমূহ যিবোৰ সম্পূৰ্ণভাৱে সংহত আৰু আন্তঃসংযুক্ত আৰু য'ত বিভিন্ন শ্ৰেণী গোট চিনাক্ত আৰু বৰ্গীকৰণ কৰা তুলনামূলকভাৱে সহজ, তেনে সমাজসমূহৰ বিপৰীতে আধুনিক-পূৰ্ব কৃষিভিত্তিক সমাজসমূহৰ সামাজিক গাঁথনি বৈচিত্ৰ্যময় আৰু বিচ্ছিন্ন আছিল, কাৰণ ইয়াত বিভিন্ন ধৰণৰ সমষ্টি, বহুবিধতা আৰু মিশ্ৰণ দেখা যায়। শ্ৰম বিভাজনৰ লগতে কৃষিভিত্তিক শ্ৰেণী গাঁথনিত অতিৰিক্ত মূল্যৰ ধাৰণাও উদ্ভৱ হৈছিল। শ্ৰম বিভাজন মানে হৈছে বিভিন্ন ধৰণৰ কাম নিৰ্দিষ্ট ব্যক্তি বা গোটৰ দ্বাৰা এক স্থায়ী গোট, ব্যৱস্থা বা সংগঠনৰ অংশ হিচাপে সম্পাদন কৰা। অৰ্থাৎ, যেতিয়া এক গোট শ্ৰমিক উৎপাদন আৰু উৎপাদনশীলতা বৃদ্ধি কৰাৰ উদ্দেশ্যে বিভিন্ন কাম ভাগ কৰি সম্পাদন কৰে, তেতিয়া তাক শ্ৰম বিভাজন বুলি কোৱা হয়।

কৃষি খণ্ডত সেই সকলো অৰ্থনৈতিক কাৰ্যকলাপ অন্তৰ্ভুক্ত কৰা হয়, য'ত প্ৰাকৃতিক সম্পদসমূহৰ প্ৰত্যক্ষ ব্যৱহাৰ হয়, যেনে কৃষি, বনজ সম্পদ, মৎস্য পালন, ইন্ধন, ধাতু, খনিজ পদাৰ্থ আদি।

বহু উন্নত পশ্চিমীয়া সমাজত কৃষি এতিয়া অৰ্থনীতিৰ তুলনামূলকভাৱে এক প্ৰান্তীয় খণ্ড হৈ পৰিছে, য'ত জনসংখ্যাৰ অতি সৰু অংশইহে কৰ্মসংস্থান লাভ কৰে। আনহাতে, উন্নয়নশীল দেশসমূহত ই জনসংখ্যাৰ এক বৃহৎ অংশক কৰ্মসংস্থান প্ৰদান কৰে, তথাপিও কৃষিৰ মূল্য, প্ৰভাৱ আৰু গুৰুত্ব যথেষ্ট হ্ৰাস পাইছে।

এই পৰিণতিস্বৰূপে, আমি এইটো মনত ৰাখিব লাগিব যে কৃষিভিত্তিক শ্ৰেণী গাঁথনিৰ কোনো একক আৰ্হি বা তত্ত্ব নাই, যাক সকলো সমাজত প্ৰয়োগ কৰি কৃষিভিত্তিক সামাজিক গাঁথনিৰ স্বৰূপ আৰু গুৰুত্বৰ এক স্পষ্ট, অভিব্যক্তিপূৰ্ণ আৰু গভীৰ বোধগম্যতা লাভ কৰিব পৰা যায়।

পাৰস্পৰিক ভা�ৰতীয় কৃষিভিত্তিক গাঁথনি "যজমানী ব্যৱস্থা"ৰ কাঠামোৰ ভিতৰত সংগঠিত আছিল। এই ব্যৱস্থাৰ অধীনত ভূমিৰ মালিকীস্বত্ব আৰু চহবাদ "যজমান" নামৰ জাতি গোটৰ হাতত আছিল, যিসকলক পৃষ্ঠপোষক বুলিও কোৱা হয়। আনহাতে "কমিন" নামৰ শ্ৰেণীটো আছিল হাতৰ কাম কৰা শ্ৰমিক, যিসকল যজমানসকলৰ বাবে কাম কৰিবলৈ বাধ্য আছিল। যজমানসকলে কমিনসকলৰ সেৱাৰ বিনিময়ত কৃষিজাত উৎপাদনৰ এক অংশ তেওঁলোকক প্ৰদান কৰিছিল। যদিও এই সম্পৰ্কটো পাৰস্পৰিক বিনিময়ৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠিছিল, তথাপিও ই জাতি ব্যৱস্থাৰ দ্বাৰা নিয়ন্ত্ৰিত আছিল আৰু জাতিভিত্তিক অসমতা শক্তিশালী কৰিছিল। ভূমিৰ মালিক উচ্চ জাতি গোটসমূহ নিঃসন্দেহে শ্ৰমিকসকলৰ তুলনাত অধিক ক্ষমতাশালী আছিল। ব্ৰিটিছ শাসনৰ আগমনৰ লগে লগে কৃষিভিত্তিক শ্ৰেণী গাঁথনিত ব্যাপক পৰিৱৰ্তন ঘটিল। বিহাৰ আৰু বংগৰ দৰে অঞ্চলসমূহত পূৰ্ণ মালিকীস্বত্বৰ অধিকাৰ জমিদাৰসকলৰ হাতলৈ স্থানান্তৰিত হ'ল, যিসকল আগতে কেৱল কৰ সংগ্ৰহকাৰী মধ্যস্থতাকাৰী আছিল। বৃহৎ সংখ্যক কৃষক, যিসকলে আগতে ভূমি চহ কৰিছিল, এতিয়া জমিদাৰ বা নতুন ভূমিমালিকসকলৰ ভাড়াতীয়া ৰায়ত হৈ পৰিল। ভাড়াতীয়া ৰায়তসকলে উৎপাদনৰ অংশৰ সলনি জমিদাৰক এক নিৰ্দিষ্ট পৰিমাণৰ নগদ ধন পৰিশোধ কৰিবলগীয়া হৈছিল। ফলস্বৰূপে, খৰাং বা অস্বাভাৱিক বতৰ বা অন্যান্য কাৰণত শস্য নষ্ট হ'লেও তেওঁলোকে সেই নিৰ্দিষ্ট ধন পৰিশোধ কৰিবলগীয়া হৈছিল, যাৰ ফলত তেওঁলোক দৰিদ্ৰতা আৰু ঋণগ্ৰস্ততা ব জীৱনলৈ ঠেলি দিয়া হৈছিল।

স্বাধীনতা লাভ কৰাৰ পিছত ভাৰত চৰকাৰে ভূমি সম্পৰ্কত পৰিৱৰ্তন আনিবলৈ চেষ্টা কৰিছিল। ভাৰতীয় সংসদে জমিদাৰী বিলোপ আইন, ১৯৫০ গৃহীত কৰিছিল, যাৰ দ্বাৰা জমিদাৰী ব্যৱস্থা বিলুপ্ত কৰা হৈছিল আৰু ভূমিৰ প্ৰকৃত কৃষকসকলক ভূমিৰ মালিকীস্বত্ব প্ৰদান কৰাৰ চেষ্টা কৰা হৈছিল। ইয়াৰ লগতে বহু ৰাজ্যত ভূমি সীমা আইন প্ৰণয়ন কৰা হৈছিল যাতে ভূমি কিছুমান হাতত কেন্দ্ৰীভূত নহয় আৰু ভূমিৰ পুনৰ্বণ্টন সম্ভৱ হয়।

খ্যাতনামা অৰ্থনীতিবিদ ডেনিয়েল থৰ্নাৰ এ ভাৰতত কৃষিভিত্তিক শ্ৰেণী গাঁথনিৰ নিম্নলিখিত আৰ্হি উপস্থাপন কৰিছিল ঃ

(ক) মালিক ঃ তেওঁলোকৰ আয় মূলত সম্পত্তিৰ অধিকাৰৰ পৰা আহে আৰু তেওঁলোকে ভাড়াতীয়া, উপ-ভাড়াতীয়া আৰু ভাগচাষীৰ পৰা ভাড়া সংগ্ৰহ কৰে।

(খ) **কিষাণ ঃ** তেওঁলোকে সৰু সৰু ভূমিখণ্ডৰ মালিক আৰু নিজৰ শ্ৰমেৰে নিজে চহ কৰে।

(গ) **মজদুৰ ঃ** তেওঁলোকৰ নিজৰ কোনো ভূমি নাই। তেওঁলোকে আনৰ ভূমিত ভাড়াতীয়া হিচাপে অথবা মজুৰি শ্ৰমিক হিচাপে কাম কৰে।

কিন্তু ভাৰতৰ সামাজিক-অৰ্থনৈতিক পৰিৱেশৰ জটিলতাৰ বাবে এই ধৰণৰ শ্ৰেণীবিভাজন সদায় অনুসৰণ কৰা সম্ভৱ নহয়। সেয়েহে ভূমিৰ মালিকীস্বত্ব আৰু ভূমিধাৰণৰ আপেক্ষিক আকাৰৰ ভিত্তিত ভাৰতীয় কৃষিভিত্তিক শ্ৰেণী গাঁথনি বৰ্গীকৰণ কৰা অধিক যুক্তিসংগত। এই প্ৰেক্ষাপটত অধিক গ্ৰহণযোগ্য বৰ্গীকৰণ হৈছে— বৃহৎ জমিদাৰ, বৃহৎ কৃষক. মধ্যম কৃষক, ক্ষুদ্ৰ আৰু সীমান্ত কৃষক আৰু ভূমিহীন শ্ৰমিক।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ পৰম্পৰাগত ভাৰতীয় কৃষিভিত্তিক গাঁথনি "যজমানী ব্যৱস্থা"ৰ কাঠামোৰ ভিতৰত সংগঠিত আছিল। (সত্য/অসত্য)

প্ৰশ্ন নং ২ ঃ ভাৰতত কৃষিভিত্তিক শ্ৰেণী গাঁথনিৰ স্বৰূপ কি? ব্যাখ্যা কৰক।

৯.৪ স্বাধীনতাৰ পিছৰ ভাৰতত গ্ৰাম্য ৰূপান্তৰত ৰাষ্ট্ৰৰ হস্তক্ষেপ

- **স্বাধীনতাৰ পিছত গ্ৰাম্য উন্নয়ন ঃ** গ্ৰাম্য উন্নয়নে উন্নয়নশীল বিশ্বৰ দেশসমূহত বিশেষ গুৰুত্ব লাভ কৰিছে। স্বাধীনতাৰ পিছৰে পৰা ভাৰত চৰকাৰে সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক প্ৰক্ৰিয়াসমূহক অন্তৰ্ভুক্ত কৰি 'পৰিকল্পিত পৰিৱৰ্তন'ৰ বিভিন্ন কাৰ্যসূচী আৰম্ভ কৰিছে। উন্নয়নৰ ধাৰা সম্পৰ্কে চৰকাৰে দুটা পদ্ধতি গ্ৰহণ কৰিছে। এই পদ্ধতিসমূহ হৈছে (a) 'ৰূপান্তৰ' পদ্ধতি আৰু (b) 'উন্নতি' পদ্ধতি।
- **ৰূপান্তৰ পদ্ধতি ঃ** 'ৰূপান্তৰ' পদ্ধতিয়ে বিদ্যমান ব্যৱস্থাত এক মৌলিক পৰিৱৰ্তনৰ ওপৰত গুৰুত্ব আৰোপ কৰে, বিশেষকৈ কাৰ্যকলাপৰ পৰিসৰ, উৎপাদন কৌশল, আৰু সামাজিক-আইনী সংস্কাৰৰ ক্ষেত্ৰত। ভূমি সংস্কাৰ ব্যৱস্থাৰ কাৰ্যকৰীকৰণ এই পদ্ধতিৰ অন্তৰ্গত। ভূমি সংস্কাৰ ব্যৱস্থাৰ ক্ষেত্ৰত, বৃহৎ সংখ্যক কৃষক এতিয়া তেওঁলোকে চহ কৰা ভূমিৰ মালিক হৈ পৰিছে। "ভূমি কৃষকৰ হাতলৈ ভূমি" এই শ্লোগান ভাৰতৰ অধিকাংশ ৰাজ্যত সফলতাৰে বাস্তৱ ৰূপ লাভ কৰিছে। ভাড়াতীয়া ৰায়তৰ অধিকাৰসমূহ এতিয়া অধিক সুৰক্ষিত হৈছে। জমিদাৰী বিলোপ আইনে মধ্যস্থতাকাৰীসকলক বিলুপ্ত কৰিবলৈ সফলতা লাভ কৰিছে। ভাৰতীয় কৃষিৰ সৈতে জড়িত অনুপস্থিত জমিদাৰীৰ দুষ্ট প্ৰথা বিলুপ্ত কৰা হৈছে। সমবায় কৃষিৰো সমৰ্থন কৰা হৈছে। ভূদান আন্দোলনৰ জৰিয়তে ভূমিহীন শ্ৰমিকসকলক ভূমি প্ৰদানৰ প্ৰচেষ্টা চলোৱা হৈছে। লগতে ভূমি নথি-পত্ৰসমূহ সংকলন আৰু আপডেট কৰাৰো চেষ্টা চলি আছে।
- **উন্নতি পদ্ধতি ঃ** 'উন্নতি' পদ্ধতিয়ে বিদ্যমান কৃষক উৎপাদন ব্যৱস্থাৰ ভিতৰতে কৃষি উন্নয়ন সাধনৰ লক্ষ্য ৰাখে। এই পদ্ধতিয়ে গ্ৰাম্য উন্নয়ন ৰ কাৰ্যসূচীসমূহ, যেনে সামূহিক উন্নয়ন কাৰ্যসূচী, পঞ্চায়তীৰাজ প্ৰতিষ্ঠানসমূহ আৰু ভাৰতৰ গ্ৰাম্য উন্নয়ন প্ৰক্ৰিয়াৰ সৈতে জড়িত অন্যান্য কাৰ্যসূচী আৰু সংস্থাসমূহক বিশেষ গুৰুত্ব প্ৰদান কৰে।

পৰিকল্পনা আয়োগৰ মতে, সামূহিক উন্নয়ন হৈছে কোনো এক সমাজৰ জীৱনক পিছপৰা অৱস্থাৰ পৰা এক নতুন অৰ্থনৈতিক আৰু সামাজিক ব্যৱস্থালৈ নিজস্ব মুক্ত প্ৰচেষ্টাৰ জৰিয়তে পৰিৱৰ্তন কৰাৰ প্ৰক্ৰিয়া। স্বাধীন ভাৰত চৰকাৰে ১৯৫২ চনৰ ২ অক্টোবৰ তাৰিখে গাঁধী জয়ন্তীৰ দিনত আৰম্ভ কৰা সামূহিক উন্নয়ন কাৰ্যসূচী গ্ৰাম্য পুনৰ্গঠনৰ আটাইতকৈ বৃহৎ আঁচনি হিচাপে বিবেচিত হয়। এই কাৰ্যসূচীয়ে গ্ৰাম্য জনসাধাৰণৰ জীৱনমান উন্নত কৰাৰ লগতে ভাৰতৰ গ্ৰাম্য সমাজ পুনৰ্গঠনত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে।

এই কাৰ্যসূচীয়ে কৃষি, শিক্ষা, নিয়োগ, স্বাস্থ্য সেৱা, যোগাযোগ, বৃত্তিমূলক প্ৰশিক্ষণ, খোৱাপানীৰ যোগান আৰু সামাজিক কল্যাণৰ ক্ষেত্ৰত উল্লেখযোগ্য সফলতা লাভ কৰিছে। কিন্তু ইও সত্য যে সময়ৰ সৈতে সামূহিক উন্নয়ন কাৰ্যসূচীয়ে আগৰ তুলনাত নিজৰ গুৰুত্ব কিছু হ্ৰাস পাবলৈ আৰম্ভ কৰিছে। ইয়াত বহুতো দুৰ্বলতা দেখা

গৈছে। বিভিন্ন কাৰণ, যেনে স্পষ্টভাৱে নির্ধাৰিত অগ্ৰাধিকাৰৰ অভাৱ, ধনী আৰু বৃহৎ কৃষকসকলৰ দ্বাৰা সুবিধাসমূহ দখল, প্ৰতিশ্ৰুতিৰ অভাৱ, প্ৰশাসনিক অদক্ষতা আৰু আমলাতান্ত্ৰিক স্তৰত দুর্নীতি আদি কাৰণে এই কার্যসূচীৰ ব্যর্থতাত অৱিহণা যোগাইছে। এই সীমাবদ্ধতাসমূহ সত্ত্বেও, সামূহিক উন্নয়ন কার্যসূচীয়ে গ্ৰাম্য জনসাধাৰণৰ মাজত আধুনিক কৃষি পদ্ধতি সম্পর্কে সচেতনতা আৰু সজাগতা সৃষ্টি কৰাত গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছে।

সামূহিক উন্নয়ন কার্যসূচী জনসাধাৰণৰ অংশগ্ৰহণ উন্নয়ন প্ৰক্ৰিয়াত নিশ্চিত কৰাৰ লক্ষ্যৰে আৰম্ভ কৰা হৈছিল। কিন্তু CDP-ৰ এই লক্ষ্য বাস্তৱায়িত নহ'ল। গাঁৱৰ উন্নয়নত জনসাধাৰণৰ অংশগ্ৰহণ নিশ্চিত কৰিবলৈ ভাৰত চৰকাৰে ১৯৫৭ চনৰ জানুৱাৰী মাহত বলৱন্ত ৰাই মেহতাৰ নেতৃত্বত এখন কমিটি নিয়োগ কৰিছিল। এই কমিটিৰ পৰামর্শসমূহৰ ভিত্তিত পঞ্চায়তীৰাজ ব্যৱস্থা, য'ত গ্ৰাম পঞ্চায়ত, পঞ্চায়ত সমিতি আৰু জিলা পৰিষদৰ সংগঠন অন্তর্ভুক্ত আছিল, বিশেষ গুৰুত্ব লাভ কৰিছিল।

পঞ্চায়তীৰাজ গণতান্ত্ৰিক বিকেন্দ্ৰীকৰণৰ প্ৰক্ৰিয়া ৰূপায়ণৰ এক প্ৰচেষ্টা হিচাপে বিবেচিত হৈছে। পঞ্চায়তীৰাজ ব্যৱস্থাৰ প্ৰশাসনিক দৃষ্টিকোণৰ পৰা ই আমলাতান্ত্ৰিক অভিজাত শ্ৰেণী আৰু জনসাধাৰণৰ মাজৰ ব্যৱধান হ্ৰাস কৰিছে। সামাজিকভাৱে পঞ্চায়তীৰাজ ব্যৱস্থাই আধুনিক আৰু জনহিতৈষী দৃষ্টিভংগী থকা নতুন নেতৃত্ব সৃষ্টি কৰিছে। একে সময়তে উন্নয়নৰ দৃষ্টিকোণৰ পৰা ই গ্ৰাম্য জনসাধাৰণক এক অগ্ৰগামী মানসিকতা গঢ়ি তুলিবলৈ সক্ষম কৰিছে। কিন্তু পঞ্চায়তীৰাজ প্ৰতিষ্ঠানসমূহ সমালোচনাৰ পৰা মুক্ত নহয়। ইয়াৰ অকার্যকৰিতাৰ মুখ্য কাৰণসমূহ হৈছে গাঠনিক অক্ষমতা, প্ৰশাসনিক অদক্ষতা আৰু আমলাতান্ত্ৰিক স্তৰত দুর্নীতি, ধাৰণাগত স্পষ্টতাৰ অভাৱ আৰু ৰাজনৈতিক ইচ্ছাশক্তিৰ অভাৱ। এই সীমাবদ্ধতাসমূহ সত্ত্বেও উল্লেখ কৰিব লাগিব যে পঞ্চায়তীৰাজ প্ৰতিষ্ঠানসমূহে গ্ৰাম্য উন্নয়ন প্ৰক্ৰিয়া ত্বৰান্বিত কৰিবলৈ বৃহৎ পৰিমাণৰ অর্থনৈতিক পুঁজি আৰু সম্পদ ব্যৱস্থাপনা কৰিছে।

ভাৰতৰ ক্ষেত্ৰত এইটো এক বাস্তৱ সত্য যে কৃষিভূমিৰ এক বৃহৎ অংশত জলসিঞ্চন সুবিধা নাই। এই বিস্তৃত অঞ্চল স্বাভাৱিকতে সেউজ বিপ্লৱৰ পৰিসৰৰ বাহিৰত পৰে। শুকান অঞ্চলসমূহৰ ক্ষেত্ৰত নতুন কৃষি কৌশলৰ প্ৰয়োগ সহজলভ্য নহয়। ইয়াৰ উপৰিও নতুন প্ৰযুক্তিৰ গ্ৰহণ কেৱল কিছুমান উন্নত অঞ্চল, যেনে পাঞ্জাব, হাৰিয়ানা আৰু পশ্চিম উত্তৰ প্ৰদেশ আদি অঞ্চলসমূহত সীমাবদ্ধ হৈ আছে। পূব অঞ্চলৰ ৰাজ্যসমূহ, যেনে পশ্চিম বংগ, বিহাৰ আৰু ওড়িশাই উচ্চ ফলনশীল বীজ প্ৰযুক্তিৰ পৰা লাভান্বিত হোৱা নাই। দেশৰ অন্যান্য অংশসমূহো নতুন কৃষি কৌশলৰ দ্বাৰা অপ্ৰভাবিত হৈ ৰৈছে।

ভাৰত চৰকাৰে গ্ৰাম্য উন্নয়ন আৰু পুনর্গঠনৰ বাবে আৰম্ভ কৰা কিছুমান কার্যসূচী তলত উল্লেখ কৰা হৈছেঃ

IRDP :

সমন্বিত গ্ৰাম্য উন্নয়ন কার্যসূচী (Integrated Rural Development Programme) হৈছে গ্ৰাম্য অঞ্চলত বাস কৰা অতি দৰিদ্ৰৰো দৰিদ্ৰ লোকসকলৰ জীৱনমান উন্নত কৰাৰ বাবে আৰু গ্ৰাম্য উন্নয়ন প্ৰক্ৰিয়াক স্ব-ধাৰণক্ষম কৰি তোলাৰ বাবে এক কার্যসূচী। ইয়াক ১৯৭৮-৭৯ চনত আৰম্ভ কৰা হৈছিল। ই "স্থানীয় প্ৰয়োজন, সম্পদৰ উপলব্ধতা আৰু সম্ভাৱনাসমূহ"ৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠিছে। ইয়াৰ উদ্দেশ্য হৈছে নির্বাচিত পৰিয়ালসমূহক আত্ম-নিয়োগ উদ্যোগ গ্ৰহণ কৰি দাৰিদ্ৰ্য সীমাৰেখা অতিক্ৰম কৰিবলৈ সক্ষম কৰা।

IRDP-এ কার্যসূচীৰ বিভিন্ন উপাদান ৰূপায়ণৰ বাবে গাঁওসমূহ নির্বাচনত ক্লাষ্টাৰ পদ্ধতি প্ৰয়োগ কৰে আৰু নির্বাচিত গাঁওসমূহৰ ভিতৰত উপভোক্তাসকল বাছনি কৰিবলৈ অন্ত্যোদয় পদ্ধতি গ্ৰহণ কৰে। অন্ত্যোদয় পদ্ধতিয়ে নিশ্চিত কৰে যে আটাইতকৈ দৰিদ্ৰ লোকসকলক প্ৰথমে নির্বাচন কৰা হয়। কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে কার্যসূচীৰ বাবে আর্থিক সম্পদ যোগান ধৰে আৰু ইয়াৰ ৰূপায়ণৰ বাবে বিস্তৃত নির্দেশনা নির্ধাৰণ কৰে। কিন্তু ইয়াৰ প্ৰধান প্ৰশাসনিক একক হৈছে জিলা গ্ৰাম্য উন্নয়ন সংস্থা। ব্লক স্তৰত কার্যসূচীৰ ৰূপায়ণৰ বাবে একাধিক এক্সটেনচন অফিচাৰ নিয়োজিত কৰা হয়।

IRDP-এ কিছুমান দুর্বলতাৰ সন্মুখীন হৈছে, যেনে ব্যাপক দুর্নীতি আৰু সমন্বয়ৰ অভাৱ আদি। তথাপিও এইটো অস্বীকাৰ কৰিব নোৱাৰি যে সমন্বিত গ্ৰাম্য উন্নয়ন কার্যসূচীয়ে উপভোক্তাৰ সংখ্যা আৰু প্ৰদান কৰা অনুদান আৰু ঋণৰ পৰিমাণৰ দৃষ্টিকোণৰ পৰা উল্লেখযোগ্য সফলতা লাভ কৰিছে।

NREP :

ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ কাৰ্যসূচী (National Rural Employment Programme) ১৯৮০ চনৰ অক্টোবৰত কেন্দ্ৰীয়ভাৱে পৃষ্ঠপোষিত আঁচনি হিচাপে ৫০:৫০ ভাগাভাগি ভিত্তিত কেন্দ্ৰ আৰু ৰাজ্যৰ মাজত আৰম্ভ কৰা হৈছিল। অতিৰিক্ত লাভজনক নিয়োগ সুযোগ সৃষ্টি কৰা, স্থায়ী সামূহিক সম্পদ গঢ়ি তোলা আৰু গ্ৰাম্য অঞ্চলৰ সামগ্ৰিক জীৱনমান উন্নত কৰা— এই তিনিটা ইয়াৰ মুখ্য উদ্দেশ্য। এই কাৰ্যসূচী জিলা গ্ৰাম্য উন্নয়ন সংস্থাৰ জৰিয়তে ৰূপায়িত কৰা হয়। ১৯৮৯ চনৰ এপ্ৰিল মাহৰ পৰা ইয়াক যৱাহৰ ৰোজগাৰ যোজনাৰ সৈতে একত্ৰিত কৰা হৈছে।

TRYSEM :

গ্ৰাম্য যুৱক-যুৱতীসকলক আত্ম-নিয়োগৰ বাবে প্ৰশিক্ষণ (Training Rural Youth for Self-Employment) আঁচনি ১৯৭৯ চনৰ আগষ্ট মাহত আৰম্ভ কৰা হৈছিল। ইয়াৰ মুখ্য উদ্দেশ্য হৈছে গ্ৰাম্য যুৱক-যুৱতীসকলক কাৰিকৰী দক্ষতা প্ৰদান কৰা, যাতে তেওঁলোকে কৃষি, উদ্যোগ, সেৱা আৰু বাণিজ্যিক কাৰ্যকলাপৰ ক্ষেত্ৰত নিয়োগ লাভ কৰিব পাৰে।

RLEGP :

গ্ৰাম্য ভূমিহীন নিয়োগ নিশ্চিততা কাৰ্যসূচী (Rural Landless Employment Guarantee Programme) ১৯৮৩ চনৰ ১৫ আগষ্টত আৰম্ভ কৰা হৈছিল, যাৰ উদ্দেশ্য হৈছে গ্ৰাম্য অঞ্চলত বিশেষকৈ ভূমিহীন শ্ৰমিকসকলৰ বাবে অতিৰিক্ত নিয়োগ সৃষ্টি কৰা। এই আঁচনিৰ অধীনত প্ৰতিটো ভূমিহীন পৰিয়ালৰ অন্ততঃ এজন সদস্যক বছৰত ১০০ দিনলৈকে নিয়োগ প্ৰদান কৰা হয়। এই কাৰ্যসূচীৰ অধীনত নিয়োগত অগ্ৰাধিকাৰ দিয়া হয় ভূমিহীন শ্ৰমিক, মহিলা, অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিক। সম্পূৰ্ণভাৱে কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা পুঁজি যোগান ধৰা এই কাৰ্যসূচীৰ অধীনত কুঁৱা, পথ, ঘৰ, সামাজিক বনানীকৰণ আদি বিভিন্ন কাৰ্য সম্পাদন কৰা হয়।

JRY :

জৱাহৰ ৰোজগাৰ যোজনা ১৯৮৯ চনৰ এপ্ৰিল মাহত আৰম্ভ কৰা হৈছিল। ই মূলতঃ এক মজুৰি নিয়োগ কাৰ্যসূচী। এই আঁচনিৰ অধীনত আশা কৰা হয় যে প্ৰতিটো দৰিদ্ৰ পৰিয়ালৰ অন্ততঃ এজন সদস্যক বছৰত ৫০ ৰ পৰা ১০০ দিনলৈ তেওঁৰ বাসস্থানৰ ওচৰৰ কামৰ স্থানত নিয়োগ প্ৰদান কৰা হক্সব। এই আঁচনিৰ অধীনত প্ৰায় ৩০ শতাংশ চাকৰি মহিলাৰ বাবে সংৰক্ষিত কৰা হৈছে। এই কাৰ্যসূচী গাঁও পঞ্চায়ত ৰ জৰিয়তে ৰূপায়িত কৰা হয়।

এইবোৰ হৈছে গ্ৰাম্য গাঁথনি ৰূপান্তৰৰ বাবে ভাৰত চৰকাৰে গ্ৰহণ কৰা কিছুমান আঁচনি।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ NREP-ৰ সম্পূৰ্ণ ৰূপ লিখক।

প্ৰশ্ন নং ৪ ঃ সামূহিক উন্নয়ন কাৰ্যসূচী কোন বছৰত আৰম্ভ কৰা হৈছিল ?

৯.৫ ভাৰতত গ্ৰাম্য নেতৃত্বৰ পৰিৱৰ্তনশীল গতিশীলতা আৰু উদীয়মান ধাৰা

বয়স ভাৰতীয় নেতৃত্বৰ পৰম্পৰাত এক গুৰুত্বপূৰ্ণ চলক হিচাপে পৰিগণিত হৈ আহিছে। অতীতত ভাৰতীয় গাঁও সমাজৰ নেতৃত্ব বৃদ্ধসকলৰ একচেটীয়া অধিকাৰত আছিল। বিস্তৃত অভিজ্ঞতা, পৰিপক্কতা আদি কাৰণত তেওঁলোকেই গ্ৰাম্য ক্ষমতা গাঁথনিত আধিপত্য বিস্তাৰ কৰিছিল। পৰম্পৰাগতভাৱে, গ্ৰাম্য নেতৃত্বৰ ধাৰাই বয়স আৰু পৰিপক্কতাৰ প্ৰতি গভীৰ সন্মানৰ প্ৰতিফলন ঘটাইছিল। সামাজিক বা অৰ্থনৈতিক মৰ্যাদা, বংশানুক্ৰম, জ্যেষ্ঠতা আদি কাৰণত সৃষ্ট প্ৰতিপত্তিৰ ভিত্তিত গ্ৰাম্য নেতৃত্বৰ উদ্ভৱ হৈছিল। স্বাধীনতাৰ পূৰ্বে মূলতঃ উচ্চ সুবিধাপ্ৰাপ্ত জাতিৰ অন্তৰ্গত কিছুমান অনানুষ্ঠানিক নেতা আছিল, যিসকলৰ সংখ্যাগত শক্তি বেছি নাছিল, কিন্তু জীৱনৰ প্ৰায় সকলো ক্ষেত্ৰতেই তেওঁলোকৰ আধিপত্য বিদ্যমান আছিল।

কিন্তু বৰ্তমান নতুন প্ৰতিষ্ঠানসমূহৰ বিকাশ আৰু গ্ৰাম্য পুনৰ্গঠন সম্পৰ্কীয় নতুন কৌশল প্ৰৱৰ্তনৰ ফলত নেতৃত্বৰ গঠন আৰু কাৰ্যাৱলীত যথেষ্ট পৰিৱৰ্তন ঘটিছে। ভাৰতত আধুনিকীকৰণৰ প্ৰক্ৰিয়াই কিছু পৰিমাণে

পৰম্পৰাগত ভাৰতীয় সমাজৰ পুৰণি মূল্যবোধসমূহ সলনি কৰিছে। সেয়েহে, এই পৰিৱৰ্তিত পৰিস্থিতিৰ ফলত কম বয়সীয়া ব্যক্তিসকলে নেতৃত্বৰ দায়িত্ব অধিক দক্ষতা আৰু কাৰ্যকাৰিতাৰে পালন কৰিবলৈ সক্ষম হৈছে। ফলস্বৰূপে, ভাৰতৰ গ্ৰাম্য অঞ্চলৰ পৰম্পৰাগত ক্ষমতা গাঁথনিত এক উল্লেখযোগ্য পৰিৱৰ্তন পৰিলক্ষিত হৈছে। দেখা যায় যে অধিকাংশ গ্ৰাম্য নেতা মধ্যবয়সীয়া শ্ৰেণীৰ অন্তৰ্গত, যদিও তেওঁলোকৰ এক উল্লেখযোগ্য অংশ যুৱ বয়সৰ লোকো। পুনৰ, অৰ্থনৈতিক কাৰ্যকলাপৰ সম্প্ৰসাৰণ, আধুনিক শিক্ষাৰ প্ৰসাৰ, চৰকাৰৰ ভূমি সংস্কাৰ নীতি আৰু গণতান্ত্ৰিকভাৰে প্ৰতিষ্ঠিত পঞ্চায়তীৰাজ প্ৰতিষ্ঠানসমূহৰ প্ৰতিষ্ঠা আদিয়েও ভাৰতত এক নতুন গ্ৰাম্য নেতৃত্ব গঢ়ি উঠাত অৰিহণা যোগাইছে, যি সম্পূৰ্ণৰূপে সামন্ততান্ত্ৰিক স্বভাৱৰ হোৱাৰ পৰিৱৰ্তে তুলনামূলকভাৱে অধিক গণতান্ত্ৰিক দৃষ্টিভংগী সম্পন্ন। নতুন নেতাসকল সাধাৰণতে যুৱ, শিক্ষিত আৰু বেছিভাগেই মধ্যবিত্ত কৃষিজীৱী শ্ৰেণীৰ অন্তৰ্গত। তেওঁলোকে ৰাজনৈতিক সংগঠনৰ ক্ষেত্ৰতো সফলতা লাভ কৰি গাঁও পঞ্চায়ত আৰু সমবায় সমিতিত বিভিন্ন পদবী লাভ কৰে। নতুন নেতাসকল উদ্ভাৱন গ্ৰহণৰ ক্ষেত্ৰত অধিক গ্ৰহণক্ষম আৰু বিভিন্ন সামূহিক উন্নয়ন কাৰ্যসূচী ৰূপায়ণৰ ক্ষেত্ৰত চৰকাৰী বিষয়াসকলৰ সৈতে অধিক সহযোগিতামূলকভাৱে কাম কৰে। একে সময়তে, স্বাধীনতাৰ পিছৰ সময়ছোৱাত ভাৰতত নিৰ্বাচনী ব্যৱস্থাৰ কাৰ্যকৰিতাৰ ফলত ৰাজনৈতিক দলসমূহে সংখ্যাগতভাৱে শক্তিশালী গোটসমূহক সন্তুষ্ট কৰাৰ চেষ্টা কৰে। ফলস্বৰূপে, নিজ নিজ সম্প্ৰদায়ৰ সদস্যসকলক সংগঠিত কৰাৰ ক্ষমতা থকা স্থানীয় নেতাসকল গ্ৰাম্য অঞ্চলসমূহত আত্মপ্ৰকাশ কৰিছে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ ভাৰতত গ্ৰাম্য নেতৃত্বৰ পৰিৱৰ্তিত ধাৰা সম্পৰ্কে চমুকৈ লিখক।

৯.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- পৰম্পৰাগত ভাৰতীয় কৃষিভিত্তিক গাঁথনি 'যজমানী ব্যৱস্থা'ৰ কাঠামোৰ ভিতৰত সংগঠিত আছিল। এই ব্যৱস্থাত 'যজমান' নামে জনাজাতিৰ লোকসকলেই ভূমিৰ মালিক আছিল আৰু সেই ভূমিত খেতিও কৰিছিল। আনহাতে, 'কামিন' বা হাতে-কাম কৰা শ্ৰমিকসকল এনে এক জাতি-গোট আছিল, যিসকলৰ দায়িত্ব আছিল যজমানসকলৰ বাবে কাম কৰা।
- কামিনসকলে আগবঢ়োৱা সেৱাৰ বিনিময়ত যজমানসকলে কৃষিজ উৎপাদনৰ এটা অংশ তেওঁলোকক প্ৰদান কৰিছিল।
- ব্ৰিটিছসকলৰ আগমনৰ লগে লগে কৃষিভিত্তিক শ্ৰেণী গাঁথনিত এক আমূল পৰিৱৰ্তন সংঘটিত হৈছিল।
- বিহাৰ আৰু বংগৰ দৰে অঞ্চলত পূৰ্ণ মালিকীস্বত্ব সেইসকল জমিদাৰৰ হাতলৈ হস্তান্তৰ কৰা হৈছিল, যিসকলে পূৰ্বতে কেৱল কৰ সংগ্ৰহকাৰী মধ্যস্থতাকাৰী হিচাপেহে কাম কৰিছিল। যিসকল বৃহৎ সংখ্যক কৃষকে পূৰ্বৰে পৰা ভূমি খেতি কৰি আহিছিল, তেওঁলোক এতিয়া জমিদাৰ বা নতুন ভূমিৰ মালিকসকলৰ ভাড়াতীয়া ৰায়ত হৈ পৰিল।
- স্বাধীনতা লাভ কৰাৰ পিছত ভাৰত চৰকাৰে ভূমি-সম্পৰ্কত পৰিৱৰ্তন অনাৰ চেষ্টা কৰিছিল। ভাৰতীয় সংসদে ১৯৫০ চনত জমিদাৰী বিলোপ আইন গৃহীত কৰিছিল, যাৰ জৰিয়তে জমিদাৰী ব্যৱস্থা বিলুপ্ত কৰি প্ৰকৃত খেতিয়কসকলক ভূমিৰ মালিকীস্বত্ব প্ৰদান কৰাৰ প্ৰচেষ্টা কৰা হৈছিল। কেইবাখনো ৰাজ্যত ভূমি-সীমা আইন প্ৰণয়ন কৰা হৈছিল, যাতে অতি কমসংখ্যক লোকৰ হাতত ভূমিৰ কেন্দ্ৰীভৱন ৰোধ কৰি ভূমিৰ পুনৰ্বিতৰণ নিশ্চিত কৰিব পৰা যায়।
- খ্যাতনামা অৰ্থনীতিবিদ ডেনিয়েল থৰ্ণাৰ-এ ভাৰতৰ কৃষিভিত্তিক শ্ৰেণী গাঁথনিৰ এক আৰ্হি আগবঢ়াইছিল।
- কিন্তু ভাৰতৰ সামাজিক-অৰ্থনৈতিক পৰিৱেশৰ জটিলতাৰ প্ৰতি লক্ষ্য ৰাখিলে, ভাৰতৰ কৃষিভিত্তিক শ্ৰেণী গাঁথনি সম্পৰ্কে ওপৰত উল্লেখ কৰা শ্ৰেণীবিভাজন সদায় অনুসৰণ কৰা সম্ভৱ নহয়। ইয়াৰ পৰিৱৰ্তে, ভূমিৰ মালিকীস্বত্ব আৰু ভূমি-ধাৰণৰ আপেক্ষিক আকাৰৰ ভিত্তিত ভাৰতীয় কৃষিভিত্তিক শ্ৰেণী গাঁথনিক

শ্ৰেণীবিভাজন কৰিব পাৰি। এই প্ৰসংগত অধিক গ্ৰহণযোগ্য শ্ৰেণীবিভাজন হৈছে বৃহৎ ভূমিস্বত্বাধিকাৰী (বৃহৎ পৰিমাণৰ ভূমিৰ মালিক), বৃহৎ কৃষক, মধ্যম কৃষক, সৰু আৰু প্ৰান্তীয় কৃষক আৰু ভূমিহীন শ্ৰমিক।

- উন্নয়নশীল বিশ্বৰ দেশসমূহত গ্ৰাম্য উন্নয়নে বিশেষ গুৰুত্ব লাভ কৰিছে। স্বাধীনতাৰ পিছৰে পৰা ভাৰত চৰকাৰে সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক প্ৰক্ৰিয়াসমূহক সামৰি 'পৰিকল্পিত পৰিৱৰ্তন'ৰ বিভিন্ন কাৰ্যসূচী আৰম্ভ কৰিছে। উন্নয়নৰ ধাৰা সম্পৰ্কে চৰকাৰে দুটা পদ্ধতি গ্ৰহণ কৰিছে। এই পদ্ধতিসমূহ হৈছে 'ৰূপান্তৰ' পদ্ধতি আৰু 'উন্নতি' পদ্ধতি।
- 'ৰূপান্তৰ' পদ্ধতিয়ে কাৰ্যকলাপৰ পৰিসৰ, উৎপাদন কৌশল আৰু সামাজিক-আইনী সংস্কাৰৰ ক্ষেত্ৰত বিদ্যমান ব্যৱস্থাত এক মৌলিক পৰিৱৰ্তন অনাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ভূমি সংস্কাৰ ব্যৱস্থাৰ কাৰ্যকৰীকৰণ এই পদ্ধতিৰ অন্তৰ্গত।
- ভূমি সংস্কাৰ ব্যৱস্থাৰ ক্ষেত্ৰত বৃহৎ সংখ্যক ভাড়াতীয়া ৰায়ত বা কৃষক এতিয়া তেওঁলোকে খেতি কৰি থকা ভূমিৰ মালিক হৈ পৰিছে। "চাষীৰ হাতলৈ ভূমি" এই শ্লোগান ভাৰতৰ অধিকাংশ ৰাজ্যত সফলতাৰে বাস্তৱায়িত হৈছে। ভাড়াতীয়া ৰায়তৰ অধিকাৰ এতিয়া অধিক সুৰক্ষিত।
- 'উন্নতি' পদ্ধতিয়ে বিদ্যমান কৃষক উৎপাদন ব্যৱস্থাৰ ভিতৰতে কৃষি উন্নয়ন সাধন কৰিবলৈ চেষ্টা কৰে। এই পদ্ধতিয়ে সামূহিক উন্নয়ন কাৰ্যসূচী, পঞ্চায়তীৰাজ প্ৰতিষ্ঠানসমূহ আৰু ভাৰতৰ গ্ৰাম্য উন্নয়ন প্ৰক্ৰিয়াৰ সৈতে জড়িত অন্যান্য কাৰ্যসূচী আৰু সংস্থাসমূহক বিশেষ গুৰুত্ব প্ৰদান কৰে।
- গ্ৰাম্য উন্নয়নৰ বাবে চৰকাৰে আৰম্ভ কৰা কিছুমান কাৰ্যসূচীৰ ভিতৰত IRDP, NREP, TRYSEM, RLEGP আদি উল্লেখযোগ্য।
- ভাৰতীয় নেতৃত্বৰ পৰম্পৰাত বয়স এক গুৰুত্বপূৰ্ণ চলক হিচাপে পৰিগণিত হৈ আহিছে। অতীতত ভাৰতীয় গাঁও সমাজৰ নেতৃত্ব বৃদ্ধসকলৰ একচেটীয়া অধিকাৰত আছিল, কিয়নো বিস্তৃত অভিজ্ঞতা, পৰিপক্কতা আদি গুণৰ বাবে তেওঁলোকেই গ্ৰাম্য ক্ষমতা গাঁথনিত আধিপত্য বিস্তাৰ কৰিছিল।
- ভাৰতৰ গ্ৰাম্য অঞ্চলৰ পৰম্পৰাগত ক্ষমতা গাঁথনিৰ ধাৰাত এক উল্লেখযোগ্য পৰিৱৰ্তন পৰিলক্ষিত হৈছে। স্পষ্টভাৱে দেখা যায় যে বৰ্তমান অধিকাংশ গ্ৰাম্য নেতা মধ্যবয়সীয়া শ্ৰেণীৰ অন্তৰ্গত, যদিও তেওঁলোকৰ এক উল্লেখযোগ্য অংশ যুৱ বয়সৰ লোকো।
- পুনৰ, অৰ্থনৈতিক কাৰ্যকলাপৰ সম্প্ৰসাৰণ, আধুনিক শিক্ষাৰ প্ৰসাৰ, চৰকাৰৰ ভূমি সংস্কাৰ নীতি আৰু গণতান্ত্ৰিকভাৱে প্ৰতিষ্ঠিত পঞ্চায়তীৰাজ প্ৰতিষ্ঠানসমূহৰ প্ৰতিষ্ঠা আদিয়েও ভাৰতত এক নতুন গ্ৰাম্য নেতৃত্বৰ উদ্ভৱত অৰিহণা যোগাইছে, যি সম্পূৰ্ণৰূপে সামন্ততান্ত্ৰিক স্বভাৱৰ হোৱাৰ পৰিৱৰ্তে তুলনামূলকভাৱে অধিক গণতান্ত্ৰিক দৃষ্টিভংগী সম্পন্ন।
- নতুন নেতাসকল যুৱ, শিক্ষিত আৰু বেছিভাগেই মধ্যবিত্ত কৃষিজীৱী শ্ৰেণীৰ অন্তৰ্গত। তেওঁলোকে ৰাজনৈতিক সংগঠনত সফলতা লাভ কৰি গাঁও পঞ্চায়ত আৰু সমবায় সমিতিত বিভিন্ন পদবী লাভ কৰে।
- একে সময়তে, স্বাধীনতাৰ পিছৰ সময়ছোৱাত ভাৰতত নিৰ্বাচনী ব্যৱস্থাৰ কাৰ্যকৰিতাৰ ফলত ৰাজনৈতিক দলসমূহে সংখ্যাগতভাৱে শক্তিশালী গোটসমূহক সন্তুষ্ট কৰাৰ চেষ্টা কৰে। ফলস্বৰূপে, নিজ নিজ সম্প্ৰদায়ৰ সদস্যসকলক সংগঠিত কৰাৰ ক্ষমতা থকা স্থানীয় নেতাসকল গ্ৰাম্য অঞ্চলসমূহত আত্মপ্ৰকাশ কৰিছে।

৯.৭ অধিক জানিবলৈ

1. Abraham M. Francis (1974). *Dynamics of Leadership in Village India.* Allahabad: Indian International Publication
2. Adisehiah S. Maleom, Mukherjee Pranab (1994). *Decentralised Planning and Panchayati Raj.* New Delhi: Concept Publishing Co.
3. Annamalai V. (1996). *Formation and Transformation of Power in Rural India.* New

Delhi: Discovery Publishing House.

4. Bandyopadhyay D. and Mukherjee Amitava (2004). *New Issues in Panchayati Raj.* New Delhi: Concept Publishing Co.

৯.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ।

২ নং প্ৰশ্নৰ উত্তৰ ঃ পৰম্পৰাগত ভাৰতীয় কৃষিভিত্তিক গাঁথনি "যজমানী ব্যৱস্থা"ৰ কাঠামোৰ ভিতৰত সংগঠিত আছিল। এই ব্যৱস্থাত 'যজমান' নামে জনাজাতিৰ লোকসকলেই ভূমিৰ মালিক আছিল আৰু সেই ভূমি খেতিও কৰিছিল। আনহাতে, 'কামিন' বা হাতে-কাম কৰা শ্ৰমিকসকল এনে এক জাতি-গোট আছিল, যিসকলৰ দায়িত্ব আছিল যজমানসকলৰ বাবে কাম কৰা। কামিনসকলে আগবঢ়োৱা সেৱাৰ বিনিময়ত যজমানসকলে কৃষিজ উৎপাদনৰ এটা অংশ তেওঁলোকক প্ৰদান কৰিছিল। কিন্তু এই সম্পৰ্ক পাৰস্পৰিক বিনিময়ৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠিলেও, ইয়াক জাতি ব্যৱস্থাই নিৰ্ধাৰণ কৰিছিল আৰু জাতিভিত্তিক বৈষম্য অধিক শক্তিশালী কৰি তুলিছিল। ভূমিৰ মালিক উচ্চ জাতিৰ লোকসকল নিঃসন্দেহে হাতে-কাম কৰা শ্ৰমিকসকলতকৈ অধিক শক্তিশালী আছিল। ব্ৰিটিছসকলৰ আগমনৰ লগে লগে কৃষিভিত্তিক শ্ৰেণী গাঁথনিত এক আমূল পৰিৱৰ্তন সংঘটিত হৈছিল। বিহাৰ আৰু বংগৰ দৰে অঞ্চলত পূৰ্ণ মালিকীস্বত্ব সেইসকল জমিদাৰৰ হাতলৈ হস্তান্তৰ কৰা হৈছিল, যিসকলে পূৰ্বতে কেৱল কৰ সংগ্ৰহকাৰী মধ্যস্থতাকাৰী হিচাপেহে কাম কৰিছিল। যিসকল বৃহৎ সংখ্যক কৃষকে পূৰ্বৰে পৰা ভূমি খেতি কৰি আহিছিল, তেওঁলোক এতিয়া জমিদাৰ বা নতুন ভূমিস্বত্বাধিকাৰীসকলৰ ভাড়াতীয়া ৰায়ত হৈ পৰিল। ভাড়াতীয়া ৰায়তসকলে উৎপাদিত শস্যৰ অংশ দিয়াৰ পৰিৱৰ্তে জমিদাৰক এক নিৰ্দিষ্ট পৰিমাণৰ নগদ ধন পৰিশোধ কৰিবলগীয়া হৈছিল। ফলস্বৰূপে, খৰাং পৰিলেও বা বেয়া বতৰ অথবা অন্যান্য কাৰণত শস্য নষ্ট হ'লেও, ভাড়াতীয়া ৰায়তসকলে সেই নিৰ্দিষ্ট ধনৰাশি পৰিশোধ কৰিবলগীয়া হৈছিল, যাৰ ফলত তেওঁলোক দৰিদ্ৰতা আৰু ঋণগ্ৰস্ততাৰ জীৱনলৈ ঠেলি দিয়া হৈছিল।

স্বাধীনতা লাভ কৰাৰ পিছত ভাৰত চৰকাৰে ভূমি-সম্পৰ্কত পৰিৱৰ্তন অনাৰ চেষ্টা কৰিছিল। ভাৰতীয় সংসদে ১৯৫০ চনত জমিদাৰী বিলোপ আইন গৃহীত কৰিছিল, যাৰ জৰিয়তে জমিদাৰী ব্যৱস্থা বিলুপ্ত কৰি প্ৰকৃত খেতিয়কসকলক ভূমিৰ মালিকীস্বত্ব প্ৰদান কৰাৰ প্ৰচেষ্টা কৰা হৈছিল। কেইবাখনো ৰাজ্যত ভূমি-সীমা আইন প্ৰণয়ন কৰা হৈছিল, যাতে অতি কমসংখ্যক লোকৰ হাতত ভূমিৰ কেন্দ্ৰীভৱন ৰোধ কৰি ভূমিৰ পুনৰ্বিতৰণ নিশ্চিত কৰিব পৰা যায়।

খ্যাতনামা অৰ্থনীতিবিদ ডেনিয়েল থৰ্ণাৰে ভাৰতৰ কৃষিভিত্তিক শ্ৰেণী গাঁথনিৰ তলত দিয়া আৰ্হি আগবঢ়াইছিল ঃ

(ক) মালিক ঃ তেওঁলোকৰ আয়ৰ মূল উৎস আছিল সম্পত্তিৰ অধিকাৰ। তেওঁলোকে ভাড়াতীয়া ৰায়ত, উপ-ভাড়াতীয়া ৰায়ত আৰু আধিয়াৰসকলৰ পৰা ভাড়া সংগ্ৰহ কৰিছিল।

(খ) কিষাণ ঃ তেওঁলোক এনে কৃষক, যিসকলৰ নিজৰ সৰু সৰু ভূমিখণ্ড থাকে আৰু নিজ শ্ৰমেৰে খেতি কৰে।

(গ) মজদুৰ ঃ তেওঁলোকৰ নিজৰ কোনো ভূমি নাথাকে। তেওঁলোকে আনৰ ভূমিত ভাড়াতীয়া ৰায়ত/ আধিয়াৰ বা মজুৰি শ্ৰমিক হিচাপে কাম কৰে।

কিন্তু ভাৰতৰ সামাজিক-অৰ্থনৈতিক পৰিৱেশৰ জটিলতাৰ প্ৰতি লক্ষ্য ৰাখিলে, ভাৰতৰ কৃষিভিত্তিক শ্ৰেণী গাঁথনি সম্পৰ্কে ওপৰত উল্লেখ কৰা শ্ৰেণীবিভাজন সদায় অনুসৰণ কৰা সম্ভৱ নহয়। ইয়াৰ পৰিৱৰ্তে, ভূমিৰ মালিকীস্বত্ব আৰু ভূমি-ধাৰণৰ আপেক্ষিক আকাৰৰ ভিত্তিত ভাৰতীয় কৃষিভিত্তিক শ্ৰেণী গাঁথনিক শ্ৰেণীবিভাজন কৰিব পাৰি। এই প্ৰসংগত অধিক গ্ৰহণযোগ্য শ্ৰেণীবিভাজন হৈছে বৃহৎ ভূমিস্বত্বাধিকাৰী (বৃহৎ পৰিমাণৰ ভূমিৰ মালিক), বৃহৎ কৃষক, মধ্যম কৃষক, সৰু আৰু প্ৰান্তীয় কৃষক আৰু ভূমিহীন শ্ৰমিক।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৫২

৪ নং প্ৰশ্নৰ উত্তৰ ঃ সমন্বিত গ্ৰাম্য উন্নয়ন কাৰ্যসূচী।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ বয়স ভাৰতীয় নেতৃত্বৰ পৰম্পৰাত এক গুৰুত্বপূৰ্ণ চলক হিচাপে পৰিগণিত হৈ আহিছে। অতীতত ভাৰতীয় গাঁও সমাজৰ নেতৃত্ব বৃদ্ধসকলৰ একচেটীয়া অধিকাৰত আছিল। বিস্তৃত অভিজ্ঞতা, পৰিপক্কতা আদি কাৰণত তেওঁলোকেই গ্ৰাম্য ক্ষমতা গাঁথনিত আধিপত্য বিস্তাৰ কৰিছিল। পৰম্পৰাগতভাৱে, গ্ৰাম্য নেতৃত্বৰ ধাৰাই বয়স আৰু পৰিপক্কতাৰ প্ৰতি গভীৰ সন্মানৰ প্ৰতিফলন ঘটাইছিল। সামাজিক বা অৰ্থনৈতিক মৰ্যাদা, বংশানুক্ৰম, জ্যেষ্ঠতা আদি কাৰণত সৃষ্ট প্ৰতিপত্তিৰ ভিত্তিত গ্ৰাম্য নেতৃত্বৰ উদ্ভৱ হৈছিল। স্বাধীনতাৰ পূৰ্বে মূলতঃ উচ্চসুবিধাপ্ৰাপ্ত জাতিৰ অন্তৰ্গত কিছুমান অনানুষ্ঠানিক নেতা আছিল, যিসকলৰ সংখ্যাগত শক্তি বেছি নাছিল, কিন্তু জীৱনৰ প্ৰায় সকলো ক্ষেত্ৰতেই তেওঁলোকৰ আধিপত্য বিদ্যমান আছিল।

কিন্তু বৰ্তমান নতুন প্ৰতিষ্ঠানসমূহৰ বিকাশ আৰু গ্ৰাম্য পুনৰ্গঠন সম্পৰ্কীয় নতুন কৌশল প্ৰৱৰ্তনৰ ফলত নেতৃত্বৰ কাৰ্যাৱলী যথেষ্ট পৰিৱৰ্তিত হৈছে। ভাৰতত আধুনিকীকৰণৰ প্ৰক্ৰিয়াই কিছু পৰিমাণে পৰম্পৰাগত ভাৰতীয় সমাজৰ পুৰণি মূল্যবোধসমূহ সলনি কৰিছে। সেয়েহে, এই পৰিৱৰ্তিত পৰিস্থিতিৰ ফলত কম বয়সীয়া ব্যক্তিসকলে নেতৃত্বৰ দায়িত্ব অধিক দক্ষতা আৰু কাৰ্যকাৰিতাৰে পালন কৰিবলৈ সক্ষম হৈছে। ফলস্বৰূপে, ভাৰতৰ গ্ৰাম্য অঞ্চলৰ পৰম্পৰাগত ক্ষমতা গাঁথনিত এক উল্লেখযোগ্য পৰিৱৰ্তন পৰিলক্ষিত হৈছে। দেখা যায় যে অধিকাংশ গ্ৰাম্য নেতা মধ্যবয়সীয়া শ্ৰেণীৰ অন্তৰ্গত, যদিও তেওঁলোকৰ এক উল্লেখযোগ্য অংশ যুৱ বয়সৰ লোকো। পুনৰ, অৰ্থনৈতিক কাৰ্যকলাপৰ সম্প্ৰসাৰণ, আধুনিক শিক্ষাৰ প্ৰসাৰ, চৰকাৰৰ ভূমি সংস্কাৰ নীতি আৰু গণতান্ত্ৰিকভাৱে প্ৰতিষ্ঠিত পঞ্চায়তীৰাজ প্ৰতিষ্ঠানসমূহৰ প্ৰতিষ্ঠা আদিয়েও ভাৰতত এক নতুন গ্ৰাম্য নেতৃত্বৰ উদ্ভৱত অৰিহণা যোগাইছে, যি সম্পূৰ্ণৰূপে সামন্ততান্ত্ৰিক স্বভাৱৰ হোৱাৰ পৰিৱৰ্তে তুলনামূলকভাৱে অধিক গণতান্ত্ৰিক দৃষ্টিভংগী সম্পন্ন। নতুন নেতাসকল যুৱ, শিক্ষিত আৰু বেছিভাগেই মধ্যবিত্ত কৃষিজীৱী শ্ৰেণীৰ অন্তৰ্গত। তেওঁলোকে ৰাজনৈতিক সংগঠনত সফলতা লাভ কৰি গাঁও পঞ্চায়ত আৰু সমবায় সমিতিত বিভিন্ন পদবী লাভকৰে। নতুন নেতাসকল উদ্ভাৱন গ্ৰহণৰ ক্ষেত্ৰত অধিক গ্ৰহণক্ষম আৰু বিভিন্ন সামূহিক উন্নয়ন কাৰ্যসূচী ৰূপায়ণৰ ক্ষেত্ৰত চৰকাৰী বিষয়াসকলৰ সৈতে অধিক সহযোগিতামূলকভাৱে কাম কৰে। একে সময়তে, স্বাধীনতাৰ পিছৰ সময়ছোৱাত ভাৰতত নিৰ্বাচনী ব্যৱস্থাৰ কাৰ্যকৰিতাৰ ফলত ৰাজনৈতিক দলসমূহে সংখ্যাগতভাৱে শক্তিশালী গোটসমূহক সন্তুষ্ট কৰাৰ চেষ্টা কৰে। ফলস্বৰূপে, নিজ নিজ সম্প্ৰদায়ৰ সদস্যসকলক সংগঠিত কৰাৰ ক্ষমতা থকা স্থানীয় নেতাসকল গ্ৰাম্য অঞ্চলসমূহত আত্মপ্ৰকাশ কৰিছে।

৯.৯ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ ভাৰতত গ্ৰাম্য নেতৃত্বৰ গাঁথনিৰ পৰিৱৰ্তনৰ বাবে দায়ী কাৰকসমূহ ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ ঔপনিৱেশিক কালত আৰু ঔপনিৱেশ-উত্তৰ কালত ভাৰতৰ গ্ৰাম্য নেতৃত্বৰ গাঁথনি ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ ঃ শেহতীয়া সময়ত ভাৰতত তৃণমূল স্তৰত কেনে ধৰণৰ নেতৃত্ব গঢ় লৈ উঠিছে?

প্ৰশ্ন ৪ ঃ গ্ৰাম্য গাঁথনি ৰূপান্তৰ আৰু উন্নয়ন কৰাৰ বাবে চৰকাৰে গ্ৰহণ কৰা বিভিন্ন ধৰণৰ আঁচনি কি কি?

প্ৰশ্ন ৫ ঃ সামূহিক উন্নয়ন কাৰ্যসূচী সম্পৰ্কে এটি টোকা লিখক।

প্ৰশ্ন ৬ ঃ ভাৰতত তৃণমূল স্তৰত নেতৃত্বৰ ধাৰাৰ পৰিৱৰ্তিত গতিশীলতাৰ বাবে শিক্ষা আৰু ৰাজনৈতিক সংগঠনক দায়ী কাৰক হিচাপে কেনেদৰে বিশ্লেষণ কৰিব?

প্ৰশ্ন ৭ ঃ স্বাধীনতা-উত্তৰ ভাৰতত গ্ৰাম্য ৰূপান্তৰৰ প্ৰক্ৰিয়াত ৰাষ্ট্ৰই কেনেদৰে হস্তক্ষেপ কৰিছে, ব্যাখ্যা কৰক।

প্ৰশ্ন ৮ ঃ ভাৰতত গ্ৰাম্য গাঁথনি উন্নয়নৰ উদ্দেশ্যে ভাৰত চৰকাৰে গ্ৰহণ কৰা বিভিন্ন আঁচনি উল্লেখ কৰা। এই আঁচনিসমূহৰ লক্ষ্য আৰু উদ্দেশ্য বিশ্লেষণ কৰক।

****

অধ্যায় ১০ ঃ নগৰ-ঔদ্যোগিক শ্ৰেণী গাঁথনি: মধ্যবিত্ত শ্ৰেণী উত্থান

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য
১০.২ পৰিচয়
১০.৩ ভাৰতত নগৰীয়া মধ্যবিত্ত শ্ৰেণীৰ উদ্ভৱ
১০.৪ নগৰীয়া মধ্যবিত্ত শ্ৰেণীৰ ভূমিকা আৰু ভাৰতীয় সমাজৰ ওপৰত ইয়াৰ প্ৰভাৱ
১০.৫ ভাৰতত নগৰীয়া মধ্যবিত্ত শ্ৰেণীৰ ভৱিষ্যৎ
১০.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১০.৭ অধিক জানিবলৈ
১০.৮ অগ্ৰগতিৰ খতিয়ান
১০.৯ আৰ্হি প্ৰশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ভাৰতীয় মধ্যবিত্ত শ্ৰেণীৰ উৎপত্তি অনুসন্ধান কৰিব পাৰিব।
- ভাৰতৰ নগৰীয়া মধ্যবিত্ত শ্ৰেণীৰ মুখ্য বৈশিষ্ট্যসমূহ আলোচনা কৰিব পাৰিব।
- ভাৰতীয় সমাজত নগৰীয়া মধ্যবিত্ত শ্ৰেণীৰ ভূমিকা ব্যাখ্যা কৰিব পাৰিব।
- ভাৰতৰ নগৰীয়া মধ্যবিত্ত শ্ৰেণীৰ বৈশিষ্ট্যসমূহ সমালোচনামূলকভাৱে পৰ্যালোচনা কৰিব পাৰিব।

১০.২ পৰিচয়

এই অধ্যায়ত ভাৰতীয় সমাজৰ এক অতি গুৰুত্বপূৰ্ণ দিশ, অৰ্থাৎ নগৰ-ঔদ্যোগিক শ্ৰেণী গাঁথনিৰ সৈতে আপোনাক পৰিচয় কৰোৱা হৈছে, বিশেষকৈ ভাৰতৰ নগৰীয়া মধ্যবিত্ত শ্ৰেণীৰ ভূমিকাৰ প্ৰসংগত। ঔদ্যোগিকীকৰণৰ প্ৰক্ৰিয়া আৰু মধ্যবিত্ত শ্ৰেণীৰ উদ্ভৱ এই দুয়োটা আধুনিক সমাজৰ মৌলিক বৈশিষ্ট্য। আমি সকলোৱে জানো যে ব্ৰিটিছ ঔপনিৱেশিক শাসকসকলে ভাৰতত ঔপনিৱেশিক অৰ্থনীতিৰ স্বাৰ্থত আধুনিক ধাৰণা, প্ৰতিষ্ঠান আৰু আন্তঃগাঁথনি প্ৰৱৰ্তন কৰিছিল। সেয়েহে, ঔপনিৱেশিক আধুনিকতাই ভাৰতত মধ্যবিত্ত শ্ৰেণীৰ উদ্ভৱৰ পথ সুগম কৰি তুলিছিল। প্ৰতিখন সমাজতে মধ্যবিত্ত শ্ৰেণীয়ে সামাজিক-ৰাজনৈতিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক জীৱনত এক অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এৰিষ্টটলৰ মতে, মধ্যবিত্ত শ্ৰেণীৰ নাগৰিকসকলৰ দ্বাৰাই ৰাজনৈতিক সমাজ সৰ্বোত্তমভাৱে পৰিচালিত হয়।

আধুনিক যুগত কার্ল মার্ক্সে শ্ৰেণী ধাৰণাটোক সামাজিক বিশ্লেষণৰ এক মৌলিক শ্ৰেণী হিচাপে বিশদভাৱে আলোচনা কৰিছিল। শ্ৰেণীৰ বিষয়ে আলোচনা কৰোঁতে, মার্ক্সে মূলতঃ ঔদ্যোগিক পুঁজিবাদী সমাজৰ দুটা পৰস্পৰবিৰোধী শ্ৰেণী-বুর্জোৱা শ্ৰেণী আৰু শ্ৰমিক শ্ৰেণীৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। তেওঁ 'মধ্যবিত্ত শ্ৰেণী' শব্দটো বিস্তৃতভাৱে ব্যৱহাৰ কৰা নাছিল; ইয়াৰ পৰিৱৰ্তে, বুর্জোৱা শ্ৰেণী আৰু শ্ৰমিক শ্ৰেণীৰ মাজত অৱস্থিত শ্ৰেণী বা স্তৰক বুজাবলৈ তেওঁ ক্ষুদ্ৰ বুর্জোৱা শ্ৰেণী শব্দটো ব্যৱহাৰ কৰিছিল। অৱশ্যে, তেওঁ স্পষ্টভাৱে উল্লেখ কৰিছিল যে মধ্যবিত্ত শ্ৰেণীৰ ক্ৰমবৰ্ধমান আকাৰ পুঁজিবাদৰ বিকাশৰ এক গুৰুত্বপূৰ্ণ বৈশিষ্ট্য। এই পটভূমিত, বৰ্তমানৰ এই অধ্যায়ত ভাৰতৰ প্ৰসংগত নগৰীয়া মধ্যবিত্ত শ্ৰেণীৰ উদ্ভৱ আৰু সমকালীন ভাৰতীয় সমাজত ইয়াৰ ভূমিকা বুজিবলৈ এক প্ৰয়াস কৰা হৈছে।

১০.৩ ভাৰতত নগৰীয়া মধ্যবিত্ত শ্ৰেণীৰ উদ্ভৱ

ইউৰোপত সামাজিক শ্ৰেণী হিচাপে মধ্যবিত্ত শ্ৰেণীৰ উদ্ভৱ মূলতঃ অষ্টাদশ শতিকাৰ ঔদ্যোগিক বিপ্লৱৰ ফলত হৈছিল, যিয়ে সমাজত যান্ত্ৰিক, অৰ্থনৈতিক আৰু কাৰিকৰী পৰিৱৰ্তন আনিছিল। মন কৰিবলগীয়া যে মধ্যবিত্ত শ্ৰেণী কোনো সমজাতীয় শ্ৰেণী নহয়। তাত্ত্বিকভাৱে, মধ্যবিত্ত শ্ৰেণীক পু�ৰণি মধ্যবিত্ত শ্ৰেণী আৰু নতুন মধ্যবিত্ত শ্ৰেণী- এই দুটা ভাগত বিভক্ত কৰিব পাৰি। পুৰণি মধ্যবিত্ত শ্ৰেণীৰ অন্তৰ্গত সৰু উৎপাদক, কাৰিকৰ, স্বতন্ত্ৰ পেছাদাৰী আদি অন্তৰ্ভুক্ত; আনহাতে নতুন মধ্যবিত্ত শ্ৰেণীৰ অন্তৰ্গত কেৰাণী, তদাৰককাৰী, কাৰিকৰী কৰ্মী, শিক্ষক, চৰকাৰী বিষয়া আদি অন্তৰ্ভুক্ত। ভাৰতৰ ক্ষেত্ৰত, মধ্যবিত্ত শ্ৰেণীৰ উদ্ভৱৰ বাবে দায়ী কাৰকসমূহ ইউৰোপৰ পৰা ভিন্ন। ভাৰতত মধ্যবিত্ত শ্ৰেণীৰ উদ্ভৱ প্ৰায় দুটা শতিকা ধৰি চলা ব্ৰিটিছ ঔপনিৱেশিক শাসনৰ হস্তক্ষেপৰ ফলত হৈছিল। ইয়াৰ ফলত ভূমি, আইন, সামাজিক-অৰ্থনৈতিক আৰু ৰাজনৈতিক ক্ষেত্ৰত পৰিৱৰ্তন আহিছিল। ইয়াৰ লগতে আধুনিক পাশ্চাত্য শিক্ষা, পুঁজিবাদী উদ্যোগ, উন্নত পৰিবহণ আৰু যোগাযোগ ব্যৱস্থা, আৰু বাণিজ্যিক অগ্ৰগতিৰ প্ৰৱৰ্তনে ভাৰতত মধ্যবিত্ত শ্ৰেণীৰ উদ্ভৱত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল।

ক'বলগীয়া নাথাকে যে এই শিক্ষিত মধ্যবিত্ত শ্ৰেণীয়ে পৰৱৰ্তী পৰ্যায়ত ভাৰতৰ স্বাধীনতা আন্দোলনত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। কিন্তু ঔপনিৱেশিক ভাৰতত মধ্যবিত্ত শ্ৰেণীৰ কাৰ্যকলাপ মূলতঃ সামাজিক-সাংস্কৃতিক ক্ষেত্ৰতে সীমাবদ্ধ আছিল। এই শ্ৰেণীসমূহে অৰ্থনৈতিক ক্ষেত্ৰত বিশেষ সম্প্ৰসাৰণ ঘটাব পৰা নাছিল, কিয়নো এই ক্ষেত্ৰটো ঔপনিৱেশিক শাসকসকলৰ প্ৰত্যক্ষ নিয়ন্ত্ৰণত আছিল। বি. বি. মিশ্ৰই ঔপনিৱেশিক অৰ্থনীতিত তেওঁলোকে পালন কৰা ভূমিকাৰ ভিত্তিত ঔপনিৱেশিক মধ্যবিত্ত শ্ৰেণীক চাৰিটা ভাগত শ্ৰেণীবিভাজন কৰিছে ঃ

i. **বাণিজ্যিক মধ্যবিত্ত শ্ৰেণী ঃ** বাণিজ্যিক মধ্যবিত্ত শ্ৰেণীত অন্তৰ্ভুক্ত আছিল মধ্যস্থতাকাৰী আৰু দালাল সকল, যিসকল অষ্টাদশ শতিকাৰ শেষৰ ভাগত বিদেশী কোম্পানীসমূহ আৰু স্বদেশীয় বাণিজ্যিক তথা বেংকিং প্ৰতিষ্ঠানসমূহত নিয়োজিত আছিল।
ii. **ধনধাৰ দিয়া শ্ৰেণী ঃ** ব্ৰিটিছ ঔপনিৱেশিক নীতিৰ ফলত প্ৰৱৰ্তিত নতুন মুদ্ৰাভিত্তিক অৰ্থনীতিৰ পৰিপ্ৰেক্ষিতত ধনধাৰ দিয়া লোক, বণিয়া আৰু ঋণদাতা শ্ৰেণীৰ উদ্ভৱ হৈছিল।
iii. **ঔদ্যোগিক মধ্যবিত্ত শ্ৰেণী ঃ** ঔদ্যোগিক মধ্যবিত্ত শ্ৰেণী সংখ্যাত সৰু আছিল আৰু মূলতঃ ইংৰাজ অসামৰিক বিষয়া সকলৰ দ্বাৰা গঠিত হৈছিল। তেওঁলোকেই প্ৰথমে বিশেষকৈ বংগ আৰু মুম্বাইত ক্ষুদ্ৰ উদ্যোগত ধন বিনিয়োগ কৰিছিল।
iv. **শিক্ষিত মধ্যবিত্ত শ্ৰেণী ঃ** শিক্ষিত মধ্যবিত্ত শ্ৰেণী মূলতঃ পেছাদাৰী লোকসকলকহৈছিল, যিসকলৰ উদ্ভৱ পাশ্চাত্য শিক্ষাৰ প্ৰৱৰ্তনৰ ফলত হৈছিল।

স্বাধীনতা লাভ কৰাৰ পিছত ৰাষ্ট্ৰৰ প্ৰত্যক্ষ নিয়ন্ত্ৰণত ঔদ্যোগিকীকৰণৰ প্ৰক্ৰিয়াক ত্বৰান্বিত কৰাৰ উদ্দেশ্যে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰা হৈছিল। নেহৰু যুগত গ্ৰহণ কৰা অৰ্থনৈতিক আৰ্হিটো, যিটো নেহৰুৱাদী উন্নয়ন আৰ্হি নামেৰে সুপৰিচিত, মূলতঃ আমদানি-প্ৰতিস্থাপনমূলক ঔদ্যোগিকীকৰণৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠিছিল। ইয়াৰ মূল ধাৰণা আছিল গধু�ৰ উদ্যোগসমূহত ৰাজহুৱা খণ্ডৰ উদ্যোগ স্থাপন কৰি দ্ৰুতগতিত ঔদ্যোগিকীকৰণ সাধন কৰা আৰু ঘৰুৱা অৰ্থনীতিত বিদেশী মূলধনৰ প্ৰৱেশক নিৰুৎসাহিত কৰা। উদ্যোগ, আন্তঃগাঁথনি, পৰিবহণ, দূৰসংযোগ, খনন, বেংকিং, বীমা আদি ক্ষেত্ৰত ৰাজহুৱা খণ্ডৰ অগ্ৰণী ভূমিকাই অৱশেষত এক উন্নয়নমুখী ৰাষ্ট্ৰৰ সুদৃঢ়ীকৰণ ঘটাইছিল, যিয়ে অৰ্থনৈতিক পৰিকল্পনা আৰু উন্নয়নৰ চালিকাশক্তি হিচাপে কাম কৰিছিল।

দ্ৰুত ঔদ্যোগিকীকৰণক দৰিদ্ৰতা দূৰীকৰণ আৰু জনসাধাৰণৰ কল্যাণৰ প্ৰসাৰৰ মূল চাবিকাঠি হিচাপে গণ্য কৰা হৈছিল। বহু তাত্ত্বিকই যুক্তি দাঙি ধৰিছে যে, যদিও ভাৰতীয় ৰাষ্ট্ৰই সাংবিধানিকভাৱে উদাৰ গণতান্ত্ৰিক চৰিত্ৰ গ্ৰহণ কৰিছিল, তথাপিও ই ইউৰোপ বা উত্তৰ আমেৰিকাৰ উন্নত পুঁজিবাদী গণতন্ত্ৰসমূহৰ পৰা স্বাভাৱিকতেই পৃথক আছিল। কাৰণ, স্বাধীনতাৰ তৎকালীন পৰৱৰ্তী সময়ত ভাৰতীয় পুঁজিপতি শ্ৰেণীয়ে নিজৰ আধিপত্য প্ৰতিষ্ঠা কৰিব পৰাকৈ ইমান সামাজিক ক্ষমতা অৰ্জন কৰিব পৰা নাছিল। এনে পৰিস্থিতিত ৰাষ্ট্ৰ তুলনামূলকভাৱে স্বায়ত্তশাসিত সত্তা হিচাপে অৱশিষ্ট আছিল আৰু বিভিন্ন শ্ৰেণীৰ স্বাৰ্থৰ মাজত ভাৰসাম্য ৰক্ষা কৰিবলৈ সক্ষম হৈছিল। ভাৰতীয়

ৰাষ্ট্ৰৰ শ্রেণীগত চৰিত্ৰ বিশ্লেষণ কৰি প্ৰণৰ বৰ্ধনে যুক্তি আগবঢ়াইছিল যে ভাৰতীয় ৰাজনৈতিক পৰিসৰ মূলতঃ তিনিটা প্ৰভাৱশালী শ্রেণীৰ- পুঁজিপতি, ধনী কৃষক আৰু আমোলাতান্ত্ৰিক পৰিচালনামূলক শ্রেণীৰ মাজত প্ৰতিদ্বন্দ্বিতাৰ ক্ষেত্ৰ আছিল। শক্তিশালী, হস্তক্ষেপকাৰী আৰু উন্নয়নমুখী ৰাষ্ট্ৰক পৰিচালনা কৰিবলৈ বৃহৎ সংখ্যক কাৰিকৰী বিশেষজ্ঞ আৰু আমোলাতান্ত্ৰিক পৰিচালনামূলক শ্রেণীৰ প্ৰয়োজন হৈছিল, আৰু এই শ্রেণীসমূহ মূলতঃ নগৰীয়া মধ্যবিত্ত শ্রেণীৰ লোকসকলৰ পৰা আহিছিল। নগৰীয়া মধ্যবিত্ত শ্রেণীয়ে ৰাজনৈতিক দলসমূহৰ নিৰ্বাচনী সংগঠন আৰু সামাজিক আন্দোলনসমূহৰ জৰিয়তে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰসমূহৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিছিল। আমোলাতন্ত্ৰৰ উপৰিও, এই শ্রেণীয়ে মুদ্ৰিত মাধ্যম, দৃশ্য মাধ্যম, ন্যায়পালিকা আৰু অন্যান্য প্ৰভাৱশালী নিয়ামক সংস্থাসমূহৰ ওপৰতো যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰিছিল।

১৯৯০-ৰ দশকত অৰ্থনৈতিক উদাৰীকৰণৰ প্ৰক্ৰিয়াই ভাৰতীয় মধ্যবিত্ত শ্রেণীত কিছুমান গাঁথনিগত পৰিৱৰ্তন আনিছে। লীলা ফাৰ্নান্ডেজে যুক্তি দাঙি ধৰিছে যে, ৰাষ্ট্ৰ-পৰিচালিত অৰ্থনীতিৰ পৰা উদাৰীকৃত অৰ্থনীতি লৈ হোৱা পৰিৱৰ্তনে ভাৰতীয় মধ্যবিত্ত শ্রেণীক দুটা স্তৰত পুনৰ্গঠন কৰিছে। প্ৰথমতে, ই পৰম্পৰাগত মধ্যবিত্ত শ্রেণীক প্ৰান্তীয়কৰণ কৰিছে, যিসকল মূলতঃ ৰাষ্ট্ৰায়ত্ত উদ্যোগ, ৰাজহুৱা খণ্ডৰ উদ্যোগ আদিৰ সৈতে জড়িত আছিল। দ্বিতীয়তে, ই এক নতুন মধ্যবিত্ত শ্রেণীৰ সৃষ্টি কৰিছে, যিসকলে অৰ্থনৈতিক উদাৰীকৰণৰ প্ৰক্ৰিয়াৰ পৰা বিশেষভাৱে লাভান্বিত হৈছে; বিশেষকৈ সেইসকল নগৰীয়া যুৱ পেছাদাৰী, যিসকলে বহুজাতিক নিগমসমূহৰ দ্ৰুত সম্প্ৰসাৰণ আৰু পৰৱৰ্তী সময়ত ভাৰতীয় কোম্পানীসমূহৰ বিকাশৰ ফলত লাভান্বিত হ'বলৈ সক্ষম হৈছে। এই নতুন মধ্যবিত্ত শ্রেণী মূলতঃ ঔদ্যোগিক, আমোলাতান্ত্ৰিক আৰু তথ্য প্ৰযুক্তি খণ্ডৰ অভিজাত শ্রেণীক লৈ গঠিত। ভগৱান প্ৰসাদৰ দৰে পণ্ডিতসকলে বৃত্তিৰ ভিত্তিত এই নতুন মধ্যবিত্ত শ্রেণীক চাৰিটা ভাগত বিভক্ত কৰিছে।

১. **বেতনভোগী ব্যক্তি ঃ** ইয়াৰ অন্তৰ্গত প্ৰতিষ্ঠানিক আৰু চৰকাৰী বিষয়াকে ধৰি প্ৰশাসনিক কৰ্মচাৰীসকল অন্তৰ্ভুক্ত।

২. **স্বতন্ত্ৰ পেছাদাৰী ঃ** ইয়াৰ অন্তৰ্গত চিকিৎসক, অধিবক্তা, শিক্ষক, সাংবাদিক আৰু অন্যান্য পৰামৰ্শদাতাসকল অন্তৰ্ভুক্ত।

৩. **অবেতনভোগী ঃ** ইয়াৰ অন্তৰ্গত ব্যক্তিগত ব্যৱসায়িক প্ৰতিষ্ঠান, উদ্যোগী আদি অন্তৰ্ভুক্ত।

৪. **অৱসৰপ্ৰাপ্ত ব্যক্তি আৰু ধনী পৰিয়ালৰ বিধৱা।**

আয়, সামাজিক মৰ্যাদা, উপভোক্তাবাদ আৰু জীৱনশৈলী হৈছে ভাৰতৰ এই নতুন মধ্যবিত্ত শ্রেণীক শ্রেণীবিভাজন কৰাৰ মুখ্য মাপকাঠি। ভাৰতৰ এই নতুন নগৰীয়া মধ্যবিত্ত শ্রেণীৰ কেইটামান বৈশিষ্ট্য তলত উল্লেখ কৰা হ'ল ঃ

১. **ইংৰাজী ভাষাত পাৰদৰ্শিতা ঃ** ইংৰাজী ভাষাত পাৰদৰ্শিতা ভাৰতত নতুনকৈ উদ্ভৱ হোৱা নগৰীয়া মধ্যবিত্ত শ্রেণীৰ এক জনপ্ৰিয় পৰিচয় হৈ পৰিছে। বৰ্তমান আমেৰিকা যুক্তৰাষ্ট্ৰৰ পিছতে ভাৰত হৈছে দ্বিতীয় সৰ্বাধিক গুৰুত্বপূৰ্ণ ইংৰাজীভাষী দেশ। মধ্যবিত্ত শ্রেণী, বিশেষকৈ তথ্য প্ৰযুক্তি খণ্ডৰ পেছাদাৰীসকল, ক্ৰমাৎ আন্তঃৰাষ্ট্ৰীয় কৰ্মসংস্থাপনৰ প্ৰতি আগ্ৰহী হৈছে আৰু প্ৰযুক্তিগত উন্নতি তথা উন্নত ভাষাগত দক্ষতা গ্ৰহণ কৰাৰ লগতে এক বৈশ্বিক বিশ্বদৃষ্টিভংগী গঢ়ি তুলিছে।

২. **উপভোক্তাবাদী সংস্কৃতি আৰু জীৱনশৈলী ঃ** নগৰীয়া মধ্যবিত্ত শ্রেণী সম্ভৱতঃ উচ্চমানৰ সামগ্ৰী, যেনে— সৰ্বাধুনিক মডেলৰ গাড়ী, এয়াৰ কণ্ডিচনাৰ, মোবাইল ফোন, ডিজাইনাৰ পোছাক আদি সামগ্ৰীৰ আটাইতকৈ গুৰুত্বপূৰ্ণ উপভোক্তা। বৰ্তমান উপভোগ নগৰীয়া মধ্যবিত্ত শ্রেণীৰ জীৱনধাৰা হৈ পৰিছে। মুদ্ৰিত মাধ্যম আৰু দৃশ্য মাধ্যমত নগৰীয়া মধ্যবিত্ত শ্রেণীৰ আদৰ্শায়িত প্ৰতিচ্ছবি হৈছে এনে এজন সমৃদ্ধিশালী উপভোক্তা, যিয়ে উপভোগৰ জৰিয়তে নিজৰ পছন্দ প্ৰয়োগ কৰাৰ সক্ষমতা অৰ্জন কৰিছে।

৩. **প্ৰযুক্তি-দক্ষ জ্ঞানভিত্তিক সমাজ ঃ** নগৰীয়া মধ্যবিত্ত শ্রেণীক প্ৰায়ে জ্ঞান শ্রেণী বুলি কোৱা হয়, কিয়নো তেওঁলোকৰ বিশেষায়িত উচ্চ শিক্ষা আৰু প্ৰযুক্তিগত দক্ষতা আছে। ভাৰতীয় তথ্য প্ৰযুক্তি উদ্যোগ ভাৰতীয় মধ্যবিত্ত শ্রেণীৰ বাবে এক নতুন আশাৰ উৎস হৈ পৰিছে। তথ্য প্ৰযুক্তি উদ্যোগী আৰু পেছাদাৰীসকল নতুন মধ্যবিত্ত শ্রেণীৰ নায়ক হিচাপে বিবেচিত।

৪. **কৰ্মজীৱনমুখী শ্ৰেণী ঃ** নগৰীয়া মধ্যবিত্ত শ্ৰেণী ক্ৰমাৎ নিজৰ কৰ্মজীৱনৰ অগ্ৰগতি আৰু বৈষয়িক সমৃদ্ধিৰ প্ৰতি অধিক মনোযোগী হৈ পৰিছে। তেওঁলোকৰ মূল্যবোধ ক্ৰমাৎ বৈষয়িক কল্যাণ আৰু সমৃদ্ধিৰ দিশলৈ অভিমুখী হৈছে।

৫. **স্থানীয়তাতকৈ অধিক বিশ্বায়িত ঃ** নতুন নগৰীয়া মধ্যবিত্ত শ্ৰেণী নিঃসন্দেহে উদাৰীকৰণ, ব্যক্তিগতকৰণ আৰু বিশ্বায়নৰ প্ৰক্ৰিয়াৰ এক অবিচ্ছেদ্য অংশ হৈ পৰিছে। ফলস্বৰূপে, তেওঁলোক ক্ৰমাৎ অধিক বিশ্বায়িত হৈছে আৰু ইলেক্ট্ৰ'নিক মাধ্যম আৰু প্ৰযুক্তিৰ জৰিয়তে দ্ৰুতগতিত আগবাঢ়ি যোৱা বিশ্বৰ সৈতে সুসংযুক্ত হৈ পৰিছে। তেওঁলোকে এক পেছাদাৰী জীৱনশৈলী অনুসৰণ কৰে আৰু বৈশ্বিক সংস্কৃতি, আধুনিক বিশ্বদৃষ্টিভংগী, আন্তঃৰাষ্ট্ৰীয় শিক্ষা আৰু বৈশ্বিক বজাৰ অৰ্থনীতিৰ সংস্পৰ্শলৈ আহে। কেতিয়াবা নগৰীয়া মধ্যবিত্ত শ্ৰেণী বৈশ্বিক আৰু স্থানীয় সাংস্কৃতিক তথা ৰাজনৈতিক প্ৰভাৱৰ সংমিশ্ৰণ ঘটোৱা এক সাংস্কৃতিক মিলনস্থলী হিচাপেও পৰিগণিত হয়।

৬. **ক্ৰমাৎ অ-ৰাজনৈতিক হৈ পৰা শ্ৰেণী ঃ** নগৰীয়া মধ্যবিত্ত শ্ৰেণীৰ কাৰ্যকলাপ মূলতঃ আনুষ্ঠানিক নিৰ্বাচনী ৰাজনীতিৰ পৰিসৰৰ বাহিৰত থকা নাগৰিক সমাজৰ ক্ষেত্ৰত সীমাবদ্ধ। তেওঁলোকে প্ৰায়ে ৰাজনৈতিক দল আৰু সামাজিক আন্দোলনসমূহৰ পৰম্পৰাগত ৰাজনীতি পৰিহাৰ কৰে আৰু ধীৰে ধীৰে নিৰ্বাচনী ৰাজনীতিত অংশগ্ৰহণৰ পৰা আঁতৰি আহিছে। সেয়েহে, ক্ৰমবৰ্ধমান অ-ৰাজনৈতিকীকৰণ নগৰীয়া মধ্যবিত্ত শ্ৰেণীৰ এক সংজ্ঞাবাহী বৈশিষ্ট্য হৈ পৰিছে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ "ৰাজনৈতিক সমাজ মধ্যবিত্ত শ্ৰেণীৰ নাগৰিকসকলৰ দ্বাৰাই সৰ্বোত্তমভাৱে পৰিচালিত হ'ব পাৰে।" এই কথা কোনে কৈছিল?

প্ৰশ্ন নং ২ ঃ কাৰ্ল মাৰ্ক্সে বুৰ্জোৱা শ্ৰেণী আৰু শ্ৰমিক শ্ৰেণীৰ মাজত থকা শ্ৰেণী বা স্তৰক বুজাবলৈ শব্দটো ব্যৱহাৰ কৰিছিল। (খালী ঠাই পূৰণ কৰক)

প্ৰশ্ন নং ৩ ঃ নতুন ভাৰতীয় মধ্যবিত্ত শ্ৰেণীৰ দুটা বৈশিষ্ট্য উল্লেখ কৰক।

প্ৰশ্ন নং ৪ ঃ স্বাধীনতাৰ তৎকালীন পৰৱৰ্তী সময়ত ভাৰতীয় সমাজৰ তিনিটা প্ৰভাৱশালী শ্ৰেণী উল্লেখ কৰক।

১০.৪ নগৰীয়া মধ্যবিত্ত শ্ৰেণীৰ ভূমিকা আৰু ভাৰতীয় সমাজৰ ওপৰত ইয়াৰ প্ৰভাৱ

ঐতিহাসিকভাৱে নগৰীকৃত মধ্যবিত্ত শ্ৰেণীয়ে ভাৰতীয় সমাজৰ আধুনিকীকৰণ আৰু গণতান্ত্ৰিকীকৰণৰ প্ৰক্ৰিয়াত এক অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। পূৰ্বেই উল্লেখ কৰা অনুসৰি, নগৰীয়া মধ্যবিত্ত শ্ৰেণীৰ উদ্ভৱ মূলতঃ ঔপনিৱেশিক অৰ্থনীতিৰ ফল, যিয়ে ঊনবিংশ শতিকাত ভাৰতীয় সমাজত উল্লেখযোগ্য পৰিৱৰ্তন আনিছিল। বি. বি. মিশ্ৰই স্পষ্টভাৱে উল্লেখ কৰিছে যে ঔপনিৱেশিক অৰ্থনীতিত উদ্ভৱ হোৱা পৰিৱৰ্তিত পৰিস্থিতিৰ সুবিধা প্ৰথমে গ্ৰহণ কৰা ভাৰতীয় মধ্যবিত্ত শ্ৰেণীৰ প্ৰথম প্ৰজন্ম উচ্চজাতিৰ অন্তৰ্গত আছিল, কিয়নো তেওঁলোকে ইতিমধ্যে পৰম্পৰাগতভাৱে উচ্চ সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক স্থান অধিকাৰ কৰি আছিল। তেওঁলোকে নগৰ কেন্দ্ৰসমূহলৈ স্থানান্তৰিত হৈছিল, শিক্ষা লাভ কৰিছিল আৰু নতুন লাভজনক পেছা গ্ৰহণ কৰিছিল। ধন-সম্পদ আৰু শিক্ষানুষ্ঠানসমূহৰ কেন্দ্ৰীভৱনৰ বাবে তেওঁলোকৰ কাৰ্যকলাপ মূলতঃ নগৰ কেন্দ্ৰসমূহতে, বিশেষকৈ প্ৰেছিডেন্সী নগৰসমূহত সীমাবদ্ধ আছিল।

এই শিক্ষিত মধ্যবিত্ত শ্ৰেণীৰ লোকসকলে জনপৰিসৰত নেতৃত্ব প্ৰদান কৰিছিল আৰু আধুনিক ভাৰতৰ জাতীয়তাবাদী চিন্তাধাৰাক ৰূপ দিছিল। ঔপনিৱেশিক শাসকসকলে আধুনিক ইংৰাজী শিক্ষা ব্যৱস্থা প্ৰৱৰ্তন কৰিছিল কেৱল এনে এক শ্ৰেণী সৃষ্টি কৰাৰ উদ্দেশ্যে, যিয়ে ঔপনিৱেশিক শাসন সুদৃঢ় আৰু সম্প্ৰসাৰণ কৰাৰ প্ৰক্ৰিয়াত তেওঁলোকক সহায় কৰিব। তেওঁলোকৰ বিশ্বাস আছিল যে আধুনিক শিক্ষাই এনে এক শ্ৰেণীৰ সৃষ্টি কৰিব, যিসকল ৰক্ত-মাংসত ভাৰতীয় হ'লেও ৰুচি আৰু বৌদ্ধিকতাত ইংৰাজ হ'ব। কিন্তু এই মধ্যবিত্ত শ্ৰেণীৰ লোকসকল মূলতঃ

সেৱা খণ্ড আৰু সাহিত্যিক শ্ৰেণীৰ অন্তৰ্গত আছিল, যিসকলে ক্ৰমাৎ ভাৰতীয় সমাজৰ স্পষ্টভাষী অংশত পৰিণত হৈছিল; বিশেষকৈ লেখকসকল আৰু দেশীয় বুদ্ধিজীৱীসকল, যিসকলক আমি বৰ্তমান ভাৰতীয় জাতীয়তাবাদীসকলৰ প্ৰথম প্ৰজন্ম বুলি কওঁ। তেওঁলোকে ক্ৰমাৎ সামাজিক সংস্কাৰ আন্দোলনসমূহত জড়িত হৈছিল আৰু ভাৰতীয় সমাজত কিছুমান পৰিৱৰ্তন অনাৰ উদ্দেশ্যে ঔপনিৱেশিক ৰাষ্ট্ৰৰ ওচৰত আবেদনপত্ৰ দাখিল কৰিবলৈ আৰম্ভ কৰিছিল।

পৰৱৰ্তী সময়তো ভাৰতীয় জাতীয় কংগ্ৰেছ বা মুছলিম লীগৰ দৰে জাতীয়তাবাদী সংগঠনসমূহৰ নেতৃত্ব সাহিত্যিক বা পেছাদাৰী মধ্যবিত্ত শ্ৰেণীৰ লোকসকলৰ হাততেই আছিল। সেয়েহে ঔপনিৱেশিক বিৰোধী আন্দোলনৰ সময়ত জাতীয়তাবাদী চিন্তাধাৰাই সামাজিক-ধৰ্মীয় জাতীয়তাবাদ আৰু নাগৰিক জাতীয়তাবাদভিত্তিক নগৰমুখী প্ৰতিনিধিত্বমূলক নাগৰিকত্বৰ ধাৰাক প্ৰতিফলিত কৰিছিল। অৱশ্যে, জাতীয়তাবাদী আন্দোলনত মহাত্মা গান্ধীৰ প্ৰভাৱ বৃদ্ধি পোৱাৰ লগে লগে আন্দোলনৰ ধাৰা ক্ৰমাৎ পৰিৱৰ্তিত হৈছিল আৰু ই এক গণ-আন্দোলনত পৰিণত হৈছিল।

স্বাধীনতা-উত্তৰ ভাৰতৰ প্ৰথম কেইটামান দশকত ৰাষ্ট্ৰ আৰু মধ্যবিত্ত শ্ৰেণীৰ সম্পৰ্ক অধিক গুৰুত্বপূৰ্ণ হৈ উঠিছিল। পূৰ্বেই উল্লেখ কৰা অনুসৰি, ৰাষ্ট্ৰ আৰু মধ্যবিত্ত ৰাজনীতিৰ ঐতিহাসিক সম্পৰ্কই অৰ্থনৈতিক উন্নয়নৰ দিশ নিৰ্ধাৰণ কৰাত কেন্দ্ৰীয় ভূমিকা পালন কৰিছিল। ৰাষ্ট্ৰই প্ৰত্যক্ষ বা পৰোক্ষভাৱে মধ্যবিত্ত শ্ৰেণীৰ স্বাৰ্থ সম্প্ৰসাৰণত অৰিহণা যোগাইছিল। নগৰীয়া মধ্যবিত্ত শ্ৰেণীয়ে মূলতঃ ৰাষ্ট্ৰীয় আমোলাতন্ত্ৰ আৰু সংগঠিত উদ্যোগৰ দৰে ৰাজহুৱা প্ৰতিষ্ঠানসমূহ নিয়ন্ত্ৰণ কৰিছিল।

স্বাধীনতা-উত্তৰ ভাৰতত নগৰীয়া মধ্যবিত্ত শ্ৰেণী আৰু ৰাষ্ট্ৰৰ মাজৰ সম্পৰ্ক প্ৰথমে ৰাষ্ট্ৰীয় আমোলাতন্ত্ৰৰ গাঁথনিৰ জৰিয়তে সুদৃঢ় হৈছিল। ঔপনিৱেশিক শাসনৰ মৌলিক গাঁথনি, অৰ্থাৎ ভাৰতীয় অসামৰিক সেৱাক অক্ষুণ্ণ ৰাখি ইয়াক সম্প্ৰসাৰিত কৰি ভাৰতীয় প্ৰশাসনিক সেৱা গঠন কৰা হৈছিল। ভাৰতীয় প্ৰশাসনিক সেৱাই স্বাধীনতা-উত্তৰ ৰাষ্ট্ৰৰ আমোলাতন্ত্ৰৰ কেন্দ্ৰীয় গাঁথনি হিচাপে কাম কৰিছিল, যিটো মূলতঃ ইংৰাজী শিক্ষিত মধ্যবিত্ত শ্ৰেণীৰ লোকসকলৰ দ্বাৰা গঠিত আছিল।

প্ৰণৱ বৰ্ধনে যথাৰ্থভাৱে মন্তব্য কৰিছে যে, "অৰ্থনৈতিক সম্পদ আৰু সুবিধাসমূহৰ বিতৰণৰ জৰিয়তে পৃষ্ঠপোষকতাৰ জাল নিয়ন্ত্ৰণ কৰাত পেছাদাৰী মধ্যবিত্ত শ্ৰেণী আৰু শ্বেতপক্ষছাকধাৰী কৰ্মচাৰীসকলৰ ভূমিকাই মধ্যবিত্ত শ্ৰেণীৰ এই অংশটোক এক প্ৰভাৱশালী সম্পত্তিশালী শ্ৰেণী লৈ ৰূপান্তৰিত কৰিছিল, যিয়ে ভাৰতীয় ৰাজনৈতিক অৰ্থনীতিৰ ৰাষ্ট্ৰ-নিৰ্দেশিত উন্নয়ন আৰ্হি গঢ় দিয়াত মুখ্য ভূমিকা পালন কৰিছিল।" একে সময়তে, ভাৰতত স্থানীয় ঔদ্যোগিক পুঁজিবাদৰ উল্লেখযোগ্য বিকাশো হৈছিল। ইয়াৰ সৈতে জড়িত অগ্ৰণী শ্ৰেণীসমূহ, বিশেষকৈ বৃহৎ বুৰ্জোৱা শ্ৰেণী, ঔদ্যোগিক শ্ৰমিক শ্ৰেণী আৰু নগৰীয়া মধ্যবিত্ত শ্ৰেণীৰ উল্লেখযোগ্য বিকাশ ঘটিছিল।

মন কৰিবলগীয়া যে ভাৰতীয় গণতন্ত্ৰ নিজেই মধ্যবিত্ত শ্ৰেণীৰ ৰাজনীতিৰ এক ফল, যিয়ে জনসাধাৰণৰ আকাংক্ষাক প্ৰায়ে ৰাজনৈতিক লক্ষ্যত ৰূপান্তৰিত কৰে। মধ্যবিত্ত শ্ৰেণীয়ে বহু সময়ত ৰাষ্ট্ৰ আৰু জনসাধাৰণৰ মাজত মধ্যস্থতাকাৰী হিচাপে আৰু শাসক গোষ্ঠীৰ পৰিচালক হিচাপে কাম কৰে। মধ্যবিত্ত শ্ৰেণীৰ সক্ৰিয়তা সদায় নাগৰিক সমাজৰ পৰিসৰত দেখা যায়, যিটো ৰাষ্ট্ৰৰ আনুষ্ঠানিক ৰাজনীতিৰ পৰিসৰৰ বাহিৰত অৱস্থিত। বহু পণ্ডিতে নাগৰিক সমাজক এক সৃষ্টিশীল সমাজ বুলি অভিহিত কৰিছে, য'ত সংস্কৃতি, জাতি আৰু নাগৰিক জীৱন সম্পৰ্কীয় বিষয়সমূহৰ ওপৰত ৰাজহুৱা বিতৰ্ক অনুষ্ঠিত হয়। অৱশ্যে, এই কথাও মনত ৰখা উচিত যে ৰাষ্ট্ৰ আৰু মধ্যবিত্ত শ্ৰেণীৰ মাজৰ সম্পৰ্ক সদায় সহযোগিতামূলক নহয়। কেতিয়াবা এই সম্পৰ্ক কিছুমান আভ্যন্তৰীণ বৈপৰীত্যৰ দ্বাৰাও চিহ্নিত হয়। যেতিয়া পূৰ্বতে প্ৰান্তীয়কৃত গোটসমূহ— যেনে নিম্ন জাতিৰ গোট, জাতিগত আৰু ধৰ্মীয় সংখ্যালঘু— মধ্যবিত্ত শ্ৰেণীৰ সদস্যপদ লাভ কৰাৰ দাবী উত্থাপন কৰে, তেতিয়া মধ্যবিত্ত শ্ৰেণীৰ ভিতৰত জাতি, ধৰ্ম আৰু জনগোষ্ঠীগত ভিত্তিত আভ্যন্তৰীণ সংঘাত সৃষ্টি হয়। ১৯৯০-ৰ দশকত ভাৰতীয় অৰ্থনীতিৰ উদাৰীকৰণৰ প্ৰক্ৰিয়াৰ পিছত ভাৰতৰ নগৰীয়া মধ্যবিত্ত শ্ৰেণীৰ স্বভাৱত কিছুমান উল্লেখযোগ্য পৰিৱৰ্তন সংঘটিত হৈছে।

বিশ্বায়নৰ প্রক্রিয়াই ভাৰতীয় সমাজত নগৰীয়া মধ্যবিত্ত পৰিৱর্তিত ভূমিকাক কেন্দ্র কৰি বহু বিতর্কৰ সৃষ্টি কৰিছে। দাবী কৰা হৈছে যে মধ্যবিত্ত শ্রেণীৰ আকাৰ ভাৰতৰ মুঠ জনসংখ্যাৰ প্রায় বিশ শতাংশলৈ বৃদ্ধি পাইছে। আন কিছুমানে এই সংখ্যা প্রায় ত্রিশ শতাংশ বুলি উল্লেখ কৰিছে। ভাৰতীয় মধ্যবিত্ত শ্রেণী বৈশ্বিক বজাৰ অর্থনীতিত এক গুৰুত্বপূর্ণ উপভোক্তা শ্রেণী হিচাপে আত্মপ্রকাশ কৰিছে। জনপ্রিয় মাধ্যমসমূহত ভাৰতৰ নগৰীয়া মধ্যবিত্ত শ্রেণীক বৈশ্বিক বহুজাতিক নিগমসমূহৰ বাবে এক বৃহৎ বজাৰ হিচাপে উপস্থাপন কৰা হৈছে। বিশ্বায়নৰ প্রক্রিয়াৰ পৰা নগৰীয়া মধ্যবিত্ত শ্রেণীয়েই সর্বাধিক লাভান্বিত হৈছে। নেহৰুৱাদী পর্যায়ত উন্নয়নমুখী স্বায়ত্তশাসিত ৰাষ্ট্র পৰিচালনাত ঐতিহাসিক ভূমিকা পালন কৰা নগৰীয়া মধ্যবিত্ত শ্রেণী বর্তমানৰ অর্থনৈতিক বিশ্বায়নৰ যুগত সেই ভূমিকা হেৰুৱাই মূলতঃ এক উপভোক্তা শ্রেণী হিচাপেই পৰিণত হৈছে। পৰন কে. বর্মাই তেওঁৰ *The Great Indian Middle Class (1998)* গ্রন্থত যুক্তি আগবঢ়াইছে যে বিশ্বায়নৰ প্রক্রিয়াৰ লগে লগে সমগ্র জাতিৰ প্রতি মধ্যবিত্ত শ্রেণীৰ সামাজিক আৰু নৈতিক দায়িত্ববোধ ক্রমাৎ হ্রাস পাইছে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ মধ্যবিত্ত শ্রেণীক .....ৰ পৰিসৰত দেখা গৈছে। (খালী ঠাই পূৰণ কৰক)

প্রশ্ন নং ৬ ঃ স্বাধীনতা-উত্তৰ সময়ছোৱাত নগৰীয়া মধ্যবিত্ত শ্রেণীয়ে যথেষ্ট প্রভাৱ বিস্তাৰ কৰা দুটা গুৰুত্বপূর্ণ ক্ষেত্র উল্লেখ কৰক।

১০.৫ ভাৰতত নগৰীয়া মধ্যবিত্ত শ্রেণীৰ ভৱিষ্যৎ

বর্তমান নগৰীয়া মধ্যবিত্ত শ্রেণী ভাৰতীয় জনসংখ্যাৰ দ্রুততমভাৱে বৃদ্ধি পোৱা অংশসমূহৰ অন্যতম। তেওঁলোকে ভাৰতৰ অর্থনৈতিক বিকাশত এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছে আৰু বিশেষকৈ তথ্য প্রযুক্তি খণ্ড তথা ইয়াৰ সৈতে জড়িত অন্যান্য উদ্যোগসমূহত বৈশ্বিক কর্মশক্তিৰ এক উল্লেখযোগ্য অংশ গঠন কৰিছে। তেওঁলোকৰ ক্রমবর্ধমান উপভোগৰ অভ্যাস আৰু অর্থনৈতিক গতিশীলতাই তেওঁলোকক ভাৰতীয় আৰু বৈশ্বিক সমাজ উভয় ক্ষেত্রতেই এক গুৰুত্বপূর্ণ স্থান প্রদান কৰিছে। অৱশ্যে, বিশ্বায়নৰ প্রক্রিয়াই ভাৰতৰ দৰে উন্নয়নশীল সমাজত মধ্যবিত্ত শ্রেণীৰ ভূমিকাত বিৰূপ প্রভাৱো পেলাইছে। উল্লেখযোগ্য যে মধ্যবিত্ত শ্রেণী কেৱল উপভোগ আৰু আয়ৰ সৈতে জড়িত এক অর্থনৈতিক শ্রেণী নহয়। মধ্যবিত্ত শ্রেণী এক সমাজতাত্ত্বিক শ্রেণীও, যিয়ে সমাজত মূল্যবোধ আৰু নীতি-নিয়ম প্রতিষ্ঠা কৰাত ঐতিহাসিক ভূমিকা পালন কৰি আহিছে। ন্যায়, সমতা, প্রতিনিধিত্ব আৰু ইতিবাচক ব্যৱস্থাৰ জৰিয়তে অধিকাৰৰ দৰে সার্বজনীন মূল্যবোধ মধ্যবিত্ত শ্রেণীয়ে সঘনাই উত্থাপন কৰি আহিছে, আৰু এই মূল্যবোধসমূহক সামগ্রিক সমাজত সুৰক্ষা আৰু প্রসাৰ কৰাৰ বাবে তেওঁলোকে ৰাষ্ট্রৰ ওপৰত চাপ সৃষ্টি কৰি আহিছে।

সমকালীন পৰিস্থিতিত, ভাৰতীয় মধ্যবিত্ত শ্রেণীৰ এক বৃহৎ অংশই এই ঐতিহাসিক ভূমিকাৰ পৰা আঁতৰি আহিছে আৰু অর্থনৈতিকভাৱে ঊর্ধ্বমুখী গতিশীল, উপভোক্তাবাদী আৰু আত্মসচেতন শ্রেণী হিচাপে আত্মপ্রকাশ কৰিছে। সমাজৰ বৃহত্তৰ স্বার্থ প্রকাশ আৰু প্রতিনিধিত্ব কৰা এক সংবেদনশীল গণতান্ত্রিক শক্তি হিচাপে মধ্যবিত্ত শ্রেণীৰ অৱক্ষয় ভাৰতীয় গণতন্ত্রৰ বাবে এক গুৰুতৰ প্রত্যাহ্বান হ'ব। ইয়াৰ উপৰিও, ভাৰতে অন্যান্য উন্নয়নশীল দেশসমূহৰ সৈতে দক্ষ মানৱসম্পদৰ বহিঃগমন প্রত্যক্ষ কৰিছে, য'ত উচ্চশিক্ষিত আৰু যোগ্যতাসম্পন্ন পেছাদাৰীসকল অধিক মজুৰি, উন্নত জীৱনশৈলী, উত্তম সম্ভাৱনা আৰু অধিক সফল কর্মজীৱনৰ সন্ধানত উন্নত দেশসমূহলৈ প্রব্রজন কৰিছে। ইয়াৰ ফলত আগন্তুক দিনবোৰত ভাৰতৰ দৰে উন্নয়নশীল দেশসমূহত দক্ষ শ্রমিক শক্তিৰ ক্ষেত্রত এক শূন্যতাৰ সৃষ্টি হ'ব। মধ্যবিত্ত শ্রেণীৰ অধিক আত্মকেন্দ্রিক বিশ্বদৃষ্টিভংগীয়ে সমাজ আৰু পাৰিবাৰিক গাঁথনিৰ ওপৰতো গভীৰ প্রভাৱ পেলাইছে; বিশেষকৈ ঘৰত থকা শিশু আৰু জ্যেষ্ঠ নাগৰিকসকলৰ ওপৰত। সেয়েহে, সমকালীন ভাৰতত মধ্যবিত্ত শ্রেণী এক সংকটপূর্ণ পৰিৱর্তনৰ মাজেৰে অতিক্রম কৰি আছে। এফালে, ভাৰতীয় মধ্যবিত্ত শ্রেণী বিশ্বায়িত বিশ্বত অর্থনৈতিকভাৱে আটাইতকৈ সফল সামাজিক গোটসমূহৰ অন্যতম হিচাপে আত্মপ্রকাশ

কৰিছে; আনফালে, ভাৰতীয় সমাজৰ বিভিন্ন অংশক ঐতিহাসিক নেতৃত্ব প্ৰদান কৰাত ই ব্যৰ্থ হৈছে। বিশ্বায়ন আৰু নৱ-উদাৰনৈতিক নীতিসমূহে মধ্যবিত্ত শ্ৰেণীক অৰ্থনৈতিকভাৱে লাভান্বিত কৰি থাকিলেও, আগন্তুক দিনবোৰত এইবোৰে ভাৰতীয় সমাজৰ সামাজিক-সাংস্কৃতিক গতিশীলতাৰ ক্ষেত্ৰত গুৰুতৰ প্ৰত্যাহ্বান কঢ়িয়াই আনিব।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৭ ঃ *The Great Indian Middle Class* গ্ৰন্থখনৰ লেখক কোন?

প্ৰশ্ন নং ৮ ঃ বিশ্বায়নৰ প্ৰক্ৰিয়াই পৰম্পৰাগত মধ্যবিত্ত শ্ৰেণী আৰু ..... পাৰ্থক্য নিৰূপণ কৰিছে। (খালী ঠাই পূৰণ কৰক)চ

১০.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- মধ্যবিত্ত শ্ৰেণী বুলি বুজোৱা শ্ৰেণী আৰু শ্ৰমিক শ্ৰেণীৰ মাজত অৱস্থিত শ্ৰেণী বা স্তৰক বুজায়। ইয়াৰ অন্তৰ্গত ক্ষুদ্ৰ উৎপাদক, শিল্পী, স্বতন্ত্ৰ পেছাদাৰী, কাৰিকৰী কৰ্মী, চৰকাৰী বিষয়া আদি মধ্যম আয়ৰ গোটসমূহ অন্তৰ্ভুক্ত। মধ্যবিত্ত শ্ৰেণীৰ উদ্ভৱ আধুনিক ঔদ্যোগিক পুঁজিবাদী সমাজৰ এক গুৰুত্বপূৰ্ণ বৈশিষ্ট্য।
- ভাৰতৰ ক্ষেত্ৰত, ঔপনিৱেশিক আধুনিকতা, বিশেষকৈ ইংৰাজী শিক্ষাৰ প্ৰৱৰ্তনে মধ্যবিত্ত শ্ৰেণীৰ উদ্ভৱৰ পথ প্ৰশস্ত কৰিছিল। তেওঁলোকে সামাজিক সংস্কাৰ আন্দোলনসমূহত আৰু ভাৰতৰ স্বাধীনতা সংগ্ৰামত নেতৃত্ব প্ৰদান কৰিছিল।
- ভাৰতত স্বাধীনতা লাভ কৰাৰ পিছত ৰাষ্ট্ৰ আৰু মধ্যবিত্ত শ্ৰেণীৰ মাজৰ সম্পৰ্ক অধিক গুৰুত্বপূৰ্ণ হৈ পৰিছিল। নেহৰু যুগত স্বায়ত্তশাসিত উন্নয়নমুখী ৰাষ্ট্ৰৰ কাৰ্যসমূহ পৰিচালনা কৰাত কাৰিকৰী বিশেষজ্ঞ আৰু আমোলাতান্ত্ৰিক পৰিচালনামূলক শ্ৰেণীয়ে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল।
- গণতান্ত্ৰিক ৰাজনীতিতো নগৰীয়া মধ্যবিত্ত শ্ৰেণীৰ ভূমিকাও অতি গুৰুত্বপূৰ্ণ। নগৰীয়া মধ্যবিত্ত শ্ৰেণীৰ সক্ৰিয়তা নাগৰিক সমাজৰ পৰিসৰত দেখা যায়, যিটো ৰাষ্ট্ৰৰ আনুষ্ঠানিক ৰাজনীতিৰ ক্ষেত্ৰৰ বাহিৰত অৱস্থিত। ন্যায়, সমতা, প্ৰতিনিধিত্ব, অধিকাৰ আদি সাৰ্বজনীন মূল্যবোধ প্ৰতিষ্ঠা কৰাতো নগৰীয়া মধ্যবিত্ত শ্ৰেণীয়ে এক কেন্দ্ৰীয় ভূমিকা পালন কৰে।
- ১৯৯০-ৰ দশকত উদাৰীকৰণ আৰু বিশ্বায়নৰ প্ৰক্ৰিয়াই ভাৰতৰ নগৰীয়া মধ্যবিত্ত শ্ৰেণীত গাঁথনিগত পৰিৱৰ্তন আনিছে। ইয়াৰ ফলত মূলতঃ ৰাষ্ট্ৰায়ত্ত উদ্যোগ আৰু ৰাজহুৱা খণ্ডৰ উদ্যোগসমূহৰ সৈতে জড়িত পৰম্পৰাগত মধ্যবিত্ত শ্ৰেণী আৰু বৈশ্বিক নিগমভিত্তিক অৰ্থনীতিৰ সৈতে জড়িত নতুন মধ্যবিত্ত শ্ৰেণীৰ মাজত স্পষ্ট পাৰ্থক্য সৃষ্টি হৈছে।
- সংস্কাৰ-উত্তৰ সময়ছোৱাত ভাৰতীয় মধ্যবিত্ত শ্ৰেণীৰ আকাৰ দ্ৰুতগতিত বৃদ্ধি পাইছে আৰু ভাৰতীয় মধ্যবিত্ত শ্ৰেণীৰ বজাৰ বৈশ্বিক বহুজাতিক নিগমসমূহৰ বাবে এক লাভজনক ক্ষেত্ৰ হিচাপে আত্মপ্ৰকাশ কৰিছে।
- নগৰীয়া মধ্যবিত্ত শ্ৰেণীক বৈশ্বিক বজাৰ অৰ্থনীতিত এক বৃহৎ উপভোক্তা শ্ৰেণী হিচাপে প্ৰায়ে উপস্থাপন কৰা হয়।
- বিশ্বায়নৰ প্ৰক্ৰিয়াই ভাৰতীয় সমাজত মধ্যবিত্ত শ্ৰেণীৰ ভূমিকাৰ ওপৰতো বিৰূপ প্ৰভাৱ পেলাইছে। যদিও এই শ্ৰেণী অৰ্থনৈতিকভাৱে এক অত্যন্ত সফল শ্ৰেণী হিচাপে পৰিগণিত হৈছে, তথাপিও সমাজত মূল্যবোধ প্ৰতিষ্ঠাকাৰী আৰু শাসক শ্ৰেণী আৰু জনসাধাৰণৰ মাজৰ মধ্যস্থতাকাৰী হিচাপে ইয়াৰ সামাজিক ভূমিকা ক্ৰমাৎ হ্ৰাস পাইছে।

১০.৭ অধিক জানিবলৈ

1. Misra, B.B. (1963). *The Indian Middle Classes: Their Growth in Modern Times.* Londin. Oxford University Press.
2. Fernandes, Leela (2006). *India's New Middle Class: Democratic Politics in an Era of Economic Reform.* London. University of Minnesota Press.
3. Varma, Pavan. (1998). *The Great Indian Middle Class*. New Delhi. Viking Publisher.
4. Jayal, Niraja Gopal; Mehta Pratap, Bhanu (eds) (2010). Oxford *Companion to Politics in India.* New Delhi. Oxford University Press.

১০.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ এৰিষ্টটল

২ নং প্রশ্নৰ উত্তৰ ঃ ক্ষুদ্র বুর্জোৱা শ্রেণী

৩ নং প্রশ্নৰ উত্তৰ ঃ

(ক) নতুন মধ্যবিত্ত শ্রেণী হৈছে উচ্চমানৰ সামগ্রীসমূহৰ আটাইতকৈ গুৰুত্বপূর্ণ উপভোক্তা শ্রেণী।

(খ) নগৰীয়া মধ্যবিত্ত শ্রেণীৰ কার্যকলাপ নাগৰিক সমাজৰ পৰিসৰত সীমাবদ্ধ, যিটো আনুষ্ঠানিক নির্বাচনী ৰাজনীতিৰ ক্ষেত্রৰ বাহিৰত অৱস্থিত।

৪ নং প্রশ্নৰ উত্তৰ ঃ

(ক) পুঁজিপতি শ্রেণী

(খ) ধনী শ্রেণী

(গ) আমোলাতান্ত্রিক পৰিচালনামূলক শ্রেণী

৫ নং প্রশ্নৰ উত্তৰ ঃ নাগৰিক সমাজ

৬ নং প্রশ্নৰ উত্তৰ ঃ

(ক) আমোলাতন্ত্র

(খ) দৃশ্য আৰু মুদ্রিত গণমাধ্যম

৭ নং প্রশ্নৰ উত্তৰ ঃ পৰন বর্মা

৮ নং প্রশ্নৰ উত্তৰ ঃ নতুন মধ্যবিত্ত শ্রেণী

১০.৯ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ ভাৰতত মধ্যবিত্ত শ্রেণীৰ উদ্ভৱৰ প্রক্রিয়াত ঔপনিৱেশিক আধুনিকতাৰ ভূমিকাৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ২ ঃ স্বাধীনতাৰ পিছত ভাৰতত নগৰীয়া মধ্যবিত্ত শ্রেণীৰ উত্থানৰ বিষয়ে চমুকৈ লিখক।

প্রশ্ন ৩ ঃ ভাৰতীয় নগৰীয়া মধ্যবিত্ত শ্রেণীৰ ওপৰত বিশ্বায়নৰ প্রভাৱ আলোচনা কৰক।

প্রশ্ন ৪ ঃ মধ্যবিত্ত শ্রেণী আৰু নাগৰিক সমাজৰ মাজৰ সম্পর্কৰ বিষয়ে চমু টোকা লিখক।

জ্ম

****

অধ্যায় ১১ ঃ ভাৰতত জনসংখ্যাগত পৰিৱৰ্তন

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য
১১.২ পৰিচয়
১১.৩ ভাৰতত জনসংখ্যাগত পৰিৱৰ্তনৰ অর্থ আৰু স্বভাৱ
১১.৪ ভাৰতত জনসংখ্যাগত পৰিৱৰ্তনৰ বাবে দায়ী কাৰকসমূহ
১১.৫ সামাজিক-অর্থনৈতিক আৰু ৰাজনৈতিক ক্ষেত্ৰত জনসংখ্যাগত পৰিৱৰ্তনৰ প্ৰভাৱ
১১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১১.৭ অধিক জানিবলৈ
১১.৮ অগ্ৰগতিৰ খতিয়ান
১১.৯ আৰ্হি প্ৰশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- জনসংখ্যাবিজ্ঞান ধাৰণাৰ অর্থ ব্যাখ্যা কৰিব পাৰিব।
- ভাৰতত জনসংখ্যাগত পৰিৱৰ্তনৰ স্বভাৱ ব্যাখ্যা কৰিব পাৰিব।
- ভাৰতত জনসংখ্যাগত পৰিৱৰ্তনৰ বাবে দায়ী কাৰকসমূহ আলোচনা কৰিব পাৰিব।
- সামাজিক-অর্থনৈতিক আৰু ৰাজনৈতিক ক্ষেত্ৰত জনসংখ্যাগত পৰিৱৰ্তনে সৃষ্টি কৰা প্ৰভাৱসমূহ বিশ্লেষণ কৰিব পাৰিব।

১১.২ পৰিচয়

"জনসংখ্যাগত পৰিৱৰ্তন" শব্দটোৰ দ্বাৰা সাধাৰণতে জনসংখ্যাৰ গাঁথনিত হোৱা পৰিৱৰ্তনসমূহক বুজোৱা হয়। জনসংখ্যাগত পৰিৱৰ্তনে সামাজিক-অর্থনৈতিক আৰু ৰাজনৈতিক ক্ষেত্ৰসমূহত গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলায়। জনসংখ্যাগত পৰিৱৰ্তন ঘটাৰ বাবে বহুতো কাৰক দায়ী। লগতে, বিভিন্ন সমাজে উন্নয়নৰ ভিন্ন স্তৰৰ ওপৰত নির্ভৰ কৰি ভিন্ন ভিন্ন ধৰণৰ জনসংখ্যাগত পৰিৱৰ্তনৰ অভিজ্ঞতা লাভ কৰে।

১১.৩ ভাৰতত জনসংখ্যাগত পৰিৱৰ্তনৰ অর্থ আৰু স্বভাৱ

"ডেম'গ্ৰাফি" (Demography) শব্দটো প্ৰাচীন গ্ৰীক উৎপত্তিৰ আৰু ইয়াৰ আক্ষৰিক অর্থ হৈছে "জনসংখ্যাৰ বর্ণনা কৰা"। এই শব্দটো জনসংখ্যাৰ আকাৰ, গঠন আৰু কাঠামো বর্ণনা কৰিবলৈ ব্যৱহাৰ কৰা হয়। "জনসংখ্যাগত পৰিৱৰ্তন" শব্দটো সাধাৰণতে জনসংখ্যাৰ গাঁথনিত হোৱা পৰিৱৰ্তনসমূহক বুজাবলৈ ব্যৱহাৰ কৰা হয়।

সকল সমাজে, কোনো এক সময়ত, উচ্চ মৃত্যুহাৰ আৰু উচ্চ জন্মহাৰ থকা প্ৰায় সমতাবস্থাৰ পৰা কম জন্মহাৰ আৰু কম মৃত্যুহাৰ থকা অনুমেয় কম মৃত্যুহাৰ আৰু কম জন্মহাৰৰ সমতাবস্থালৈ হোৱা পৰিৱৰ্তনক 'জনসংখ্যাগত স্থানান্তৰ' বুলি কোৱা হয় আৰু এই ধাৰণাটোৰ প্ৰৱর্তক আছিল আমেৰিকান জনসংখ্যাবিদ F. W. Notestein। ১৯৫০ চনৰ পৰা জনসংখ্যাগত স্থানান্তৰ জনসংখ্যাগত বিশ্লেষণৰ কেন্দ্ৰবিন্দু হৈ পৰিছে, সেয়েহে ইয়াৰ অগ্ৰগতি সঠিকভাৱে বুজা আৰু ব্যাখ্যা কৰা প্ৰয়োজন। জনসংখ্যা পৰিৱৰ্তনৰ আধুনিক তত্ত্ব-এ প্ৰৱর্তন কৰা শাস্ত্ৰীয় জনসংখ্যাগত স্থানান্তৰ মডেলৰ ওপৰত কেন্দ্ৰিত। কিন্তু জনসংখ্যাগত পৰিৱৰ্তনৰ সামাজিক আৰু অর্থনৈতিক

আৰু ৰাজনৈতিক গাঁথনি সমূহৰ ওপৰত ইয়াৰ প্ৰভাৱ অনুসন্ধান কৰিবলৈ জনসংখ্যাগত স্থানান্তৰৰ এক নিখুঁত উপস্থাপনৰ প্ৰয়োজন।

জনসংখ্যাগত স্থানান্তৰৰ এক ব্যাপকভাৱে গ্ৰহণযোগ্য চৰিত্ৰায়ন পাঁচটা উপাদানৰ সমষ্টি হিচাপে বিবেচিত হয়: মৃত্যুহাৰ হ্ৰাস, জনসংখ্যাৰ প্ৰাকৃতিক বৃদ্ধি, জন্মহাৰ হ্ৰাস, নগৰীকৰণ আৰু জনসংখ্যাৰ বাৰ্ধক্য। উদাহৰণস্বৰূপে, উচ্চ জন্মহাৰ আৰু উচ্চ মৃত্যুহাৰ থকা এক ন্যূনতম জনসংখ্যা বৃদ্ধি ব্যৱস্থাৰ পৰা কম জন্মহাৰ আৰু কম মৃত্যুহাৰ ভিত্তিক সমানভাৱে অল্প বৃদ্ধি থকা এক ব্যৱস্থালৈ হোৱা পৰিৱৰ্তনৰ ধাৰণা, যাৰ সময়ছোৱাত জনসংখ্যাগত ব্যৱধানৰ বাবে সংখ্যাত দ্ৰুত বৃদ্ধি ঘটে-অৰ্থাৎ মৃত্যুহাৰ হ্ৰাসৰ তুলনাত জন্মহাৰ হ্ৰাসৰ বিলম্ব -এইটো জনসংখ্যাগত স্থানান্তৰৰ এক ৰূপ।

যদিও এই ধাৰণা এক সাধাৰণীকৰণহে, তথাপিও ইয়াৰ ব্যাপক প্ৰযোজ্যতাৰ বাবে ই জনসংখ্যা প্ৰবণতা সম্পৰ্কীয় ধাৰণাকৰণৰ কেন্দ্ৰীয় অক্ষ হৈ পৰিছে। অসংখ্য অধ্যয়নে জনসংখ্যাগত স্থানান্তৰক বিশ্বব্যাপী জন্মহাৰ, মৃত্যুহাৰ আৰু স্বাস্থ্য প্ৰবণতাৰ ভিত্তিত মূল্যায়ন কৰিছে।

ভাৰত বিশ্বৰ মুঠ জনসংখ্যাৰ প্ৰায় ১৭% অংশ দখল কৰে আৰু ই দ্ৰুত জনসংখ্যাগত পৰিৱৰ্তনৰ অভিজ্ঞতা লাভ কৰি আছে। ইয়াৰ প্ৰভাৱ কেৱল দেশখনৰ ওপৰতে নহয়, সমগ্ৰ বিশ্বৰ ওপৰতো বিস্তৃত। দেশখনে আঞ্চলিক আৰু ৰাষ্ট্ৰীয় স্তৰত বিশ্বৰ যিকোনো ঠাইত দেখা পোৱা আটাইতকৈ উচ্চ জনসংখ্যাগত বৈচিত্ৰ্য প্ৰদৰ্শন কৰে। দেশজুৰি চলি থকা জনসংখ্যাগত পৰিৱৰ্তনসমূহ প্ৰায়ে উল্লেখযোগ্য সামাজিক-অৰ্থনৈতিক পৰিৱৰ্তনৰ সৈতে সংযুক্ত থাকে।

উল্লেখ কৰিব পাৰি যে ভাৰতত বিগত শতিকাৰ দ্বিতীয়াৰ্ধ জুৰি জনসংখ্যাৰ দ্ৰুত বৃদ্ধি দেখা গৈছিল। এই ধৰণৰ জনসংখ্যা বৃদ্ধি দেশত গ্ৰহণ কৰা পৰিয়াল পৰিকল্পনা কাৰ্যসূচীৰ ব্যৰ্থতা হিচাপে বিবেচিত হৈছিল। কিন্তু দেখা গৈছে যে ১৯৯১ চনৰ পৰা ভাৰতৰ জনসংখ্যা বৃদ্ধিৰ গতি মন্থৰ হ'বলৈ আৰম্ভ কৰে। তথাপিও, পূৰ্বৰ দশকৰ তুলনাত বৃদ্ধিৰ হাৰ হ্ৰাস পোৱা সত্ত্বেও বাৰ্ষিক জনসংখ্যা সংযোজন প্ৰায় একেই হৈ থাকে।

উল্লেখযোগ্য যে ভাৰতৰ চূড়ান্ত জনসংখ্যাৰ আকাৰ পৰিয়াল, মৃত্যুহাৰ আৰু প্ৰব্ৰজনৰ ক্ষেত্ৰত সম্ভাৱিত সকলো পৰিৱৰ্তনৰ ওপৰত নিৰ্ভৰ কৰিব। সম্ভৱ যে বৰ্তমান চলি থকা জন্মহাৰ পৰিৱৰ্তন আৰু ইয়াৰ ভৱিষ্যৎ ধাৰাসমূহে ভাৰতৰ জনসংখ্যাৰ চূড়ান্ত আকাৰ সম্পূৰ্ণৰূপে পুনঃসংজ্ঞায়িত কৰিব পাৰে।

ভাৰতৰ জনসংখ্যাৰ জনসংখ্যাগত বৈশিষ্ট্য দ্ৰুতগতিত সলনি হৈ আছে, এইটো একেবাৰে স্পষ্ট। ভাৰত এতিয়া জনসংখ্যাগত পৰিৱৰ্তনৰ অন্তিম পৰ্যায়ত প্ৰৱেশ কৰিছে। ভাৰতত চলি থকা শাস্ত্ৰীয় জনসংখ্যাগত পৰিৱৰ্তন এনে এক পৰিস্থিতি প্ৰতিফলিত কৰে য'ত মৃত্যুহাৰ হ্ৰাস পায় যদিও জন্মহাৰ উচ্চ হৈ থাকে।

উল্লেখযোগ্য যে ১৯১১ চনৰ পৰা ১৯২১ চনৰ মাজত প্লেগ, কলেৰা আৰু ইনফ্লুৱেঞ্জা মহামাৰীৰ পুনৰাবৃত্তিৰ বাবে দেশখনে নেতিবাচক জনসংখ্যা বৃদ্ধিৰ অভিজ্ঞতা লাভ কৰিছিল।

ৰাষ্ট্ৰসংঘ জনসংখ্যা তহবিল (United Nations Population Fund UNFPA)ৰ মতে, "এটা জনসংখ্যাৰ বয়স গাঁথনিৰ পৰিৱৰ্তনৰ ফলত সৃষ্টি হোৱা অৰ্থনৈতিক বৃদ্ধি সম্ভাৱনা, বিশেষকৈ যেতিয়া কৰ্মক্ষম বয়সৰ জনসংখ্যাৰ (Working-age Population: 15 to 64) অংশ অকৰ্মক্ষম বয়সৰ জনসংখ্যাৰ (Non-working Age Population: 14 আৰু তলৰ, আৰু 65 আৰু তদূৰ্ধ্ব) তুলনাত অধিক হয়।"

ভাৰতৰ জনগণনা (Census of India, 2011) অনুসৰি, ভাৰতৰ জনসংখ্যাৰ ৫০% তকৈ অধিক ২৫ বছৰৰ তলত আৰু ৬৫% তকৈ অধিক ৩৫ বছৰৰ তলত আছে।

এইদৰে, ভাৰত বৃহৎ কৰ্মক্ষম বয়সৰ জনসংখ্যাৰ এক উল্লেখযোগ্য অংশৰ গৃহভূমি হোৱাৰ বাবে, যদি এই কৰ্মক্ষম বয়সৰ প্ৰতিজন ব্যক্তিৰ বাবে লাভজনক আৰু কৰ্মসংস্থান সৃষ্টি কৰিব পৰা যায়, তেন্তে দেশখনে জনসংখ্যাগত লভ্যাংশৰ পৰা বিশাল লাভ লাভ কৰিব পাৰে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ "ডেম'গ্ৰাফি" (Demography) শব্দটো প্ৰাচীন গ্ৰীক শব্দৰ পৰা আহিছে আৰু ইয়াৰ আক্ষৰিক অৰ্থ "জনসংখ্যাৰ বৰ্ণনা কৰা" — (সত্য/মিছা)

প্ৰশ্ন নং ২ ঃ "জনসংখ্যাগত স্থানান্তৰ" শব্দটো কোনে প্ৰৱৰ্তন কৰিছিল?

১১.৪ ভাৰতত জনসংখ্যাগত পৰিৱৰ্তনৰ বাবে দায়ী কাৰকসমূহ

আহক, ভাৰতত জনসংখ্যাগত পৰিৱৰ্তন আৰু ইয়াৰ বাবে দায়ী কাৰকসমূহক পাঁচ-স্তৰীয় জনসংখ্যাগত স্থানান্তৰ মডেলৰ প্ৰেক্ষাপটত বিশ্লেষণ কৰা যাওক। [(Source: https://socialsci.libretexts.org/Bookshe Ives /Sociology/Book%3A_Sociology(Boundless)/17%3A_Population_and_Urbanization/ 17.2%3A_Population_Growth/17.2E%3A_Demographic_Transition_Theory]

প্ৰথম স্তৰ ঃ

এই স্তৰত, মৃত্যুহাৰ আৰু জন্মহাৰ দুয়োটা উচ্চ থাকে আৰু প্ৰায় সমতাবস্থাত থাকে। এই স্তৰৰ উদাহৰণ হিচাপে ১৮০০ চনৰ আমেৰিকা যুক্তৰাষ্ট্ৰ উল্লেখ কৰা হয়। প্ৰায় সকলো মানব জনসংখ্যাই ১৮শ শতিকাৰ শেষলৈকে এই ধৰণৰ সমতাবস্থা বজাই ৰাখিছিল, যেতিয়া পশ্চিম ইউৰোপত এই সমতা ভাঙি যায়।

আচলতে, কৃষি বিপ্লৱৰ প্ৰায় ১০,০০০ বছৰৰ আগৰ পৰাই বৃদ্ধিৰ হাৰ সাধাৰণতে ০.০৫% তকৈ কম আছিল।

এই স্তৰত জনসংখ্যা বৃদ্ধি সাধাৰণতে অতি ধীৰ হয়, কাৰণ সমাজখন উপলব্ধ খাদ্য যোগানৰ দ্বাৰা সীমাবদ্ধ থাকে। সেয়েহে, সমাজে যদি খাদ্য উৎপাদন বৃদ্ধি কৰিবলৈ নতুন প্ৰযুক্তি বিকাশ নকৰে, তেন্তে জন্মহাৰৰ যিকোনো উঠা-নমা শীঘ্ৰে মৃত্যুহাৰৰ সৈতে সমান হৈ যায়।

উল্লেখযোগ্য যে ভাৰতত ১৯১১ চনৰ পৰা ১৯২১ চনৰ মাজত প্লেগ, কলেৰা আৰু ইনফ্লুৱেঞ্জা মহামাৰীৰ পুনৰাবৃত্তিৰ বাবে নেতিবাচক জনসংখ্যা বৃদ্ধি হৈছিল।

দ্বিতীয় স্তৰ ঃ

এই স্তৰত, যি এখন উন্নয়নশীল দেশৰ অৱস্থা, মৃত্যুহাৰ খাদ্য যোগান আৰু পৰিচ্ছন্নতা শ্চৰন্ধ্ৰন্ধ্ৰন্ধ্

গৰ্ভনিৰোধক ব্যৱস্থা জন্মহাৰ হ্ৰাসত সহায় কৰে, কিন্তু ১৯শ শতিকাত এইবোৰ সাধাৰণতে সহজলভ্য বা বহুলভাৱে ব্যৱহৃত নাছিল, সেয়েহে সেই সময়ত জন্মহাৰ হ্ৰাসত ইয়াৰ ভূমিকা সীমিত আছিল। জন্মহাৰ হ্ৰাস কেৱল গৰ্ভনিৰোধকৰ উপলব্ধতাৰ বাবে নহয়, মূল্যবোধৰ পৰিৱৰ্তনৰ ফলতো ঘটে।

ভাৰতত, পৰিয়াল পৰিকল্পনায়ে জনসংখ্যা বৃদ্ধিৰ হাৰ কিছু পৰিমাণে হ্ৰাস কৰিছে। প্ৰাথমিক স্বাস্থ্য, পৰিয়াল পৰিকল্পনা আৰু প্ৰজনন স্বাস্থ্যৰ অন্যান্য উপাদানসমূহৰ উন্নতিয়ে জন্ম আৰু মৃত্যুহাৰ হ্ৰাস, জীৱন প্ৰত্যাশা বৃদ্ধি আৰু শিশুমৃত্যুৰ হাৰ হ্ৰাস কৰাত সহায় কৰিছে।

চতুৰ্থ স্তৰ ঃ

এই স্তৰত, জন্মহাৰ আৰু মৃত্যুহাৰ দুয়োটা নিম্ন থাকে। জন্মহাৰ বহু সময়ত পুনঃস্থাপন স্তৰৰ তললৈ হ্ৰাস পাব পাৰে, যি জাৰ্মানী, ইটালী আৰু জাপানৰ দৰে দেশত দেখা গৈছে, যাৰ ফলত জনসংখ্যা সংকুচিত হ'বলৈ আৰম্ভ কৰে আৰু জনসংখ্যা বৃদ্ধিৰ ওপৰত নিৰ্ভৰশীল বহু উদ্যোগৰ বাবে ই এক সংকট সৃষ্টি কৰে। ছুইডেনক বৰ্তমান চতুৰ্থ স্তৰত থকা বুলি ধৰা হয়।

দ্বিতীয় স্তৰত জন্ম হোৱা বৃহৎ জনসংখ্যা বয়স বৃদ্ধি হোৱাৰ লগে লগে, ই সংকুচিত হৈ অহা কৰ্মক্ষম জনসংখ্যাৰ ওপৰত অৰ্থনৈতিক চাপ সৃষ্টি কৰে। মৃত্যুহাৰ নিম্ন থাকিব পাৰে বা সামান্য বৃদ্ধি পাব পাৰে, কাৰণ কম শাৰীৰিক ব্যায়াম, অধিক মেদবহুলতা আৰু জীৱনশৈলীজনিত ৰোগ বৃদ্ধিৰ লগতে উন্নত দেশসমূহত জনসংখ্যাৰ বাৰ্ধক্য দেখা যায়।

২০শ শতিকাৰ শেষ ভাগলৈ, উন্নত দেশসমূহত জন্মহাৰ আৰু মৃত্যুহাৰ দুয়োটা নিম্ন স্তৰত স্থিতিশীল হৈছিল। ভাৰত এতিয়াও এই স্তৰত উপনীত হোৱা নাই।

পঞ্চম স্তৰ (বিতৰ্কিত) ঃ

এই পঞ্চম স্তৰত, জন্মহাৰ মৃত্যুহাৰৰ তললৈ নামি যায়, যাৰ ফলত জনসংখ্যা হ্ৰাস পাবলৈ আৰম্ভ কৰে। জাপান, পৰ্তুগাল আদি দেশসমূহ এই স্তৰৰ সম্ভাব্য উদাহৰণ হিচাপে উল্লেখ কৰা হয়।

ৰাষ্ট্ৰসংঘ জনসংখ্যা তহবিল (United Nations Population Fund UNFPA, 2008) অনুসৰি দেশসমূহক উচ্চ-উৰ্ৰৰতা, মধ্যম-উৰ্ৰৰতা আৰু নিম্ন-উৰ্ৰৰতা হিচাপে শ্ৰেণীবদ্ধ কৰা হয়।

ৰাষ্ট্ৰসংঘৰ অনুমান অনুসৰি, উচ্চ-উৰ্ৰৰতা থকা দেশসমূহত, যিবোৰ বৰ্তমান উপ-চাহাৰান আফ্ৰিকাত কেন্দ্ৰীভূত, ২০১১ ৰ পৰা ২১০০ চনৰ ভিতৰত জনসংখ্যা প্ৰায় তিনিগুণ বৃদ্ধি পাব।

মধ্যম-উৰ্ৰৰতা থকা দেশসমূহত - যেনে যুক্তৰাষ্ট্ৰ, ভাৰত আৰু মেক্সিকো- জনসংখ্যা বৃদ্ধিৰ হাৰ প্ৰায় ২৬ শতাংশ হ'ব বুলি আশা কৰা হৈছে।

আৰু নিম্ন-উৰ্ৰৰতা থকা দেশসমূহত - যেনে চীন, অষ্ট্ৰেলিয়া আৰু ইউৰোপৰ অধিকাংশ দেশ-জনসংখ্যা প্ৰায় ২০ শতাংশ পৰ্যন্ত হ্ৰাস পাব বুলি অনুমান কৰা হৈছে।

ভাৰতত বৰ্তমান জনসংখ্যাগত পৰিৱৰ্তনৰ বাবে দায়ী অন্যান্য কাৰকসমূহ তলত দিয়া ধৰণৰ ঃ

বিশ্বায়ন ঃ

বিশ্বায়নৰ যুগত কোৱা হয় যে আন্তঃৰাষ্ট্ৰীয় বাণিজ্যয়ে দেশসমূহৰ মাজত জনসংখ্যাগত স্থানান্তৰৰ সময়সীমাৰ ভিন্নতা আৰু স্থায়ী অৰ্থনৈতিক বৃদ্ধিৰ উদ্ভৱত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ বিস্তাৰে শিল্পভিত্তিক অৰ্থনীতি সমূহক শিল্পজাত আৰু দক্ষতা-নিৰ্ভৰ সামগ্ৰী উৎপাদনত বিশেষীকৰণ কৰিবলৈ উৎসাহিত কৰিছে। ইয়াৰ ফলত দক্ষ শ্ৰমিকৰ চাহিদা বৃদ্ধি পাইছে, যিয়ে জনসংখ্যাৰ গুণগত মানত ধীৰে ধীৰে বিনিয়োগ বৃদ্ধি কৰিছে। এই প্ৰক্ৰিয়াই জনসংখ্যাগত স্থানান্তৰ ত্বৰান্বিত কৰিছে, প্ৰযুক্তিগত উন্নতিক উদ্দীপিত কৰিছে আৰু এই শিল্পভিত্তিক অৰ্থনীতিসমূহৰ তুলনামূলক সুবিধা আৰু অধিক শক্তিশালী কৰিছে, বিশেষকৈ দক্ষতা-নিৰ্ভৰ সামগ্ৰী উৎপাদনত।

লিংগ বৈষম্যৰ হ্রাস ঃ

মানৰ পুঁজিৰ চাহিদা বৃদ্ধি আৰু ১৯শ আৰু ২০শ শতিকাত লিংগ মজুৰি ব্যৱধান হ্রাসে জনসংখ্যাগত স্থানান্তৰৰ আৰম্ভণিত গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছে। বিশেষকৈ, উন্নয়ন প্রক্রিয়াৰ সময়ত মহিলাৰ আপেক্ষিক মজুৰি বৃদ্ধি পোৱাৰ ফলত মহিলা শ্রমিক অংশগ্রহণ বৃদ্ধি পাইছে আৰু ইয়াৰ ফলত উর্ৰৰতা হাৰ নেতিবাচকভাৱে প্রভাৱিত হৈছে। এই প্রক্রিয়াই জনসংখ্যাগত স্থানান্তৰৰ এক পৰিপূৰক তত্ত্বৰ কেন্দ্রবিন্দু গঠন কৰে, যিয়ে জনমাথাৰ আয় আৰু জনসংখ্যা বৃদ্ধিৰ মাজৰ সম্পর্ক ব্যাখ্যা কৰে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ ১৯৫২ চনত ভাৰতত ..... আৰম্ভ হোৱাৰ লগে লগে আৰু ১৯৬০-ৰ দশকত সেউজ বিপ্লৱৰ ফলত মৃত্যুহাৰ ধীৰে ধীৰে হ্রাস পাইছিল।

প্রশ্ন নং ৪ ঃ জনসংখ্যাগত স্থানান্তৰ মডেলৰ কোন স্তৰত খাদ্য যোগান আৰু পৰিচ্ছন্নতা উন্নত হোৱাৰ ফলত মৃত্যুহাৰ দ্রুতগতিত হ্রাস পায়, যিয়ে জীৱনকাল বৃদ্ধি কৰে আৰু ৰোগ হ্রাস কৰে?

১১.৫ সামাজিক-অর্থনৈতিক আৰু ৰাজনৈতিক ক্ষেত্রত জনসংখ্যাগত পৰিৱর্তনৰ প্রভাৱ

ভাৰতক প্রায়ে এক উদীয়মান অর্থনৈতিক মহাশক্তি হিচাপে বর্ণনা কৰা হয়। বিশ্ব বজাৰত ভাৰতৰ সংহতি দ্রুতগতিত আগবঢ়ি আছে আৰু ই বিশ্বৰ আটাইতকৈ দ্রুতগতিত বৃদ্ধি পোৱা প্রধান অর্থনীতিসমূহৰ ভিতৰত অন্যতম।

ভাৰতৰ বহু শক্তি আছে, যিবোৰ আগন্তুক দশকসমূহত সম্পূর্ণৰূপে ব্যৱহাৰ কৰিব পৰা যাব। তুলনামূলকভাৱে কম বয়সীয়া আৰু এতিয়াও প্রায় ২ শতাংশ হাৰত বৃদ্ধি পোৱা জনসংখ্যাক এক গুৰুত্বপূর্ণ সম্পদ হিচাপে গণ্য কৰিব পাৰি। এই সম্পদে আগন্তুক সময়ত বৃহৎ জনসংখ্যাগত লভ্যাংশ সৃষ্টি কৰিব পাৰে।

ভাৰত আগন্তুক সময়ত উন্নত দেশসমূহলৈ, য'ত তীব্র শ্রম সংকট দেখা যায়, দক্ষ শ্রমিকৰ প্রধান যোগানকাৰী হ'ব পাৰে। ই ভাৰতক বিশ্ব অর্থনৈতিক শক্তিলৈ সুশৃঙ্খল পৰিৱর্তনৰ সম্ভাৱনা প্রদান কৰিব পাৰে। ভাৰতৰ উচ্চমানৰ অভিযান্ত্রিক আৰু ব্যৱস্থাপনা প্রতিভাও এক উল্লেখযোগ্য বিষয়।

কিন্তু একে সময়তে এই চিত্রৰ আন এটা দিশো আছে। ভাৰতত বিশ্বৰ ভিতৰত বৃহৎ সংখ্যক দৰিদ্র আৰু নিঃস্ব লোকৰ জনসংখ্যাও বিদ্যমান।

ভাৰত বিশ্বৰ ভিতৰত নিৰক্ষৰ লোকৰ অন্যতম বৃহৎ সংখ্যা আৰু কর্মহীনতাৰ ক্ষেত্রতো আটাইতকৈ বৃহৎ সংখ্যাৰ দেশসমূহৰ ভিতৰত অন্যতম। ইয়াত মহিলা আৰু শিশুৰ মাজত ৰক্তহীনতাৰ বৃহৎ সংখ্যা আছে, লগতে শিশু মৃত্যুহাৰ আৰু মাতৃ মৃত্যুহাৰো উচ্চ। দেশখনে নিজৰ জনসংখ্যাৰ সামগ্রিক জীৱনমান উন্নত কৰাৰ বাবে এই সমস্যাসমূহ ধাৰাবাহিক আৰু স্থায়ীভাৱে সমাধান কৰাৰ প্রয়োজন।

অর্থনৈতিক উন্নয়নৰ লাভসমূহে যদিও সাধাৰণভাৱে মধ্যবিত্ত শ্রেণীক উপভোক্তা হিচাপে লাভান্বিত কৰিছে, তথাপিও সামাজিকভাৱে পিছপৰা শ্রেণীসমূহে কেৱল সীমিত পৰিমাণতহে লাভ পাইছে। এই লাভ তেওঁলোকৰ সামাজিক দক্ষতা উন্নত কৰিবলৈ যথেষ্ট নহয়, যাৰ ফলত তেওঁলোকৰ উপার্জন ক্ষমতা বৃদ্ধি কৰাটো কঠিন হৈ পৰে।

স্বাধীনতাৰ সময়ত, দেশৰ বিভিন্ন অঞ্চলৰ অর্থনৈতিক আৰু সামাজিক বিকাশত যথেষ্ট বৈষম্য বিদ্যমান আছিল। ১৯৫০-ৰ দশকৰ আৰম্ভণিত আৰম্ভ কৰা পৰিকল্পনা প্রক্রিয়াৰ অন্যতম মুখ্য উদ্দেশ্য আছিল এই আঞ্চলিক পার্থক্যসমূহ হ্রাস কৰা আৰু আঞ্চলিকভাৱে সুষম বিকাশ সাধন কৰা। এই উদ্দেশ্য সাধনৰ বাবে বিভিন্ন নীতি উপকৰণ ব্যৱহাৰ কৰা হৈছিল, যক্সত চৰকাৰৰ দ্বাৰা আন্তঃগাঁথনিত প্রত্যক্ষ ৰাজহুৱা বিনিয়োগ, নির্দেশিত ব্যক্তিগত বিনিয়োগ আৰু সক্ষমতা বৃদ্ধিকাৰী প্রতিষ্ঠান গঢ়ি তোলা অন্তর্ভুক্ত আছিল। এই উদ্দেশ্য সাধনৰ বাবে এই সকলো প্রচেষ্টা কৰা হৈছিল।

এই নীতিসমূহ পৰিকল্পনাৰ প্ৰথম তিনিটা দশকত অব্যাহত ৰখা হৈছিল। যদিও এই পদক্ষেপসমূহ অত্যন্ত সফল নাছিল, তথাপিও এই সময়ছোৱাত বৈষম্যসমূহ অধিক বৃদ্ধি পোৱাত বাধা দিছিল। ১৯৮০-ৰ দশকৰ আৰম্ভণিতে আৰম্ভ হোৱা অর্থনৈতিক সংস্কাৰৰ ফলত ১৯৯০ৰ দশকৰ আৰম্ভণিত সম্পূর্ণ নিয়ন্ত্রণমুক্তকৰণ, উদাৰীকৰণ আৰু বিশ্বায়ন নীতি গ্ৰহণ কৰা হয়। ইয়াৰ ফলস্বৰূপে বিনিয়োগ-সম্পৰ্কীয় সিদ্ধান্ত গ্ৰহণত চৰকাৰৰ প্ৰত্যক্ষ ভূমিকা যথেষ্ট হ্ৰাস পায়। ব্যক্তিগত বিনিয়োগ অর্থনৈতিক বিকাশৰ মুখ্য ইঞ্জিন হৈ পৰিছিল। ব্যক্তিগত বিনিয়োগ সেই অঞ্চলসমূহলৈ প্ৰবাহিত হৈছিল, য'ত বিনিয়োগৰ ওপৰত সর্বাধিক লাভ লাভ কৰাৰ বাবে অনুকূল পৰিস্থিতি আছিল।

শেষ দুই দশকৰ ভিন্নতামূলক অর্থনৈতিক প্ৰদর্শনে দেশত আঞ্চলিক বৈষম্য বৃদ্ধি কৰাত সহায় কৰিছে। সাধাৰণভাৱে ক'বলৈ গ'লে, পশ্চিম আৰু দক্ষিণ ৰাজ্যসমূহে অধিক দ্ৰুত অর্থনৈতিক বৃদ্ধি অভিজ্ঞতা কৰিছে, আনহাতে উত্তৰ আৰু পূর্বাঞ্চলৰ ৰাজ্যসমূহ পিছ পৰি আছে। আনহাতে, পিছপৰা অঞ্চলসমূহত জনসংখ্যা বৃদ্ধি আগবঢ়া অঞ্চলসমূহৰ তুলনাত উল্লেখযোগ্যভাৱে অধিক হৈয়ে আছে। ফলস্বৰূপে, জনমাথাৰ আয়ৰ পার্থক্যসমূহ আৰু অধিক বিস্তৃত হৈ পৰিছে। এইদৰে, অর্থনৈতিক কেন্দ্ৰ দক্ষিণ-পশ্চিম দিশলৈ স্থানান্তৰিত হোৱাৰ বিপৰীতে জনসংখ্যাগত কেন্দ্ৰ বিপৰীত দিশলৈ গতি কৰিছে। একে সমস্যাৰ আন এটা দিশ হ'ল যে উন্নত অঞ্চলসমূহত অধিক সংখ্যক নিয়োগ সুযোগ সৃষ্টি হ'লেও পিছপৰা অঞ্চলসমূহত শ্ৰমিক শক্তিৰ বৃদ্ধি অধিক হৈ আছে। ইয়াৰ ফলত অৱশ্যম্ভাৱীভাৱে বৃহৎ পৰিসৰৰ প্ৰব্ৰজন পিছপৰা অঞ্চলৰ পৰা উন্নত অঞ্চললৈ কর্মসংস্থাপনৰ সন্ধানত ঘটিব, যাৰ সামাজিক আৰু অর্থনৈতিক দুয়ো ক্ষেত্ৰতে নেতিবাচক প্ৰভাৱ পৰিব। প্ৰব্ৰজনকাৰীসকলৰ সামাজিক আৰু সাংস্কৃতিক স্থানচ্যুতিৰ বাহিৰেও গ্ৰহণকাৰী সমাজৰ প্ৰতিক্ৰিয়াইও প্ৰব্ৰজনকাৰীসকলৰ ওপৰত নেতিবাচক সামাজিক প্ৰভাৱ পেলাব পাৰে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ জনসংখ্যাগত পৰিৱর্তনৰ সামাজিক আৰু ৰাজনৈতিক ক্ষেত্ৰসমূহত প্ৰভাৱ সম্পর্কে সংক্ষেপে লিখক।

১..৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- "জনসংখ্যা বিজ্ঞান" (demography) শব্দটো প্ৰাচীন গ্ৰীক উৎসৰ পৰা আহিছে আৰু ইয়াৰ আক্ষৰিক অর্থ হৈছে "জনসংখ্যাৰ বর্ণনা কৰা"। ইয়াক জনসংখ্যাৰ আকাৰ, গঠন আৰু গাঠনি বর্ণনা কৰিবলৈ ব্যৱহাৰ কৰা হয়। "জনসংখ্যাগত পৰিৱর্তন" শব্দটো সাধাৰণতে জনসংখ্যাৰ গাঠনিৰ পৰিৱর্তন বুজাবলৈ ব্যৱহাৰ কৰা হয়।
- ভাৰত বিশ্বৰ প্ৰায় ১৭% জনসংখ্যাৰ অংশীদাৰ আৰু দ্ৰুতগতিত জনসংখ্যাগত পৰিৱর্তন অভিজ্ঞতা কৰি আছে। ইয়াৰ বিস্তৃত প্ৰভাৱ কেৱল দেশখনৰ ওপৰতেই নহয়, সমগ্ৰ বিশ্বৰ ওপৰতো পৰিছে। দেশখনত আঞ্চলিক আৰু ৰাষ্ট্ৰীয় স্তৰত বিশ্বৰ ভিতৰত এতিয়ালৈকে দেখা যোৱা আটাইতকৈ উচ্চ জনসংখ্যাগত বৈচিত্ৰ্য বিদ্যমান।
- দেশজুৰি সংঘটিত জনসংখ্যাগত পৰিৱর্তনসমূহ প্ৰায়ে গুৰুত্বপূর্ণ সামাজিক-অর্থনৈতিক পৰিৱর্তনৰ সৈতে সংগতি ৰাখে। কোৱা যায় যে বিগত শতিকাৰ দ্বিতীয়ার্ধৰ সম্পূর্ণ সময়ছোৱাত ভাৰতত জনসংখ্যাৰ দ্ৰুত বৃদ্ধি দেখা গৈছিল। এই ধৰণৰ জনসংখ্যা বৃদ্ধিক দেশখনে গ্ৰহণ কৰা পৰিয়াল পৰিকল্পনা কার্যসূচীৰ ব্যর্থতা বুলি গণ্য কৰা হৈছিল। কিন্তু দেখা গৈছে যে ১৯৯১ চনৰ পৰা ভাৰতৰ জনসংখ্যা বৃদ্ধি ধীৰ হ'বলৈ আৰম্ভ কৰিছে। তথাপিও, আগৰ দশকৰ তুলনাত বৃদ্ধি হাৰৰ হ্ৰাস হ'লেও, বার্ষিক জনসংখ্যা সংযোজন প্ৰায় একে হৈয়ে থাকিল।
- ভাৰতৰ চূড়ান্ত জনসংখ্যাৰ আকাৰ পৰিয়াল, মৃত্যুহাৰ আৰু প্ৰব্ৰজন সম্পর্কীয় সকলো অনুমানিত পৰিৱর্তনৰ ওপৰত গুৰুত্বসহ নির্ভৰ কৰিব। বর্তমানৰ উর্বৰতা স্থানান্তৰ আৰু ইয়াৰ ভৱিষ্যৎ প্ৰৱণতাসমূহে ভাৰতৰ জনসংখ্যাৰ চূড়ান্ত আকাৰক সম্পূর্ণৰূপে পুনৰ সংজ্ঞায়িত কৰিব পাৰে।

- স্পষ্ট যে ভাৰতৰ জনসংখ্যাৰ জনসংখ্যাগত বৈশিষ্ট্য দ্ৰুতগতিত সলনি হৈ আছে। ভাৰত এতিয়া জনসংখ্যাগত পৰিৱৰ্তনৰ অন্তিম পৰ্যায়ত প্ৰৱেশ কৰিছে। ভাৰতত চলি থকা শাস্ত্ৰীয় জনসংখ্যাগত পৰিৱৰ্তন সেই পৰিস্থিতিক প্ৰতিফলিত কৰে য'ত মৃত্যুহাৰ হ্ৰাস পায় যদিও জন্মহাৰ উচ্চ থাকে। উল্লেখযোগ্য যে ১৯১১ ৰ পৰা ১৯২১ চনৰ মাজত দেশখনে প্লেগ, কলেৰা আৰু ইনফ্লুৱেঞ্জা মহামাৰীৰ পুনৰাবৃত্তিৰ ফলত নেতিবাচক জনসংখ্যা বৃদ্ধি অভিজ্ঞতা কৰিছিল।
- ভাৰত এখন বৃহৎ কৰ্মক্ষম বয়সৰ জনসংখ্যা থকা দেশ হোৱা হেতু, যদি প্ৰতিজন কৰ্মক্ষম বয়সৰ ব্যক্তিৰ বাবে লাভজনক আৰু স্থায়ী নিয়োগ সুযোগ সৃষ্টি কৰিব পৰা যায়, তেন্তে দেশখনে ইয়াৰ জনসংখ্যাগত লভ্যাংশৰ পৰা বৃহৎ সুবিধা লাভ কৰিব পাৰে।
- সকলো সমাজে কোনো নহয় কোনো সময়ত উচ্চ মৃত্যুহাৰ আৰু উচ্চ জন্মহাৰ থকা প্ৰায়-সমতুল্য অৱস্থাৰ পৰা নিম্ন জন্মহাৰ আৰু নিম্ন মৃত্যুহাৰ থকা অনুমিত সমতুল্য অৱস্থালৈ গতি কৰে, এই প্ৰক্ৰিয়াক "জনসংখ্যাগত স্থানান্তৰ" বুলি কোৱা হয় আৰু এই ধাৰণাটো আমেৰিকান জনসংখ্যা বিজ্ঞানী F. W. Notestein এ আগবঢ়াইছিল।
- ১৯৫০ চনৰ পৰা জনসংখ্যাগত স্থানান্তৰ জনসংখ্যা বিশ্লেষণৰ কেন্দ্ৰবিন্দু হৈ পৰিছে আৰু সেইবাবে জনসংখ্যাগত স্থানান্তৰৰ অগ্ৰগতি সঠিকভাৱে বুজা আৰু ব্যাখ্যা কৰা প্ৰয়োজন। আধুনিক জনসংখ্যা পৰিৱৰ্তন তত্ত্ব-এ ব্যাখ্যা কৰা শাস্ত্ৰীয় জনসংখ্যাগত স্থানান্তৰ মডেলৰ ধাৰণাৰ ওপৰত কেন্দ্ৰিত।
- কিন্তু জনসংখ্যাগত পৰিৱৰ্তনৰ এটা সম্পূৰ্ণ চিত্ৰণ প্ৰয়োজন, যাতে জনসংখ্যাগত পৰিৱৰ্তনৰ সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক গাঁথনিৰ ওপৰত প্ৰভাৱ অনুসন্ধান কৰিব পৰা যায়। জনসংখ্যাগত স্থানান্তৰৰ এটা বহুলভাৱে গ্ৰহণযোগ্য বৈশিষ্ট্য পাঁচটা উপাদানৰে গঠিত: মৃত্যুহাৰ হ্ৰাস, জনসংখ্যাৰ স্বাভাৱিক বৃদ্ধি, উৰ্ৱৰতা হ্ৰাস, নগৰীকৰণ আৰু জনসংখ্যাৰ বাৰ্ধক্য।
- পাঁচ-স্তৰীয় জনসংখ্যাগত স্থানান্তৰ মডেলৰ প্ৰেক্ষাপটত ভাৰতত জনসংখ্যাগত পৰিৱৰ্তন আৰু ইয়াৰ বাবে দায়ী কাৰকসমূহৰ বিশ্লেষণ কৰা হয়।
- প্ৰথম স্তৰত, প্ৰাক-শিল্প সমাজত মৃত্যুহাৰ আৰু জন্মহাৰ উচ্চ থাকে আৰু প্ৰায় সমতুল্য অৱস্থাত থাকে। উল্লেখযোগ্য যে ১৯১১ ৰ পৰা ১৯২১ চনৰ মাজত প্লেগ, কলেৰা আৰু ইনফ্লুৱেঞ্জা মহামাৰীৰ পুনৰাবৃত্তিৰ ফলত ভাৰতত নেতিবাচক জনসংখ্যা বৃদ্ধি হৈছিল।
- দ্বিতীয় স্তৰত খাদ্য যোগান আৰু পৰিচ্ছন্নতাৰ উন্নতিৰ ফলত মৃত্যুহাৰ দ্ৰুতগতিত হ্ৰাস পায়, যিয়ে জীৱনকাল বৃদ্ধি কৰে আৰু ৰোগ হ্ৰাস কৰে। ভাৰতত ১৯৫২ চনত সমাজ উন্নয়ন কাৰ্যসূচী আৰম্ভ কৰা আৰু ১৯৬০ৰ দশকত সেউজ বিপ্লৱৰ ফলত মৃত্যুহাৰ ধীৰে ধীৰে হ্ৰাস পাইছিল।
- তৃতীয় স্তৰত জন্মহাৰ হ্ৰাস পায়। বিভিন্ন উৰ্ৱৰতা কাৰক যেনে গৰ্ভনিৰোধক ব্যৱহাৰৰ সুবিধা, মজুৰি বৃদ্ধি, নগৰীকৰণ, আত্মনিৰ্বাহ কৃষিৰ হ্ৰাস, মহিলাৰ স্থান আৰু শিক্ষাৰ উন্নতি, শিশুৰ শ্ৰমৰ মূল্য হ্ৰাস, শিশুৰ শিক্ষাত অভিভাৱকৰ বিনিয়োগ বৃদ্ধি আৰু অন্যান্য সামাজিক পৰিৱৰ্তনৰ ফলত জন্মহাৰ কমি যায়। ভাৰতত, পৰিয়াল পৰিকল্পনায়ে জনসংখ্যা বৃদ্ধিৰ হাৰ কিছু পৰিমাণে হ্ৰাস কৰিছে। প্ৰাথমিক স্বাস্থ্য আৰু পৰিয়াল পৰিকল্পনাৰ উন্নতি আৰু প্ৰজনন স্বাস্থ্য সেৱাৰ অন্যান্য উপাদানসমূহে জন্মহাৰ আৰু মৃত্যুহাৰ হ্ৰাস কৰিছে, জীৱন প্ৰত্যাশা বৃদ্ধি কৰিছে আৰু শিশু মৃত্যুহাৰ হ্ৰাস কৰিছে।
- চতুৰ্থ স্তৰত নিম্ন জন্মহাৰ আৰু নিম্ন মৃত্যুহাৰ দুয়োটা দেখা যায়। জন্মহাৰ পুনঃপ্ৰতিস্থাপন স্তৰৰ বহু তললৈ নামি যাব পাৰে, যিদৰে জাৰ্মানী, ইটালী আৰু জাপানৰ দৰে দেশত ঘটিছে, যাৰ ফলত জনসংখ্যা সংকোচন হয় আৰু জনসংখ্যা বৃদ্ধিৰ ওপৰত নিৰ্ভৰশীল বহু উদ্যোগৰ বাবে ই এক বিপদ সৃষ্টি কৰে।
- পঞ্চম স্তৰত জন্মহাৰ মৃত্যুহাৰৰ তুলনাত অধিক কমি যায়, যাৰ ফলত জনসংখ্যা হ্ৰাস ঘটে। জাপান, পৰ্তুগাল আদি দেশসমূহ এই স্তৰৰ সম্ভাৱ্য উদাহৰণ হিচাপে বিবেচিত হয়।
- ৰাষ্ট্ৰসংঘ জনসংখ্যা পুঁজি-এ দেশসমূহক উচ্চ উৰ্ৱৰতা, মধ্যম উৰ্ৱৰতা, বা নিম্ন উৰ্ৱৰতা হিচাপে শ্ৰেণীবদ্ধ কৰিছে। ৰাষ্ট্ৰসংঘই অনুমান কৰিছে যে ২০১১ ৰ পৰা ২১০০ চনৰ ভিতৰত উচ্চ উৰ্ৱৰতা থকা দেশসমূহত

জনসংখ্যা বৃদ্ধি তিনিগুণ হ'ব, যিবোৰ বর্তমান মূলতঃ উপ-সাহাৰা আফ্রিকা অঞ্চলত কেন্দ্রীভূত। মধ্যম উর্বৰতা থকা দেশসমূহৰ বাবে, যাৰ ভিতৰত যুক্তৰাষ্ট্ৰ, ভাৰত আৰু মেক্সিকো অন্তর্ভুক্ত, বৃদ্ধি প্রায় ২৬ শতাংশ হ'ব বুলি আশা কৰা হৈছে। আৰু নিম্ন উর্বৰতা থকা দেশসমূহ যেনে চীন, অষ্ট্রেলিয়া আৰু ইউৰোপৰ অধিকাংশ দেশত প্রায় ২০ শতাংশ জনসংখ্যা হ্রাস দেখা যাব।

- ভাৰতত জনসংখ্যাগত পৰিৱর্তনৰ বাবে দায়ী আন কিছুমান কাৰকৰ ভিতৰত আছে বিশ্বায়ন আৰু লিংগ ব্যৱধানৰ হ্রাস।
- ভাৰতক প্রায়ে এক উদীয়মান অর্থনৈতিক মহাশক্তি হিচাপে বর্ণনা কৰা হয়। বিশ্বৰ বিভিন্ন জাতিৰ মাজত অৱস্থিত তুলনামূলকভাৱে যুৱ জনসংখ্যা, যি এতিয়াও বছৰি প্রায় চ শতাংশ হাৰত বৃদ্ধি পাই আছে, এক গুৰুত্বপূর্ণ সম্পদ হিচাপে গণ্য কৰিব পাৰি। এই সম্পদে আগন্তুক দশকসমূহত বৃহৎ জনসংখ্যাগত লভ্যাংশ সৃষ্টি কৰিব পাৰে। ভাৰত উন্নত দেশসমূহলৈ, যিসমূহত তীব্র শ্রমিক অভাৰ আছে, দক্ষ কর্মীৰ মুখ্য যোগানকাৰী হ'ব পাৰে। ইয়াৰ ফলত ভাৰতক বিশ্ব অর্থনৈতিক শক্তিলৈ মসৃণ ৰূপান্তৰৰ সম্ভাৱনা সৃষ্টি কৰাত সহায় কৰিব পাৰে।
- একে সময়তে, ভাৰতত বিশ্বৰ ভিতৰতে দৰিদ্র আৰু অসহায় জনসংখ্যাৰ বৃহৎ অংশ বিদ্যমান। ভাৰত বিশ্বৰ ভিতৰতে নিৰক্ষৰ লোকৰ অন্যতম বৃহৎ সংখ্যা আৰু কর্মহীন লোকৰ সর্বাধিক সংখ্যাও বহন কৰে। ইয়াত ৰক্তহীনতা থকা মহিলা আৰু শিশুৰ সংখ্যা সর্বাধিক, লগতে শিশু/শিশুৰ মৃত্যুহাৰ আৰু মাতৃ মৃত্যুহাৰ উচ্চ। দেশখনে জনসংখ্যাৰ সামগ্রিক জীৱনমান উন্নত কৰাৰ বাবে এই সমস্যাসমূহ সমাধান কৰিবলৈ চেষ্টা কৰিব লাগিব।
- বিগত দুই দশকৰ ভিন্নতামূলক অর্থনৈতিক প্রদর্শনে দেশত আঞ্চলিক বৈষম্য বৃদ্ধি কৰাত সহায় কৰিছে। সাধাৰণভাৱে ক'বলৈ গ'লে, পশ্চিম আৰু দক্ষিণ ৰাজ্যসমূহে অধিক দ্রুত অর্থনৈতিক বৃদ্ধি অভিজ্ঞতা কৰিছে, আনহাতে উত্তৰ আৰু পূর্বাঞ্চলৰ ৰাজ্যসমূহ পিছ পৰি আছে। আনহাতে, পিছপৰা অঞ্চলসমূহত জনসংখ্যা বৃদ্ধি আগবঢ়া অঞ্চলসমূহৰ তুলনাত উল্লেখযোগ্যভাৱে অধিক হৈয়ে আছে।
- একে সমস্যাৰ আন এটা দিশ হৈছে যে দেশৰ উন্নত অঞ্চলসমূহত অধিক সংখ্যক নিয়োগ সুযোগ সৃষ্টি হোৱাৰ বিপৰীতে পিছপৰা অঞ্চলসমূহত শ্রমিক শক্তিৰ বৃদ্ধি বহু বেছি। ইয়াৰ ফলত অৱশ্যম্ভাৱীভাৱে পিছপৰা অঞ্চলৰ পৰা উন্নত অঞ্চললৈ বৃহৎ পৰিসৰৰ প্রব্রজন কর্মসংস্থাপনৰ সন্ধানত সংঘটিত হ'ব। ইয়াৰ সামাজিক আৰু অর্থনৈতিক দুয়ো ক্ষেত্রতে নেতিবাচক প্রভাৱ পৰিব। প্রব্রজনকাৰীসকলৰ সামাজিক আৰু সাংস্কৃতিক স্থানচ্যুতিৰ বাহিৰেও, গ্রহণকাৰী সমাজৰ প্রতিক্রিয়াইও প্রব্রজনকাৰীসকলৰ ওপৰত নেতিবাচক সামাজিক প্রভাৱ পেলাব পাৰে।

১১.৭ অধিক জানিবলৈ

1. Gupta, Ashwani (2016). *Changing Demographics in India's Northeast and Its Impact on Security.* KW Publishers Pvt Ltd.
2. Chandana, R.C. (1994). *A Geography of Population: Concepts, Determinants and Patterns.* New Delhi, Kalyani Publishers.

১১.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ সত্য

২ নং প্রশ্নৰ উত্তৰ ঃ এফ. ডব্লিউ ন'ষ্টেইন

৩ নং প্রশ্নৰ উত্তৰ ঃ সমাজ উন্ন.ন কার্যসূচী

৪ নং প্রশ্নৰ উত্তৰ ঃ দ্বিতীয়

৫ নং প্রশ্নৰ উত্তৰ ঃ ভাৰত প্রায়ে উদীয়মান অর্থনৈতিক মহাশক্তি হিচাপে বর্ণনা কৰা হয়। তুলনামূলকভাৱে যুৱ জনসংখ্যা, যি এতিয়াও বছৰি প্রায় ২ শতাংশ হাৰত বৃদ্ধি পাই আছে, এক গুৰুত্বপূর্ণ সম্পদ হিচাপে গণ্য কৰিব পাৰি। এই সম্পদে আগন্তুক দশকসমূহত বৃহৎ জনসংখ্যাগত লভ্যাংশ সৃষ্টি কৰিব পাৰে। ভাৰত উন্নত দেশসমূহলৈ তীব্র শ্রমিক অভাৱ থকা ক্ষেত্রত দক্ষ কর্মীৰ মুখ্য যোগানকাৰী হ'ব পাৰে। ইয়াৰ ফলত ভাৰত বিশ্ব অর্থনৈতিক শক্তিলৈ মসৃণ ৰূপান্তৰৰ সম্ভাৱনা সৃষ্টি কৰিব পাৰে। দেশখনে জনসাধাৰণৰ সামগ্রিক জীৱনমান উন্নত কৰাৰ বাবে এই সমস্যাসমূহ স্থায়ী আৰু সুসংগঠিতভাৱে সমাধান কৰিবলৈ চেষ্টা কৰিব লাগিব।

বিগত দুই দশকৰ ভিন্নতামূলক অর্থনৈতিক প্রদর্শনে দেশত আঞ্চলিক বৈষম্য বৃদ্ধি কৰাত সহায় কৰিছে। সাধাৰণভাৱে ক'বলৈ গ'লে, পশ্চিম আৰু দক্ষিণ ৰাজ্যসমূহে অধিক দ্রুত অর্থনৈতিক বৃদ্ধি লাভ কৰিছে, আনহাতে উত্তৰ আৰু পূব ৰাজ্যসমূহ পিছ পৰি আছে। আনহাতে, পিছপৰা অঞ্চলসমূহত জনসংখ্যা বৃদ্ধি আগবঢ়া অঞ্চলসমূহৰ তুলনাত যথেষ্ট অধিক হৈয়ে আছে। ফলস্বৰূপে, জনমূৰি আয়ৰ বৈষম্য আৰু অধিক বিস্তৃত হৈছে। সেয়েহে, অর্থনৈতিক কেন্দ্রবিন্দু দক্ষিণ-পশ্চিম দিশলৈ সৰকিছে, আনহাতে জনসংখ্যাগত কেন্দ্রবিন্দু বিপৰীত দিশলৈ সৰকিছে। একে সমস্যাৰ আন এটা দিশ হৈছে যে উন্নত অঞ্চলসমূহত অধিক নিয়োগ সুযোগ সৃষ্টি হোৱাৰ বিপৰীতে পিছপৰা অঞ্চলসমূহত শ্রমিক শক্তিৰ বৃদ্ধি অধিক। ইয়াৰ ফলত অৱশ্যম্ভাৱীভাৱে বৃহৎ পৰিসৰৰ কর্মসংস্থাপনৰ সন্ধানত পিছপৰা অঞ্চলৰ পৰা উন্নত অঞ্চললৈ প্রব্রজন ঘটিব। ইয়াৰ সামাজিক আৰু অর্থনৈতিক দুয়ো ক্ষেত্রতে নেতিবাচক প্রভাৱ পৰিব। প্রব্রজনকাৰীৰ সামাজিক আৰু সাংস্কৃতিক স্থানচ্যুতিৰ বাহিৰেও, গ্রহণকাৰী সমাজৰ প্রতিক্রিয়াইও প্রব্রজনকাৰীৰ ওপৰত নেতিবাচক সামাজিক প্রভাৱ পেলাব পাৰে।

১১.৯ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ কোনো ভূখণ্ডত জনসংখ্যাগত পৰিৱর্তনৰ বাবে দায়ী মৌলিক কাৰকসমূহ কি কি?

প্রশ্ন ২ ঃ ভাৰতৰ অর্থনীতি আৰু ৰাজনীতিৰ ওপৰত জনসংখ্যাগত পৰিৱর্তনৰ মুখ্য প্রভাৱসমূহ বিশ্লেষণ কৰক।

প্রশ্ন ৩ ঃ ভাৰতত জনসংখ্যাগত পৰিৱর্তনৰ বাবে দায়ী পৰিস্থিতিসমূহ কি কি?

প্রশ্ন ৪ ঃ ভাৰতত জনসংখ্যাগত পৰিৱর্তনৰ সামাজিক-অর্থনৈতিক পৰিণতিসমূহৰ বিষয়ে লিখক।

প্রশ্ন ৫ ঃ ভাৰতৰ জনসংখ্যাগত পৰিৱর্তনত বৃহৎ পৰিসৰত প্রভাৱ পেলোৱা এক মুখ্য কাৰক হিচাপে প্রব্রজনক গণ্য কৰিব পাৰিনে?

প্রশ্ন ৬ ঃ ভাৰতত জনসংখ্যাগত পৰিৱর্তনৰ বাবে দায়ী কাৰকসমূহ ব্যাখ্যা কৰক।

****

অধ্যায় ১২ ঃ প্ৰব্ৰজন

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য
১২.২ পৰিচয়
১২.৩ প্ৰব্ৰজনৰ অৰ্থ আৰু স্বভাৱ
১২.৪ গ্ৰাম্য-চহৰ প্ৰব্ৰজন
১২.৫ আন্তঃৰাজ্যিক প্ৰব্ৰজন
১২.৬ প্ৰব্ৰজন প্ৰভাৱ
১২.৭ ভাৰতত প্ৰব্ৰজন নিয়ন্ত্ৰণৰ ব্যৱস্থা
১২.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১২.৯ অধিক জানিবলৈ
১২.১০ অগ্ৰগতিৰ খতিয়ান
১২.১১ আৰ্হি প্ৰশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- প্ৰব্ৰজনৰ অৰ্থ আৰু স্বভাৱ বিশ্লেষণ কৰিব পাৰিব।
- বৰ্তমান সময়ৰ এক গুৰুত্বপূৰ্ণ বিষয় হিচাপে গ্ৰাম্য-চহৰ প্ৰব্ৰজনৰ ধাৰণাটোৰ ওপৰত আলোকপাত কৰিব পাৰিব।
- আন্তঃৰাজ্যিক প্ৰব্ৰজনৰ কাৰণসমূহ বৰ্ণনা কৰিব পাৰিব।
- ভাৰত আৰু সমগ্ৰ বিশ্বত প্ৰব্ৰজনৰ পৰিণতি বিশ্লেষণ কৰিব পাৰিব।
- ভাৰতত প্ৰব্ৰজন নিয়ন্ত্ৰণৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাসমূহ ব্যাখ্যা কৰিব পাৰিব।

১২.২ পৰিচয়

ভাৰতত প্ৰব্ৰজনৰ এক সুদীৰ্ঘ ইতিহাস আছে। এশ বছৰৰো অধিক পূৰ্বে বহু সংখ্যক ভাৰতীয় প্ৰব্ৰজকে যিসকলৰ মাজৰ বহুতো অনিচ্ছাকৃতভাৱে (involuntary) প্ৰব্ৰজন কৰিবলৈ বাধ্য হৈছিল-আফ্ৰিকা, কেৰিবিয়ান অঞ্চল আৰু ভাৰতীয় উপমহাদেশৰ বিভিন্ন অংশলৈ গতি কৰিছিল। শেহতীয়া কেইটামান দশকত ভাৰতীয় প্ৰব্ৰজকসকলৰ প্ৰধান গন্তব্যস্থানসমূহৰ ভিতৰত পাৰস্য উপসাগৰীয় দেশসমূহ, উত্তৰ আমেৰিকা আৰু ইউৰোপ উল্লেখযোগ্য। ১৯৯০ চনত ৰাষ্ট্ৰসংঘ— ই প্ৰব্ৰজকৰ উৎসদেশসমূহৰ তথ্য নিয়মীয়াভাৱে অনুসৰণ আৰম্ভ কৰাৰ পৰাই ভাৰত বিশ্বৰ শীৰ্ষ প্ৰব্ৰজক উৎস দেশসমূহৰ অন্যতম হিচাপে পৰিগণিত হৈ আহিছে। বিগত ২৫ বছৰত আন্তঃৰাষ্ট্ৰীয় ভাৰতীয় প্ৰব্ৰজকৰ সংখ্যা দুগুণতকৈও অধিক বৃদ্ধি পাইছে, আৰু এই বৃদ্ধি বিশ্বৰ মুঠ প্ৰব্ৰজক জনসংখ্যাৰ বৃদ্ধিৰ হাৰতকৈ প্ৰায় দুগুণ অধিক। ভাৰতৰ মুঠ প্ৰব্ৰজকৰ প্ৰায় অৰ্ধেকেই কেৱল তিনিখন দেশত বসবাস কৰে সংযুক্ত আৰব, পাকিস্তান আৰু যুক্তৰাষ্ট্ৰত। প্ৰায় ৩.৫ নিযুত ভাৰতীয় সংযুক্ত আৰবত বসবাস কৰে, যিখন ভাৰতীয় প্ৰব্ৰজকসকলৰ সৰ্ববৃহৎ গন্তব্যস্থান। বিগত দুটা দশকত লাখ লাখ ভাৰতীয় শ্ৰমিক হিচাপে কৰ্মসংস্থাপনৰ সন্ধানত সেই দেশলৈ প্ৰব্ৰজন কৰিছে। আনহাতে, পাকিস্তানৰ প্ৰব্ৰজনকাৰীৰ সংখ্যা দ্বিতীয় সৰ্বাধিক, য'ত ২০ লাখ প্ৰব্ৰজনকাৰী লোক আছে।

১২.৩ প্রব্রজনৰ অর্থ আৰু স্বভাৱ

'প্রব্রজন' শব্দটোৱে সাধাৰণতে এজন ব্যক্তি বা একাংশ লোকৰ নতুন ঠাই বা দেশলৈ যোৱাৰ প্রক্রিয়াক বুজায়, য'ত তেওঁলোকে সাধাৰণতে কর্মসংস্থাপনৰ উদ্দেশ্যে সাময়িকভাৱে বা স্থায়ীভাৱে বসবাস কৰে। প্রব্রজন হৈছে বাস আৰু কর্ম কৰাৰ উদ্দেশ্যে এটা স্থানৰ পৰা আন এটা স্থানলৈ স্থানান্তৰিত হোৱাৰ এক প্রক্রিয়া। চাকৰি, আশ্রয় বা আন কোনো কাৰণত মানুহে নিজৰ বাসস্থান এৰি আন এখন চহৰ, ৰাজ্য বা দেশলৈ যোৱাক প্রব্রজন বুলি কোৱা হয়। ভাৰতত বিগত কেইবছৰত গ্রাম্য অঞ্চলৰ পৰা চহৰাঞ্চললৈ প্রব্রজনৰ হাৰ যথেষ্ট বৃদ্ধি পাইছে। বর্তমান বহুতে উন্নত জীৱন-যাপনৰ আশাত প্রব্রজন কৰাৰ সিদ্ধান্ত গ্রহণ কৰে। কর্মসংস্থাপনৰ সুযোগ হৈছে মানুহে প্রব্রজন কৰাৰ আটাইতকৈ সাধাৰণ কাৰণ। ইয়াৰ উপৰিও, সুযোগ-সুবিধাৰ অভাৱ, উন্নত শিক্ষাৰ সুবিধা লাভৰ আকাংক্ষা, বান্ধ নির্মাণ, বিশ্বায়ন (Globalization), প্রাকৃতিক দুর্যোগ (যেনে বানপানী আৰু খৰাং) আৰু কেতিয়াবা শস্যৰ উৎপাদন ব্যাহত হোৱাৰ ফলতো গাঁওবাসী চহৰলৈ প্রব্রজন কৰিবলৈ বাধ্য হয়। চাকৰি বা আশ্রয়ৰ সন্ধানত এটা স্থানৰ পৰা আন এটা স্থানলৈ যোৱা লোকসকলক প্রব্রজক (Migrants) বুলি কোৱা হয়। অধিকাংশ ক্ষেত্রতে প্রব্রজকসকল দক্ষ বা উচ্চশিক্ষিত নহয়; সেয়েহে তেওঁলোক সাধাৰণতে দৈনিক মজুৰি শ্রমিক (Daily Wagers) হিচাপে নিয়োজিত হয়, অর্থাৎ যিসকল শ্রমিকক তেওঁলোকৰ সেৱাৰ বিনিময়ত প্রতিদিনৰ শেষত মজুৰি প্রদান কৰা হয়। দৈনিক মজুৰি শ্রমিকসকলে সাধাৰণতে নিজৰ পৰিয়ালৰ জীৱিকা নির্বাহৰ বাবে পর্যাপ্ত উপার্জন কৰিব নোৱাৰে আৰু তেওঁলোকে বহু সমস্যাৰ সন্মুখীন হয়। যেনে- পর্যাপ্ত খাদ্যৰ অভাৱ, অনুপযুক্ত অনাময় আৰু পৰিচ্ছন্নতাৰ ব্যৱস্থা, স্বাস্থ্যসম্মত পৰিৱেশৰ অভাৱ, উপযুক্ত বাসস্থানৰ অভাৱ আদি। প্রব্রজন বর্তমান চহৰসমূহৰ জীৱনৰ এক অত্যন্ত গুৰুত্বপূর্ণ বিষয় হৈ পৰিছে। বৃহৎ চহৰসমূহত উপলব্ধ বিভিন্ন সুযোগ-সুবিধা আৰু আকর্ষণে বিপুল সংখ্যক লোকক সেই চহৰসমূহলৈ আকর্ষিত কৰে। প্রব্রজনে প্রব্রজকসকলৰ জীৱনত ইতিবাচক আৰু নেতিবাচক উভয় ধৰণৰ প্রভাৱ পেলাব পাৰে। অর্থাৎ, প্রব্রজনৰ কিছুমান ইতিবাচক আৰু কিছুমান নেতিবাচক প্রভাৱ.. আছে।

ইতিবাচক প্রভাৱ ঃ

- নিবনুৱা সমস্যা হ্রাস পায় আৰু মানুহে উন্নত কর্মসংস্থাপনৰ সুযোগ লাভ কৰে।
- প্রব্রজনে মানুহৰ জীৱনৰ মানদণ্ড উন্নত কৰাত সহায় কৰে।
- নতুন সংস্কৃতি, ৰীতি-নীতি আৰু ভাষাৰ সৈতে পৰিচিত হোৱাৰ সুযোগ লাভ কৰাৰ ফলত মানুহৰ সামাজিক জীৱনৰ উন্নতি ঘটে আৰু পাৰস্পৰিক ভাতৃত্ববোধ সুদৃঢ় হয়।
- দক্ষ শ্রমিকসকলৰ প্রব্রজনে সংশ্লিষ্ট অঞ্চলৰ অর্থনৈতিক বিকাশ ত্বৰান্বিত কৰে।
- শিশুসকলে উচ্চশিক্ষা লাভৰ উন্নত সুযোগ লাভ কৰে।
- জনসংখ্যাৰ ঘনত্ব হ্রাস পায় আৰু জন্মহাৰ কমি আহে।

নেতিবাচক প্রভাৱ ঃ

- গ্রাম্য অঞ্চলৰ পৰা লোকসকল আঁতৰি যোৱাত সেই অঞ্চলসমূহৰ উৎপাদন আৰু উন্নয়নৰ স্তৰত নেতিবাচক প্রভাৱ পৰে।
- চহৰাঞ্চললৈ শ্রমিকৰ আগমনে চাকৰি, বাসস্থান, বিদ্যালয়ৰ সুবিধা আদি লাভৰ ক্ষেত্রত প্রতিযোগিতা বৃদ্ধি কৰে।
- অধিক জনসংখ্যাই প্রাকৃতিক সম্পদ, মৌলিক সা-সুবিধা আৰু জনসেৱাৰ ওপৰত অত্যধিক চাপ সৃষ্টি কৰে।
- গাঁওৰ এজন লোকৰ বাবে চহৰাঞ্চলত জীৱন-নির্বাহ কৰাটো কঠিন, কিয়নো চহৰত প্রাকৃতিক পৰিৱেশ আৰু বিশুদ্ধ বায়ুৰ অভাৱ থাকে। তদুপৰি, তেওঁলোকে প্রায় প্রতিটো বস্তু আৰু সেৱাৰ বাবে মূল্য পৰিশোধ কৰিবলগীয়া হয়।
- প্রব্রজনে এখন ঠাইৰ জনসংখ্যাৰ গঠন সলনি কৰে; ফলস্বৰূপে ভাৰতত জনসংখ্যাৰ বিতৰণ অসমান হৈ পৰে।

- বহু প্রব্রজক সম্পূর্ণ নিৰক্ষৰ আৰু অশিক্ষিত হোৱাৰ বাবে তেওঁলোক অধিকাংশ কর্মসংস্থাপনৰ বাবে উপযুক্ত নহয়; লগতে তেওঁলোকৰ মৌলিক জ্ঞান আৰু জীৱন-দক্ষতাৰো অভাৱ থাকে।
- দৰিদ্রতাই তেওঁলোকক স্বাভাৱিক আৰু সুস্থ জীৱন-যাপন কৰিবলৈ অক্ষম কৰি তোলে।
- দৰিদ্রতাৰ মাজত ডাঙৰ হোৱা শিশুসকলে উপযুক্ত পুষ্টি, শিক্ষা আৰু স্বাস্থ্যসেৱাৰ সুবিধাৰ পৰা বঞ্চিত হয়।
- প্রব্রজনৰ ফলত চহৰসমূহত বস্তি অঞ্চলৰ সংখ্যা বৃদ্ধি পায়, যাৰ ফলত অস্বাস্থ্যকৰ পৰিৱেশ, অপৰাধ, প্রদূষণ আদি বহু সমস্যাৰ সৃষ্টি হয়।
- কেতিয়াবা প্রব্রজকসকল শোষণৰ বলি হয়।
- প্রব্রজন হৈছে একক পৰিয়াল (Nuclear Family) বৃদ্ধিৰ অন্যতম মুখ্য কাৰণ, য'ত শিশুসকল বৃহত্তৰ পৰিয়ালৰ পৰিৱেশ আৰু সম্পর্কৰ পৰা বঞ্চিত হৈ ডাঙৰ-দীঘল হয়।

ভাৰত বিশ্বৰ অন্যতম প্রাচীন সভ্যতা আৰু সুযোগ-সুবিধাৰ দেশ হিচাপে অতি দীর্ঘকাল ধৰি সমগ্র বিশ্বৰ পর্যটক, ব্যৱসায়ী, শিক্ষার্থী আৰু যোদ্ধাসকলৰ বাবে এক আকর্ষণৰ কেন্দ্র হৈ আহিছে। কিন্তু ঔপনিৱেশিক (Colonial) যুগত এই প্রবণতাই নতুন ৰূপ লাভ কৰে আৰু ইয়াৰ পৰিসৰ অভূতপূর্বভাৱে বৃদ্ধি পায়। ইয়াৰ পিছত, বিংশ শতিকাৰ অন্তিম কেইটামান দশকত সামাজিক, অর্থনৈতিক আৰু ৰাজনৈতিক ব্যৱস্থাত সংঘটিত উল্লেখযোগ্য পৰিৱর্তন আৰু উন্নয়ন, লগতে প্রযুক্তিগত খণ্ডৰ অগ্রগতিৰ ফলত ভাৰতৰ পৰা আৰু ভাৰতৰ ভিতৰত সংঘটিত প্রব্রজনৰ ধাৰা পূর্বতকৈ অধিক গতিশীল হৈ পৰে। যোগাযোগ আৰু পৰিবহণ ব্যৱস্থাৰ সম্প্রসাৰণেও ভাৰতত জনসাধাৰণৰ চলাচলক যথেষ্ট গতি প্রদান কৰে, যাৰ ফলত কেৱল আন্তঃৰাষ্ট্রীয় পর্যায়লৈ নহয়, দেশৰ ভিতৰতো মানুহৰ স্থানান্তৰ যথেষ্ট বৃদ্ধি পায়।

আমাৰ দেশত আন্তঃদেশীয় প্রব্রজনতকৈও অভ্যন্তৰীণ প্রব্রজন অধিক তাৎপর্যপূর্ণ আছিল, কিয়নো উন্নত ভৱিষ্যতৰ সন্ধানত বহু সংখ্যক লোকে এখন ৰাজ্যৰ পৰা আন এখন ৰাজ্যলৈ অথবা গ্রাম্য অঞ্চলৰ পৰা চহৰাঞ্চললৈ স্থানান্তৰিত হৈছিল। ভাৰতীয়সকলে বহু শতিকা ধৰি বাণিজ্য, ৰাজনৈতিক সম্পর্ক আৰু ধর্মীয় যোগাযোগৰ সম্প্রসাৰণৰ উদ্দেশ্যে বিভিন্ন দেশলৈ প্রব্রজন কৰি আহিছে। ভাৰতৰ পৰা সংঘটিত প্রব্রজনৰ ধাৰা আৰু ইয়াৰ প্রভাৱ সময়ে সময়ে সলনি হৈ আহিছে। ভাৰতীয়সকলৰ বহিঃপ্রব্রজন (Out-migration)ৰ পৰম্পৰা খ্রীষ্টপূর্ব ২৬৮-২৩১ চনৰ পৰাই অনুসৰণ কৰিব পাৰি, যেতিয়া সম্রাট অশোকই ভগৱান বুদ্ধই প্রদান কৰা শান্তিৰ বাণী বিশ্বজুৰি প্রচাৰৰ উদ্দেশ্যে দূতসকলক বিভিন্ন দেশলৈ প্রেৰণ কৰিছিল (Sahai and Chand, 2004:59)।

কিন্তু, যোৱা দুটা শতিকাত ভাৰতৰ পৰা বিশ্বৰ বিভিন্ন প্রান্তলৈ সংঘটিত সুসংগঠিত প্রব্রজনৰ ধাৰা স্পষ্টভাৱে পৰিলক্ষিত হয় আৰু আধুনিক যুগৰ বহিঃপ্রব্রজন (Emigration)ৰ সূচনা অষ্টাদশ শতিকাত ব্রিটিছ শাসনকালত হয়। ঔপনিৱেশিক যুগত ভাৰতৰ পৰা আন্তঃৰাষ্ট্রীয় প্রব্রজনৰ প্রক্রিয়াই এক নতুন পর্যায়ত উপনীত হৈছিল। ব্রিটিছসকলে তেওঁলোকৰ সাম্রাজ্যত দাসপ্রথা বিলুপ্ত কৰাৰ পিছত কৃষ্ণাংগ দাস শ্রমিকৰ পৰিৱর্তে ভাৰতীয় শ্রমিকক বাগিচা আৰু খনিসমূহত কাম কৰিবলৈ নিয়োগ কৰে। অদক্ষ ভাৰতীয় শ্রমিকসকলৰ প্রথমটো দল চেনি উৎপাদনৰ বাগিচাত কাম কৰাৰ উদ্দেশ্যে মৰিচাছলৈ প্রেৰণ কৰা হৈছিল। ইয়াৰ পিছত অধিক সংখ্যক শ্রমিকক চুক্তিৰ ভিত্তিত নিয়োগ কৰি চাহ, ৰাবাৰ, আখ আৰু পাম গছৰ বাগিচাসমূহত, লগতে বিভিন্ন খনিত কাম কৰিবলৈ প্রেৰণ কৰা হৈছিল।

ভাৰতীয় শ্রমিকসকলে যিসমূহ দেশলৈ প্রব্রজন কৰিছিল, সেইসমূহৰ ভিতৰত পশ্চিম ভাৰতীয় উপনিৱেশসমূহ (West Indian Colonies), ফিজি, দক্ষিণ আফ্রিকা, মৰিচাছ, মালয়েছিয়া, ছিংগাপুৰ, চেইলন (শ্রীলংকা) আৰু বার্মা (ম্যানমাৰ) উল্লেখযোগ্য। ব্রিটিছ উপনিৱেশসমূহলৈ শ্রমিক প্রব্রজনৰ উপৰিও, ঊনবিংশ শতিকাৰ আৰম্ভণিতে ইউৰোপৰ উন্নত ঔদ্যোগিক দেশসমূহৰ ভিতৰত যুক্তৰাজ্যলৈ আৰু বিংশ শতিকাত উত্তৰ আমেৰিকালৈও বহু সংখ্যক ভাৰতীয়ই প্রব্রজন কৰিছিল। বিভিন্ন দেশৰ পৰা, বিশেষকৈ চুবুৰীয়া দেশসমূহৰ পৰা ভাৰতলৈ মানুহৰ প্রব্রজন গণতান্ত্রিক শাসনব্যৱস্থা, উদাৰ সমাজব্যৱস্থা, ধর্মীয় স্বাধীনতা, উন্নত অর্থনীতি আৰু অধিক কর্মসংস্থাপনৰ সুযোগৰ সৈতে ওতপ্রোতভাৱে জঞ্জতি আছিল। ১৯৪৭ চনৰ পিছৰ পৰা ভাৰতত বৈধ আৰু অবৈধ উভয় ধৰণৰ প্রব্রজকৰ সংখ্যা ক্রমান্বয়ে বৃদ্ধি পাই আহিছে। অৱশ্যে, ১৯৯১ চনৰ পৰা ২০০১ চনৰ সময়ছোৱাত দেশখনত বিদেশী প্রব্রজকৰ

সংখ্যাত এক লক্ষণীয় বৃদ্ধি পৰিলক্ষিত হৈছিল।

২০০৬ চনৰ শেষলৈকে বাংলাদেশ, তিব্বত আৰু শ্ৰীলংকাৰ পৰা অহা বৃহৎ সংখ্যক লোকক ভাৰত চৰকাৰ আৰু ৰাষ্ট্ৰসংঘৰ শৰণাৰ্থী বিষয়ক উচ্চায়ুক্তৰ কাৰ্যালয় (UNHCR)এ শৰণাৰ্থী হিচাপে স্বীকৃতি প্ৰদান কৰিছিল আৰু ভাৰতত আশ্ৰয় দিয়া হৈছিল। এই শৰণাৰ্থীসকলৰ এক বৃহৎ অংশ আছিল বাংলাদেশৰ চাকমা আৰু জুম্মা শৰণাৰ্থী। তেওঁলোক মূলতঃ বাংলাদেশৰ চিটাগং পাহাৰীয়া অঞ্চলত বসবাস কৰা বৌদ্ধ আৰু হিন্দু জনজাতীয় সম্প্ৰদায়ৰ লোক আছিল।

ভাৰতত ব্ৰিটিছসকলৰ আগমনৰ পূৰ্বে দেশৰ এক অংশৰ পৰা আন এক অংশলৈ মানুহৰ অভ্যন্তৰীণ প্ৰব্রজন অতি সীমিত আছিল। ইয়াৰ দুটা মুখ্য কাৰণ আছিল। প্ৰথমতে, অধিকাংশ লোক কৃষিভিত্তিক গ্ৰাম্য আৰ্থ-সামাজিক কাৰ্যকলাপত নিয়োজিত আছিল আৰু তেওঁলোকে নিজ নিজ গাঁৱৰ ভিতৰতে নিজৰ প্ৰয়োজন পূৰণ কৰি সন্তুষ্ট আছিল। দ্বিতীয়তে, উন্নত পৰিবহণ আৰু যোগাযোগ ব্যৱস্থাৰ অভাৱে তেওঁলোকক নিজ জন্মস্থান এৰি আন ঠাইলৈ প্ৰব্রজন কৰিবলৈ নিৰুৎসাহিত কৰিছিল। কিন্তু, ব্ৰিটিছসকলে উৎপাদন আৰু অৰ্থনৈতিক ব্যৱস্থাত অনা উন্নয়নমূলক পৰিৱৰ্তন, ৰেলপথৰ সূচনা, লগতে যোগাযোগ আৰু অন্যান্য পৰিবহণ ব্যৱস্থাৰ উন্নয়নে ভাৰতত অভ্যন্তৰীণ আৰু আন্তঃৰাষ্ট্ৰীয়-উভয় ধৰণৰ প্ৰব্রজনক গতি প্ৰদান কৰে। আৰম্ভণিৰ সময়ছোৱাত ভাৰতৰ প্ৰব্রজনৰ ধাৰা মূলতঃ দেশৰ পূবাঞ্চলৰ দিশে কেন্দ্ৰীভূত আছিল।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ প্ৰব্রজন বুলিলে কি বুজায়?

প্ৰশ্ন নং ২ ঃ প্ৰব্রজনৰ দুটা ইতিবাচক আৰু দুটা নেতিবাচক প্ৰভাৱ কি কি?

১২.৪ গ্ৰাম্য-চহৰ প্ৰব্রজন

গ্ৰাম্য-চহৰ প্ৰব্রজন তথাকথিত অভ্যন্তৰীণ প্ৰব্রজনৰ এক প্ৰকাৰ। অভ্যন্তৰীণ প্ৰব্রজন বুলিলে এখন দেশৰ ভিতৰতে সংঘটিত মানুহৰ স্থানান্তৰক বুজায়, যিটো আন্তঃৰাষ্ট্ৰীয় বা আন্তঃমহাদেশীয় প্ৰব্রজনৰ পৰা পৃথক। গ্ৰাম্য-চহৰ প্ৰব্রজন বুলিলে গ্ৰামাঞ্চল বা গাঁওৰ পৰা মানুহে চহৰলৈ, বিশেষকৈ এখন দেশৰ মহানগৰসমূহলৈ স্থানান্তৰিত হোৱাক বুজায়। বাসস্থানৰ এই পৰিৱৰ্তন সাধাৰণতে শ্ৰমিক প্ৰব্রজন আৰু প্ৰাথমিক খণ্ডৰ পৰা দ্বিতীয় বা তৃতীয় খণ্ডলৈ কৰ্মজীৱনৰ পৰিৱৰ্তনৰ সৈতে জড়িত। এইধৰণৰ পৰিৱৰ্তনৰ সদায় দুটা দিশ থাকে। এফালে, গন্তব্যস্থান বা যি অঞ্চললৈ মানুহ যায়, সেই অঞ্চলৰ জনসংখ্যা বৃদ্ধি পায়; আনফালে, উৎসস্থান বা যি অঞ্চলৰ পৰা মানুহ আঁতৰি যায়, সেই অঞ্চলৰ জনসংখ্যা হ্ৰাস পায়। এই বিষয়টো সদায় মনত ৰখা উচিত, কিয়নো গ্ৰাম্য আৰু চহৰাঞ্চল-উভয় অঞ্চলৰ সুষম উন্নয়ন সাধনৰ বাবে দুয়োটা অঞ্চলৰ মাজত পাৰস্পৰিক আন্তঃক্ৰিয়া, সংযোগ আৰু যোগাযোগ অতি প্ৰয়োজনীয়। উন্নয়নশীল দেশসমূহত গ্ৰাম্য-চহৰ প্ৰব্রজনৰ বিভিন্ন কাৰণ আছে। এই কাৰণসমূহক সাধাৰণতে প্ৰেৰক কাৰক আৰু আকৰ্ষণকাৰী কাৰক বুলি কোৱা হয়। প্ৰেৰক কাৰকসমূহে মানুহক গ্ৰামাঞ্চল এৰি যাবলৈ বাধ্য কৰে, আনহাতে আকৰ্ষণকাৰী কাৰকসমূহে তেওঁলোকক চহৰাঞ্চললৈ আকৰ্ষিত কৰে।

প্ৰব্রজনৰ কাৰক আৰু নিৰ্ধাৰকসমূহ যথেষ্ট বৈচিত্ৰ্যপূৰ্ণ। এইসমূহক অৰ্থনৈতিক আৰু অনাৰ্থনৈতিক কাৰণত বিভক্ত কৰিব পাৰি। অৰ্থনৈতিক প্ৰেৰক কাৰকৰ ভিতৰত গ্ৰামাঞ্চলত নিবনুৱা বা অপৰ্যাপ্ত নিয়োজন, কম মজুৰি, সম্পত্তিৰ অভাৱ, লগতে ভূমিৰ অভাৱ আদি অন্তৰ্ভুক্ত। বহু ক্ষেত্ৰত উত্তৰাধিকাৰ ব্যৱস্থাৰ ফলত ভূমি বহুজনৰ মাজত বিভাজিত হৈ পৰে, যাৰ ফলত ভূমিৰ উৎপাদনশীলতা হ্ৰাস পায়। একেসময়তে, অনাৰ্থনৈতিক প্ৰেৰক কাৰকসমূহেও গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ইয়াৰ ভিতৰত বিশেষকৈ দুৰ্বল গ্ৰাম্য আন্তঃগাঁথনি অন্তৰ্ভুক্ত, অৰ্থাৎ অনুন্নত বাসস্থান, শিক্ষাৰ সীমিত সুযোগ আৰু স্বাস্থ্যসেৱাৰ অভাৱ। ইয়াৰ উপৰিও, কৃষিক্ষেত্ৰৰ পৰিৱৰ্তন, যেনে-কৃষিৰ আধুনিকীকৰণ, নতুন প্ৰযুক্তি আৰু যন্ত্ৰপাতিৰ ব্যৱহাৰ, লগতে সাধাৰণভাৱে অৰ্থনৈতিক সংস্কাৰৰ ফলত কৃষি খণ্ডত শ্ৰমিকৰ চাহিদা হ্ৰাস পায়। ফলস্বৰূপে, বহু লোকে নতুন কৰ্মসংস্থাপনৰ সন্ধানত আন ঠাইলৈ যাবলৈ

বাধ্য হয়। ইয়াৰ উপৰিও, প্রাকৃতিক দুর্যোগ, খৰাং, দুর্ভিক্ষ, যুদ্ধ আৰু সংঘাত আদিও প্রেৰক কাৰক হিচাপে কাম কৰে। এইসমূহে অধিকাংশ সময়তে গ্রামাঞ্চলক ক্ষতিগ্রস্ত কৰে, মানুহৰ সম্পত্তি আৰু কৃষিভূমি ধ্বংস কৰে আৰু তেওঁলোকৰ জীৱিকা গভীৰভাৱে প্রভাৱিত কৰে। আনহাতে, অর্থনৈতিক আকর্ষণকাৰী কাৰকৰ ভিতৰত এনে কাৰকসমূহ অন্তর্ভুক্ত, যিবোৰে মানুহক চহৰলৈ আকর্ষিত কৰে। এইসমূহ মূলতঃ প্রেৰক কাৰকসমূহৰ বিপৰীত। অর্থনৈতিক বিকাশৰ ফলত চহৰাঞ্চলত শ্রমিকৰ চাহিদা অধিক হোৱাৰ বাবে গ্রাম্য প্রব্রজকসকলে তাত কর্মসংস্থান আৰু অধিক মজুৰি লাভৰ আশা কৰে। ইয়াৰ উপৰিও, অনার্থনৈতিক আকর্ষণকাৰী কাৰকৰ ভিতৰত উন্নত স্বাস্থ্যসেৱা, অধিক শিক্ষাৰ সুবিধা, চহৰাঞ্চলৰ উন্নত সা-সুবিধা আৰু জীৱনশৈলীৰ প্রতি আকর্ষণ, লগতে সংঘাত আদিৰ পৰা সুৰক্ষাৰ আশা আদি অন্তর্ভুক্ত।

এই প্রেৰক আৰু আকর্ষণকাৰী কাৰকসমূহৰ প্রেক্ষাপটত সহজেই অনুমান কৰিব পাৰি যে, গ্রামাঞ্চলৰ পৰা চহৰাঞ্চললৈ হোৱা এই স্থানান্তৰৰ ফলত উৎসস্থান আৰু গন্তব্যস্থান-উভয় অঞ্চলতে গুৰুত্বপূর্ণ পৰিৱর্তন আৰু প্রভাৱৰ সৃষ্টি হয়। বৃহৎ চহৰাঞ্চললৈ মানুহৰ সংখ্যা ক্রমাগতভাৱে বৃদ্ধি পোৱাৰ ফলত মূলতঃ তিনিটা পৰিস্থিতিৰ উদ্ভৱ হয়।

প্রথমতে — নগৰীয় সম্প্রসাৰণ ঃ ইয়াৰ অর্থ হ'ল নগৰ আৰু চহৰসমূহৰ ভৌগোলিক বিস্তাৰ ক্রমাৎ বৃদ্ধি পোৱা। এইসমূহে অধিক পৰিমাণৰ ভূমি আৱৰি লয়। ইয়াৰ মূল কাৰণ হ'ল, চহৰসমূহৰ ভিতৰত পর্যাপ্ত বাসগৃহৰ সুবিধা নাথাকে। ফলস্বৰূপে, নতুনকৈ অহা লোকসকলে প্রায়ে বস্তি অঞ্চলত বাস কৰিবলৈ বাধ্য হয়, আৰু এই বস্তি অঞ্চলসমূহৰ সংখ্যা আৰু আকাৰ ক্রমাগতভাৱে বৃদ্ধি পায়।

দ্বিতীয়তে — নগৰায়ণ ঃ ইয়াৰ অর্থ হ'ল মুঠ জনসংখ্যাৰ তুলনাত চহৰাঞ্চলত বসবাস কৰা লোকৰ অনুপাত উল্লেখযোগ্যভাৱে বৃদ্ধি পোৱা।

তৃতীয়তে — গ্রাম্য জনসংখ্যা হ্রাস ঃ সাধাৰণতে ইয়াৰ অর্থ হ'ল অধিক উপার্জনৰ আশাত কর্মক্ষম বয়সৰ বৃহৎ সংখ্যক লোকে গ্রামাঞ্চল এৰি চহৰলৈ প্রব্রজন কৰে। ফলত গাঁওত মূলতঃ বৃদ্ধ আৰু শিশুসকলহে থাকি যায়। ইয়াৰ ফলত গ্রাম্য উন্নয়নৰ ক্ষেত্রত অধিক সমস্যাৰ সৃষ্টি হয়, কিয়নো দক্ষ আৰু কর্মক্ষম যুৱ প্রাপ্তবয়স্ক লোকৰ অভাৱ দেখা দিয়ে।

১২.৫ আন্তঃৰাজ্যিক প্রব্রজন

প্রব্রজন হৈছে নতুন স্থায়ী বা অর্ধ-স্থায়ী বাসস্থান স্থাপনৰ উদ্দেশ্যে নির্দিষ্ট ভৌগোলিক সীমা অতিক্রম কৰি মানুহে কৰা ভৌগোলিক স্থানান্তৰ। জন্মহাৰ আৰু মৃত্যুহাৰৰ লগতে প্রব্রজনো জনসংখ্যাৰ পৰিৱর্তনৰ এক গুৰুত্বপূর্ণ উপাদান। এখন দেশৰ ভিতৰত এখন অঞ্চলৰ পৰা আন এখন অঞ্চললৈ মানুহৰ স্থানান্তৰক বুজাবলৈ অন্তঃপ্রব্রজন আৰু বহিঃপ্রব্রজন শব্দ দুটা ব্যৱহাৰ কৰা হয়। আনহাতে, এখন দেশৰ পৰা আন এখন দেশলৈ হোৱা স্থানান্তৰক বুজাবলৈ অন্তঃপ্রবেশ প্রব্রজন আৰু বহিঃদেশীয় প্রব্রজন শব্দ দুটা ব্যৱহাৰ কৰা হয়, যিবোৰে আন্তঃৰাষ্ট্রীয় প্রব্রজনক বুজায়।

উন্নয়নশীল দেশসমূহত প্রব্রজনৰ প্রক্রিয়া উন্নত দেশসমূহৰ তুলনাত মৌলিকভাৱে পৃথক। ভাৰতৰ দৰে উন্নয়নশীল দেশসমূহত সাধাৰণতে প্রব্রজন উন্নত দেশসমূহৰ ক্ষেত্রত দেখা পোৱা গন্তব্যস্থানৰ তথাকথিত আকর্ষণকাৰী কাৰকৰ ফলত নহয়; বৰঞ্চ উৎসস্থানত বিদ্যমান দৰিদ্রতা, নিবনুৱা সমস্যা, প্রাকৃতিক দুর্যোগ আৰু অনুন্নয়নৰ ফলতেই অধিকাংশ প্রব্রজন সংঘটিত হয়। উন্নয়নশীল দেশসমূহত প্রব্রজনক এতিয়াও জীৱনধাৰণৰ এক কৌশল হিচাপে গণ্য কৰা হয়। দৰিদ্রতা আৰু সমৃদ্ধি-উভয়েই প্রব্রজনক উৎসাহিত কৰাৰ বাবে দায়ী। প্রথমটো অর্থাৎ দৰিদ্রতাজনিত প্রব্রজন মূলতঃ উন্নয়নশীল দেশসমূহত দেখা যায়, আনহাতে দ্বিতীয়টো অর্থাৎ সমৃদ্ধিজনিত প্রব্রজন উন্নত দেশসমূহত অধিক পৰিলক্ষিত হয়। আন্তঃৰাজ্যিক প্রব্রজন এখন ৰাজ্য বা কেন্দ্রীয় শাসিত অঞ্চলৰ বাবে জনসংখ্যা বৃদ্ধিৰ বা জনসংখ্যা হ্রাসৰ উৎস হ'ব পাৰে। ভাৰতৰ দৰে এখন বৃহৎ দেশত দেশৰ বিভিন্ন অংশত জনসংখ্যাৰ চলাচলৰ অধ্যয়নে সমাজৰ গতিশীলতাক অধিক ভালদৰে বুজিবলৈ সহায় কৰে। দেশৰ অর্থনৈতিক উন্নয়নৰ বর্তমানৰ পর্যায়ত,

বিশেষকৈ বহু ৰাজ্যত উৎপাদন, তথ্য-প্রযুক্তি আৰু সেৱা খণ্ড আদিত দ্রুত অর্থনৈতিক উন্নয়ন ঘটাৰ পৰিপ্রেক্ষিতত, জনসংখ্যাৰ প্রব্রজনৰ তথ্যভিত্তিক পৰিচিতি অধিক গুৰুত্বপূর্ণ হৈ পৰিছে। কর্মসংস্থান, শিক্ষা আদি সুবিধাৰ বাবে চহৰাঞ্চলত সৃষ্টি হোৱা সুযোগসমূহে আকর্ষণকাৰী কাৰক হিচাপে কাম কৰি গ্রামাঞ্চলৰ পৰা চহৰাঞ্চললৈ আৰু সৰু নগৰ-চহৰৰ পৰা বৃহৎ নগৰাঞ্চললৈ মানুহক প্রব্রজন কৰিবলৈ উৎসাহিত কৰে। আনহাতে, বিভিন্ন কাৰণত চহৰাঞ্চলৰ পৰা গ্রামাঞ্চললৈও বিপৰীতমুখী প্রব্রজন সংঘটিত হয়।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ গ্রামাঞ্চলৰ পৰা চহৰাঞ্চললৈ প্রব্রজকসকলক আকর্ষিত কৰা দুটা আকর্ষণকাৰী কাৰক লিখক।

১২.৬ প্রব্রজনৰ প্রভাৱ

যিকোনো মূল্যায়নৰ এক গুৰুত্বপূর্ণ অংশ হৈছে সমাজৰ ভিতৰত অভিবাসনে সামাজিক সম্পর্কসমূহৰ ওপৰত কেনেদৰে প্রভাৱ পেলাইছে সেয়া পর্যালোচনা কৰা। এটা দিশত, কর্মসংস্থান, ৰাজহুৱা সেৱা আদি ক্ষেত্রত অভিবাসনৰ প্রভাৱ স্পষ্টভাৱে অনুভৱ কৰা হৈছে। বর্তমান সময়ত প্রব্রজন এক সাধাৰণ প্রৱণতালৈ পৰিণত হৈছে। একেদৰে, কৃষি শ্রমিকৰ প্রব্রজনো আজিকালি যথেষ্ট সাধাৰণ ঘটনা। শ্রমিকসকলে জীৱন-যাপনৰ ক্ষেত্রত বহু সমস্যাৰ সম্মুখীন হয়। এই সমস্যাসমূহেই তেওঁলোকক নিজ জন্মস্থান এৰি এনে ঠাইলৈ প্রব্রজন কৰিবলৈ বাধ্য কৰে, য'ত তেওঁলোকে উন্নত কর্মসংস্থান আৰু উপার্জনৰ সুযোগ লাভ কৰিব পাৰে। প্রব্রজনে মানৱ সমাজৰ ওপৰত এক গুৰুত্বপূর্ণ প্রভাৱ অব্যাহত ৰাখিছে। ইয়াৰ প্রভাৱ মানুহে এৰি অহা সমাজসমূহত, যিবোৰক 'প্রেৰণকাৰী সমাজ' বুলি কোৱা হয়, আৰু যক্সত গৈ তেওঁলোকে বসতি স্থাপন কৰে, সেই 'গ্রহণকাৰী সমাজ' উভয়তে পৰিলক্ষিত হয়। এই সমাজসমূহ সদায় দেশ বা ৰাষ্ট্র হ'ব লাগিব বুলি কোনো কথা নাই। উদাহৰণস্বৰূপে, এজন ব্যক্তি একেখন দেশৰ ভিতৰতে এখন গাঁওৰ দৰে গ্রাম্য সমাজৰ পৰা এখন চহৰৰ দৰে নগৰীয়া সমাজলৈ স্থানান্তৰিত হ'ব পাৰে। এইধৰণৰ অভ্যন্তৰীণ স্থানান্তৰৰ ফলত গাঁওসমূহৰ ওপৰত যি প্রভাৱ পৰে, সেয়া আন্তঃৰাষ্ট্রীয় প্রব্রজনৰ ফলত ৰাষ্ট্রসমূহৰ ওপৰত পৰা প্রভাৱৰ দৰেই গুৰুত্বপূর্ণ হ'ব পাৰে।

- **জনসংখ্যাগত পৰিণতি ঃ**

প্রব্রজনে জনসংখ্যাৰ আকাৰ, গাঁথনি আৰু বৃদ্ধিৰ ধাৰাৰ ওপৰত সুদূৰপ্রসাৰী প্রভাৱ পেলাব পাৰে। ই মানুহে এৰি অহা স্থানৰ জনসংখ্যা আৰু তেওঁলোকে গৈ বসতি স্থাপন কৰা স্থানৰ জনসংখ্যা উভয়ৰে জনসংখ্যাগত ধাৰাৰ ওপৰত প্রভাৱ বিস্তাৰ কৰে। এই প্রভাৱসমূহ প্রব্রজনৰ প্রকাৰ আৰু প্রব্রজকসকলে নতুন স্থানত কিমান সময় ধৰি বসবাস কৰে তাৰ ওপৰত নির্ভৰ কৰি ভিন্ন হয়। বৃহৎ সংখ্যক পুৰুষ বা মহিলাৰ অনুপস্থিতিয়ে স্বল্পম্যাদত উৎসস্থানৰ সমাজৰ ওপৰত সীমিত প্রভাৱ পেলাব পাৰে। কিন্তু যদি তেওঁলোক দীর্ঘ সময় ধৰি অনুপস্থিত থাকে, তেন্তে মধ্যম্যাদী আৰু দীর্ঘম্যাদত তেওঁলোকৰ এই অনুপস্থিতিয়ে জনসংখ্যা বৃদ্ধিৰ হাৰৰ ওপৰত উল্লেখযোগ্য প্রভাৱ পেলায়।

- **সামাজিক পৰিণতি ঃ**

প্রব্রজনে সংস্কৃতি আৰু সমাজৰ ওপৰত গুৰুত্বপূর্ণ প্রভাৱ পেলাব পাৰে। ই প্রব্রজকসকলে এৰি অহা স্থানৰ সংস্কৃতি আৰু তেওঁলোকে পুনৰ বসতি স্থাপন কৰা স্থানৰ সংস্কৃতি- উভয়ৰ ওপৰত প্রভাৱ বিস্তাৰ কৰে। এই প্রভাৱসমূহ প্রব্রজনৰ বিভিন্ন প্রকাৰ, প্রব্রজকসকলৰ দক্ষতা আৰু তেওঁলোকে নতুন স্থানত কিমান সময় ধৰি বসবাস কৰে তাৰ ওপৰত নির্ভৰ কৰি ভিন্ন হয়।

- **ৰাজনৈতিক পৰিণতি ঃ**

প্রব্রজনে মানুহে এৰি অহা স্থান আৰু তেওঁলোকে গৈ বসতি স্থাপন কৰা স্থান- উভয়ৰ ৰাজনীতিৰ ওপৰত প্রভাৱ পেলাব পাৰে। চৰকাৰসমূহে প্রব্রজকসকলক আকর্ষিত কৰিবলৈ, প্রব্রজকসকলক পুনৰ উভতি আহিবলৈ উৎসাহিত কৰিবলৈ অথবা প্রয়োজনীয় দক্ষ মানৱসম্পদৰ উপলব্ধতা নিশ্চিত কৰাৰ উদ্দেশ্যে প্রব্রজন নিয়ন্ত্রণ

কৰিবলৈ বিভিন্ন নীতি প্ৰণয়ন কৰিবলগীয়া হয়। এই ৰাজনৈতিক প্ৰভাৱসমূহ প্ৰব্ৰজনৰ বিভিন্ন প্ৰকাৰ অনুসৰি ভিন্ন হয়।

- **অৰ্থনৈতিক পৰিণতি ঃ**

প্ৰব্ৰজনে অৰ্থনীতিৰ ওপৰতো উল্লেখযোগ্য প্ৰভাৱ পেলাব পাৰে। ইয়াৰ প্ৰভাৱ মানুহে এৰি অহা অঞ্চলৰ অৰ্থনীতি আৰু তেওঁলোকে পুনৰ বসতি স্থাপন কৰা অঞ্চলৰ অৰ্থনীতি-উভয়ৰ ওপৰত পৰে। এই প্ৰভাৱসমূহ প্ৰব্ৰজনৰ বিভিন্ন প্ৰকাৰ, প্ৰব্ৰজকসকলৰ দক্ষতা আৰু তেওঁলোকে নতুন স্থানত কিমান সময় ধৰি বসবাস কৰে তাৰ ওপৰত নিৰ্ভৰ কৰি ভিন্ন হয়।

১২.৭ ভাৰতত প্ৰব্ৰজন নিয়ন্ত্ৰণৰ ব্যৱস্থা

ভাৰতত বিভিন্ন আৰ্থ-সামাজিক কাৰকে প্ৰব্ৰজনৰ প্ৰেৰক আৰু আকৰ্ষণকাৰী কাৰক হিচাপে কাম কৰে। তথাপিও, তলত উল্লেখ কৰা ব্যৱস্থাসমূহ গ্ৰহণ কৰিলে ভাৰতত গ্ৰামাঞ্চলৰ পৰা চহৰাঞ্চললৈ হোৱা প্ৰব্ৰজন নিয়ন্ত্ৰণ কৰাত সহায়ক হ'ব পাৰে—

- গাঁওসমূহত সুনামধন্য চিকিৎসকসহ উপযুক্ত আৰু পৰ্যাপ্ত চিকিৎসা-সুবিধা নিশ্চিত কৰিব লাগে।
- চৰকাৰে প্ৰতিখন গাঁৱত উপযুক্ত বেংকিং সুবিধা প্ৰদান কৰিব লাগে। লগতে, জনসাধাৰণৰ অৰ্থনৈতিক সবলীকৰণৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব লাগে।
- প্ৰাথমিক বিদ্যালয়সমূহ সুসংগঠিত হ'ব লাগে আৰু দক্ষ শিক্ষক নিয়োগ কৰিব লাগে। ইয়াৰ উপৰিও, স্থানীয় লোকসকলৰ বাবে পৰ্যাপ্ত উচ্চ বিদ্যালয় আৰু মহাবিদ্যালয় স্থাপন কৰিব লাগে।
- নিয়মীয়া আৰু পৰ্যাপ্ত বিদ্যুৎ যোগান নিশ্চিত কৰিব লাগে।
- গ্ৰামাঞ্চল আৰু চহৰাঞ্চলৰ মাজত উন্নত পৰিবহণ আৰু বজাৰৰ সুবিধা গঢ়ি তুলিব লাগে। ইয়াৰ ফলত গ্ৰামাঞ্চলৰ লোকসকলৰ চহৰমুখী প্ৰব্ৰজন হ্ৰাস পাব।
- বানপানী, গৰাখহনীয়া আদি সঘনাই সংঘটিত হোৱা প্ৰাকৃতিক দুৰ্যোগৰ ফলত বহু লোক আন ঠাইলৈ প্ৰব্ৰজন কৰিবলৈ বাধ্য হয়। সেয়েহে, এনে সমস্যাসমূহ প্ৰশমিত কৰাৰ বাবে আগতীয়াকৈ উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব লাগে, যাতে প্ৰব্ৰজন নিয়ন্ত্ৰণ কৰিব পৰা যায়।
- চৰকাৰে গ্ৰামাঞ্চলৰ লোকসকলৰ মাজত বিভিন্ন সজাগতা কাৰ্যসূচী আয়োজন কৰি চৰকাৰী আঁচনিসমূহৰ বিষয়ে তেওঁলোকক সচেতন কৰি তুলিব লাগে। ইয়াৰ উপৰিও, যুৱসমাজৰ বাবে কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰা বিভিন্ন আঁচনি ৰূপায়ণ কৰিব লাগে।

১২.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- প্ৰব্ৰজন সাধাৰণতে এজন ব্যক্তি বা একাংশ লোকৰ নতুন ঠাই বা দেশলৈ যোৱাৰ প্ৰক্ৰিয়াক বুজায়, য'ত তেওঁলোকে সাধাৰণতে কৰ্মসংস্থাপনৰ উদ্দেশ্যে সাময়িকভাৱে বা স্থায়ীভাৱে বসবাস কৰে।
- প্ৰব্ৰজন হৈছে বাস আৰু কৰ্ম কৰাৰ উদ্দেশ্যে এটা স্থানৰ পৰা আন এটা স্থানলৈ স্থানান্তৰিত হোৱাৰ এক প্ৰক্ৰিয়া।
- প্ৰব্ৰজনে প্ৰব্ৰজকসকলৰ জীৱনত ইতিবাচক আৰু নেতিবাচক-উভয় ধৰণৰ প্ৰভাৱ পেলাব পাৰে।
- গ্ৰাম্য-চহৰ প্ৰব্ৰজন তথাকথিত অভ্যন্তৰীণ প্ৰব্ৰজনৰ এক প্ৰকাৰ, যাৰ অৰ্থ হৈছে এখন দেশৰ ভিতৰত সংঘটিত স্থানান্তৰ। ই আন্তঃৰাষ্ট্ৰীয় বা আন্তঃমহাদেশীয় প্ৰব্ৰজনৰ পৰা পৃথক।
- কৰ্মসংস্থান, শিক্ষা আদি ক্ষেত্ৰত চহৰাঞ্চলত উপলব্ধ সুযোগ-সুবিধাসমূহে আকৰ্ষণকাৰী কাৰক হিচাপে কাম কৰি গ্ৰামাঞ্চলৰ পৰা চহৰাঞ্চললৈ আৰু সৰু নগৰ-চহৰৰ পৰা বৃহৎ নগৰাঞ্চললৈ প্ৰব্ৰজকসকলক আকৰ্ষিত কৰে।
- অভ্যন্তৰীণ প্ৰব্ৰজনৰ সৈতে প্ৰায়ে অধিক সময় ধৰি কাম কৰা, নিম্নমানৰ জীৱন-যাপন আৰু কৰ্ম-পৰিস্থিতি,

সামাজিক বিচ্ছিন্নতা আৰু মৌলিক সা-সুবিধাসমূহৰ সীমিত সুবিধা জড়িত হৈ থাকে।

- ভাৰতত অধিকাংশ প্রব্রজিত শ্রমিক অসংগঠিত খণ্ডত নিয়োজিত। এই খণ্ডত পর্যাপ্ত নিয়ন্ত্রণৰ অভাৱে তেওঁলোকক অধিক অসুৰক্ষিত কৰি তোলে। তদুপৰি, চৰকাৰ আৰু বেচৰকাৰী সংস্থাসমূহৰ বহু কার্যসূচীত তেওঁলোকক যথোচিত গুৰুত্ব দিয়া নহয়।
- প্রব্রজকসকলৰ সৈতে সম্পর্কিত আইনসমূহৰ কার্যকৰী ৰূপায়ণ বহু ক্ষেত্রত ব্যর্থ হয়, কিয়নো নিয়ন্ত্রণকাৰী কর্তৃপক্ষসমূহৰ ওপৰত অত্যধিক দায়িত্ব থাকে; ৰাজ্যই প্রব্রজকসকলক তুলনামূলকভাৱে কম অগ্রাধিকাৰ দিয়ে; আৰু প্রব্রজিত শ্রমিকসকলে নাগৰিক সমাজৰ পৰা খুব কম সমর্থন লাভ কৰে।
- আন্তঃৰাষ্ট্রীয় প্রব্রজকসকল মূলতঃ কেৰালা, তামিলনাড়ু, অন্ধ্র প্রদেশ আৰু পঞ্জাবৰ পৰা আহিছে। তেওঁলোকৰ ভিতৰত পেছাদাৰী বিশেষজ্ঞতা বা কাৰিকৰী অর্হতা থকা লোকসকলে ঔদ্যোগিকভাৱে উন্নত দেশসমূহলৈ প্রব্রজন কৰিছে, আনহাতে দক্ষ আৰু অর্ধ-দক্ষ শ্রমিকসকলে মধ্যপ্রাচ্যলৈ প্রব্রজন কৰিছে।
- কেৰালাত ১৯৯০ৰ দশকত প্রব্রজকসকলে পঠিওৱা ধন ৰাজ্যখনৰ মুঠ আয়ৰ ২১ শতাংশ গঠন কৰিছিল। বহিঃপ্রব্রজনে ৰাজ্যখনৰ অর্থনৈতিক সমৃদ্ধি বৃদ্ধি কৰাত সহায় কৰিছে বুলি প্রতীয়মান হয়।
- ভাৰতত বিভিন্ন আর্থ-সামাজিক কাৰকে প্রব্রজনৰ প্রেৰক আৰু আকর্ষণকাৰী কাৰক হিচাপে কাম কৰে।

১২.৯ অধিক জানিবলৈ

1. Amin, S. (1974), *Modern Migration in Western Africa.* London: Oxford University Press.
2. Banerjee, B. (1986). *Rural to Urban Migration and the Urban Labour Market.* Delhi: Himalaya Publishing House.
3. Bilsborrow et al. (eds.) (1984), *Migration Surveys in Low Income Countries.* London: Croom Helm.
4. Bulsara, J.F. (1964). *Problems of Rapid Urbanization in India.* Bombay: Popular Prakashan.
5. Caldwell, J. C. (1969), *African Rural-Urban Migration: The Movement of Ghana's Towns.* Canberra: Australian National University Press.
6. Chattopadhyaya, H. (1987), *Internal Migration in India: A Case Study of Bengal.* New Delhi: K.P. Bagachi & Company.

১২.১০ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ প্রব্রজন শব্দটোৱে সাধাৰণতে এজন ব্যক্তি বা একাংশ লোকৰ নতুন ঠাই বা দেশলৈ যোৱাৰ প্রক্রিয়াক বুজায়, য'ত তেওঁলোকে সাধাৰণতে কর্মসংস্থাপনৰ উদ্দেশ্যে সাময়িকভাৱে বা স্থায়ীভাৱে বসবাস কৰে। প্রব্রজন হৈছে বাস আৰু কর্ম কৰাৰ উদ্দেশ্যে এটা স্থানৰ পৰা আন এটা স্থানলৈ স্থানান্তৰিত হোৱাৰ এক প্রক্রিয়া।

২ নং প্রশ্নৰ উত্তৰ ঃ

ইতিবাচক প্রভাৱঃ

- প্রব্রজনে মানুহৰ জীৱনৰ মানদণ্ড উন্নত কৰাত সহায় কৰে।
- শিশুসকলে উচ্চশিক্ষা লাভৰ উন্নত সুযোগ লাভ কৰে।

নেতিবাচক প্ৰভাৱ ঃ

- গ্ৰাম্য অঞ্চলৰ পৰা লোকসকল আঁতৰি যোৱাত সেই অঞ্চলসমূহৰ উৎপাদন আৰু উন্নয়নৰ স্তৰত নেতিবাচক প্ৰভাৱ পৰে।
- চহৰাঞ্চললৈ শ্ৰমিকৰ আগমনে চাকৰি, বাসস্থান, বিদ্যালয়ৰ সুবিধা আদি লাভৰ ক্ষেত্ৰত প্ৰতিযোগিতা বৃদ্ধি কৰে।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ কৰ্মসংস্থান, শিক্ষা আদি ক্ষেত্ৰত চহৰাঞ্চলত উপলব্ধ সুযোগ-সুবিধাসমূহে আকৰ্ষণকাৰী কাৰক হিচাপে কাম কৰি গ্ৰামাঞ্চলৰ পৰা চহৰাঞ্চললৈ প্ৰব্ৰজকসকলক আকৰ্ষিত কৰে।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ

(i) সামাজিক পৰিণতি ঃ প্ৰব্ৰজনে সংস্কৃতি আৰু সমাজৰ ওপৰত গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলাব পাৰে। ই প্ৰব্ৰজকসকলে এৰি অহা স্থানৰ সংস্কৃতি আৰু তেওঁলোকে পুনৰ বসতি স্থাপন কৰা স্থানৰ সংস্কৃতি-উভয়ৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে। এই প্ৰভাৱসমূহ প্ৰব্ৰজনৰ বিভিন্ন প্ৰকাৰ, প্ৰব্ৰজকসকলৰ দক্ষতা আৰু তেওঁলোকে নতুন স্থানত কিমান সময় ধৰি বসবাস কৰে তাৰ ওপৰত নিৰ্ভৰ কৰি ভিন্ন হয়।

(ii) ৰাজনৈতিক পৰিণতি ঃ প্ৰব্ৰজনে মানুহে এৰি অহা স্থান আৰু তেওঁলোকে গৈ বসতি স্থাপন কৰা স্থান-উভয়ৰ ৰাজনীতিৰ ওপৰত প্ৰভাৱ পেলাব পাৰে। চৰকাৰসমূহে প্ৰব্ৰজকসকলক আকৰ্ষিত কৰিবলৈ, প্ৰব্ৰজকসকলক পুনৰ উভতি আহিবলৈ উৎসাহিত কৰিবলৈ অথবা প্ৰয়োজনীয় দক্ষ মানৱসম্পদৰ উপলব্ধতা নিশ্চিত কৰাৰ উদ্দেশ্যে প্ৰব্ৰজন নিয়ন্ত্ৰণ কৰিবলৈ বিভিন্ন নীতি প্ৰণয়ন কৰিবলগীয়া হয়। এই ৰাজনৈতিক প্ৰভাৱসমূহ প্ৰব্ৰজনৰ বিভিন্ন প্ৰকাৰ অনুসৰি ভিন্ন হয়।

১২.১১ আৰ্হি প্ৰশ্ন

(ক) অতি চমু প্ৰশ্ন-

প্ৰশ্ন ১ ঃ প্ৰব্ৰজনৰ অৰ্থ উল্লেখ কৰক।

প্ৰশ্ন ২ ঃ ঋতুভিত্তিক প্ৰব্ৰজন কি? লিখক।

প্ৰশ্ন ৩ ঃ ি

প্ৰশ্ন ৪ ঃ ি

(খ) চুটি প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায় ১৫০ টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ অভ্যন্তৰীণ প্ৰব্ৰজন আৰু আন্তঃৰাষ্ট্ৰীয় প্ৰব্ৰজনৰ মাজৰ পাৰ্থক্য বৰ্ণনা কৰক।

প্ৰশ্ন ২ ঃ কোনো এটা নিৰ্দিষ্ট অঞ্চল বা গাঁৱৰ ঋতুভিত্তিক প্ৰব্ৰজনৰ বিষয়ে লিখক।

প্ৰশ্ন ৩ ঃ ভাৰতত প্ৰব্ৰজন নিয়ন্ত্ৰণৰ বাবে গ্ৰহণ কৰিবলগীয়া বিভিন্ন ব্যৱস্থা সংক্ষেপে ব্যাখ্যা কৰক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায় ৩০০-৫০০ শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ প্ৰব্ৰজন কি? প্ৰব্ৰজনৰ ইতিবাচক আৰু নেতিবাচক প্ৰভাৱসমূহ ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ প্ৰব্ৰজনৰ সামাজিক-ৰাজনৈতিক আৰু জনমিতিক পৰিণতিসমূহ বৰ্ণনা কৰক।

****

অধ্যায় ১৩ ঃ ভাৰতত ঘৰুৱা হিংসা আৰু আইনী সু�ৰক্ষা

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য
১৩.২ পৰিচয়
১৩.৩ ঘৰুৱা হিংসাৰ অর্থ আৰু স্বভাৱ
১৩.৪ ঘৰুৱা হিংসা সংঘটিত হোৱাৰ বাবে দায়ী কাৰকসমূহ
১৩.৫ ভাৰতত ঘৰুৱা হিংসা ৰোধৰ ব্যৱস্থা ঃ আইনী বিধানসমূহ
১৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৩.৭ অধিক জানিবলৈ
১৩.৮ অগ্রগতিৰ খতিয়ান
১৩.৯ আৰ্হি প্রশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ঘৰুৱা হিংসাৰ অর্থ আৰু স্বভাৱ ব্যাখ্যা কৰিব পাৰিব।
- ঘৰুৱা হিংসা সংঘটিত হোৱাৰ বাবে দায়ী কাৰকসমূহ বিশ্লেষণ কৰিব পাৰিব।
- ভাৰতত ঘৰুৱা হিংসা ৰোধৰ বাবে প্রণীত বিভিন্ন আইনী বিধানসমূহ আলোচনা কৰিব পাৰিব।

১৩.২ পৰিচয়

লিংগভিত্তিক অপৰাধ কোনো নতুন ঘটনা নহয়। মহিলাৰ বিৰুদ্ধে অপৰাধ প্রাচীন কালৰ পৰাই সংঘটিত হৈ আহিছে। ইয়াত বিশেষভাৱে আলোচনা কৰা পত্নীৰ ওপৰত সংঘটিত হিংসা সকলো সমাজতে আৰু সকলো আর্থিক তথা বয়সৰ গোটত পৰিলক্ষিত হয়। যিকোনো পৰম্পৰাগত প্রথা, যিয়ে সমাজ বা পৰিয়ালত মহিলাসকলক তলতীয়া স্থানত ৰাখে, সেয়া হিংসাত্মক ৰূপ ধাৰণ কৰাৰ সম্ভাৱনা বহন কৰে। পৰম্পৰাগত বিবাহৰ তথাকথিত পবিত্রতা, দাম্পত্য জীৱন সম্পর্কীয় কঠোৰ ধাৰণা আৰু পৰিয়ালৰ পিতৃতান্ত্রিক গাঁথনিৰ পৰম্পৰাই প্রায়ে মহিলা আৰু শিশুৰ কল্যাণৰ প্রতি থকা উদ্বেগতকৈ অধিক গুৰুত্ব লাভ কৰে। পর্যবেক্ষণত দেখা গৈছে যে, যেতিয়াই পুৰুষৰ কর্তৃত্ব প্রত্যাহ্বানৰ সন্মুখীন হয়, তেতিয়াই মহিলা আৰু শিশুৰ জীৱনক অপ্রয়োজনীয় বুলি গণ্য কৰা হয় আৰু তেওঁলোকক সহজেই উপেক্ষা বা ত্যাগ কৰিবলগীয়া ব্যক্তি হিচাপে বিবেচনা কৰা হয়।

মহিলাসকলৰ প্রতি পক্ষপাতদুষ্ট মনোভাৱ ভাৰতীয় সংস্কৃতিত গভীৰভাৱে প্রোথিত। অৱশ্যে, এই বিষয়টো কেৱল ভাৰতৰ ক্ষেত্রতেই সীমাবদ্ধ নহয়। মহিলাসকলৰ প্রতি পক্ষপাতদুষ্ট মনোভাৱ বিশ্বৰ আন বহু সমাজতো সমানভাৱে বিদ্যমান। প্রতিদিনে মহিলাসকলক অৱমূল্যায়ন কৰা হয়, তলতীয়া স্থানত ৰখা হয় আৰু বিভিন্ন ধৰণে দুর্ব্যৱহাৰ কৰা হয়। বিশ্বৰ বিভিন্ন প্রান্তত প্রতিদিনে সুপৰিকল্পিতভাৱে মহিলাৰ বিৰুদ্ধে অপৰাধ সংঘটিত হয়। বিশ্ব স্বাস্থ্য সংস্থাৰ ২০০২ চনৰ অক্টোবৰ মাহৰ হিংসা আৰু স্বাস্থ্য বিষয়ক প্রতিবেদন অনুসৰি, আন্তঃব্যক্তিক হিংসাৰ ফলত বিশ্বৰ কোনো নহয় কোনো ঠাইত প্রতি মিনিটে এজন ব্যক্তিৰ মৃত্যু হয় বুলি অনুমান কৰা হৈছে। ভাৰতৰ আৰক্ষীৰ নথি-পত্র অনুসৰি, প্রতি ৩৪ মিনিটত এগৰাকী মহিলাৰ ধর্ষণ হয়, প্রতি ২৬ মিনিটত এগৰাকী মহিলাক যৌন নির্যাতন কৰা হয়, প্রতি ৪৩ মিনিটত এগৰাকী মহিলাক অপহৰণ কৰা হয় আৰু প্রতি ৯৩ মিনিটত এগৰাকী মহিলাক হত্যা কৰা হয়।

এই অধ্যায়ত আমি মহিলাসকলৰ বিৰুদ্ধে সংঘটিত ঘৰুৱা হিংসাৰ সমস্যাৰ বিষয়ে বিশদভাৱে আলোচনা কৰিম।

১৩.৩ ঘৰুৱা হিংসাৰ অর্থ আৰু স্বভাৱ

অর্থ ঃ

মহিলাসকলৰ বিৰুদ্ধে হিংসাৰ সমস্যা কোনো নতুন বিষয় নহয়। মহিলাৰ বিৰুদ্ধে সংঘটিত হিংসাক তলত উল্লেখ কৰা ধৰণে শ্রেণীবদ্ধ কৰিব পাৰি—

- **অপৰাধমূলক হিংসা ঃ** ইয়াৰ অন্তর্গত হৈছে ধর্ষণ, অপহৰণ, হত্যা আদি ধৰণৰ হিংসা।
- **সামাজিক হিংসা ঃ** পত্নী বা বোৱাৰীক কন্যা ভ্রূণ হত্যা কৰিবলৈ বাধ্য কৰা, ইভ-টিজিং, মহিলাক সম্পত্তিত প্রাপ্য অংশ দিবলৈ অস্বীকাৰ কৰা, কম বয়সীয়া বিধৱাক সতী হ'বলৈ বাধ্য কৰা, অধিক যৌতুক আনিবলৈ বোৱাৰীক নির্যাতন কৰা আদি এই শ্রেণীৰ অন্তর্গত।
- **ঘৰুৱা হিংসা ঃ** মহিলাসকলৰ বিৰুদ্ধে সংঘটিত এই বিশেষ ধৰণৰ হিংসাৰ ভিতৰত যৌতুকজনিত মৃত্যু, পত্নীক প্রহাৰ কৰা, যৌন নির্যাতন, বিধৱা আৰু বৃদ্ধা মহিলাৰ প্রতি দুর্ব্যৱহাৰ আদি অন্তর্ভুক্ত।

সেয়েহে, ঘৰুৱা হিংসা বুলিলে বিবাহ বা সহবাসৰ দৰে ঘৰুৱা পৰিৱেশত এজন ব্যক্তিয়ে আন এজন ব্যক্তিৰ ওপৰত সংঘটিত কৰা হিংসা বা আন যিকোনো ধৰণৰ নির্যাতনক বুজায়। যেতিয়া এই হিংসা বা নির্যাতন ঘনিষ্ঠ সম্পর্কত থকা স্বামী-স্ত্রী বা জীৱন-সংগীৰ মাজত এজনৰ দ্বাৰা আনজনৰ ওপৰত সংঘটিত হয়, তেতিয়া ইয়াক ঘনিষ্ঠ সংগীজনিত হিংসা বুলি কোৱা হয়। এইধৰণৰ হিংসা বিষমলিংগী অথবা সমলিংগী সম্পর্কত, লগতে পূর্বৰ স্বামী-স্ত্রী বা জীৱন-সংগীৰ মাজতো সংঘটিত হ'ব পাৰে। ঘৰুৱা হিংসাৰ অন্তর্গত শিশুসকল, পিতৃ-মাতৃ অথবা বৃদ্ধ লোকসকলৰ ওপৰত সংঘটিত হিংসাও অন্তর্ভুক্ত। বিশ্বজুৰি ঘৰুৱা হিংসাৰ ভুক্তভোগীসকলৰ বৃহৎ অংশই মহিলা, আৰু সাধাৰণতে মহিলাসকলেই অধিক গুৰুতৰ ধৰণৰ হিংসাৰ সন্মুখীন হয়।

ঘৰুৱা হিংসা শব্দটোৰ আধুনিক অর্থত প্রথম জনাজাত ব্যৱহাৰ হৈছিল ১৯৭৩ চনত, যেতিয়া জেক এছলিয়ে যুক্তৰাজ্যৰ সংসদত দিয়া এক ভাষণত এই শব্দটো ব্যৱহাৰ কৰিছিল। পৰম্পৰাগতভাৱে ঘৰুৱা হিংসাক মূলতঃ শাৰীৰিক হিংসাৰ সৈতে সম্পর্কিত বুলি গণ্য কৰা হৈছিল। পত্নী নির্যাতন, পত্নীক প্রহাৰ কৰা আৰু পত্নীৰ ওপৰত নির্যাতন আদি শব্দ পূর্বতে বহুলভাৱে ব্যৱহৃত হৈছিল। কিন্তু অবিবাহিত জীৱন-সংগী, শাৰীৰিক নির্যাতনৰ বাহিৰেও অন্যান্য ধৰণৰ নির্যাতন, মহিলা অপৰাধী আৰু সমলিংগী সম্পর্কক এই আলোচনাৰ অন্তর্ভুক্ত কৰাৰ প্রচেষ্টাৰ ফলত এই শব্দসমূহৰ ব্যৱহাৰ ক্রমান্বয়ে হ্রাস পাইছে। বর্তমান ঘৰুৱা হিংসা শব্দটোৰ অর্থ অধিক বিস্তৃতভাৱে ব্যৱহাৰ কৰা হয়। ইয়াৰ অন্তর্গত পৰিয়ালৰ কোনো সদস্য বা ঘনিষ্ঠ জীৱন-সংগীৰ দ্বাৰা সংঘটিত শাৰীৰিক, যৌন, মানসিক বা অর্থনৈতিক সকলো ধৰণৰ হিংসা অন্তর্ভুক্ত। এতিয়া, ঘৰুৱা হিংসাৰ কেইটামান সংজ্ঞাৰ ওপৰত দৃষ্টি দিওঁ, যিয়ে এই শব্দটোৰ অর্থ অধিক স্পষ্টভাৱে বুজিবলৈ আমাক সহায় কৰিব।

ৰাষ্ট্রসংঘৰ মহিলাৰ বিৰুদ্ধে হিংসা নির্মূলকৰণ ঘোষণা অনুসৰি, ঘৰুৱা হিংসা হৈছে "পৰিয়ালৰ ভিতৰত সংঘটিত শাৰীৰিক, যৌন আৰু মানসিক হিংসা। ইয়াৰ ভিতৰত প্রহাৰ, পৰিয়ালৰ ভিতৰত কন্যা শিশুৰ যৌন নির্যাতন, যৌতুক-সম্পর্কীয় হিংসা, বৈবাহিক ধর্ষণ, মহিলা যৌনাংগ বিকৃতি আৰু মহিলাসকলৰ বাবে ক্ষতিকাৰক অন্যান্য পৰম্পৰাগত প্রথা, স্বামী নহোৱাত ব্যক্তিৰ দ্বাৰা সংঘটিত হিংসা আৰু শোষণৰ সৈতে সম্পর্কিত হিংসা অন্তর্ভুক্ত।"

আমেৰিকা যুক্তৰাষ্ট্রৰ ন্যায় বিভাগে ঘৰুৱা হিংসাৰ সংজ্ঞা এইদৰে দিছে— "যিকোনো ধৰণৰ সম্পর্কত এজন সংগীয়ে আন এজন ঘনিষ্ঠ সংগীৰ ওপৰত ক্ষমতা আৰু নিয়ন্ত্রণ লাভ বা বজাই ৰখাৰ উদ্দেশ্যে অনুসৰণ কৰা নির্যাতনমূলক আচৰণৰ এক ধাৰাবাহিক ৰূপ। ঘৰুৱা হিংসা শাৰীৰিক, যৌন, আৱেগিক, অর্থনৈতিক অথবা মানসিক কার্য বা এনে কার্যৰ ভাবুকি হ'ব পাৰে, যিয়ে আন এজন ব্যক্তিক প্রভাৱিত কৰে। ইয়াৰ অন্তর্গত এনে সকলো আচৰণ অন্তর্ভুক্ত, যিয়ে কোনো ব্যক্তিক ভয় খুৱায়, কৌশলে নিয়ন্ত্রণ কৰে, অপমানিত কৰে, বিচ্ছিন্ন কৰে, আতংকিত

কৰে, ত্রাসৰ সৃষ্টি কৰে, জোৰ-জবৰদস্তি কৰে, ভাবুকি দিয়ে, দোষাৰোপ কৰে, আঘাত দিয়ে, শাৰীৰিকভাৱে ক্ষতিগ্রস্ত কৰে অথবা আঘাতপ্রাপ্ত কৰে।"

"এৰিজোনা ক'লিছন টু এণ্ড ছেক্সুৱেল এণ্ড ডমেষ্টিক ভায়'লেঞ্চ" (Arizona Coalition - To End Sexual and Domestic Violence) নামৰ অনলাইন পৰ্টেলৰ মতে, ঘৰুৱা হিংসা কেৱল শাৰীৰিক হিংসাই নহয়। ঘৰুৱা হিংসা হৈছে এনে যিকোনো আচৰণ, যাৰ উদ্দেশ্য হৈছে স্বামী বা পত্নী, জীৱন-সংগী, প্রেমিক বা প্রেমিকা অথবা ঘনিষ্ঠ পৰিয়ালৰ কোনো সদস্যৰ ওপৰত ক্ষমতা আৰু নিয়ন্ত্রণ স্থাপন কৰা। নির্যাতন হৈছে শিকি লোৱা এক আচৰণ; ই ক্রোধ, মানসিক সমস্যা, মাদকদ্রব্য, মদ্যপান অথবা সাধাৰণতে উল্লেখ কৰা অন্যান্য অজুহাতৰ ফলত সৃষ্টি নহয়।

চেণ্টাৰ ফৰ ফেমিলি জাষ্টিছৰ ব্যাখ্যা অনুসৰি, "ঘৰুৱা নির্যাতন হৈছে জোৰ-জবৰদস্তিমূলক আৰু নিয়ন্ত্রণমূলক আচৰণৰ এক ধাৰাবাহিক ধৰণ, যি জীৱনৰ প্রতি ভাবুকিস্বৰূপ অপৰাধ। এই অপৰাধে আমাৰ সকলো সম্প্রদায়ৰ লোকক প্রভাৱিত কৰে, লিংগ, বয়স, যৌন অভিমুখিতা, বর্ণ, জাতিগত পৰিচয়, ধর্ম, সামাজিক মর্যাদা আৰু অভিবাসনস্থিতি নির্বিশেষে।"

নেশ্যনেল কাউন্সিল ফৰ ছিংগল মাদার্ছ এণ্ড দেয়াৰ চিল্ড্রেনৰ মতে, "ই হৈছে এনে এক ধাৰাবাহিক নির্যাতনমূলক আচৰণ, যাৰ জৰিয়তে এজন ব্যক্তিয়ে আন এজন ব্যক্তিক নিয়ন্ত্রণ আৰু আধিপত্য কৰিবলৈ চেষ্টা কৰে।"

এছ. এন.ডি.টি. মহিলা বিশ্ববিদ্যালয়ৰ মহিলা অধ্যয়ন গৱেষণা কেন্দ্রই এই শব্দটোৰ ব্যাখ্যা কৰি কৈছে যে, "ঘৰুৱা হিংসা বুলিলে গৃহৰ ব্যক্তিগত পৰিসৰত মহিলাসকলক অধীনস্থ কৰি ৰাখিবলৈ সংঘটিত কৰা সকলো ধৰণৰ কার্যক বুজায়, যিবোৰ প্রচলিত লিংগভিত্তিক মতাদর্শে যুক্তিসংগত আৰু অনুমোদিত বুলি গণ্য কৰে। সেয়েহে, ঘৰুৱা হিংসাৰ ধাৰণাই কেৱল শাৰীৰিক আক্রমণৰ আইনী সংজ্ঞাতে সীমাবদ্ধ নাথাকি, মানসিক আৰু যৌন হিংসাকো ইয়াৰ অন্তর্ভুক্ত কৰে।

স্বভাৱ ঃ

নির্যাতনে বহুতো ভিন্ন ৰূপ ধাৰণ কৰিব পাৰে। ইয়াৰ স্বভাৱো বিভিন্ন ধৰণৰ। কিছুমান ধৰণৰ নির্যাতন আন কিছুমানতকৈ অধিক সূক্ষ্ম হয় আৰু বহু ক্ষেত্রত নির্যাতনৰ সন্মুখীন হোৱা মহিলাগৰাকীৰ বাহিৰে আন কোনো ব্যক্তিয়ে সেই নির্যাতন দেখা বা অনুভৱ নকৰিবও পাৰে। নির্যাতনকাৰীয়ে ভুক্তভোগীক নিয়ন্ত্রণত ৰাখিবলৈ বিভিন্ন কৌশলৰ সমন্বয় ঘটাই ব্যৱহাৰ কৰে। সাধাৰণতে সময়ৰ লগে লগে এই নির্যাতনৰ পুনৰাবৃত্তিৰ হাৰ আৰু ইয়াৰ তীব্রতা দুয়োটাই বৃদ্ধি পায়। মিছৌৰি ঘৰুৱা আৰু যৌন হিংসা বিৰোধী মৈত্রী সংস্থা (Missouri Coalition Against Domestic and Sexual Violence)এ ঘৰুৱা হিংসাৰ স্বভাৱ আৰু গতিশীলতা বুজিবলৈ এক প্রচেষ্টা গ্রহণ কৰিছে।

(ক) শাৰীৰিক নির্যাতন ঃ

শাৰীৰিক নির্যাতন আন ধৰণৰ নির্যাতনতকৈ সহজে চিনাক্ত আৰু বুজিব পৰা যায়। তলত উল্লেখ কৰা আচৰণসমূহৰ দ্বাৰা শাৰীৰিক নির্যাতনৰ উপস্থিতি বুজিব পাৰি, যেতিয়া নির্যাতনকাৰীয়ে—

- বর্তমানৰ বা পূর্বৰ ঘনিষ্ঠ জীৱন-সংগীক আঁচোৰ মাৰে, কামোৰে, জোৰকৈ ধৰে বা থুৰাই অপমান কৰে।
- তেওঁক জোকাৰে, ঠেলি দিয়ে, হেঁচা মাৰে, জোৰকৈ ধৰি ৰাখে অথবা দলিয়াই দিয়ে।
- তেওঁৰ হাত বা শৰীৰ মোচৰাই দিয়ে, চৰ মাৰে, ঘুচি মাৰে, ডিঙি চেপি ধৰে অথবা জ্বলাই দিয়ে।
- তেওঁৰ ফালে বিভিন্ন নিক্ষেপ কৰে।
- বেপৰোৱা বা বিপজ্জনকভাৱে গাড়ী চলাই তেওঁক বিপদৰ সন্মুখীন কৰে।
- তেওঁক ঘৰৰ ভিতৰত বা বাহিৰত আবদ্ধ কৰি ৰাখে।
- তেওঁ অসুস্থ, আঘাতপ্রাপ্ত বা গর্ভৱতী অৱস্থাত সহায় কৰিবলৈ অস্বীকাৰ কৰে অথবা ঔষধ বা চিকিৎসা লাভৰ পৰা বঞ্চিত কৰে।
- শাস্তি হিচাপে খাদ্য প্রদান নকৰে।

- আহাৰৰ সময়ত তেওঁক নির্যাতন কৰে, যাৰ ফলত নিয়মীয়া আহাৰৰ অভ্যাস ব্যাহত হয় আৰু অপুষ্টিৰ সৃষ্টি হ'ব পাৰে।
- নিশাৰ সময়ত তেওঁক নির্যাতন কৰে, যাৰ ফলত শোৱাৰ স্বাভাৱিক অভ্যাস ব্যাহত হয় আৰু নিদ্রাহীনতাৰ সৃষ্টি হ'ব পাৰে।
- অস্ত্র-শস্ত্র ব্যৱহাৰ কৰি তেওঁক আক্রমণ কৰে অথবা হত্যা কৰে।

(খ) যৌন হিংসা আৰু যৌন নির্যাতন ঃ

যৌন হিংসা আৰু যৌন নির্যাতনৰ বিষয়ে ভুক্তভোগীসকলৰ বাবে কথা কোৱাটো অত্যন্ত কঠিন হ'ব পাৰে, কিয়নো এইধৰণৰ হিংসা সাধাৰণতে যি পদ্ধতিৰে সংঘটিত হয়, সেয়া গভীৰভাৱে অপমানজনক আৰু মানসিকভাৱে অঘাতকাৰী।

তলত উল্লেখ কৰা আচৰণসমূহৰ দ্বাৰা যৌন হিংসা বা যৌন নির্যাতনৰ উপস্থিতি বুজিব পাৰি, যেতিয়া নির্যাতনকাৰীয়ে—

- ঈর্ষান্বিত বা খং কৰে আৰু ধৰি লয় যে তেওঁ যিকোনো ব্যক্তিৰ সৈতে যৌন সম্পর্ক স্থাপন কৰিব।
- শাস্তি হিচাপে যৌন সম্পর্ক আৰু মৰম-চেনেহ প্রদর্শন নকৰে।
- তেওঁক অশ্লীল বা অপমানজনক যৌন সম্বোধনেৰে মাতে।
- তেওঁ অনিচ্ছুক হোৱাৰ পিছতো যৌন সম্পর্ক স্থাপনৰ বাবে হেঁচা প্রয়োগ কৰে।
- নিজৰ সংগীক তেওঁ ইচ্ছা নকৰা সত্ত্বেও অধিক উত্তেজক বা যৌন আবেদনময় পোছাক পৰিধান কৰিবলৈ বাধ্য কৰে।
- প্রলোভন, কৌশল বা ভাবুকিৰ জৰিয়তে যৌন সম্পর্ক স্থাপন কৰিবলৈ বাধ্য কৰে।
- বলপূর্বক যৌন সম্পর্ক স্থাপন কৰে অথবা যৌন হিংসা সংঘটিত কৰে।
- তেওঁক এনে যৌন আচৰণত লিপ্ত হ'বলৈ বাধ্য কৰে, যিবোৰত তেওঁ অস্বস্তিবোধ কৰে।
- যৌনাংগ-সম্পর্কীয় শাৰীৰিক আঘাত প্রদান কৰে।
- গর্ভনিৰোধক বা যৌন সংক্রমিত ৰোগৰ পৰা সুৰক্ষাৰ ব্যৱস্থা গ্রহণৰ অধিকাৰৰ পৰা ভুক্তভোগীক বঞ্চিত কৰে।

(গ) মানসিক নির্যাতন ঃ

নির্যাতনকাৰীয়ে শাৰীৰিক আৰু যৌন বলপ্রয়োগ বা সেই সম্পর্কীয় ভাবুকি ব্যৱহাৰ কৰাৰ ফলতেই তেওঁৰ মানসিক নির্যাতনমূলক আচৰণে অধিক শক্তি লাভ কৰে।

মানসিক নির্যাতন ভুক্তভোগীক নিয়ন্ত্রণ কৰাৰ এক ফলপ্রসূ অস্ত্রত পৰিণত হয়, কিয়নো ভুক্তভোগীগৰাকীয়ে নিজৰ অভিজ্ঞতাৰ জৰিয়তে জানে যে নির্যাতনকাৰীয়ে বহু সময়ত নিজৰ ভাবুকি বা অপমানসূচক মন্তব্যক শাৰীৰিক আক্রমণৰ জৰিয়তে বাস্তৱায়িত কৰে।

তলত উল্লেখ কৰা আচৰণসমূহৰ দ্বাৰা মানসিক নির্যাতনৰ উপস্থিতি বুজিব পাৰি, যেতিয়া নির্যাতনকাৰীয়ে—

- প্রতিশ্রুতি ভংগ কৰে, চুক্তি অনুসৰি কাম নকৰে অথবা নিজৰ ন্যায্য দায়িত্ব পালন নকৰে।
- ব্যক্তিগত বা ৰাজহুৱা স্থানত নিজৰ জীৱন-সংগীক মৌখিকভাৱে আক্রমণ আৰু অপমান কৰে।
- তেওঁৰ দুর্বল দিশসমূহ, যেনে— ভাষাগত দক্ষতা, শিক্ষাগত যোগ্যতা, অভিভাৱক হিচাপে থকা দক্ষতা, ধর্মীয় আৰু সাংস্কৃতিক বিশ্বাস অথবা শাৰীৰিক ৰূপ-সৌন্দর্যক লক্ষ্য কৰি আক্রমণ কৰে।
- মানসিক খেল খেলে; যেনে— পূর্বতে নিজে কৰা অনুৰোধ অস্বীকাৰ কৰে বা ভুক্তভোগীৰ বাস্তৱতা উপলব্ধি কৰাৰ ক্ষমতাক দুর্বল কৰি তোলে।
- তেওঁক অপমানজনক বা মর্যাদাহানিকৰ কাম কৰিবলৈ বাধ্য কৰে।
- তেওঁৰ অনুভূতিক গুৰুত্ব নিদিয়ে।
- শাস্তি হিচাপে অনুমোদন বা মৰম-চেনেহ প্রকাশ নকৰে।

- নিয়মিতভাৱে তেওঁক এৰি যোৱাৰ ভাবুকি দিয়ে অথবা তেওঁক ঘৰ এৰি যাবলৈ কয়।
- বাস্তৱতে নথকা প্ৰেমৰ সম্পৰ্ক আছে বুলি সন্দেহ কৰি তেওঁক অহৰহ হাৰাশাস্তি কৰে।
- তেওঁৰ গতিবিধি গোপনে অনুসৰণ কৰে।
- সদায় নিজকেই সঠিক বুলি দাবী কৰে।
- একবিবাহ পালন কৰাৰ প্ৰতিশ্ৰুতি দিয়াৰ পিছতো পৰকীয়া সম্পৰ্কত লিপ্ত হয়।

(ঘ) অৰ্থনৈতিক নিৰ্যাতন ঃ

তলত উল্লেখ কৰা আচৰণসমূহৰ দ্বাৰা অৰ্থনৈতিক নিৰ্যাতনৰ উপস্থিতি বুজিব পাৰি, যেতিয়া নিৰ্যাতনকাৰীয়ে—

- সকলো ধনৰ ওপৰত নিজেই সম্পূৰ্ণ নিয়ন্ত্ৰণ ৰাখে।
- তেওঁক ঘৰৰ বাহিৰত কাম কৰিবলৈ নিদিয়ে অথবা চাকৰি কৰা বা বিদ্যালয়লৈ যোৱাৰ তেওঁৰ প্ৰচেষ্টাত বাধাৰ সৃষ্টি কৰে।
- নিজে কাম কৰিবলৈ অস্বীকাৰ কৰে আৰু পৰিয়ালৰ সকলো আৰ্থিক দায়িত্ব তেওঁৰ ওপৰত জাপি দিয়ে।
- তেওঁৰ ঋণযোগ্যতা বা ক্ৰেডিট ৰেটিং নষ্ট কৰি দিয়ে।

জানি থোৱা ভাল

১৯৮৩ আৰু ১৯৮৬ চনত বিদ্যমান ফৌজদাৰী আইনৰ সংশোধন কৰা হৈছিল যাতে 'পত্নীৰ ওপৰত নিষ্ঠুৰতা' শ্ৰেণীক অন্তৰ্ভুক্ত কৰিব পৰা যায়। কিন্তু এই সংজ্ঞাসমূহ অস্পষ্ট বা অসম্পূৰ্ণ আছিল, ফৌজদাৰী আইন প্ৰক্ৰিয়াৰ ভিতৰত ইয়াক প্ৰয়োগ কৰাটো কঠিন আছিল আৰু সহজে এৰাই চলিব পৰা অৱস্থা আছিল।

উদাহৰণস্বৰূপে, 'নিষ্ঠুৰতা' শব্দটোক কেৱল এনে কাৰ্য হিচাপে সংজ্ঞায়িত কৰা হৈছিল যিয়ে 'জীৱন, অঙ্গ বা মৃত্যুৰ প্ৰতি গুৰুতৰ আঘাত বা বিপদ' সৃষ্টি কৰে। ফলস্বৰূপে দৈনন্দিন জীৱনত সংঘটিত অশাৰীৰিক ধৰণৰ হিংসাসমূহ ইয়াৰ পৰিসৰৰ বাহিৰত থাকি গৈছিল।

আন এটা সমস্যা আছিল যে সংশোধনসমূহত ঘৰুৱা হিংসাক সন্দেহজনকভাৱে যৌতুক দাবী আৰু নিৰ্যাতনৰ সৈতে সংযুক্ত কৰা হৈছিল। ফলত আৰক্ষী আৰু আইনী ব্যৱস্থাৰ দৃষ্টিভংগীত বহু সময়ত 'নিষ্ঠুৰতা'ৰ অভিযোগ তেতিয়াহে গ্ৰহণযোগ্য বুলি ধৰা হৈছিল, যেতিয়া ইয়াক যৌতুক-সম্পৰ্কীয় নিৰ্যাতনৰ সৈতে সংযোগ কৰা হৈছিল। যেন ঘৰৰ ভিতৰৰ পবিত্ৰ পৰিসৰত হস্তক্ষেপ কৰাৰ যুক্তি কেৱল যৌতুকজনিত অপৰাধৰ জৰিয়তেই সম্ভৱ হৈছিল।

১৯৯০ৰ দশকৰ পৰাহে ঘৰুৱা হিংসাক মহিলাৰ জীৱনৰ এক ব্যাপক আৰু স্থায়ী বাস্তৱতা হিচাপে আৰু তেওঁলোকৰ মৌলিক অধিকাৰৰ গুৰুতৰ লংঘন হিচাপে বিশেষভাৱে উজ্জ্বল কৰি তোলা হৈছে। বিশ্ব পৰ্যায়ত ১৯৯৪ চনৰ ভিয়েনা মানৱ অধিকাৰ কংগ্ৰেছ আৰু ১৯৯৫ চনৰ বেইজিং চতুৰ্থ বিশ্ব মহিলা সম্মিলনে এই বিষয়টোক এক গুৰুত্বপূৰ্ণ উদ্বেগৰ ক্ষেত্ৰ হিচাপে অন্তৰ্ভুক্ত কৰিছিল।

মহিলাৰ ওপৰত হোৱা নিৰ্যাতনক কেৱল মানৱ অধিকাৰৰ বিষয় হিচাপে স্বীকৃতি দিয়াই নহয়, এই মঞ্চসমূহে ঘনিষ্ঠ সম্পৰ্কৰ ভিতৰত সংঘটিত হিংসাৰ সংজ্ঞাক পুনৰ সংজ্ঞায়িত কৰাৰো আহ্বান জনাইছিল। সময়ৰ সৈতে আন্তঃৰাষ্ট্ৰীয় সংস্থা আৰু ভাৰতীয় নাৰীবাদী মঞ্চসমূহ, যেনে ল'য়ার্জ ক'লেক্টিভ উইমেনছ ৰাইটছ ইনিশিয়েটিভ-এ এই ধাৰণাৰ মৌলিক পুনঃসংজ্ঞা আৰু বিস্তৃতি সাধন কৰিছে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ যেতিয়া ঘনিষ্ঠ সম্পৰ্কত থকা এজন স্বামী বা জীৱন-সংগীয়ে আনজন স্বামী বা জীৱন-সংগীৰ ওপৰত হিংসা সংঘটিত কৰে, তেতিয়া ইয়াক ..... বুলি কোৱা হয়। (খালী ঠাই পূৰণ কৰক)

প্ৰশ্ন নং ২ ঃ ঘৰুৱা হিংসা বুলিলে কি বুজায়?

প্ৰশ্ন নং ৩ ঃ চেণ্টাৰ ফৰ ফেমিলি জাষ্টিছৰ দ্বাৰা দিয়া ঘৰুৱা হিংসাৰ সংজ্ঞা লিখক।

১৩.৪ ঘৰুৱা হিংসা সংঘটিত হোৱাৰ বাবে দায়ী কাৰকসমূহ

ঘৰুৱা হিংসাৰ বাবে দায়ী বুলি বিবেচিত দুটা মুখ্য কাৰক হৈছে পৰিয়াল আৰু জাতি, শ্ৰেণী তথা সম্প্ৰদায়।

➢ **হিংসাৰ কেন্দ্ৰ হিচাপে পৰিয়াল ঃ**

ভাৰতীয় প্ৰেক্ষাপটত ঘৰুৱা হিংসাৰ এক অধ্যয়নত মালৰিকা কার্লেকাৰে পৰিয়ালৰ কিছুমান সাধাৰণ বৈশিষ্ট্য আৰু তাৰ ভিতৰত হিংসাৰ "স্বাভাৱিকীকৰণ" বিশ্লেষণ কৰিছে। পৰিয়াল যিটো যৌথ হ'ক বা একক হ'ক, সেয়া লিংগ আৰু বয়সৰ ভিত্তিত ক্ষমতা আৰু অসহায়তাৰ খেলৰ এক ক্ষেত্ৰ হিচাপে কাম কৰে। হিংসা বুলিলে কেৱল শাৰীৰিক আঘাতকেই নহয়, ইয়াৰ লগতে বৈষম্য, বঞ্চনা, সম্পদ লাভৰ পৰা বঞ্চিত কৰা, ভয় দেখুওৱা, শোষণ আৰু অন্যান্য এনে উপায়সমূহো অন্তৰ্ভুক্ত, যাৰ জৰিয়তে অৰ্থনৈতিক আৰু সামাজিক অসমতা বজাই ৰখা হয় আৰু পৰিয়ালৰ অন্তৰ্নিহিত স্তৰভিত্তিক গাঁথনিটোক পুনৰুৎপাদন কৰা হয়। পৰিয়ালজনিত হিংসাৰ ক্ষেত্ৰত আটাইতকৈ অধিক অসুৰক্ষিত গোটসমূহ হৈছে শিশু, মহিলা আৰু বৃদ্ধ লোকসকল।

- পৰিয়ালক ঘৰুৱা হিংসাৰ অন্যতম মুখ্য কেন্দ্ৰ হিচাপে গণ্য কৰা মানে হৈছে যে ঘৰুৱা হিংসাৰ এক সমগ্ৰ বুজাবুজিত কেৱল স্বামী-স্ত্ৰীৰ মাজৰ হিংসাকেই নহয়, গৃহৰ ভিতৰত শিশু আৰু বৃদ্ধসকলৰ ওপৰত সংঘটিত হিংসাৰ বাস্তৱ অভ্যাসকো অন্তৰ্ভুক্ত কৰিব লাগিব। অৱশ্যে, যিকোনো শিশুই হিংসাৰ প্ৰতি সংবেদনশীল হ'লেও, কন্যা শিশুসকল অধিক বৈষম্যৰ সন্মুখীন হ'ব পাৰে। তদুপৰি, বৃদ্ধ পুৰুষ আৰু বৃদ্ধ মহিলাৰ ওপৰত সংঘটিত হিংসাৰ মাজতো পাৰ্থক্য কৰা প্ৰয়োজন।
- মহিলাসকলৰ ক্ষেত্ৰত, বৃদ্ধ বয়সত ভোগ কৰা নিৰ্যাতন তেওঁৰ শৈশৱত জন্ম পৰিয়ালত আৰু বিবাহিত জীৱনত স্বামীৰ গৃহত ভোগ কৰা হিংসাৰ পৰা ভিন্ন হ'ব পাৰে। বৃদ্ধ মহিলাসকলক বয়স আৰু সামাজিক মৰ্যাদা হ্ৰাস পোৱাৰ ফলত ক্ষমতাহীন হিচাপে দেখা হয়, কিয়নো তেওঁলোকক আৰু "অৰ্থনৈতিকভাৱে উৎপাদনশীল" বুলি গণ্য কৰা নহয়। এইদৰে, বৃদ্ধ বয়সত হোৱা হিংসাই পুৰুষৰ ক্ষেত্ৰত তেওঁলোকে একে পৰিয়ালিক গাঁথনিত আগতে ভোগ কৰা পিতৃতান্ত্ৰিক ক্ষমতা হ্ৰাস হোৱাৰ সংকেত বহন কৰে। এই প্ৰক্ৰিয়াক "নাৰীকৰণ" বুলি ক'ব পাৰি, যাৰ ফলত তেওঁলোকৰ মৰ্যাদা হ্ৰাস পায় আৰু নিৰ্যাতনৰ প্ৰতি অধিক অসুৰক্ষিত হৈ পৰে।
- এই পৰিসৰত, পৰিয়ালৰ ভিতৰত সংঘটিত সকলো ধৰণৰ হিংসা লিংগভিত্তিক হয়। আৰু, যদি আমি কেৱল পত্নী-নিৰ্যাতনক বিশ্লেষণৰ বিষয় হিচাপে ধৰি লওঁ, তেতিয়াও মনত ৰখা প্ৰয়োজন যে এইটো হিংসাৰ এক বিস্তৃত শৃঙ্খলাৰ কেৱল এটা পৰ্যায়হে।
- হিংসা সংঘটিত কৰাসকলৰ ভিতৰত বহু সময়ত বিবাহসূত্ৰে সম্পৰ্কিত মহিলা আত্মীয়, যেনে শাহু বা ননদ আদিও অন্তৰ্ভুক্ত থাকে। সেয়েহে গৃহস্থালীৰ ৰাজনীতি কেৱল পুৰুষ-দমনকাৰী আৰু মহিলা-ভুক্তভোগীৰ মাজৰ সংঘাত হিচাপে সহজভাৱে বুজা উচিত নহয়। যিহেতু গৃহস্থালী হৈছে সম্পদ আৰু ক্ষমতাৰ বাবে সংগ্ৰামৰ এক ক্ষেত্ৰ, সেয়েহে মহিলাসকল নিজেও বয়স, বৈবাহিক অৱস্থা, মাতৃত্বৰ অৱস্থা, বোৱাৰীৰ মাজৰ স্থান-মান আদি ভিত্তিত এক স্তৰভিত্তিক গাঁথনিত অন্তৰ্ভুক্ত হৈ থাকে।
- ক্ষমতা আৰু সম্পদৰ ওপৰত থকা অসমান প্ৰৱেশাধিকাৰৰ ফলত পৰিয়ালৰ ভিতৰত মহিলাসকলৰ মাজত ঘৰুৱা কামৰ পুনৰ্বণ্টন ঘটে, যাৰ ফলত তেওঁলোকৰ মাজত তিক্ততা আৰু সংঘাতমূলক সম্পৰ্ক গঢ়ি উঠে। ইয়াৰ ফলত পিতৃতান্ত্ৰিক ব্যৱস্থা আৰু অধিক শক্তিশালী হৈ পৰে, কিয়নো তুলনামূলকভাৱে অধিক সুবিধাপ্ৰাপ্ত মহিলা সদস্যসকলে পুৰুষৰ আধিপত্য আৰু নিয়ন্ত্ৰণৰ বিকল্প এজেণ্ট হিচাপে কাম কৰে, আৰু বহু ক্ষেত্ৰত তেওঁলোকে নিজেই হিংসাত্মক ভূমিকা গ্ৰহণ কৰে।

➢ **জাতি, শ্রেণী আৰু সম্প্রদায় হিচাপে হিংসাৰ ক্ষেত্র ঃ**

যেতিয়া আমি মহিলাৰ বিৰুদ্ধে হিংসাৰ বিস্তৃতি আৰু ঐতিহাসিক স্থায়িত্বৰ বিষয়ে আলোচনা কৰোঁ, তেতিয়া পিতৃতান্ত্রিক গাঁথনি আৰু প্রথাসমূহৰ ঐতিহাসিক পৰিবর্তনশীলতা স্বীকাৰ কৰাটো অত্যন্ত প্রয়োজনীয়। পিতৃতান্ত্রিক ব্যৱস্থাসমূহ স্থিৰ নহয়; ইয়াক ইতিহাসৰ বিভিন্ন পর্যায়ত শ্রেণী, জাতি আৰু সম্প্রদায়ৰ গঠন আৰু পুনর্গঠনৰ সৈতে জড়িত হৈ পুনঃনির্মাণ কৰা হয়। লিংগ অসমতা পৃথকভাৱে কাম নকৰে; ই সমাজৰ আন আন স্তৰভিত্তিক অসমতা, যেনে জাতি, শ্রেণী আৰু সম্প্রদায়ৰ সৈতে গভীৰভাৱে আন্তঃসংযুক্ত।

- প্রখ্যাত চিন্তাবিদ সাংগৰী-এ পিতৃতন্ত্রক একেসময়তে উৎপাদনৰ নির্দিষ্ট ধৰণ, শ্রেণী গাঁথনি আৰু সামাজিক গতিশীলতা, আৰু জাতি-শ্রেণীভিত্তিক মর্যাদা ব্যৱস্থাৰ ভিতৰত অৱস্থিত বুলি ব্যাখ্যা কৰিছে; য'ত ৰীতি-নীতি, পৰম্পৰা বা ধর্মই এই গাঁথনিক অধিক জটিল আৰু শক্তিশালী কৰি তোলে।
- এই ধৰণৰ দৃষ্টিভংগীয়ে আমাক পৰিয়ালক হিংসাৰ এক ক্ষেত্র হিচাপে অধিক বিস্তৃতভাৱে বুজিবলৈ সহায় কৰে আৰু ইয়াৰ ৰাজনীতি জাতি, শ্রেণী আৰু সম্প্রদায়ৰ বৃহত্তৰ গাঁথনিৰ সৈতে সংযুক্ত কৰি স্থাপন কৰে। সেইদৰে, জাতি, শ্রেণী বা সম্প্রদায়ীয় পৰিচয়সমূহৰ পুনঃগঠনৰ ফলত নির্দিষ্ট ঐতিহাসিক সময়ত মহিলাৰ বিৰুদ্ধে হোৱা ব্যক্তিগত আৰু ৰাজহুৱা হিংসাৰ ৰূপ আৰু তীব্রতাত পৰিৱর্তন আহে।
- অর্থনৈতিক চাপেও ইয়াত গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। দিওৰালা (Deorala) নামৰ ঠাই, য'ত ৰূপ কানোৱাৰক (Roop Kanwar) সতীদাহৰ জৰিয়তে জ্বলাই দিয়া হৈছিল, এতিয়া এটা লাভজনক "সতী উদ্যোগ"ৰ বাবে জনাজাত। একেদৰে, শ্বাহ বানু ঘটনাৰ সময়ত দেখা দিয়া সংৰক্ষণশীল মুছলমান প্রতিক্রিয়াই এনে এক সম্প্রদায়ৰ উদ্বেগ প্রকাশ কৰে, যি নিজকে সংকটত থকা বুলি অনুভৱ কৰে আৰু নিজৰ অভ্যন্তৰীণ পিতৃতান্ত্রিক প্রথাসমূহ অধিক শক্তিশালী কৰি নিজৰ পৰিচয় আৰু একতা বজাই ৰাখিবলৈ চেষ্টা কৰে।
- আন এটা উদাহৰণ হিচাপে ক'ব পাৰি, মধ্যবিত্ত শ্রেণীৰ মাজত যৌতুক প্রথাৰ বিস্তৃতি— যি কিছুমান সম্প্রদায়ত আগতে নাছিল- ই শ্রেণী গতিশীলতাৰ নতুন পথ আৰু উচ্চ পুঁজিবাদ তথা উপভোক্তাবাদী মানসিকতাৰ পৰিপ্রেক্ষিতত মধ্যবিত্তৰ আকাংক্ষা পৰিৱর্তনৰ গভীৰ বিশ্লেষণৰ দাবী কৰে।

সেয়েহে, ঘৰুৱা হিংসাৰ তাত্ত্বিকীকৰণৰ ক্ষেত্রত কেন্দ্রীয়ভাৱে সেই সকলো পুৰণি আৰু নতুন ধৰণৰ দুর্বলতা চিনাক্ত আৰু বিশ্লেষণ কৰা প্রয়োজন, যিবোৰে আধুনিক পৰিপ্রেক্ষিতত মহিলাসকলক ক্ষতিগ্রস্ত কৰে। ইয়াক কেৱল "ঘৰুৱা" পৰিসৰলৈ সীমাবদ্ধ নকৰি, বিভিন্ন ধৰণৰ দমনমূলক গাঁথনি আৰু সামাজিক সম্পর্কসমূহৰ সংযোগস্থলত উদ্ভৱ হোৱা অস্পষ্টতা আৰু দ্বন্দ্বসমূহকো অন্তর্ভুক্ত কৰিব লাগিব। লগতে, বৃদ্ধি পাই থকা লিংগভিত্তিক হিংসাৰ পৰিৱেশত ইয়াৰ ফলত মহিলাসকলৰ ওপৰত পৰি থকা বিশেষ প্রভাৱসমূহো বিশ্লেষণ কৰা প্রয়োজন।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ জাতি, শ্রেণী আৰু সম্প্রদায়ো ঘৰুৱা হিংসাৰ কাৰক। (সত্য/মিছা)

প্রশ্ন নং ৫ ঃ ..... সময়ত হোৱা মুছলমান প্রতিক্রিয়াই এনে এক সম্প্রদায়ৰ উদ্বেগ প্রকাশ কৰে, যি নিজকে সংকটত থকা বুলি অনুভৱ কৰে আৰু নিজৰ আভ্যন্তৰীণ পিতৃতান্ত্রিক প্রথাসমূহ অধিক শক্তিশালী কৰি নিজৰ একতা স্থাপন কৰিবলৈ চেষ্টা কৰে। (খালী ঠাই পূৰণ কৰক)

প্রশ্ন নং ৬ ঃ মহিলাৰ বিৰুদ্ধে হিংসাৰ ক্ষেত্র হিচাপে পৰিয়ালৰ বিষয়ে চমুকৈ লিখক।

১৩.৫ ভাৰতত ঘৰুৱা হিংসা ৰোধৰ ব্যৱস্থা ঃ আইনী বিধানসমূহ

ঘৰুৱা হিংসাৰ পৰিণতিসমূহ ভুক্তভোগী, বয়স গোট, হিংসাৰ তীব্রতা আৰু ইয়াৰ পুনৰাবৃত্তিৰ ওপৰত নির্ভৰ কৰি ভিন্ন হয়। ঘৰুৱা হিংসাৰ পৰিস্থিতিত ভুক্তভোগীৰ মনত সদায় ভয়, ভাবুকি আৰু অপমানবোধৰ সৃষ্টি হয়। ঘৰুৱা হিংসাৰ পৰিণতিসমূহ বিস্তৃতভাৱে তলত দিয়া তিনিটা শ্রেণীত বিভক্ত কৰিব পাৰি- ভুক্তভোগী নিজে আৰু পৰিয়ালৰ ওপৰত প্রভাৱ, সমাজৰ ওপৰত প্রভাৱ, আৰু ৰাষ্ট্রৰ বিকাশ আৰু উৎপাদনশীলতাৰ ওপৰত প্রভাৱ।

সেয়েহে ঘৰুৱা হিংসা নিয়ন্ত্ৰণৰ বাবে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰাটো অত্যন্ত প্ৰয়োজনীয়।

ঘৰুৱা হিংসা বন্ধ কৰিবলৈ তৎকালীনভাৱে জনসচেতনতা বৃদ্ধি আৰু এনে ঘটনাসমূহ চিনাক্তকৰণৰ প্ৰয়োজন আছে। শিক্ষা আৰু সজাগতা এই ক্ষেত্ৰত অত্যন্ত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। কিন্তু ইয়াৰ লগতে আইনী ব্যৱস্থাসমূহো সমানভাৱে অত্যাৱশ্যকীয়। এতিয়া ভাৰততে এই সমস্যাৰ মোকাবিলাৰ বাবে ৰাষ্ট্ৰই গ্ৰহণ কৰা ব্যৱস্থাসমূহ আলোচনা কৰা হ'ব।

- ভাৰতীয় ঘৰুৱা হিংসাৰ পৰা মহিলাক সু�ৰক্ষা আইন, ২০০৫ হৈছে ভাৰতৰ সংসদৰ দ্বাৰা প্ৰণীত এক আইন, যাৰ উদ্দেশ্য হৈছে মহিলাসকলক ঘৰুৱা হিংসাৰ পৰা সু�ৰক্ষা দিয়া। এই আইনখন ভাৰত চৰকাৰে ২০০৬ চনৰ ২৬ অক্টোবৰৰ পৰা কাৰ্যকৰী কৰে।
- এই আইনে প্ৰথমবাৰৰ বাবে ভাৰতীয় আইনী ব্যৱস্থাত "ঘৰুৱা হিংসা"ৰ এক বিস্তৃত সংজ্ঞা প্ৰদান কৰে। ইয়াৰ ভিতৰত কেৱল শাৰীৰিক হিংসাই নহয়, মানসিক/মৌখিক, যৌন আৰু অৰ্থনৈতিক নিৰ্যাতনো অন্তৰ্ভুক্ত কৰা হৈছে।
- এই আইনখন মূলতঃ এক দেৱানী আইন, যাৰ উদ্দেশ্য হৈছে সুৰক্ষা আদেশ প্ৰদান কৰা, ফৌজদাৰী শাস্তি দিয়া নহয়। এই আইনখন জম্মু আৰু কাশ্মীৰত প্ৰযোজ্য নহয়, কিয়নো তাত পৃথক আইন আছে, যি ২০১০ চনত "জম্মু আৰু কাশ্মীৰ ঘৰুৱা হিংসাৰ পৰা মহিলাক সুৰক্ষা আইন, ২০১০" প্ৰণয়ন কৰা হৈছিল।
- এই আইন মূলতঃ পত্নী বা ঘৰুৱা সহবাসত থকা মহিলা সংগীক স্বামী বা পুৰুষ সহবাসী বা তেওঁৰ আত্মীয়ৰ পৰা ঘৰুৱা হিংসাৰ পৰা সুৰক্ষা প্ৰদানৰ বাবে তৈয়াৰ কৰা হৈছে। কিন্তু ইয়াৰ সুৰক্ষা পৰিসৰ বিস্তৃত, যক্সত একেটা ঘৰত থকা পত্নী, বিধৱা বা মাতৃয়েও অন্তৰ্ভুক্ত। এই আইন অনুসৰি ঘৰুৱা হিংসাৰ ভিতৰত প্ৰকৃত নিৰ্যাতন বা নিৰ্যাতনৰ ভাবুকি অন্তৰ্ভুক্ত— শাৰীৰিক, যৌন, মৌখিক, মানসিক বা অৰ্থনৈতিক যিকোনো ধৰণৰ হিংসা। লগতে, মহিলাগৰাকী বা তেওঁৰ আত্মীয়ৰ ওপৰত অবৈধ যৌতুক দাবীৰ জৰিয়তে কৰা হাৰাশাস্তিকো এই সংজ্ঞাৰ অন্তৰ্গত কৰা হৈছে।

ঘৰুৱা হিংসাৰ পৰা মহিলাক সুৰক্ষা আইন, ২০০৫ ৰ মুখ্য বৈশিষ্ট্যসমূহ তলত দিয়া ধৰণে উল্লেখ কৰিব পাৰি—

- এই আইনে সেই সকলো মহিলাক সুৰক্ষা দিয়া উদ্দেশ্য ৰাখে যিসকলে নিৰ্যাতনকাৰীৰ সৈতে কোনো সম্পৰ্কত আছে বা আছিল, য'ত দুয়ো পক্ষই একেটা ঘৰত একেলগে বাস কৰিছিল আৰু যিসকলৰ মাজত ৰক্তসম্পৰ্ক, বিবাহ, বিবাহ সদৃশ সম্পৰ্ক বা দত্তক গ্ৰহণৰ সম্পৰ্ক আছে। লগতে যৌথ পৰিয়ালত একেলগে বসবাস কৰা পৰিয়াল সদস্যসকলৰ সৈতে থকা সম্পৰ্কও ইয়াৰ অন্তৰ্গত। ইয়াৰ উপৰিও বোন, বিধৱা, মাতৃ বা একক মহিলাসকলো এই আইনৰ অধীনত আইনী সুৰক্ষা লাভ কৰাৰ অধিকাৰ পায়।
- "ঘৰুৱা হিংসা"ৰ ভিতৰত শাৰীৰিক, যৌন, মৌখিক, মানসিক আৰু অৰ্থনৈতিক সকলো ধৰণৰ প্ৰকৃত নিৰ্যাতন বা তাৰ ভাবুকি অন্তৰ্ভূক্ত কৰা হৈছে। লগতে মহিলাগৰাকী বা তেওঁৰ আত্মীয়ৰ ওপৰত অবৈধ যৌতুক দাবীৰ জৰিয়তে কৰা হাৰাসমেন্টও এই সংজ্ঞাৰ ভিতৰত পৰে।
- এই আইনৰ অন্যতম গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হৈছে মহিলাৰ বাসগৃহ অধিকাৰ। এই আইনে মহিলাক বৈবাহিক ঘৰ বা যৌথ বাসগৃহত বাস কৰাৰ অধিকাৰ প্ৰদান কৰে, যদিও তেওঁৰ সেই সম্পত্তিৰ ওপৰত কোনো আইনী মালিকানা বা অধিকাৰ নাথাকিলেও। এই অধিকাৰ আদালতে জাৰি কৰা বাসগৃহ আদেশৰ জৰিয়তে সুৰক্ষিত কৰা হয়। এই ধৰণৰ বাসগৃহ আদেশ কোনো মহিলাৰ বিৰুদ্ধে জাৰি কৰিব নোৱাৰি।
- এই আইনৰ অধীনত আন এক গুৰুত্বপূৰ্ণ সুৰক্ষা হৈছে আদালতৰ দ্বাৰা জাৰি কৰা "সুৰক্ষা আদেশ"। এই আদেশে নিৰ্যাতনকাৰীক ঘৰুৱা হিংসা সংঘটিত কৰা বা তেনে যিকোনো নিৰ্দিষ্ট কাৰ্যত জড়িত হোৱাৰ পৰা বাধা দিয়ে। ইয়াৰ লগতে তেওঁক ভুক্তভোগীৰ কৰ্মস্থান বা ভুক্তভোগীয়ে নিয়মিত যোৱা অন্য যিকোনো স্থানত প্ৰৱেশ কৰিবলৈ নিষেধাজ্ঞা আৰোপ কৰিব পাৰে। লগতে ভুক্তভোগীৰ সৈতে যোগাযোগ কৰাৰ চেষ্টা, দুয়ো পক্ষৰ যৌথ সম্পত্তি বা সম্পদৰ ওপৰত হস্তক্ষেপ, আৰু ভুক্তভোগী, তেওঁৰ আত্মীয় বা সহায় আগবঢ়োৱা ব্যক্তিসকলৰ ওপৰত হিংসা সংঘটিত কৰাও নিষিদ্ধ কৰা হয়।

- এই আইনে মহিলাসকলক সহায় আগবঢ়াবলৈ সুৰক্ষা বিষয়া আৰু বেচৰকাৰী সংস্থা নিয়োগ কৰাৰ ব্যৱস্থা কৰিছে। এইসকলে মহিলাগৰাকীক চিকিৎসা পৰীক্ষা, আইনী সহায়, সুৰক্ষিত আশ্রয় আদি সুবিধা প্রদান কৰাত সহায় কৰে।
- এই আইনৰ মতে, সুৰক্ষা আদেশ বা অন্তৰ্বর্তীকালীন সুৰক্ষা আদেশ উলংঘা কৰাটো অভিযুক্তৰ বাবে এক দণ্ডনীয় আৰু জামিন অযোগ্য অপৰাধ হিচাপে গণ্য কৰা হয়। ইয়াৰ বাবে এক বছৰৰ পর্যন্ত কাৰাদণ্ড বা কুড়ি হাজাৰ টকাৰ পর্যন্ত জৰিমনা বা দুয়োটা শাস্তি হ'ব পাৰে। একেদৰে, সুৰক্ষা বিষয়াৰ দায়িত্ব পালন নকৰা বা ত্রুটি কৰাৰ ক্ষেত্রতো একেধৰণৰ শাস্তিৰ ব্যৱস্থা এই আইনৰ অধীনত কৰা হৈছে।

জানি থোৱা ভাল

বহুতে অৱশ্যে ভাৰতীয় ঘৰুৱা হিংসাৰ পৰা মহিলাক সুৰক্ষা আইন, ২০০৫-ক যথেষ্ট শক্তিশালী নহয় বুলি সমালোচনা কৰিছে। তেওঁলোকৰ মতে এই আইনখন মূলতঃ এক দেৱানী আইন হিচাপে কার্যকৰী হয়, ফৌজদাৰী আইন নহয়। ইয়াৰ ফলত অভিযুক্ত ব্যক্তিয়ে যদি এই আইনৰ অধীনত জাৰি কৰা সুৰক্ষা আদেশ ভংগ কৰাৰ দৰে নতুন অপৰাধ কৰে, তেতিয়াহে তেওঁৰ ওপৰত ফৌজদাৰী শাস্তিমূলক ব্যৱস্থা (যেনে গ্রেপ্তাৰ আৰু কাৰাদণ্ড) গ্রহণ কৰা সম্ভৱ হয়।

অৱশ্যে, এই আইন প্রণয়নৰ সৈতে জড়িত গোটসমূহে বিশ্বাস কৰিছিল যে এই পদ্ধতিয়ে ভুক্তভোগীক অধিক দ্রুত আৰু নমনীয় সহায় প্রদান কৰিব।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ ঃ "ঘৰুৱা হিংসা"ত শাৰীৰিক, যৌন, মৌখিক, মানসিক আৰু অর্থনৈতিক নির্যাতন বা তাৰ ভাবুকি অন্তর্ভুক্ত কৰা হয়। (সত্য/মিছা)

প্রশ্ন নং ৮ ঃ ভাৰতীয় ঘৰুৱা হিংসাৰ পৰা মহিলাক সুৰক্ষা আইন, ২০০৫ কার্যকৰী হৈছিল ..... তাৰিখত। (খালী ঠাই পূৰণ কৰক)

প্রশ্ন নং ৯ ঃ ভাৰতীয় ঘৰুৱা হিংসাৰ পৰা মহিলাক সুৰক্ষা আইন, ২০০৫-ৰ এটা সমালোচনা লিখক।

১৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- লিংগভিত্তিক অপৰাধ কোনো নতুন ঘটনা নহয়। মহিলাৰ বিৰুদ্ধে অপৰাধ প্রাচীন কালৰ পৰাই সংঘটিত হৈ আহিছে। ইয়াত বিশেষভাৱে পত্নীৰ ওপৰত হোৱা হিংসা সকলো সমাজতে আৰু সকলো অর্থনৈতিক তথা বয়সৰ গোটত পৰিলক্ষিত হয়।
- মহিলাসকলৰ প্রতি পক্ষপাতদুষ্ট মনোভাৱ ভাৰতীয় সংস্কৃতিত গভীৰভাৱে প্রোথিত। অৱশ্যে, এইটো কেৱল ভাৰতৰ ক্ষেত্রতেই সীমাবদ্ধ নহয়। মহিলাসকলৰ প্রতি পক্ষপাত বিশ্বৰ আন বহু সমাজতো বিদ্যমান। মহিলাসকলক নিয়মিতভাৱে অৱমূল্যায়ন, তলতীয়া আৰু দুর্ব্যৱহাৰ কৰা হয়। বিশ্বজুৰি প্রতিদিনে মহিলাৰ বিৰুদ্ধে অপৰাধ সংঘটিত হয়।
- ঘৰুৱা হিংসা বুলিলে ঘৰুৱা পৰিৱেশত এজন ব্যক্তিয়ে আন এজন ব্যক্তিৰ ওপৰত সংঘটিত কৰা হিংসা বা নির্যাতনক বুজায়, যেনে বিবাহ বা সহবাসৰ ক্ষেত্রত। যেতিয়া এই হিংসা ঘনিষ্ঠ সম্পর্কত থকা স্বামী বা সংগীয়ে আনজনৰ ওপৰত সংঘটিত কৰে, তেতিয়া ইয়াক ঘনিষ্ঠ সংগীজনিত হিংসা বুলি কোৱা হয়। এই হিংসা বিষমলিংগী বা সমলিংগী সম্পর্কত, অথবা পূর্বৰ স্বামী-স্ত্রীৰ মাজতো সংঘটিত হ'ব পাৰে।
- মিছৌৰি ঘৰুৱা আৰু যৌন হিংসা বিৰোধী মৈত্রী সংস্থা-এ ঘৰুৱা হিংসাৰ স্বভাৱ আৰু গতিশীলতা বুজিবলৈ এক প্রচেষ্টা গ্রহণ কৰিছে আৰু ইয়াক শাৰীৰিক নির্যাতন, যৌন হিংসা আৰু নির্যাতন, মানসিক নির্যাতন

আৰু অৰ্থনৈতিক নিৰ্যাতন হিচাপে শ্ৰেণীবদ্ধ কৰিছে।

- ঘৰুৱা হিংসাৰ বাবে দায়ী বুলি বিবেচিত দুটা মুখ্য কাৰক হৈছে পৰিয়াল আৰু জাতি, শ্ৰেণী তথা সম্প্ৰদায়।
- ঘৰুৱা হিংসা নিয়ন্ত্ৰণৰ বাবে প্ৰথমতে যথেষ্ট জনসচেতনতা আৰু এনে ঘটনাসমূহ চিনাক্তকৰণৰ প্ৰয়োজন আছে। শিক্ষা আৰু সজাগতা এই ক্ষেত্ৰত অত্যন্ত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। কিন্তু ইয়াৰ লগতে আইনী ব্যৱস্থাসমূহো অতি প্ৰয়োজনীয়।
- ভাৰতীয় ঘৰুৱা হিংসাৰ পৰা মহিলাক সুৰক্ষা আইন, ২০০৫ হৈছে ভাৰতৰ সংসদৰ দ্বাৰা প্ৰণীত এক আইন, যি মহিলাসকলক ঘৰুৱা হিংসাৰ পৰা সুৰক্ষা প্ৰদানৰ উদ্দেশ্যে প্ৰণয়ন কৰা হৈছিল। এই আইনখন ভাৰত চৰকাৰে ২০০৬ চনৰ ২৬ অক্টোবৰৰ পৰা কাৰ্যকৰী কৰিছিল।

১৩.৭ অধিক জানিবলৈ

1. Ahuja, R. (2011). *Social Problems in India.* New Delhi: Rawat Publication.
2. Bhattacharya, R. (2013). *Behind Closed Door-Domestic Violence In India.* New Delhi: Sage Publications.
3. Chatterji, S.A. (1997). *The India Women's Search For an Identity.* New Delhi: Vikas Publishing House.

১৩.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ঘনিষ্ঠ সংগীজনিত হিংসা।

২ নং প্ৰশ্নৰ উত্তৰ ঃ ঘৰুৱা হিংসা বুলিলে ঘৰুৱা পৰিৱেশত এজন ব্যক্তিয়ে আন এজন ব্যক্তিৰ ওপৰত কৰা হিংসা বা নিৰ্যাতনক বুজায়, যেনে বিবাহ বা সহবাসৰ ক্ষেত্ৰত।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ চেণ্টাৰ ফৰ ফেমিলি জাষ্টিছ-এ ব্যাখ্যা কৰে, "ঘৰুৱা নিৰ্যাতন হৈছে জোৰ-জবৰদস্তিমূলক, নিয়ন্ত্ৰণমূলক আচৰণৰ এক ধাৰাবাহিক ৰূপ, যি সকলো সম্প্ৰদায়ৰ লোকক প্ৰভাৱিত কৰা এক জীৱন-হানিকাৰক অপৰাধ, লিংগ, বয়স, যৌন অভিমুখিতা, বৰ্ণ, জাতিগত পৰিচয়, ধৰ্ম, সামাজিক মৰ্যাদা আৰু অভিবাসন স্থিতি নিৰ্বিশেষে।"

৪ নং প্ৰশ্নৰ উত্তৰ ঃ সত্য।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ শ্বাহ বানু ঘটনা।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ হিংসাৰ অপৰাধীসকলৰ ভিতৰত বহু সময়ত বিবাহসূত্ৰে সম্পৰ্কিত মহিলা আত্মীয় যেনে শাহু বা ননদো অন্তৰ্ভুক্ত থাকে। গৃহস্থলীৰ ৰাজনীতি কেৱল দমনকাৰী পুৰুষ আৰু ভুক্তভোগী মহিলাৰ সংঘাত হিচাপে সহজে বুজিব নোৱাৰি। যিহেতু পৰিয়াল সম্পদ আৰু ক্ষমতাৰ সংগ্ৰামৰ ক্ষেত্ৰ, সেয়েহে মহিলাসকল নিজেও বয়স, বৈবাহিক অৱস্থা, মাতৃত্ব আৰু বোৱাৰীৰ মাজৰ স্থান অনুসৰি এক স্তৰভিত্তিক গাঁথনিত অন্তৰ্ভুক্ত হয়। ক্ষমতা আৰু সম্পদৰ অসমান বণ্টনৰ ফলত মহিলাসকলৰ মাজত ঘৰুৱা কামৰ পুনৰ্বণ্টন, পাৰস্পৰিক তিক্ততা আৰু সংঘাত সৃষ্টি হয়। ইয়াৰ ফলত পিতৃতন্ত্ৰ অধিক শক্তিশালী হয়, কিয়নো অধিক সুবিধাপ্ৰাপ্ত মহিলা সদস্যসকলে পুৰুষ আধিপত্যৰ বিকল্প হিচাপে কাম কৰি বহু সময়ত হিংসাত্মক ভূমিকা পালন কৰে।

৭ নং প্রশ্নৰ উত্তৰ ঃ সত্য।

৮ নং প্রশ্নৰ উত্তৰ ঃ ২৬ অক্টোবৰ ২০০৬।

৯ নং প্রশ্নৰ উত্তৰ ঃ বহুতে ভাৰতীয় ঘৰুৱা হিংসাৰ পৰা মহিলাক সুৰক্ষা আইন, ২০০৫-ক যথেষ্ট কম শক্তিশালী বুলি সমালোচনা কৰিছে। এই আইনখন মূলতঃ এক দেৱানী আইন হিচাপে কার্যকৰী হয়, ফৌজদাৰী আইন নহয়। ইয়াৰ বাবে অভিযুক্ত ব্যক্তিয়ে যদি এই আইনৰ অধীনত জাৰি কৰা সুৰক্ষা আদেশ উলংঘন কৰে তেতিয়াহে তেওঁৰ বিৰুদ্ধে ফৌজদাৰী শাস্তিমূলক ব্যৱস্থা, যেনে গ্রেপ্তাৰ আৰু কাৰাদণ্ড, গ্রহণ কৰা হয়।

১৩.৯ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ ঘৰুৱা হিংসা বিৰোধী আইনখনে মহিলাক সহায় আগবঢ়াবলৈ সুৰক্ষা বিষয়া আৰু বেচৰকাৰী সংস্থা নিয়োগ কৰাৰ ব্যৱস্থা কৰে। (সত্য/মিছা)

প্রশ্ন ২ ঃ নিজৰ ভাষাত ঘৰুৱা হিংসা সংজ্ঞা দিয়ক।

প্রশ্ন ৩ ঃ ঘৰুৱা হিংসাৰ স্বভাৱ সংক্ষেপে বর্ণনা কৰক।

প্রশ্ন ৪ ঃ মহিলাৰ ওপৰত সংঘটিত বিভিন্ন ধৰণৰ নির্যাতনৰ ব্যাখ্যা কৰক।

প্রশ্ন ৫ ঃ ভাৰতীয় সমাজত মহিলাৰ সমসাময়িক ঘৰুৱা সমস্যাসমূহ নিজৰ ভাষাত বর্ণনা কৰক।

প্রশ্ন ৬ ঃ ভাৰতত ঘৰুৱা হিংসা নিয়ন্ত্রণৰ বাবে গ্রহণ কৰা আইনগত ব্যৱস্থাসমূহ ব্যাখ্যা কৰক।

প্রশ্ন ৭ ঃ জাতি, শ্রেণী আৰু সম্প্রদায়ক মহিলাৰ ওপৰত হিংসাৰ স্থান হিচাপে সমালোচনামূলকভাৱে আলোচনা কৰক।

****

অধ্যায় ১৪ ঃ ভাৰতত শিশু শ্ৰমিকৰ সমস্যা

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য
১৪.২ পৰিচয়
১৪.৩ ভাৰতত শিশু শ্ৰমিকৰ স্বভাৱ
১৪.৪ ভাৰতত শিশু শ্ৰমিকৰ ৰূপসমূহ
১৪.৫ ভাৰতত শিশু শ্ৰমিকৰ উদ্ভৱৰ বাবে দায়ী কাৰকসমূহ
১৪.৬ ভাৰতত শিশু শ্ৰমিকৰ বিৰুদ্ধে সাংবিধানিক ব্যৱস্থা
১৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৪.৮ অধিক জানিবলৈ
১৪.৯ অগ্ৰগতিৰ খতিয়ান
১৪.১০ আৰ্হি প্ৰশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰাৰ পিছত আপুনি —

- ভাৰতত শিশু শ্ৰমিকৰ স্বভাৱ আৰু ৰূপসমূহ ব্যাখ্যা কৰিব পাৰিব।
- ভাৰতত শিশু শ্ৰমিকৰ বৃদ্ধি ঘটাৰ বাবে দায়ী বিভিন্ন কাৰকসমূহ পৰীক্ষা কৰিব পাৰিব।
- ভাৰতত শিশু শ্ৰমিকৰ বিৰুদ্ধে থকা বৰ্তমান সাংবিধানিক ব্যৱস্থাসমূহ বিশ্লেষণ কৰিব পাৰিব।

১৪.২ পৰিচয়

বিশ্বৰ মানৱ সমাজে সন্মুখীন হোৱা আটাইতকৈ জ্বলন্ত সামাজিক সমস্যাসমূহৰ ভিতৰত এটা হৈছে শিশু শ্ৰমিকৰ সমস্যা। ২০১৬ চনৰ আন্তঃৰাষ্ট্ৰীয় শ্ৰম সংস্থাৰ প্ৰতিবেদন অনুসৰি, ৫ৰ পৰা ১৪ বছৰৰ ভিতৰত প্ৰায় ৪ কোটি শিশু আধুনিক দাস হিচাপে কাম কৰে আৰু উন্নয়নশীল দেশসমূহত ১৫ কোটি ২০ লাখ শিশু শ্ৰমিক হিচাপে কাম কৰে। ২০০০ চনত ২১কোটি ১০ লাখ শিশুৱে গৃহকৰ্মী আৰু অন্যান্য ধৰণৰ শ্ৰমত নিয়োজিত আছিল। ILO-ৰ তথ্যই দেখুৱায় যে বৰ্তমান শতাব্দীত শিশু শ্ৰমিকৰ সংখ্যা বৃদ্ধি পাইছে।

ILO-ৰ অনুমান অনুসৰি, মুঠ শিশু শ্ৰমিক জনসংখ্যাৰ ৬১ শতাংশ এছিয়াত কেন্দ্ৰীভূত, ৩২ শতাংশ আফ্ৰিকাত আৰু ৭ শতাংশ লেটিন আমেৰিকাত। প্ৰায় অৰ্ধেক শিশুৱে বিপজ্জনক পৰিস্থিতিত কাম কৰে, যাৰ ফলত তেওঁলোকৰ দুৰ্বলতা বৃদ্ধি পায়। শিশু অধিকাৰৰ বিষয়টো এই ধৰণৰ দুৰ্বলতাৰ সৈতে জড়িত। ২০১৬ চনৰ ILO-ৰ প্ৰতিবেদন, যি ২০১৭ চনৰ ১৯ ছেপ্টেম্বৰত প্ৰকাশিত হৈছিল, বিশ্বত শিশু শ্ৰমিকৰ বিস্তৃতি আৰু মূল বৈশিষ্ট্যসমূহৰ লগতে সময়ৰ লগে লগে ইয়াৰ পৰিৱৰ্তনসমূহ বৰ্ণনা কৰে। শিশু শ্ৰমিকৰ সমস্যা চৰকাৰ আৰু বেচৰকাৰী সংস্থাসমূহৰ অৰ্থনৈতিক আৰু সামাজিক সংস্কাৰ ব্যৱস্থাৰ ভিতৰত এক স্থায়ী আৰু অন্তহীন সমস্যা হিচাপে অব্যাহত আছে।

আন্তঃৰাষ্ট্ৰীয় শ্ৰম সংস্থাই প্ৰতিষ্ঠা হোৱাৰ সময়ৰ পৰা আজিলৈকে উল্লেখযোগ্যভাৱে কাম কৰি আহিছে আৰু যি উদ্দেশ্যৰ বাবে ইয়াক স্থাপন কৰা হৈছিল, সেই উদ্দেশ্যৰ প্ৰতি ই সদায় প্ৰতিশ্ৰুতিবদ্ধ হৈ আছে। শিশু শ্ৰমিকৰ সমস্যা ৰোধ কৰাৰ ক্ষেত্ৰত ILO-এ ১২টা গুৰুত্বপূৰ্ণ কনভেনচন গ্ৰহণ কৰিছে। ১৯৯০ চনত আন্তঃৰাষ্ট্ৰীয় শ্ৰম সংস্থাই এক গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰি International Programme on the Elimination of Child Labour (IPEC) স্থাপন কৰে। এই বিশেষ কাৰ্যসূচীয়ে মূলতঃ শিশু শ্ৰমিকৰ ক্ষেত্ৰত হোৱা চূড়ান্ত শোষণ , বিপজ্জনক

কাম, বলপূৰ্বক শ্ৰম, পথ-শিশুৰ অৱস্থা আদি সমস্যাসমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। ১৭ জুন ১৯৯৯ তাৰিখে আন্তঃৰাষ্ট্ৰীয় শ্ৰম সংস্থাই Worst Forms of Child Labour Convention নামৰ এক ঐতিহাসিক চুক্তি গ্ৰহণ কৰে, যি ১৯ নৱেম্বৰ ২০০০ তাৰিখে কাৰ্যকৰী হয়। এই চুক্তিখনে দাসত্ব, শিশু বিক্ৰী আৰু মানৱ সৰবৰাহ, বন্ধক শ্ৰম, শিশু যৌন বৃত্তি আদি শোষণমূলক প্ৰথাসমূহ নিষিদ্ধ কৰাৰ ব্যৱস্থা কৰে। ইয়াৰ লগতে সশস্ত্ৰ সংঘাতত শিশু বলপূৰ্বক নিয়োগৰ বিষয়টোও বিশেষভাৱে উল্লেখ কৰা হৈছে। আন্তঃৰাষ্ট্ৰীয় শ্ৰম সংস্থাই সকলো শ্ৰেণীৰ শিশুৰ বাবে শিক্ষাৰ সুবিধা উপলব্ধ হোৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ILO-ৰ International Programme for the Elimination of Child Labour অনুসৰি, ন্যূনতম কৰ্ম-উপযুক্ত বয়সলৈকে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা শিশু শ্ৰমিক ৰোধ কৰাৰ এক মূল উপায়। সমস্যাটোৰ গুৰুত্ব বিবেচনা কৰি এই অধ্যায়ত ভাৰতীয় প্ৰেক্ষাপটত শিশু শ্ৰমিকৰ বিষয়সমূহ আলোচনা কৰা হ'ব।

১৪.৩ ভাৰতত শিশু শ্ৰমিকৰ স্বভাৱ

শিশু শ্ৰমিক, বিশেষকৈ বন্ধক শ্ৰম বা বলপূৰ্বক শ্ৰম, ভাৰতত এক গুৰুতৰ সমস্যা। এই সমস্যাটো বিশেষকৈ কৃষি, কাৰ্পেট বোৱা উদ্যোগ, অন্যান্য ক্ষুদ্ৰ উদ্যোগ আদি কিছুমান ক্ষেত্ৰত অধিক প্ৰচলিত। ১৯৮৬ চনৰ শিশু শ্ৰমিক নিষেধ আইন অনুসৰি "শিশু" বুলিলে ১৪ বছৰৰ তলৰ যিকোনো ব্যক্তিক বুজোৱা হয়। এই আইনে শিশুক যিকোনো ধৰণৰ নিয়োগত, গৃহকৰ্মী হিচাপেও, নিয়োগ কৰাটো নিষিদ্ধ কৰে। UNICEF-ৰ অনুমান অনুসৰি, বৃহৎ জনসংখ্যাৰ বাবে ভাৰতত ১৪ বছৰৰ তলৰ শ্ৰমিকৰ সংখ্যা বিশ্বত সৰ্বাধিক। দৰিদ্ৰতা, ক্ষুধা, শিক্ষাৰ অভাৱ, অ-সংগঠিত খণ্ডত কৰ্মীৰ সংখ্যা বৃদ্ধি আৰু অনানুষ্ঠানিক অৰ্থনীতিৰ বিকাশক ভাৰতত শিশু শ্ৰমিকৰ মুখ্য কাৰণ হিচাপে গণ্য কৰা হয়। ভাৰতৰ দৰে তৃতীয় বিশ্বৰ দেশসমূহত নিয়োগকৰ্তাসকলে বিশেষকৈ ক্ষুদ্ৰ উদ্যোগসমূহত, যেনে কাঁচ উদ্যোগ, কাৰ্পেট উদ্যোগ, ইটা ভাটি, হোটেল, দোকান আদি ক্ষেত্ৰত সস্তা শ্ৰমৰ প্ৰতি আগ্ৰহী হয়, কিয়নো মালিকে শিশুশ্ৰমিকক ন্যূনতম মজুৰিত নিয়োগ কৰিব পাৰে। ভাৰতীয় সমাজৰ দুৰ্বল সামাজিক-অৰ্থনৈতিক অৱস্থাৰ ফলত শিশু শ্ৰমিকৰ সংখ্যা বৃদ্ধি পায়। ১৯৮৮ চনত ভাৰত চৰকাৰে শিশু শ্ৰমিক আৰু নিৰক্ষৰতা সমস্যাৰ নিৰ্মূলৰ বাবে এক প্ৰকল্প আৰম্ভ কৰে। এই প্ৰকল্পৰ মূল লক্ষ্যসমূহ আছিল—

- শিশু শ্ৰমিক নিষেধ আইনসমূহৰ কাৰ্যকৰীকৰণ তীব্ৰ কৰা;
- অভিভাৱকসকলৰ বাবে কৰ্মসংস্থাপন সৃষ্টি কৰা;
- আনুষ্ঠানিক আৰু অনানুষ্ঠানিক শিক্ষাৰ বিস্তাৰ কৰা;
- বিভিন্ন প্ৰণোদনাৰ জৰিয়তে বিদ্যালয়ত নামভৰ্তি বৃদ্ধি কৰা, যেনে বৃত্তি প্ৰদান;
- জনসচেতনতা বৃদ্ধি কৰা;
- সমীক্ষা আৰু মূল্যায়ন কৰা।

ভাৰতত ১৪ বছৰৰ তলৰ ছাত্ৰ-ছাত্ৰীসকল, ছোৱালী আৰু ল'ৰা উভয়েই, প্ৰায়ে অ-সংগঠিত খণ্ডত বাধ্যতামূলকভাৱে কাম কৰিবলৈ বাধ্য হয়, য'ত তেওঁলোকে দীঘলীয়া সময় ধৰি কাম কৰা, বিপজ্জনক কৰ্মক্ষেত্ৰত নিয়োজিত হোৱা, কম মজুৰি পোৱা আৰু অস্বাস্থ্যকৰ পৰিৱেশত কাম কৰাৰ দৰে সমস্যাৰ সন্মুখীন হয়। এই ধৰণৰ অৱনমিত কৰ্ম পৰিৱেশৰ ফলত শিশুসকল গম্ভীৰ স্বাস্থ্যজনিত অনিশ্চয়তা আৰু সমস্যাৰ সন্মুখীন হয়। ভাৰতৰ অধিকাংশ নগৰ অঞ্চলত সৰু চাহ দোকানসমূহত কাম কৰা শিশুসকলৰ সংখ্যা বৃদ্ধি পাইছে, যাৰ ফলত তেওঁলোকৰ দুৰ্বলতা আৰু বিপদাশংকা বৃদ্ধি পায়। কিছুমান ক্ষেত্ৰত, অভিভাৱকসকলে নিজৰ সন্তানক বিদ্যালয়লৈ শিক্ষাৰ বাবে পঠাবলৈ অনিচ্ছুক হোৱাৰ ফলত শিশু শ্ৰমিকৰ সংখ্যা বৃদ্ধি পায়, কাৰণ তেওঁলোকক পৰিয়ালৰ একমাত্ৰ উপাৰ্জনকাৰী হিচাপে গণ্য কৰা হয়। ভাৰতত শিশু শ্ৰমিক কেতবোৰ স্বাৰ্থান্বেষী গোটৰ দ্বাৰা ইচ্ছাকৃতভাৱে সৃষ্টি কৰা হয়, যাতে সস্তা শ্ৰম সহজে লাভ কৰিব পৰা যায়।

১৪.৪ ভাৰতত শিশু শ্ৰমিকৰ ৰূপসমূহ

ভাৰতত শিশু শ্ৰমিকৰ সমস্যা কেৱল দৰিদ্ৰ পৰিয়ালসমূহৰ অৰ্থনৈতিক বাধ্যবাধকতা নহয়, ই অতিশয় সামাজিক আৰু অৰ্থনৈতিক শোষণৰো ফল। আন্তঃৰাষ্ট্ৰীয় শ্ৰম সংস্থা অনুসৰি, শিক্ষামূলক হস্তক্ষেপসমূহ শিশু শ্ৰমিকৰ আটাইতকৈ বেয়া ৰূপসমূহ ৰোধ আৰু নিৰ্মূল কৰাৰ ক্ষেত্ৰত কেন্দ্ৰীয় ভূমিকা পালন কৰে। শিক্ষাৰ অভাৱ ভাৰতত শিশু শ্ৰমিকৰ এটা গুৰুত্বপূৰ্ণ কাৰণ।

ভাৰতত শিশু শ্ৰমিকৰ বিভিন্ন ৰূপ দেখা যায়, যিবোৰৰ কিছুমান তলত উল্লেখ কৰা হ'ল—

- **বন্ধক শ্ৰম ঃ** এইটো ভাৰতত শিশু শ্ৰমিকৰ আটাইতকৈ বেয়া ৰূপসমূহৰ ভিতৰত এটা। বন্ধক শ্ৰম ভাৰতত কৃষি ক্ষেত্ৰ, বিভিন্ন খনি, কাৰ্পেট বোৱা উদ্যোগ আৰু কিছুমান ক্ষুদ্ৰ উদ্যোগ বা কা�ৰখানাত দেখা যায়।
- **দাসত্ব ঃ** এইটো এনে এক শ্ৰমৰ ৰূপ য'ত এজন ব্যক্তিক বাধ্য কৰা হয় যে তেওঁ আন এজন ব্যক্তিৰ ভূমিত বাস কৰি কাম কৰিব লাগিব, য'ত অতি কম বা কোনো মজুৰি দিয়া নহয়।
- **বলপূৰ্বক শ্ৰম ঃ** এই ধৰণৰ শিশু শ্ৰমিক তেতিয়া দেখা যায় যেতিয়া কোনো শিশুক তেওঁৰ ইচ্ছাৰ বিৰুদ্ধে কাম কৰিবলৈ বাধ্য কৰা হয়। বিভিন্ন অ-ৰাষ্ট্ৰীয় গোটে সশস্ত্ৰ সংঘাতৰ সময়ত শিশুসকলক নিয়োগ কৰে। সংঘাতৰ পৰিস্থিতিত শিশুসকলক শোষণ আৰু নিৰ্যাতন কৰা হয়, আৰু কেতিয়াবা তেওঁলোকক আন মানুহক হত্যা কৰিবলৈ বা ক্ষত-বিক্ষত কৰিবলৈ বাধ্য কৰা হয়। সাধাৰণ পৰিস্থিতিতো শিশুসকলক তেওঁলোকৰ ইচ্ছাৰ বিৰুদ্ধে শ্ৰম কৰিবলৈ বাধ্য কৰা হয়।
- **গৃহকৰ্মী ঃ** ভাৰতত শিশু গৃহকৰ্মীৰ সমস্যা বিগত কেইবাটাও দশক ধৰি এক গুৰুতৰ সমস্যা হৈ আছে। সমাজৰ নিম্ন স্তৰৰ সামাজিক গাঁথনি আৰু অৰ্থনৈতিক নিৰ্ভৰশীলতাৰ ফলত ভাৰতত শিশু গৃহকৰ্মীৰ সংখ্যা বৃদ্ধি পাইছে।
- **শিশু যৌন শোষণ ঃ** ভাৰতত কন্যা শিশুসকল যৌনভাৱে শোষিত হয়, তেওঁলোকক যৌন চিত্ৰত ব্যৱহাৰ কৰা হয় আৰু বলপূৰ্বকভাৱে দেহব্যৱসায়লৈ ঠেলি দিয়া হয়। দৰিদ্ৰতা, গৃহহীনতা, কন্যা শিশুৰ প্ৰতি অনিচ্ছা, শিশু সৰবৰাহ আদি ভাৰতত শিশু যৌন শোষণ সমস্যাৰ মুখ্য কাৰণ।
- **ড্ৰাগছ পাচাৰত শিশুৰ জড়িততা ঃ** শিশুসকলক মধ্যভোগীসকলে বলপূৰ্বকভাৱে ড্ৰাগছ পাচাৰৰ কামত জড়িত কৰায়। বিদ্যালয় ত্যাগ, শৈশৱৰ বিঘ্ন, গৃহহীনতা আদি তেওঁলোকৰ এই কামত জড়িত হোৱাৰ মুখ্য কাৰণ, যাৰ ফলত তেওঁলোকৰ জীৱন অনিশ্চিত হৈ পৰে। ড্ৰাগছ সৰবৰাহত তেওঁলোকৰ জড়িততাই কিছুমান অবৈধ সংস্থাত তেওঁলোকৰ শ্ৰমৰ বোজা বৃদ্ধি কৰে, যাৰ ফলত শিশুসকলৰ স্বাস্থ্য, সুৰক্ষা আৰু নৈতিকতাৰ ওপৰত বিৰূপ প্ৰভাৱ পৰে।
- **কৃষি ক্ষেত্ৰত শিশু শ্ৰমিক ঃ** এই ধৰণৰ শিশু শ্ৰমিক ভাৰতৰ প্ৰায় সকলো অঞ্চলত, বিশেষকৈ গ্ৰাম্য ভাৰতত প্ৰচলিত। দৰিদ্ৰ লোকৰ অৰ্থনৈতিক নিৰ্ভৰশীলতা আৰু ভূমিহীনতাৰ ফলত এই পৰিয়ালসমূহৰ শিশুসকল জমিদাৰৰ কৃষি ক্ষেত্ৰত কাম কৰিবলৈ নিয়োজিত হয়। শস্যত ব্যৱহৃত কীটনাশক শিশুসকলৰ বাবে ক্ষতিকাৰক হ'ব পাৰে, কাৰণ তেওঁলোকৰ সুৰক্ষামূলক সঁজুলি নাথাকে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ শিশু শ্ৰমিকৰ আটাইতকৈ নিকৃষ্ট ৰূপসমূহ সম্পৰ্কীয় কনভেনচনৰ যিকোনো দুইটা ব্যৱস্থা উল্লেখ কৰক।

প্ৰশ্ন নং ২ ঃ ভাৰতত শিশু শ্ৰমিকৰ যিকোনো দুটা ৰূপ সংক্ষেপে লিখক।

১৪.৫ ভাৰতত শিশু শ্ৰমিকৰ উদ্ভৱৰ বাবে দায়ী কাৰকসমূহ

শিশু শ্ৰমিকৰ সমস্যা উন্নয়নশীল আৰু অনুন্নত দেশসমূহত এক গুৰুত্বপূৰ্ণ সমস্যা। যদিও নৱউদাৰবাদী

ৰাষ্ট্ৰীয় গাঁথনিয়ে তৃতীয় বিশ্বৰ দেশসমূহত উন্নয়নৰ প্ৰক্ৰিয়াক ত্বৰান্বিত কৰিছে, তথাপিও একে সময়তে এই অঞ্চলসমূহত শিশু শ্ৰমিকৰ সমস্যা বৃদ্ধি পাইছে। ভাৰত এই সমস্যাৰ ব্যতিক্ৰম নহয়। ভাৰতত শিশু শ্ৰমিকৰ সংখ্যা বৃদ্ধি পোৱাৰ বাবে বিভিন্ন কাৰক দায়ী। এই কিছুমান কাৰক তলত আলোচনা কৰা হৈছে—

- **পৰিয়ালৰ সামাজিক-আৰ্থিক অৱস্থা ঃ** ভাৰতত শিশু শ্ৰমিকৰ সমস্যা পৰিয়ালসমূহৰ অৰ্থনৈতিক অৱস্থাৰ সৈতে গভীৰভাৱে জড়িত, বিশেষকৈ পৰিয়ালৰ কৰ্মশক্তিত সদস্যসকলৰ সংখ্যাৰ সৈতে। পৰিয়ালৰ নিৰ্ভৰশীলতাৰ মাত্ৰাৰ ওপৰত নিৰ্ভৰ কৰি সেই পৰিয়ালৰ শিশুসকলে বিভিন্ন ধৰণৰ বিপজ্জনক কামত জড়িত হ'বলগীয়া হয়, যাৰ ফলত ভাৰতত শিশু শ্ৰমিকৰ সমস্যা বৃদ্ধি পায়।
- **শিক্ষাৰ প্ৰৱেশযোগ্যতাৰ অভাৱ ঃ** ভাৰতত বহু ক্ষেত্ৰত শিশুসকলক তেওঁলোকৰ মৌলিক শিক্ষাৰ অধিকাৰৰ পৰা বঞ্চিত কৰা দেখা যায়। ভাৰতৰ হাজাৰ হাজাৰ গাঁৱত শিক্ষাৰ উপযুক্ত সুবিধা নাই। আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত হৈছে দৰিদ্ৰ পৰিয়ালসমূহ, যিসকলৰ সন্তানক বিদ্যালয়লৈ পঠোৱাৰ বাবে যথেষ্ট সম্পদ নাই। দৰিদ্ৰ শিশুসকলৰ বাবে সুলভ বিদ্যালয়ৰ অভাৱৰ ফলত তেওঁলোক অশিক্ষিত আৰু অসহায় হৈ পৰে। ইয়াৰ ফলত শেষত তেওঁলোক ফান্দত পৰে।
- **দৰিদ্ৰতা আৰু সামাজিক-আৰ্থিক পিছপৰা অৱস্থাঃ** ভাৰতত শিশু শ্ৰমিক বৃদ্ধিৰ মূল কাৰণ হৈছে দৰিদ্ৰতা আৰু সামাজিক-আৰ্থিক পিছপৰা অৱস্থা। দৰিদ্ৰতাৰ বাবে দুৰ্বল পৰিয়ালসমূহৰ অৰ্থনৈতিক অৱস্থা ক্ৰমান্বয়ে অৱনতি ঘটে, যাৰ ফলত শিশু শ্ৰমিকৰ সংখ্যা বৃদ্ধি পায়। দুৰ্বল পৰিয়ালৰ পিতৃ-মাতৃয়ে নিজৰ সন্তানক বিদ্যালয়লৈ পঠোৱাৰ সলনি হোটেল, দোকান, কাৰখানা, ঘৰুৱা কাম আৰু কৃষি ক্ষেত্ৰত কাম কৰিবলৈ পঠায়। দৰিদ্ৰ পৰিয়ালসমূহৰ সামাজিক-আৰ্থিক অৱস্থা সদায় স্থবিৰ হৈ থাকে, কাৰণ এই শ্ৰেণীৰ লোকসকলে অৰ্থনৈতিক নিৰ্ভৰশীলতাৰ বাবে শিক্ষা বিষয়ত চিন্তা কৰাৰ সলনি নিজৰ সন্তানক বিভিন্ন শ্ৰমকাজত নিয়োজিত কৰাকেই অধিক প্ৰাধান্য দিয়ে।
- **শিক্ষাৰ অভাৱ ঃ** দৰিদ্ৰ পৰিয়ালসমূহৰ শিক্ষাৰ অভাৱ, যি তেওঁলোকৰ শিক্ষামূলক সম্পদ লাভৰ অক্ষমতাৰ ফল, ভাৰতত বিদ্যমান শিশু শ্ৰমিকৰ এক গুৰুত্বপূৰ্ণ কাৰক হিচাপে বিবেচিত হয়। স্বাধীনতাৰ বহু দশক পাৰ হোৱাৰ পাছতো, বহু শিশুৱে তেওঁলোকৰ মৌলিক শিক্ষাৰ অধিকাৰৰ পৰা বঞ্চিত হৈ আছে। অতি দৰিদ্ৰ পৰিয়ালসমূহৰ বাবে সন্তানৰ শিক্ষা আজিও ভাৰতৰ বিভিন্ন অঞ্চলত এক দূৰ সপোনৰ দৰে, কিয়নো তেওঁলোকে দৈনিক মজুৰি উপাৰ্জন কৰাতো অসুবিধা পায়। শিশু শিক্ষাই শিশু শ্ৰমিকৰ সংখ্যা হ্ৰাস কৰাৰ এক অপৰিহাৰ্য চৰ্ত। শিক্ষিত জনসংখ্যা যিমান বেছি হ'ব, সন্তানক কামত নিয়োজিত কৰাৰ প্ৰৱণতা সিমানেই কম হ'ব। শিক্ষিত পৰিয়ালসমূহে সন্তানক বিদ্যালয়লৈ পঠোৱাৰ গুৰুত্ব বুজি পায়। কিন্তু ভাৰতীয় সমাজৰ প্ৰেক্ষাপটত চূড়ান্ত দৰিদ্ৰতাৰ বাবে অৰ্থনৈতিক অক্ষমতাৰ কাৰণে বহু দৰিদ্ৰ পৰিয়ালে সন্তানক বিদ্যালয়লৈ পঠোৱাৰ পৰা বঞ্চিত কৰে।
- **মজুৰি শ্ৰম আৰু শ্ৰমিক বাহিনীৰ অংশগ্ৰহণ বৃদ্ধি ঃ** ভাৰতৰ দৰে তৃতীয় বিশ্বৰ দেশসমূহত শ্ৰম বজাৰত মজুৰি শ্ৰমৰ চাহিদা ক্ৰমান্বয়ে বৃদ্ধি পাইছে। সেয়ে দৰিদ্ৰ পৰিয়ালসমূহে অধিক আয় উপাৰ্জনৰ উদ্দেশ্যে নিজৰ সন্তানসকলক বিভিন্ন মজুৰি শ্ৰমত নিয়োজিত কৰে। শিশুসকলৰ কম মজুৰি হাৰ বজাৰত তেওঁলোকৰ চাহিদা বৃদ্ধি কৰে, যাৰ ফলত শেষত শিশু শ্ৰমিকৰ সংখ্যা অধিক হয়।
- **অতিজনসংখ্যা ঃ** দেশৰ জনসংখ্যা জন্মহাৰৰ ওপৰত ভিত্তি কৰি বৃদ্ধি পায়। দৰিদ্ৰ পৰিয়ালসমূহত জনসংখ্যাৰ জন্মহাৰ সাধাৰণতে সৰ্বাধিক দেখা যায়। ইয়াৰ মূল কাৰণ হৈছে অশিক্ষা, ধৰ্মীয় বিশ্বাস, সচেতনতাৰ অভাৱ আদি। ইয়াৰ ফলত যিসকল দৰিদ্ৰ পৰিয়ালত শিশুৰ সংখ্যা অধিক থাকে, তেওঁলোকে দৈনিক আহাৰৰ প্ৰয়োজন পূৰণ কৰিবলৈ নিজৰ সন্তানসকলক বিভিন্ন মজুৰি শ্ৰমত নিয়োজিত কৰিবলৈ বাধ্য হয়।
- **পৰিয়ালৰ অসুস্থতা, আসক্তি আৰু পিতৃ-মাতৃৰ ৰোগজনিত সমস্যা ঃ** আসক্তি আৰু ৰোগজনিত সমস্যাৰ বাবে কেতিয়াবা কিছুমান পৰিয়ালত পিতৃ-মাতৃয়ে পৰিয়ালৰ দৈনন্দিন প্ৰয়োজন পূৰণ কৰিবলৈ সক্ষম নহয়। এনে পৰিস্থিতিত শিশুৰ ওপৰত বিপুল চাপ পৰে যাতে তেওঁ যিকোনো ধৰণৰ কামত নিয়োজিত হৈ পৰিয়ালৰ জীৱন-ধাৰণত কিছু অৱদান আগবঢ়াব পাৰে। ফলস্বৰূপে শিশুটি বিদ্যালয়লৈ যোৱাৰ পৰা বিচ্ছিন্ন

হৈ পৰে আৰু শিক্ষাৰ সলনি আয় উপাৰ্জনৰ ওপৰত অধিক মনোযোগ দিয়ে। অধিকাংশ ক্ষেত্ৰত পিতৃ-মাতৃয়ে শিশুক বিদ্যালয়লৈ পঠোৱাৰ সলনি কামত নিয়োজিত কৰাকেই বেছি প্ৰাধান্য দিয়ে।

- **সস্তা শ্ৰমৰ বৃদ্ধি পোৱা চাহিদা ঃ** বিশ্বায়ন আৰু নৱউদাৰবাদী ৰাষ্ট্ৰীয় ব্যৱস্থাৰ যুগত উদাৰীকৰণ, ব্যক্তিগতকৰণ আৰু ভোগবাদে সস্তা শ্ৰমৰ ব্যৱহাৰক উৎসাহিত কৰে। ফলস্বৰূপে সস্তা শ্ৰমৰ চাহিদা আৰু দৰিদ্ৰ শ্ৰেণীৰ অৰ্থনৈতিক প্ৰয়োজনৰ সংযোগে ভাৰতত শিশু শ্ৰমিকৰ পৰিমাণ বৃদ্ধি কৰে। ক্ষুদ্ৰ উদ্যোগ আৰু দোকানদাৰসকলে অধিক লাভৰ আশাত শিশুসকলক নিয়োগ কৰে, কিয়নো শিশুৱে প্ৰাপ্তবয়স্ক শ্ৰমিকৰ তুলনাত আধা মজুৰিত কাম কৰে।
- **কন্যা শিশুৰ প্ৰতি বৈষম্যমূলক মনোভাব ঃ** গ্ৰাম্য দৰিদ্ৰ পৰিয়ালসমূহত ছোৱালীৰ তুলনাত ল'ৰা শিশুক অধিক ভালদৰে গণ্য কৰা হয়। সামাজিক গাঁথনি আৰু এই ধাৰণাগত বিশ্বাস যে ছোৱালীৰ তুলনাত ল'ৰা শাৰীৰিকভাৱে অধিক শক্তিশালী এই ধাৰণাই কন্যা শিশুৰ অস্বস্তি আৰু দুৰ্বলতা বৃদ্ধি কৰে। ইয়াৰ উপৰিও দৰিদ্ৰ পৰিয়ালসমূহে সাধাৰণতে ল'ৰা শিশুক বিদ্যালয়লৈ পঠোৱাৰ প্ৰাধান্য দিয়ে আৰু কন্যা শিশুক কামত নিয়োজিত কৰি অধিক কিছু উপাৰ্জন কৰাৰ চেষ্টা কৰে।

১৪.৬ ভাৰতত শিশু শ্ৰমিকৰ বিৰুদ্ধে সাংবিধানিক ব্যৱস্থা

ভাৰতত শিশু শ্ৰমিক এক গুৰুতৰ সমস্যা, যাৰ বাবে ৰাষ্ট্ৰ আৰু নাগৰিক সমাজ উভয়ৰে পৰা তাৎক্ষণিক মনোযোগৰ প্ৰয়োজন। ভাৰতৰ সংবিধান আৰু ভাৰতীয় সংসদে গৃহীত বিভিন্ন আইনসমূহে শিশু শ্ৰমিকৰ সমস্যাৰ সৈতে মোকাবিলা কৰিবলৈ কিছুমান আইনগত ব্যৱস্থা গ্ৰহণৰ চেষ্টা কৰি আহিছে। ভাৰতীয় সংবিধানত সন্নিবিষ্ট বিভিন্ন অনুচ্ছেদ, যিসমূহ শিশু শ্ৰমিকৰ বিভিন্ন বিষয়ৰ সৈতে জড়িত, সেইবোৰে স্পষ্টভাৱে মানৰ অধিকাৰৰ মানদণ্ড বাস্তৱায়নৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় ব্যৱস্থাৰ ইচ্ছাশক্তিক প্ৰতিফলিত কৰে। এই ক্ষেত্ৰত ভাৰতীয় সংবিধানৰ কিছুমান ব্যৱস্থা তলত উল্লেখ কৰা হ'ল ঃ

- **অনুচ্ছেদ ২৩ ঃ** অনুচ্ছেদ ২৩-এ "মানৰ বাণিজ্য আৰু বাধ্যতামূলক শ্ৰম নিষেধ" বিষয়ত গুৰুত্ব আৰোপ কৰিছে। এই অনুচ্ছেদ অনুসৰি মানৰ বাণিজ্য, ভিক্ষাৰী আৰু অনুৰূপ বাধ্যতামূলক শ্ৰমৰ সকলো ৰূপ নিষিদ্ধ কৰা হৈছে আৰু এই বিধানৰ কোনো উলংঘন আইন অনুসৰি শাস্তিযোগ্য অপৰাধ হিচাপে গণ্য কৰা হ'ব। ইয়াত এইটোও উল্লেখ আছে যে এই অনুচ্ছেদে ৰাষ্ট্ৰক জনস্বাৰ্থত বাধ্যতামূলক সেৱা আৰোপ কৰাত বাধা নিদিয়ে, কিন্তু এনে সেৱা আৰোপ কৰাৰ সময়ত ৰাষ্ট্ৰই কেৱল ধৰ্ম, জাতি, বৰ্ণ বা শ্ৰেণীৰ ভিত্তিত কোনো ধৰণৰ বৈষম্য কৰিব নোৱাৰিব।
- **অনুচ্ছেদ ২৪ ঃ** এই অনুচ্ছেদ অনুসৰি ১৪ বছৰৰ কম বয়সৰ কোনো শিশুক কোনো কাৰখানা বা খনিত নিয়োজিত কৰা বা অন্য কোনো বিপজ্জনক কামত নিয়োগ কৰা নিষিদ্ধ। এম চি. মেহতা বনাম তামিলনাড়ু ৰাজ্য গোচৰত আদালতে লক্ষ্য কৰিছিল যে শিশু শ্ৰমিকৰ সমস্যাই ব্যাপক ৰূপ ধাৰণ কৰিছে। এই গোচৰত আদালতে শিশুসকলক ১৪ বছৰৰ তলত নিয়োগ নিষিদ্ধ কৰাৰ লগতে তেওঁলোকৰ শিক্ষাৰ ব্যৱস্থা কৰাৰ বাবে এক বিশেষ তহবিল গঠন আৰু পৰিয়ালৰ পিতৃ-মাতৃ বা সক্ষম প্ৰাপ্তবয়স্ক সদস্যসকলৰ বাবে নিয়োগৰ ব্যৱস্থা কৰাৰ দিশত বিস্তৃত নিৰ্দেশনা জাৰি কৰিছিল।
- **অনুচ্ছেদ ৩৯ ঃ** ৰাষ্ট্ৰই বিশেষকৈ নিজৰ নীতি নিৰ্দেশনা এনে ধৰণে প্ৰণয়ন কৰিব যাতে— (a) শ্ৰমিক পুৰুষ-মহিলা আৰু কোমল বয়সৰ শিশুসকলৰ স্বাস্থ্য আৰু শক্তিৰ অপব্যৱহাৰ নহয়, আৰু নাগৰিকসকলক তেওঁলোকৰ বয়স বা শক্তিৰ সৈতে অসামঞ্জস্যপূৰ্ণ কামত অৰ্থনৈতিক বাধ্যবাধকতাৰ ফলত নিয়োজিত হ'বলৈ বাধ্য নকৰা হয়; (b) শিশুসকলক সুস্থ পৰিৱেশত বিকাশৰ সুযোগ দিয়া হয় আৰু স্বাধীনতা আৰু মৰ্যাদাপূৰ্ণ পৰিৱেশত তেওঁলোকৰ বিকাশ নিশ্চিত কৰা হয়, লগতে শৈশৱ আৰু যৌৱনক নৈতিক আৰু সামগ্ৰীক অৱহেলাৰ পৰা সুৰক্ষা দিয়া হয়।
- **অনুচ্ছেদ ৪৫ ঃ** ৰাষ্ট্ৰই সংবিধান প্ৰৱৰ্তনৰ পৰা দহ বছৰৰ ভিতৰত সকলো শিশুৰ বাবে ১৪ বছৰৰ বয়সলৈকে

বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা প্ৰদান কৰাৰ চেষ্টা কৰিব।

- **কাৰখানা আইন ঃ** এই আইনৰ ধাৰা ৬৭ অনুসৰি ১৪ বছৰৰ তলৰ কোনো শিশুক কোনো কাৰখানাত কাম কৰিবলৈ নিয়োগ কৰা বা অনুমতি দিয়া নিষিদ্ধ।

ভাৰতত শিশু শ্ৰমিকৰ সমস্যা নিয়ন্ত্ৰণ আৰু মোকাবিলা কৰিবলৈ কিছুমান গুৰুত্বপূৰ্ণ আইন আছে। সেইবোৰ হ'ল—

- Child Marriage Restraint Act, 1929
- Children (Pledging of Labour) Act, 1933
- Employment of Children Act, 1938
- Children Act, 1960
- The Child Labour (Prohibition and Regulation) Act, 1986

ভাৰতীয় সংবিধানৰ অনুচ্ছেদ ২৩ আৰু ২৪-এ শিশু শ্ৰমিকৰ বিষয়টোক স্পষ্টভাৱে উল্লিখিত কৰিছে। The Child Labour (Prohibition and Regulation) Act, 1986 ভাৰতীয় সংসদে ১৯৮৬ চনৰ ২৩ ডিচেম্বৰত গৃহীত কৰিছিল আৰু কেন্দ্ৰীয় চৰকাৰে ১৯৯৩ চনৰ ২৬ মে'ত ইয়াক কাৰ্যকৰী কৰিছিল। এই আইনৰ মূল উদ্দেশ্যসমূহ হ'ল—

- নিৰ্দিষ্ট পেশাসমূহত চৈধ্য (১৪) বছৰৰ তলৰ শিশুসকলক, অৰ্থাৎ যিসকলে তেওঁলোকৰ চৈধ্য বছৰ সম্পূৰ্ণ কৰা নাই তেওঁলোকক নিয়োগ কৰাত নিষেধাজ্ঞা আৰোপ কৰা;
- নিষিদ্ধ পেশা আৰু প্ৰক্ৰিয়াসমূহৰ তালিকাত সংশোধন বা পৰিবৰ্তন কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণৰ প্ৰক্ৰিয়া নিৰ্ধাৰণ কৰা;
- যিসকল ক্ষেত্ৰত শিশুসকলক কাম কৰাটো সম্পূৰ্ণভাৱে নিষিদ্ধ নহয়, সেই ক্ষেত্ৰসমূহত শিশুসকলৰ কামৰ অৱস্থা নিয়ন্ত্ৰণ আৰু নিয়মিত কৰা;
- এই আইনৰ বিধানসমূহ বা শিশুসকলৰ নিয়োগ নিষিদ্ধ কৰা অন্যান্য আইনসমূহৰ উলংঘনৰ ক্ষেত্ৰত অধিক কঠোৰ শাস্তি নিৰ্ধাৰণ কৰা;
- সংশ্লিষ্ট আইনসমূহত 'শিশু'-ৰ সংজ্ঞাত একে ধৰণৰ মানদণ্ড স্থাপন কৰা।

শিশু শ্ৰমিকৰ সমস্যা সমাধান কৰিবলৈ শিশুসকলৰ শোষণ আৰু অপব্যৱহাৰৰ মূল কাৰণসমূহ চিনাক্ত কৰা প্ৰয়োজন। সাংবিধানিক ব্যৱস্থাৰ সহায়ত ভাৰতত শিশু শ্ৰমিকৰ বিৰুদ্ধে মোকাবিলা কৰাৰ প্ৰক্ৰিয়া ধীৰে ধীৰে বৃদ্ধি পাইছে। কিন্তু যদি শিশুসকলক তেওঁলোকৰ ইচ্ছা আৰু মৌলিক অধিকাৰৰ পৰা বঞ্চিত কৰা হয়, তেন্তে মানৰ অধিকাৰৰ ক্ষেত্ৰত যিকোনো পদক্ষেপ ব্যৰ্থ হ'ব পাৰে। শিশু অধিকাৰৰ সুৰক্ষাৰ বাবে নিৰ্দিষ্ট কৌশল কাৰ্যকৰীভাৱে ৰূপায়ণ কৰিব লাগিব। সাংবিধানিক ব্যৱস্থাৰ লগতে ভাৰতৰ উচ্চতম ন্যায়ালয় আৰু ন্যায়পালিকাৰ অন্যান্য শাখাসমূহে শিশুৰ কল্যাণ নিশ্চিত কৰিবলৈ সক্ৰিয়ভাৱে দায়িত্ব পালন কৰিব লাগে। তেতিয়াহে শিশু শ্ৰমিক সমস্যাৰ এক যুক্তিসংগত আৰু সম্ভাৱ্য সমাধান লাভ কৰা সম্ভৱ হ'ব।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ ভাৰতত শিশু শ্ৰমিকৰ সমস্যাৰ উদ্ভৱৰ বাবে দায়ী যিকোনো দুটা কাৰকৰ বিষয়ে চমুকৈ লিখক।

প্ৰশ্ন নং ৪ ঃ শিশু শ্ৰমিকৰ সমস্যাৰ সৈতে মোকাবিলা কৰিবলৈ ভাৰতীয় সংসদে গৃহীত কৰা যিকোনো দুটা আইন উল্লেখ কৰক।

প্ৰশ্ন নং ৫ ঃ শিশু শ্ৰমিকৰ বিষয়টোৰ সৈতে মোকাবিলা কৰিবলৈ ভাৰতীয় সংবিধানত অন্তৰ্ভুক্ত কৰা যিকোনো দুটা ব্যৱস্থাৰ বিষয়ে চমুকৈ লিখক।

2 ১৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- বিশ্বজুৰি মানৱ সমাজে সম্মুখীন হৈ অহা আটাইতকৈ গুৰুতৰ সামাজিক সমস্যাসমূহৰ অন্যতম হৈছে শিশু শ্ৰমিকৰ সমস্যা। শিশু শ্ৰমিকৰ সমস্যা চৰকাৰৰ লগতে বেচৰকাৰী সংগঠনসমূহৰ অৰ্থনৈতিক আৰু সামাজিক সংস্কাৰ ব্যৱস্থাত এক স্থানীয় আৰু অবিৰত সমস্যা হিচাপে বিদ্যমান।
- আন্তঃৰাষ্ট্ৰীয় শ্ৰম সংস্থাই প্ৰতিষ্ঠাৰ সময়ৰ পৰা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে আৰু যি উদ্দেশ্যে ইয়াক গঠন কৰা হৈছিল সেই উদ্দেশ্যৰ প্ৰতি সদায় প্ৰতিশ্ৰুতিবদ্ধ হৈ আছে। ILO-এ শিশু শ্ৰমিকৰ সমস্যা প্ৰতিৰোধৰ প্ৰক্ৰিয়াত ১২টা প্ৰধান সম্মিলন গ্ৰহণ কৰিছে। ১৯৯০ চনত আন্তঃৰাষ্ট্ৰীয় শ্ৰম সংস্থাই এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে শিশু শ্ৰমিক নিৰ্মূলকৰণৰ বাবে আন্তঃৰাষ্ট্ৰীয় কাৰ্যসূচী স্থাপন কৰিছিল।ILO-ৰ শিশু শ্ৰমিক নিৰ্মূলকৰণ কাৰ্যসূচী অনুসৰি, নিয়োগৰ ন্যূনতম বয়সলৈকে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা প্ৰদান কৰাটো শিশু শ্ৰমিক প্ৰতিৰোধৰ এক মুখ্য উপায় হিচাপে বিবেচিত হয়।
- ভাৰততো শিশু শ্ৰমিকৰ সমস্যা এক গুৰুত্বপূৰ্ণ বিষয় হিচাপে পৰিগণিত হৈছে। ভাৰতত ১৪ বছৰৰ তলৰ ল'ৰা-ছোৱালী দুয়োকে বেছিভাগ সময় অ-সংগঠিত ক্ষেত্ৰত কাম কৰিবলৈ বাধ্য কৰা হয়, য'ত তেওঁলোকে দীঘলীয়া সময় কাম কৰা, বিপজ্জনক কামত নিয়োজিত হোৱা, কম মজুৰি লাভ কৰা, অস্বাস্থ্যকৰ পৰিৱেশত কাম কৰা আদি সমস্যাৰ সন্মুখীন হয়। এনে অৱনমিত কৰ্ম-পৰিৱেশৰ ফলস্বৰূপে শিশুসকল স্বাস্থ্যজনিত গুৰুতৰ সমস্যাৰ সন্মুখীন হয়। ভাৰতত সস্তা শ্ৰম লাভৰ উদ্দেশ্যে স্বাৰ্থান্বেষী গোষ্ঠীয়ে ইচ্ছাকৃতভাৱে শিশু শ্ৰমিকৰ সৃষ্টি কৰে।
- ভাৰতত শিশু শ্ৰমিকৰ বিভিন্ন ৰূপ দেখা যায়, সেইবোৰৰ কিছুমান হৈছে বন্ধক শ্ৰম, দাসত্ব, বাধ্যতামূলক শ্ৰম, ঘৰুৱা শ্ৰমিক, শিশু পতিতাবৃত্তি, মাদকদ্ৰব্য সৰবৰাহত শিশুৰ অংশগ্ৰহণ, কৃষি ক্ষেত্ৰত শিশু শ্ৰমিক আদি।
- ভাৰতত শিশু শ্ৰমিকৰ সংখ্যা বৃদ্ধি পোৱাৰ বাবে বিভিন্ন কাৰক দায়ী। সেই কিছুমান কাৰক হৈছে পৰিয়ালৰ সামাজিক-আৰ্থিক অৱস্থা, শিক্ষাৰ প্ৰৱেশযোগ্যতাৰ অভাৱ, দৰিদ্ৰতা আৰু সামাজিক-আৰ্থিক পিছপৰা অৱস্থা, শিক্ষাৰ অভাৱ, মজুৰি শ্ৰম আৰু শ্ৰমিক বাহিনীৰ অংশগ্ৰহণ বৃদ্ধি, অতিজনসংখ্যা, শৈশৱৰ অশান্তি আৰু পিতৃ-মাতৃৰ আসক্তি তথা ৰোগজনিত সমস্যা, সস্তা শ্ৰমৰ বৃদ্ধি পোৱা চাহিদা, কন্যা শিশুৰ প্ৰতি বৈষম্যমূলক মনোভাব আদি।
- ভাৰতত শিশু শ্ৰমিকৰ সমস্যা মোকাবিলা কৰিবলৈ বহুতো বিধান অন্তৰ্ভুক্ত কৰা হৈছে। এই সাংবিধানিক ব্যৱস্থাসমূহৰ উপৰিও ভাৰতীয় সংসদে এই ক্ষেত্ৰত কেইবাখনো আইন গৃহীত কৰিছে। সেইবোৰৰ কিছুমান হৈছে— Child Marriage Restraint Act, 1929, Children (Pledging of Labour) Act, 1933, Employment of Children Act, 1938, Children Act, 1960, The Child Labour (Prohibition and Regulation) Act, 1986 আদি।

১৪.৮ অধিক জানিবলৈ

1. Agarwal, H.O. (2006). *Human Rights.* Allahabad: Central Law Publications.
2. Stephen, R.M. (2002). *Human Rights: Concepts and Perspectives.* New Delhi: Concept Publishing Company.
3. Syed, M.H. (2003). *Human Rights: The New Era.* New Delhi: Kilaso Books.
4. Yasin, Adil-ul & Upadhayay Archana (2004). *Human Rights.* New Delhi: Akansha Publishing House.

১৪.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ The Worst Forms of Child Labour Convention-এ দাসত্ব, শিশুৰ বিক্ৰী আৰু সৰবৰাহ, বন্ধক শ্ৰম, শিশু পতিতাবৃত্তি আদি শোষণমূলক প্ৰথাসমূহ নিষিদ্ধ কৰাৰ ব্যৱস্থা কৰিছে। ইয়াৰ লগতে সশস্ত্ৰ সংঘাতৰ সময়ত শিশুসকলক বাধ্যতামূলকভাৱে নিয়োগ কৰাৰ বিষয়টোও এই সম্মিলনে গুৰুত্বসহকাৰে উল্লেখ কৰিছে।

২ নং প্ৰশ্নৰ উত্তৰ ঃ

(i) বাধ্যতামূলক শ্ৰম ঃ এই ধৰণৰ শিশু শ্ৰমিকত শিশুসকলক তেওঁলোকৰ ইচ্ছাৰ বিপৰীতে কাম কৰিবলৈ বাধ্য কৰা হয়। বিভিন্ন অ-ৰাষ্ট্ৰীয় গোটে সশস্ত্ৰ সংঘাতৰ সময়ত শিশুসকলক নিয়োগ কৰে। সংঘাতময় পৰিস্থিতিত শিশুসকলক অত্যাচাৰ আৰু শোষণ কৰা হয়, আৰু বহু সময়ত তেওঁলোকক আন মানুহক হত্যা কৰা বা ক্ষতি কৰা কাম কৰিবলৈ বাধ্য কৰা হয়। সাধাৰণ পৰিস্থিতিতো শিশুসকলক ইচ্ছাৰ বিপৰীতে শ্ৰমিক হিচাপে কাম কৰিবলৈ বাধ্য কৰা দেখা যায়।

(ii) ঘৰুৱা শ্ৰমিক ঃ ভাৰতত শিশু ঘৰুৱা শ্ৰমিকৰ সমস্যা বিগত কেইবাটাও দশক ধৰি এক গুৰুতৰ সমস্যা হিচাপে বিদ্যমান। সমাজৰ নিম্ন স্তৰৰ সামাজিক গাঁথনি আৰু অৰ্থনৈতিক নিৰ্ভৰশীলতাই ভাৰতত শিশু ঘৰুৱা শ্ৰমিকৰ সংখ্যা বৃদ্ধি কৰিছে।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ

(i) পৰিয়ালৰ সামাজিক-আৰ্থিক অৱস্থা ঃ ভাৰতত শিশু শ্ৰমিকৰ সমস্যা পৰিয়ালসমূহৰ অৰ্থনৈতিক অৱস্থাৰ সৈতে জড়িত, বিশেষকৈ পৰিয়ালৰ শ্ৰমিক বাহিনীত সদস্যসকলৰ সংখ্যাৰ দৃষ্টিকোণৰ পৰা। পৰিয়ালৰ নিৰ্ভৰশীলতাৰ মাত্ৰাৰ ওপৰত নিৰ্ভৰ কৰি সেই পৰিয়ালৰ শিশুসকলে বিভিন্ন বিপজ্জনক কামত জড়িত হ'বলগীয়া হয়, যাৰ ফলত ভাৰতত শিশু শ্ৰমিকৰ সমস্যা বৃদ্ধি পায়।

(ii) শিক্ষাৰ প্ৰৱেশযোগ্যতাৰ অভাৱ ঃ ভাৰতত বহু ক্ষেত্ৰত শিশুসকল তেওঁলোকৰ মৌলিক শিক্ষাৰ অধিকাৰৰ পৰা বঞ্চিত হৈ থাকে। ভাৰতৰ হাজাৰ হাজাৰ গাঁৱত শিক্ষাৰ উপযুক্ত সুবিধা নাই। আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত হৈছে দৰিদ্ৰ পৰিয়ালসমূহ, যিসকলৰ সন্তানক বিদ্যালয়লৈ পঠোৱাৰ বাবে যথেষ্ট সম্পদ নাই। দৰিদ্ৰ শিশুসকলৰ বাবে সুলভ বিদ্যালয়ৰ অভাৱৰ ফলত তেওঁলোক অশিক্ষিত আৰু অসহায় হৈ পৰে। ইয়াৰ ফলত শেষত তেওঁলোক শিশু শ্ৰমিকৰ ফান্দত পৰে।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ Children Act of 1960, আৰু the Child Labour (Prohibition and Regulation) Act of 1986.

৫ নং প্ৰশ্নৰ উত্তৰ ঃ

(i) অনুচ্ছেদ ২৩ "মানৱ বাণিজ্য আৰু বাধ্যতামূলক শ্ৰম নিষেধ" বিষয়ত গুৰুত্ব আৰোপ কৰিছে। এই অনুচ্ছেদ অনুসৰি মানৱ বাণিজ্য, ভিক্ষা আৰু অনুৰূপ বাধ্যতামূলক শ্ৰমৰ সকলো ৰূপ নিষিদ্ধ কৰা হৈছে আৰু এই বিধানৰ কোনো উলংঘন আইন অনুসৰি শাস্তিযোগ্য অপৰাধ হিচাপে গণ্য কৰা হ'ব। ইয়াত এইটোও উল্লেখ আছে যে এই অনুচ্ছেদে ৰাষ্ট্ৰক জনস্বাৰ্থত বাধ্যতামূলক সেৱা আৰোপ কৰাত বাধা নিদিয়ে, কিন্তু এনে সেৱা আৰোপ কৰাৰ সময়ত ৰাষ্ট্ৰই কেৱল ধৰ্ম, জাতি, বৰ্ণ বা শ্ৰেণীৰ ভিত্তিত কোনো ধৰণৰ বৈষম্য কৰিব নোৱাৰিব।

(ii) অনুচ্ছেদ ২৪ অনুসৰি ১৪ বছৰৰ তলৰ কোনো শিশুক কোনো কাৰখানা বা খনিত নিয়োজিত কৰা বা অন্য কোনো বিপজ্জনক কামত নিয়োগ কৰা নিষিদ্ধ। এম চি মেহতা বনাম তামিলনাডু ৰাজ্য গোচৰত আদালতে লক্ষ্য কৰিছিল যে শিশু শ্ৰমিকৰ সমস্যাই ব্যাপক ৰূপ ধাৰণ কৰিছে। এই গোচৰত আদালতে শিশুসকলক ১৪ বছৰৰ তলত নিয়োগ নিষিদ্ধ কৰাৰ লগতে তেওঁলোকৰ শিক্ষাৰ ব্যৱস্থা কৰাৰ বাবে এক বিশেষ তহবিল গঠন আৰু পৰিয়ালৰ পিতৃ-মাতৃ বা সক্ষম প্ৰাপ্তবয়স্ক সদস্যসকলৰ বাবে নিয়োগৰ ব্যৱস্থা কৰাৰ দিশত বিস্তৃত নিৰ্দেশনা জাৰি কৰিছিল।

১৪.১০ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ শিশু শ্ৰমিকৰ সমস্যাৰ সৈতে মোকাবিলা কৰাৰ ক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় শ্ৰম সংস্থাৰ ভূমিকাৰ বিষয়ে চমুকৈ লিখক।

প্ৰশ্ন ২ ঃ ভাৰতত শিশু শ্ৰমিকৰ সমস্যাৰ বিভিন্ন ৰূপ আৰু প্ৰকৃতি পৰ্যালোচনা কৰক।

প্ৰশ্ন ৩ ঃ ভাৰতত শিশু শ্ৰমিকৰ উদ্ভৱৰ বাবে দায়ী বিভিন্ন কাৰকসমূহ ব্যাখ্যা কৰক।

প্ৰশ্ন ৪ ঃ ভাৰতত সন্ত্ৰাসবাদৰ সমস্যাৰ সৈতে মোকাবিলা কৰিবলৈ গ্ৰহণ কৰা বিভিন্ন সাংবিধানিক আৰু বিধানগত ব্যৱস্থাসমূহ আলোচনা কৰক।

****

References

1. Abraham M. Francis (1974). Dynamics of Leadership in Village India. Allahabad: Indian International Publication
2. Adisehiah S. Maleom, Mukherjee Pranab (1994). Decentralised Planning and Panchayati Raj. New Delhi: Concept Publishing Co.
3. Agarwal, H.O. (2006). Human Rights. Allahabad: Central Law Publications.
4. Ahuja, R. (2011). Social Problems in India. New Delhi: Rawat Publication.
5. Almond, G.A. and Verba, Sidney (1972). The Civic Culture: Political Attitudes and Democracy in Five Nations, Boston: Little Brown and Company.
6. Amin, S. (1974), "Modem Migration in Western Africa". London: Oxford University Press.
7. Annamalai V. (1996). Formation and Transformation of Power in Rural India. New Delhi: Discovery Publishing House.
8. Ashraf, Ali and Sharma, LN. (1995). Political Sociology: A New Grammar of Politics, University Press (India) Pvt Limited, New Delhi.
9. Bandyopadhyay D. and Mukherjee Amitava (2004). New Issues in Panchayati Raj. New Delhi: Concept Publishing Co.
10. Banerjee, B. (1986). Rural to Urban Migration and the Urban Labour Market. Delhi: Himalaya Publishing House.
11. Banerjee, D., & Mugga, R. (2002). Small Arms and Human Insecurity (Reviewing Participatory Research in South Asia), Regional Centre for Strategic Studies, Colombo, p 46
12. Bhattacharya, R. (2013). Behind Closed Door- Domestic Violence in India. New Delhi: Sage Publications.
13. Bilsborrow et al. (eds.) (1984). Migration Surveys in Low Income Countries. London: Croom Helm.
14. Brown, F. (1939). The Sociology of Childhood. New York: Prentice Hall.
15. Buckley, C.J. (1948). The Use of Schools as Direct Instrument of Democracy. London: University of London Press.
16. Bulsara, J.F. (1964). Problems of Rapid Urbanization in India. Bombay: Popular Prakashan.
17. Caldwell, J. C. (1969). African Rural-Urban Migration: The Movement of Ghana's Towns. Canberra: Australian National University Press.
18. Chandana, R.C. (1994). A Geography of Population: Concepts, Determinants and Patterns. New Delhi, Kalyani Publishers.
19. Chattopadhyaya, H. (1987). Internal Migration in India: A Case Study of Bengal. New Delhi: K.P. Bagachi & Company.
20. Chatterji, S.A. (1997). The Indian Women's Search for an Identity. New Delhi: Vikas Publishing House.

21. Derrienic, Jean-Pierre (1972). Theory and ideologies of violence, in Journal of Peace Research, Vol 9
22. Fernandes, Leela (2006). India's New Middle Class: Democratic Politics in an Era of Economic Reform. London. University of Minnesota Press.
23. Galtung, J.(1969). Violence, Peace and Peace research, JPR, pp- 167
24. Hust, E. (2004). Women's Political Representation And Empowerment In India: A Million Indiras Now? New Delhi: Manohar Publication.
25. Gupta, Ashwani (2016). Changing Demographics in India's Northeast and Its Impact on Security. KW Publishers Pvt Ltd.
26. Gurr, Ted Robert (2016). Why men rebel, Routledge.p-40
27. Hussain, M and Phanjoubam, P.(2007). A Status Report on Displacement in Assam and Manipur, Mahanirban Calcutta Research Group, Kolkata, p 05
28. Jayal, Niraja Gopal; Mehta Pratap, Bhanu (eds) (2010). Oxford Companion to Politics in India. New Delhi. Oxford University Press.
29. Jhunjhunwala, B. & Jhunjhunwala, M. (2004). Indian Approach To Women's Empowerment. Jaipur: Rawat Publication.
30. Janoski, Thomas. Alford, Robert R. Hicks, Alexander, M. & Schwartz, Mildred, A. (2005). Handbook of Political Sociology, Cambridge University Press, UK.
31. Misra, B.B. (1963). The Indian Middle Classes: Their Growth in Modern Times. London. Oxford University Press.
32. Pandey, A.K. (2002). Emerging Issues in Empowerment of Women. New Delhi: Anmol Publication Pvt. Ltd.
33. ani, S.P. and Pani, N. (ed) (2010). Essays on Contemporary Gender Issues. New Delhi: Hirmoli Press Publication.
34. Rathod, P. B. (2005). Fundamentals of Political Sociology. ABD Publishers, Jaipur
35. Rao, C.N. Shankar(2004). Sociology primary principles. New Delhi: S. Chand & company Ltd.
36. Roy, K.(1999). Women in Indian Politics. Delhi: Rawat Publication.
37. Srivastava, Usha (2011). Political Sociology, Kunal Books, New Delhi.
39. Stephen, R.M. (2002). Human Rights: Concepts and Perspectives. New Delhi: Concept Publishing Company.
40. Sumanlata (2010). Towards Empowering Women: Views And Reviews. New Delhi: Akansha Publishing House.
41. Syed, M.H. (2003). Human Rights: The New Era. New Delhi: Kilaso Books.
42. Varma, Pavan. (1998). The Great Indian Middle Class. New Delhi. Viking Publisher.
43. Verma, R.B.S., Verma, H.S. and Hasnain, N. (ed) (2007). Towards Empowering Indian Women: Mapping Specifics of Tasks in Crucial Sectors. New Delhi: Serials Publications.
44. Yasin, Adil-ul & Upadhayay Archana (2004). Human Rights. New Delhi: Akansha Publishing House.